

# ডিক্রুয়ার

চতুর্দশ সংখ্যা

১৯৯০-৯১

সম্পাদনা উৎপল সোণোৱাল

# ডিব্ৰুৱান

## ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

চতুৰ্দশ সংখ্যা

১৯৯০ - ৯১

## ঃ বেটুপাতৰ গৰ্ভত ঃ

০ ০ ০ জীৱন্ত প্ৰাণে কৰে আৰ্তনাদ,
অন্ধকাৰৰ ডায়েৰীত মানুহৰ চকুলোঁ !
এতিয়াই উদিত সূৰুযলৈ
আঙুলি টোৱাই ক'ব বিচাৰোঁ—
০ ০ ০ শোষিত - নিষ্পেষিত - জৰ্জৰিত,
আইৰ চকুলো !
দেখিছোঁ পুৱাৰ সূৰুযৰ হেঙুলি কিৰণ
চক্ৰান্তৰ মকৰাজালৰ মাজেদি
বাধাৰ প্ৰাচীৰ ভাঙি
আজুৰি আনিম আমি
ৰঙা সূৰুযৰ পোহৰ
পোহৰ !!

— তৰুণ গগৈ

## সম্পাদনা সমিতি ঃ

- সভাপতি ঃ অধ্যক্ষ ভৰত নাৰায়ণ জামুৱাৰ
  উপাধ্যক্ষ নন্দলাল বৰগোঁহাই।
- উপদেষ্টা মণ্ডলি ঃ অধ্যাপক ৰজনী শৰ্মা, অধ্যাপক দেও নাৰায়ণ মণ্ডল, অধ্যাপক প্ৰদীপ কুমাৰ চেতিয়া ফুকন।
- সম্পাদক ঃ উৎপল সোনোৱাল।
- সদস্য / সদস্যা ঃ উদয় শঙ্কৰ গগৈ. ইন্দ্ৰ গগৈ, ইন্দ্ৰ কোঁৱৰ. মনোৰঞ্জন বৰ্মন, একাদিত্য হাজৰীকা, ভাগ্যৰঞ্জন কোঁৱৰ, তপন শইকীয়া, সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা, শ্ৰীমতী তনুজা শইকীয়া, মনিশা বড়া, জুনুমনি বুঢ়াগোঁহাই।

## ঃ অৰ্পণ ঃ

যি সকল সাক্ষৰ তথা নিৰক্ষৰ অভিভাৱকে অনেক আশাৰ সপোন দেখি তেওঁলোকৰ পুত্ৰ কন্যাক শিক্ষাৰ মাণিক বুটলিবলৈ এই মহাবিদ্যালয়লৈ অধ্যয়নৰ বাবে পঠিয়াই, বহুজনেই এসাজ খাই এসাজ নেখাই অশেষ কষ্ট ও ত্যাগ স্বীকাৰ কৰিব লগীয়া হৈছে, সেই সকল ব্যক্তিলৈ— আলোচনীৰ এই সংখ্যাটি শ্ৰদ্ধাৰে অৰ্পণ কৰিলো।

সম্পাদক।

● **DIBRUAN**— *The Annual Journal of Dibru College* ● *VOL - XIV* ● *1990-91.*

□ প্ৰকাশক : ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ হৈ
শ্ৰীউংপল সোনোৱাল, সম্পাদক— ডিব্ৰুৱান।

□ বেটুপাতৰ শিল্পী : শ্ৰীতৰুণ গগৈ।

□ মুদ্ৰক : প্ৰিণ্টৱেল
লাচিত নগৰ
ডিব্ৰুগড় - ৭৮৬০০১
ফোন - ২২৩১৭

## : শুভেচ্ছা বাণী :

শ্ৰী উংপল সোনোৱাল
আলোচনী সম্পাদক
ডিব্ৰু মহাবিদ্যালয়

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বছেৰেকীয়া মুখপত্ৰ "ডিব্ৰুয়ান" খনিৰ প্ৰকাশ যাতে সুস্থ সাবলীল চিন্তা চৰ্চাৰে সমৃদ্ধ হয় সেই শুভেচ্ছা অৰ্পণ কৰিলোঁ।

ঐক্য আৰু সুস্থ লক্ষ্যই আমাৰ আৰ্দশ একতাই আমাৰ শক্তি। ইয়াৰ দ্বাৰাই মৃত্যু বিজয়ী ছন্দ বিচাৰি লব লাগিব জীৱন জীৱন অনুপম, মৰণ বিজয়ী সাধনা। এই সাধনাত যাতে ব্ৰতী হব পৰা সেই শুভইচ্ছাৰে—

ড° নিৰ্মলপ্ৰভা বৰদলৈ
সভানেত্ৰী
৫৭ তম অধিবেশন
অসম সাহিত্য সভা

# : এই সংখ্যাৰ মজিয়াত :


সম্পাদকীয়

● প্ৰবন্ধ চৰা :

* সূৰ্য্যৰ ওচৰৰ গ্ৰহ বুধ
  —ড° আশুতোষ ভট্টাচাৰ্য্য

* দৰিদ্ৰৰ দয়াৰ আধাৰ মাদাৰ টেৰেছা
  —ইমৰাণ হুছেইন

* বিকাৰগ্ৰস্ত যুৱ মানসিকতা
  —মনোৰঞ্জন বৰ্মন

* পৰিবেশ আৰু বংশানুক্ৰম
  —নৱজ্যোতি নেওঁগ

* পদাৰ্থৰ চতুৰ্থ অৱস্থা
  —ৰজনীকান্ত গগৈ

* জানি থোৱা ভাল
  —অধ্যাপক প্ৰদীপ কুমাৰ চেতিয়া ফুকন

* লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্যিক প্ৰতিভা
  —কল্যাণ কুমাৰ মিলি

● ৰস - ৰচনা :

* বেবেৰি বাং
  —অধ্যাপক প্ৰদীপ কুমাৰ চেতিয়া ফুকন

* কওঁকচোন
  —লাচিত হাজৰিকা

● গল্প :

* পাগল — তুলসী উপাধ্যায়
* ৰক্তিম — দেবানন্দ গগৈ
* সঙ্কল্প — মালবীকা পাত্ৰ
* ৰঙা ফুলৰ সুবাস — ডেভিদ কাদ্দাং
* দুৰাৰোগ্য — মুনীন দুৱৰা
* অৰ্থহীন — সঞ্জীৱ কুমাৰ দত্ত
* গল্প নহয় — সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা

● নাটক :

* সংঙ্কল্প — সোনমণি দাস

● কবিতা :

* মই ছহিদে কৈছো : সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা
* স্থিতপ্ৰজ্ঞ : সঞ্জীৱ কুমাৰ দত্ত
* বিদ্ৰোহ : গিৰিন্দ্ৰ কুমাৰ লাহন
* শান্তিৰ সন্ধানত : মোহিনী মোহন লিগিৰা
* বিজ্ঞান তুমি মহান : মনোৰঞ্জন কামান
* অপেক্ষা / সুন্দৰ : প্ৰসন্ন কুমাৰ চেতিয়া
* বিপ্লৱী : অৰূপ জ্যোতি দাস
* স্মৃতিৰ পৰশ : কল্যাণ কুমাৰ মিলি
* এমুঠি প্ৰেমৰ কবিতা : উৎপল সোনোৱাল
* পথিক : ভাগ্যৰঞ্জন কোঁৱৰ
* সংগ্ৰাম : অনুপ কুমাৰ লাহন
* বিননি : চেনিৰাম মিলি
* কি ? : ভাস্কৰ সোনোৱাল

● প্ৰতিবেদন :

বিভাগীয় সম্পাদক / সম্পাদিকাৰ


→

☐ ***ENGLISH SECTION :***

★ **CONTENTS :**


● **The New Industrial Policy and the Prospeets of Industrialisation in India,**
*—Dr. Romiza Khatun.*

● **Conversion of Saline water into Fresh Water.**
*—Prof. Sarbjeet Ojha.*

● **A Street - Girl** *(Poem)*
*—Prof. D. N. Mondal.*

● **Conservation of Energy and Use of Non - Conventionel Sources.**
*—Suresh Gogoi.*

● **LIFE : What Gita says about life.**
*—Monoranjan Borman.*

● **Arithmetrical Operation in Hindu Mathematics.**
*—Prof. P. K. Chetia Phukan.*

● **Nuclear Fission and Fusion in Brief.**
*—Monjeet Borthakur.*

## ঃ কৃতজ্ঞতা স্বীকাৰ ঃ

- মহাবিদ্যালয়ৰ অধ্যক্ষ
  শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ চাৰলৈ।

- মহাবিদ্যালয়ৰ উপাধ্যক্ষ
  শ্ৰীযুত নন্দলাল বৰগোঁহাই চাৰলৈ।

- বিভিন্ন দিশত বিভিন্ন সময়ত দিহা পৰামৰ্শ তথা সহায় কৰা, প্ৰবক্তা শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন চাৰ, শ্ৰীযুত ৰজনী শৰ্মা, দেও নাৰায়ণ মণ্ডল, চন্দ্ৰগুপ্ত বৰা, বিৰেন বৰুৱা চাৰলৈ আৰু মহেশ কুমাৰ জৈন চাৰলৈ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

- চিৰ শ্ৰদ্ধেয় ড' ভূপেন হাজৰিকা আৰু কবি ৰাম গগৈ দেৱলৈ।

- বিভিন্ন লেখনিৰে আলোচনী খন যুগুতাই উলিওৱাত সহায় কৰা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবী আৰু অধ্যাপক-অধ্যাপিকা সকললৈ

- বেটুপাতৰ শিল্পী বন্ধুবৰ শ্ৰীতৰুণ গগৈলৈ

- বন্ধু সৰ্বশ্ৰী সঞ্জীৱ নাৰায়ণ চাওদাং বৰুৱালৈ, মনোৰঞ্জন বৰ্মন, প্ৰেমানন্দ সোনোৱাল, তপন শইকীয়া, উদয় শঙ্কৰ গগৈ, ইন্দ্ৰ গগৈ, একাদিত্য হাজৰীকা, ভাগ্যৰঞ্জন কোঁৱৰ, অৰুণ সোনোৱাল, সোণমণি দাস, জ্ঞাত-অজ্ঞাত সকলো শুভাকাংক্ষীলৈ।

- মহাবিদ্যালয়ৰ ১৯৯০-৯১ তথা ৯১-৯২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়ালৈ।

- ছপাশাল 'প্ৰিণ্টৱেল'ৰ স্বত্বাধিকাৰ ৰাণা দা তথা কৰ্মচাৰী বৃন্দলৈ।

- শুভেচ্ছা বাণী পঠিওৱা ড' নিৰ্মল প্ৰভা বৰদলৈ বাইদেউ লৈ।
  সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

---

**Bhupen Hazarika**
77B, GOLF CLUB ROAD, TOLLYGUNGE, CALCUTTA-700033 ● PH: 46-9415
REGENCY APTS-B, FLAT 301/302, SWAMI SAMARTH NAGAR, ANDHERI WEST, BOMBAY-400058 ● PH: 6266760, 6266720

শ্ৰীযুত পল্লৱ সোনোৱাল
সম্পাদক, 'ত্ৰিকুয়ান',

১৬/৩/৯২

প্ৰবীণ আৰু এই মহাবিদ্যালয়ৰ নবীন [illegible] (লিখক) সকলক শুভেচ্ছা দিলোঁ, — এই আলোচনী অসমৰ সাহিত্যলৈ উজ্জ্বল বুলি [illegible], মই আশা কৰোঁ ইয়েই॥

মই এই সুন্দৰ আলোচনীৰ প্ৰকাশৰ সময়ত ১৩০ বছৰ আগৰ [illegible] 'ত্ৰিকুয়ান'লৈ আশা কৰিলোঁ॥ মই [illegible] সমসাময়িক [illegible]॥

তেজপুৰৰ এই মহাবিদ্যালয়ৰ দেশ সাজোঁ সাহিত্যকৰ্মী হওক। মোৰ আৰু অনুৰাগ, স্নেহ, [illegible] তোমালোক আশীষ —

ভূপেন হাজৰিকা

## ঃ ড° ভূপেন হাজৰিকাৰ এটি গীত ঃ



**এই** ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ
পুৰণি শত শত
ব'হাগ মাহৰ
জহি খহি যোৱা
মূল্যবোধৰ
মৈদাম খান্দি খান্দি
হাড়বোৰ নিকা কৰি
অস্ত্ৰ সাজি সাজি
লৈ নিশ্বাস।
কোনে বাৰু হাঁহি হাঁহি
শোষণ সেনানীৰ
কৰিছে বিনাশ ?
এই ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ ॥

পুৰণি ব'হাগ ক্লান্ত আছিল
পুৰণি চিন্তা অশান্ত নাছিল
আজিৰ ব'হাগ যেন বলিয়া বসন্ত
থিয় হৈছেহি এক তৰুণ দুৰন্ত।
মৃত্যুৰে সখা পাতি
ৰঙালে ফাগুন
ব'হাগত দেখিছেহি
নিঠুৰ শগুন ॥

এই ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ ॥

দেশৰ মাটিত তাৰ
ভৰি দুটা আছে
ক'লা ক'লা চুলিবোৰে
চুইছে আকাশ
বাহু দুটা মেলি
সি বুটলিছে তৰা
কণ্ঠত যুক্তিৰ মুক্ত প্ৰকাশ
আকাশে ঢালে নতুনৰ বৰষুণ
ঢোল বাই নাচে দুৰন্ত তৰুণ
এই ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ ॥ + + +

: অতিথি কবি— শ্ৰীযুত ৰাম গগৈৰ কবিতা :

## ঃ মোৰ অনুভৱৰ মাজত ঃ

[১]

মোৰ অনুভৱৰ মাজত
তুমি—
পুৱতি নিশাৰ হিমে ধোৱা
এপাহি খৰিকা জাঁই
বুকু জুৰি
কি অনিন্দ্য বেথাৰ সুবাস।



মোৰ অনুভৱৰ মাজত
তুমি –
এগছি সান্ধ্য প্ৰদীপ
জ্বলি আছা মোৰ
মনৰ গহনত
আলোকিত কৰি মোৰ হৃদয়,
কি মধুৰ সেই দহনৰ জ্বালা-
কি আশ্চৰ্য উত্তাপ।

মোৰ অনুভৱৰ মাজত
তুমি
বিষাদ ৰাতিৰ
জোনাকী সখী,
তুমি গুন গুনাই আছা
প্ৰতিটো মুহূৰ্তত
মোৰ বুকুৰ মাজত
মোৰ কবিতাত
তোমাৰ নামৰ সুৰভি

অনুভৱতেই আঁকি দিওঁ
মোৰ সখীৰ দুখনি পদুম ওঁঠত
খনিকৰ এটি দুটি পলৰীয়া চুমা। ●

→

## ঃ এটি প্ৰেমৰ কবিতা ঃ

[২]

কেতিয়া বসন্ত আহিল,
তোমাৰ মনৰ পদূলিৰ এজুপি গোলাপ,
কেতিয়া ফুলিল!

তোমাৰ মনৰ পদূলিৰ এজুপি গোলাপ,
কোনে চিঙিবহি সেই তেজীমলা ফুল,
দুৱাৰিৰ অচিনাকি
কোননো পথিক আহি
মেলি দিব হাত,
কোনে মাতিবহি আথে বেথে
প্ৰখাৰ আঐ দেহি চেনেহৰ মাত।

কি বুলি জনাবা তুমি
সেই অচিনাকি পথিকক
তোমাৰ অনাদৃত হৃদয় সংবাদ
কবা নেকি :
'নিচিঙিবা ফুল,
নালাগে শুনিব মোৰ বেদনাৰ ইতিহাস।'
তোমাৰ মনৰ পদূলিৰ এজুপি গোলাপ,
মনোৰমা,
খুলি দিয়া হৃদয়ৰ বন্ধ খিৰিকি,
অবাধে আহক সোমাই
অপৰূপ ৰূপালী জোনাক,
আৰু
সেই গোলাপৰ মধুৰ সুবাস। +++

---

★ [মাটিৰ স্বপ্ন ৰচি ৰচি সাৰুৱা মাটিৰ গোন্ধ লোৱা আমাৰ অতিথি, জনতাৰ কবি শ্ৰীযুত ৰাম গগৈদেৱে আমাৰ অনুৰোধ ৰক্ষা কৰি দুটি কবিতা "ডিব্ৰুয়ানলৈ" আগবঢ়াই যি সৌষ্ঠৱ বৃদ্ধি কৰিলে তাৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। —সম্পাদক] ★

# সম্পাদকীয়

ডিব্ৰুৱান * চতুৰ্দ্দশ সংখ্যা
১৯৯০ - ৯১



জয়-জয়তে মহাবিদ্যালয়ৰ সকলোলৈকে মোৰ আন্তৰিক অভিনন্দন জনাই সম্পাদকীয় আৰম্ভ কৰিছোঁ আৰু আলোচনীখন উপযুক্ত সময়ত প্ৰকাশ কৰি উলিয়াব নোৱাৰাৰ বাবে আৰম্ভণীতে ক্ষমা বিচাৰিছোঁ। 'Style' শব্দটোৰ অসমীয়া প্ৰতিশব্দ বিচাৰি নাপাওঁ তথাপি সাম্প্ৰতিক কালত ইয়াৰ প্ৰয়োজন আৰু প্ৰয়োগ আমি নেদেখাকৈ বা অনুভৱ নকৰাকৈ থকা নাই। 'Style' শব্দটোৰ অৰ্থ যথেষ্ট বহল। মণিষী কাৰ্লাইলে ইয়াৰ Defination এইদৰে দিছে— "It is not the coat of a writer but his skin." অৰ্থাৎ এজন লিখকৰ বাবে Style বাহ্যিক আবৰণ নহয় ই গাৰ ছালহে। এই বিষয়ে বেছি নকলেও নিশ্চয় আপোনালোকে উপলব্ধি কৰিব পাৰিছে।

## সাহিত্যই জাতিৰ দাপোন।

মুখপত্ৰ 'ডিব্ৰুৱানে' তথা অন্যান্য লিখনিৰ যোগেদি কোনো এখন অনুষ্ঠানক প্ৰতিফলিত কৰাৰ লগতে সাম্প্ৰতিক অসমৰ বিভিন্ন সমস্যা ৰাজী প্ৰতিফলিত কৰাৰ সুযোগ দিছে। সাহিত্যৰ বিষয়ে বেছিকৈ কব বিচৰা নাই বা ইয়াৰ বিষয়ে কৈও অঁতাব নোৱাৰি। কিন্তু বৰ্তমান কালত সাহিত্য চৰ্চা কৰাতো অত্যন্ত আৱশ্যক হৈ পৰিছে। পৃথিৱীৰ বিভিন্ন সাহিত্যৰ স'তে খোজত খোজ মিলাই যাবলৈ হ'লে আমাৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰী সকলেও যথেষ্ট সহযোগিতা আগবঢ়োৱাতো কৰ্ত্তব্য। কোনো এটা জাতিৰ চৰিত্ৰ সাহিত্যৰ যোগেদি চিনাকি পাব পাৰি। সেয়েহে আমি সকলোৱে সাহিত্য চৰ্চা কৰি উন্নত সাহিত্যৰ সৃষ্টি কৰি জাতিৰ সাহিত্যক চহকী কৰাৰ চেষ্টা কৰা উচিত। কেৱল সাহিত্য ৰচনা কৰিলেই নহ'ব সকলোৰে সাহিত্যৰ প্ৰতি শ্ৰদ্ধা, আগ্ৰহো থকিব লাগিব। মহাবিদ্যালয়ৰ

মুখপত্ৰ খনৰ যোগেদি বছৰটোৰ লেখক - লেখিকা তথা শিল্পী সকলৰ প্ৰতিভাক বিকশিত কৰাটো নিশ্চয় সম্ভৱ নহয় যদিও ই এই ক্ষেত্ৰত যে যথেষ্ট কৰিছে তাক কোনেও নুই কৰিব নোৱাৰে। অপ্ৰকাশৰ বেদনাত ভুগি থকা নবীন লেখক - লেখিকা সকলৰ বাবে চৰকাৰে প্ৰকাশকৰ ভূমিকা ল'লে সুফল পোৱা যাব আৰু আমাৰ সাহিত্যৰ পয়োভৰ বাঢ়িব। একক ব্যক্তিগত প্ৰচেষ্টাৰে এইবোৰ সমাধান কৰা সম্ভৱ নহয়। এইক্ষেত্ৰত চাৰ-বাইদেউ তথা সমূহ ছাত্ৰ - ছাত্ৰীৰ উপদেশ, উৎসাহ তথা সহযোগিতাৰ একান্ত প্ৰয়োজন আছে।

## বৰ্তমান সময়ত শিক্ষাৰ মানদণ্ড টিমিক টামাক চাকিৰ দৰে।

এই কথা অন্য নহ'লেও আমি প্ৰতিটো পৰীক্ষাৰ ফলাফলৰ পৰা বুজিব পাৰোঁ। বিশেষজ্ঞ সকলে ইয়াৰ কাৰণ অৱগত কৰিলেও ছাত্ৰ ছাত্ৰী সকল একান্ত অধ্যয়ণ শীল নহ'লে শিক্ষাৰ মানদণ্ড ঘূৰাই অনা সম্ভৱ নহয়। এই ক্ষেত্ৰত শিক্ষা বিভাগৰ কৰ্তৃপক্ষও যথেষ্ট সচেতন হ'ব লাগিব বহু সময়ত এই বিভাগৰ অৱহেলা আমাৰ চকুত পৰে। বিভিন্ন সমস্যাত পৰিয়েই হওক বা অন্য কাৰণতেই হওক সময়মতে পাঠদান, পৰীক্ষা বিলাক অনুষ্ঠিত কৰা বা ফলাফল বিলাক ঘোষণা কৰা নহ'লে ছাত্ৰ - ছাত্ৰী যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। আমাৰ পাঠ্যক্ৰমৰ সময় যথেষ্ট দীঘল নহয়। গতিকে এই সময়-ছোৱাত প্ৰত্যেকজন ছাত্ৰ - ছাত্ৰীয়ে ঠিকমতে পঢ়াশুনা নকৰিলে ভাল ফল পোৱা সম্ভৱ নহয়। বিদ্যা মানৱ সমাজৰ অমূল্য ধন। বিদ্যা থাকিলে প্ৰতি ক্ষেত্ৰত আগবাঢ়িবলৈ আমি যথেষ্ট সাহস গোটাব পাৰোঁ। কিন্তু বৰ্তমান কালত আমাৰ শিক্ষা কেৱল চাকৰিমুখী শিক্ষা হৈ পৰিছে। অৰ্থৰ প্ৰাধান্যইও শিক্ষাৰ মানদণ্ডৰ অৱনতি ঘটাইছে। এই বিলাক দুৰ্নীতি গা কৰি উঠিব নোৱাৰাকৈ আমি আটায়ে ইয়াৰ বিৰুদ্ধে থিয় দিয়াটো অতি আৱশ্যক হৈ পৰিছে। এটা সুস্থ সবল শৈক্ষিক বাতাবৰণ সৃষ্টি কৰিবলৈ আমি আটাইয়ে সতৰ্ক হ'ব লাগিব। এইখিনি কৰিবলৈ আমি প্ৰত্যেকেই ত্যাগ স্বীকাৰ কৰিব লাগিব। লগতে আমাক লাগিব এটা শৃংখলাবদ্ধ পাঠ্যক্ৰম ব্যৱস্থা যিয়ে আমাক সংস্থাপিত হোৱাৰ নিশ্চয়তা দিব পাৰে।

## আমাৰ দেশত মূল্যবৃদ্ধি এটা জ্বলন্ত সমস্যা হৈ থিয় দিছে।

বৰ্তমান সময়ত বস্তুৰ মূল্য যিদৰে বাঢ়িছে টকাৰ মূল্যও সেইদৰে হ্ৰাস পাইছে বুলি আমি প্ৰত্যেকেই বুজি পাইছোঁ। কিন্তু ইয়াৰ নিৰ্মম কুপ্ৰভাৱ ভোগ কৰিছে সমাজৰ দুখীয়া শ্ৰেণীটোৱে, দুখীয়া ছাত্ৰ - ছাত্ৰীসকলে। কিতাপ পত্ৰ আৰু শিক্ষাৰ প্ৰয়োজনীয় আহিলা সমূহৰ দাম যি দ্ৰুতগতিত বৃদ্ধি হৈছে পঢ়াশুনা কৰাটো এটা ডাঙৰ সমস্যা হৈ থিয় দিছে। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ ইমান বছৰৰ পাছতো পঢ়াশুনা বা অন্যান্য ক্ষেত্ৰত ছাত্ৰ - ছাত্ৰী বা অভিভাৱকসকলে অন্যৰ ওচৰত হাত পাতিব লগা হৈছে টকাৰ বাবে। গতিকে মই কওঁ যে অথনৈতিক স্বাধীনতাৰ বিনে ৰাজনৈতিক স্বাধীনতা বিচৰাটো মূল্য হীন কথা। আমি মূল্যবৃদ্ধি ৰোধ কৰিবলৈ বজাৰ নিয়ন্ত্ৰণ কৰিব লাগিব। মুল্যবৃদ্ধি ৰোধ কৰাত ছাত্ৰ - ছাত্ৰী তথা সকলোৱে দৃঢ় পদক্ষেপ ল'ব লাগিব। সুলভ মূল্যৰ দোকানৰ জৰিয়তে চৰকাৰে দ্ৰব্য মূল্য ৰোধ কৰিছে যদিও উপযুক্ত সময়ত সকলো বিলাক দ্ৰব্য নোপোৱাটো পৰিলক্ষিত হয়। ডিব্ৰুগড় জিলাতে অহৰহ খাৰুৱা তেল ওলাই আছে তথাপি কেৰাচিন তেলৰ হাহাকাৰ, কাচিং পালেও চৰাদামত কিনিবলগীয়া কথাটো মনকৰিবলগীয়া। অসমক খাৰুৱা তেল ৰয়েলিটি বৃদ্ধি কৰি দিব লাগে। তেতিয়াহে অৰ্থনৈতিক বিকাশৰ পথ আংশিক ভাবে হ'লেও মুকলি হ'ব। অসমৰ সেউজী চাহবাগিছা বৃত্ৰিছে পাতিছিল সচা কথা, কিন্তু মাটিবিলাকতো অসমৰ। অসমৰ বুকুত হোৱা চাহ নীলাম কেন্দ্ৰ কলিকতাত থকাৰ কথাতো আমি বুজি নাপাওঁ (?) অৱশ্যে গুৱাহাটীত এটা পুতলা চাহ নীলাম কেন্দ্ৰ থকাটো-নুই নকৰো। এইবিলাক অৰ্থনৈতিক বিকাশৰ বাবে চৰকাৰে উপযুক্ত ব্যৱস্থা ললেহে আমাৰ আৰ্থিক উন্নতি হ'ব আৰু প্ৰকৃত নাগৰিক স্বাধীনতা পাম।

## বিভিন্ন সমস্যাৰে জৰ্জৰিত মোৰ অসম দেশ।

যলৈকে যাওঁ কথাৰ আৰম্ভ এই সমস্যাবোৰেৰেই কৰা দেখা যায়। কিন্তু কি হ'ব চিন্তা কৰিব জানিলেই সমস্যাৰ সমাধান নিশ্চয় নহয়। আহোম ৰাজত্ব কালতে সজা অসমৰ ৰাস্তা বহুত আছে কিন্তু সেইবিলাকত বৰ্তমান বাৰিষা চাইকেল চলোৱাতো বাদেই আনকি খোজকাঢ়ি যাবলৈও পেণ্ট, মেখেলা আঁঠুৰ ওপৰত ধৰি খেপিয়াই খেপিয়াই যাব লাগে। আমি সৰু মানুহ যেতিয়া সৰু সৰু উদাহৰণবোৰকে দিছো। মহাবিদ্যালয় তথা স্কুলবিলাকৰ আভাৱ অভিযোগ বিলাকৰ কথাটো আছেই মুঠতে এশ এবুৰি সমস্যাৰ কথা লিখিলে মোৰ সম্পাদকীয় লিখা নহ'বগৈ।

অসমৰ ভাষাগত সমস্যাইও কেতিয়াবা কেতিয়াবা গা কৰি উঠা দেখা যায় ।

অসমীয়াৰ আচল পৰিচয় ভাষাগত নহয় সাংস্কৃতিক পৰিচয়হে আচল পৰিচয় । এজন অনা অসমীয়া লোকেও অসমীয়া সুন্দৰ কৈ কব আৰু লিখিব পাৰিব পাৰে । কিন্তু অসমত এনেকুৱাও কিছুমান ভিতৰুৱা গাওঁ আছে, যত তেওঁলোকৰ মাত্ৰ সাম্প্ৰদায়িক ভাষাটোহে ব্যৱহাৰ কৰে, অসমীয়া ভাষাটো ভালদৰে বা শুদ্ধকৈ কব নোৱাৰিবও পাৰে. তেওঁলোক কি অসমীয়া নহয় নেকি ? গতিকে ভাষাগত পৰিচয়েৰে অসমীয়া বুলি কোৱাটো মই প্ৰতিবাদ কৰো । অসমত বিভিন্ন জাতি - উপ জাতি আছে, এই জাতি - উপজাতি বিলাকৰ নিজস্ব সাংস্কৃতিক বৈশিষ্ট আছে । গতিকে সকলো জাতি - উপজাতিৰে সাংস্কৃতিক সমন্বয় ঘটিলেহে আমাৰ সমাজত দেখাদিয়া বিছিন্ন মনোভাৱ বিলাক দূৰ হব, আমি সুন্দৰ তথা সোণৰ অসম গঢ়াত ভেদা ভেদৰ প্ৰাচীৰ ভাঙি প্ৰতি হিংসাৰ ভাৱ ত্যাগ কৰি প্ৰগতিৰ পথত আগবাঢ়ি যাবলৈ নিশ্চয় পাৰিম ।

## ব্যক্তিগত :

মোক 'ডিব্ৰুয়ান'ৰ সম্পাদক হিচাবে সেৱা আগবঢ়াবলৈ সুযোগ দিয়া ছাত্ৰ - ছাত্ৰী, বন্ধু - বান্ধৱী সকলৈলে ব্যক্তিগত কলমৰ আৰম্ভনীতে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । আলোচনী এখন প্ৰকাশ কৰি উলিওৱা তেনেই সহজ বুলিয়ে ভাবিছিলোঁ। এতিয়া যথেষ্ট কষ্ট বুলি অন্ততঃ কব লাগিব । সকলোৱে নিজৰ নিজৰ কামতে ব্যস্ত, তেনেকৈ সহায় সাৰথিও সেৰেঙা । প্ৰথমতে টকা পইচাৰ সমস্যাই পলম হোৱাৰ প্ৰধান কাৰণ । বহু সময়ত হতাশ হৈয়ে পৰিছিলো । অনুকুল পৰিবেশৰ অভাৱৰ বাবেই ছাত্ৰ - ছাত্ৰী, লেখক - লেখিকা সকল মাজত স্থবিৰ হৈ পৰাৰ ওমান পাইছিলো কাৰণ সাহিত্যৰ সৃষ্টি কৰিবলৈ এটা অনুকুল পৰিবেশ লাগে নিশ্চয় । আলোচনীখন সৰ্ব্বাঙ্গ সুন্দৰ কৰি উলিয়াবৰ বাবে চেষ্টা কৰিছিলো যদিও বিভিন্ন অজানিতে আহি পৰা কামৰ ভীৰৰ মাজতে মই 'ডিব্ৰুয়ান'খন আপোনালোকৰ হাতত তুলি দিবলৈ পাই সুখী হৈছোঁ । বিচাৰ্য্য আপোনালোকৰ । আলোচনীখনৰ অজানিতে ৰৈ যোৱা ভুল - ক্ৰটিৰ মাৰ্জনা বিচাৰিছোঁ আৰু আলোচনী খনে আপোনালোকৰ আদৰ পালে সুখি হব পাৰিম ।

'ডিব্ৰুয়ান' খন প্ৰকাশৰ বিভিন্ন সময়ত দিহা পৰামৰ্শ তথা সহায় সহযোগ আগবঢ়োৱা শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন চাৰ, ৰজনী শৰ্মা, দেও নাৰায়ণ মণ্ডল চাৰ, নন্দলাল বৰগোহাঁই চাৰ আৰু সকলো শিক্ষা গুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলী তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

প্ৰথমৰ পৰা শেষলৈ সহায় সহযোগ আগবঢ়োৱা বন্ধু সঞ্জীৱ, ইন্দ্ৰ, তপন, মনোৰঞ্জন, অৰুণ, উদয়, সান্তনা, নিৰুপমা কোঁৱৰ তথা সকলো নাম থকা নথকা বন্ধু বৰ্গলৈ অন্তৰভৰা কৃতজ্ঞতা যাচি মোৰ সম্পাদকীয় শেষ কৰিলো । ●

ভৱদীয়



'সমদলৰ শেষৰ মানুহজনে জনা
নাছিল
তেওঁ যে এটা নতুন সমদলৰ
আগশাৰীত'

– নৱকান্ত বৰুৱা

## মহাবিদ্যালয়ৰ অধ্যক্ষ



শ্ৰীযুত ভৰত নাৰায়ণ জামুৱাৰ

## 'ডিব্ৰুৱান'ৰ সম্পাদনাৰে ক্ষেত্ৰত



বাওঁফালৰ পৰা ক্ৰমে :

বহি : ভাগ্যৰঞ্জন কোঁৱৰ (সদস্য) শ্ৰীযুত ৰজনী শৰ্মা (উপদেষ্টা) শ্ৰীযুত নন্দলাল বৰগোহাঁই (উপাধ্যক্ষ) উৎপল সোণোৱাল (সম্পাদক, ডিব্ৰুৱান) একাদিত্য হাজৰীকা (সদস্য) মনোৰঞ্জন বৰ্মন (সদস্য)

থিয় হৈ : ইন্দ্ৰ কোঁৱৰ (সদস্য) ইন্দ্ৰ গগৈ (সদস্য) জুনুমণি বুঢ়াগোহাঁই (সদস্যা) মনিষা বৰা (সদস্যা) তনুজা শইকীয়া (সদস্যা) উদয় শংকৰ গগৈ (সদস্য)

ছবিত নাই : তপন শইকীয়া, সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা (সদস্য) শ্ৰীযুত ডি.এন.মণ্ডল আৰু প্ৰদীপ চেতিয়া ফুকন (উপদেষ্টা)

* প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ *

০০০০ প্ৰবন্ধ হ'ল চুম্বক পাণ্ডিত্যপূৰ্ণ বিশ্লেষণশীল মনৰ এবিধ উপাদেয় সাহিত্য। প্ৰবন্ধকাৰৰ প্ৰকাশ ভঙ্গীত নিজা এটা পৰিসৰ, স্বাধীন আৰু গতিশীল মনৰ সোঁত আছে। ০০০

# প্ৰবন্ধ

চতুৰ্দশ - সংখ্যা

১৯৯০–৯১


- ☐ সূৰ্য্যৰ ওচৰৰ গ্ৰহ বুধ : ডঃ আশুতোষ ভট্টাচাৰ্য্য
- ☐ দৰিদ্ৰৰ দয়াৰ আধাৰ : ইমৰাণ হুছেইন মাদাৰ টেৰেছা
- ☐ বিকাৰগ্ৰস্ত যুৱ মানসিকতা : মনোৰঞ্জন বৰ্মন
- ☐ পৰিৱেশ আৰু বংশানুক্ৰম : নৱজ্যোতি নেওঁগ
- ☐ বেবেৰি বাং : প্ৰদীপ কুমাৰ চেতিয়া ফুকন (ৰস-ৰচনা)
- ☐ পদাৰ্থৰ চতুৰ্থ অৱস্থা : ৰজনীকান্ত গগৈ
- ☐ জানি থোৱা ভাল : প্ৰদীপ কুমাৰ চেতিয়া ফুকন
- ☐ লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্যিক প্ৰতিভা। : কল্যাণ কুমাৰ মিলি

প্ৰবন্ধ

# ঃ সূৰ্য্যৰ ওচৰৰ গ্ৰহ বুধঃ

ড° আশুতোষ ভট্টাচাৰ্য্য
গণিত বিভাগ

সৌৰজগতত বুধ, শুক্ৰ, পৃথিবী, মঙ্গল, বৃহস্পতি শনি, ইউৰেনাছ, নেপচুন আৰু প্লুটো যি ন'টা গ্ৰহ আছে, তাৰ ভিতৰত বুধ, শুক্ৰ, পৃথিবী আৰু মঙ্গল গ্ৰহক অন্তৰ্গ্ৰহ, বৃহস্পতি আদি বাকী পাঁচোটা গ্ৰহক বহিৰ্গ্ৰহ বোলে। বুধ, শুক্ৰ, পৃথিবী আৰু মঙ্গল অন্তৰ্গ্ৰহ, কিয়নো এই গ্ৰহ কেইটাৰ কক্ষপথ সূৰ্য্য আৰু অ্যাষ্টৰয়ডৰ কক্ষপথৰ ভিতৰত !

বুধ সম্বন্ধে আলোচনা আৰম্ভ কৰাৰ আগতে ইয়াৰ সম্পৰ্কে দুটা মান কথা জানি ললে ভাল হব। ন'টা গ্ৰহৰ, ডাঙৰ (Major) গ্ৰহবোৰৰ ভিতৰত বুধ হল আটাইতকৈ সৰু। ইয়াৰ ব্যাস হল ৪৮৭৮ কিঃমিঃ। তুলনাত পৃথিবীৰ ব্যাস হল ১২০০০ কিঃমিঃ তকৈ অলপ বেছি। সূৰ্য্যৰ পৰা বুধৰ দূৰত্ব ৫৬ × ১০$^{৬}$ কিমিঃ আৰু বুধ যিহেতু পৃথিবীৰ ওচৰলৈ আহে সেয়ে পৃথিবীৰ পৰা বুধৰ দূৰত্ব হল ৭৭ মিলিয়ন কিমিঃ। সূৰ্য্যৰ চাৰিওপিনে ঘূৰি থাকোতে ইয়াৰ বেগ প্ৰতি চেকেণ্ডত ৫৬ কিমিঃ ৰ পৰা তাৰতম্য হয় প্ৰতি চেকেণ্ডত ২৫ কিঃমিঃ হয়। পৃথিবীৰ যেতিয়া আবৰ্ত্তন সময় ৩৬৫ দিন, তুলনাত বুধে সময় লয় ৮৮ দিন মাথোন। নিজ অক্ষৰ চাৰিওপিনে ঘূৰি আঁহোতে পৃথিবীয়ে যেতিয়া সময় লয় ১ দিন, বুধৰ সময় লাগে ৫৮·৬ দিন। অৰ্থাৎ কবলৈ গলে পৃথিবীৰ ৫৮·৬ দিন সময় বুধৰ ১ দিনৰ সমান।

যোৱা তিনি চাৰি দশক ধৰি মঙ্গল· শুক্ৰ নাইবা চন্দ্ৰ সম্পৰ্কে জানিবৰ বাবে বিজ্ঞানী সকলে যিবোৰ প্ৰচেষ্টা চলাই আছে, তাৰ ১ শতাংশও বুধ সম্পৰ্কেও হোৱা নাই। একমাত্ৰ মেৰিনাৰ —১০ এই আন্তঃগ্ৰহযানটোৱে বুধ সম্পৰ্কে বিভিন্ন তথ্য বিজ্ঞানী সকলক যোগান দিছে। ১৯৭৩ চনৰ নভেম্বৰৰ ৩ তাৰিখে মেৰিনাৰ - ১০ উৎক্ষেপন কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল মঙ্গল গ্ৰহ। শুক্ৰৰ ওচৰেদি পাৰ হঁওতে মেৰিনাৰ - ১০ বুধৰ ভালেখিনি অঞ্চলৰ ছবি গ্ৰহণ কৰে আৰু পৃথিবীত পঠায়। সেই তথ্যৰ পৰা আমি জানিব পাৰিছো যে বুধৰ পৃষ্ঠদেশ চন্দ্ৰৰ নিচিনা একে ধৰণৰ। তাত দেখা গৈছে সৰু ডাঙৰ বহুতো পৰ্বত

আৰু আগ্নেয়গিৰিৰ জ্বলামুখ। ইয়াৰ পৰা বিজ্ঞানী সকলে এইটো ধাৰণা কৰিছেযে সৃষ্টিৰ সময়ত বুধ বৰ উত্তপ্ত আছিল ; লাহে লাহে যেতিয়া চেচা হৈ সংকুচিত হব ধৰিলে ফলত ইয়াৰ পৃষ্ঠদেশ ওপৰলৈ ডাঠ পৰ্ব্বত মালাৰ সৃষ্টি কৰিলে।

মেৰিনাৰ ১০ এ পঠোৱা তথ্যবোৰ চালিজাৰি চাই বিজ্ঞানী সকলে পাইছে যে বুধৰ ঘনত্ব হৈছে প্ৰতিঘন চেমিঃৰত ৫.৪৪, তুলনাত পৃথিবীৰ ঘনত্ব হৈছে প্ৰতিঘন চেমিঃৰত ৫.৫২। ঘনত্ব জানিব পাৰিলে এটা সুবিধা হয় যে ইয়াৰ পৰা গ্ৰহটোৰ ভিতৰত কিমান লো আৰু শিল আছে তাক নিৰ্ণয় কৰিব পাৰি। আগতেই কোৱা হৈছে পৃথিবীৰ আয়তন বুধতকৈ বেছি, আৰু সেই তুলনাত বুধৰ ঘনত্ব ৫.৪৩, পৃথিবীৰ ঘনত্বতকৈ যথেষ্ট বেছি। গতিকে এটা কথা বুজিব পাৰি যে বুধৰ ভিতৰত লোৰ পৰিমান বৰ বেছি। বিজ্ঞানী সকলৰ এইটো এটা ডাঙৰ প্ৰশ্ন যে বুধৰ ভিতৰত ইমান লো কিয় ?

১৯৭২ চনত আমেৰিকান জ্যোতিৰ্বিজ্ঞানী জন লুইছে এটি সূত্ৰ আগবঢ়ায় যে সৃষ্টিৰ সময়ত সূৰ্য্যক কেন্দ্ৰ কৰি যি মহাজাগতিক ধূলিকণা আৰু গেচ আৰ্বত্তন কৰি আছিল। সেই ধূলিকনাৰ ভিন ভিন অংশ ঘনীভূত হৈ সৃষ্টি কৰিছে বিভিন্ন গ্ৰহ। যিবোৰ ধাতুৰ গলনাংক বেছি যেনে লো, ধাতুসংকৰ আৰু ছিলিকেটছ, এনে ধৰণৰ ধাতু সূৰ্য্যৰ ওচৰতেই ঘনীভূত হৈছে। আৰু গলনাংক কম থকা বস্তুবোৰ, যেনে বৰফ ঘনীভূত হৈছে দূৰত থকা গ্ৰহত। এই তত্ত্ব অনুসৰি সূৰ্য্যৰ ওচৰৰ গ্ৰহ বুধত লো আৰু শিল থাকিব লাগে; কিন্তু পৰিমান ইমান বেছি হব নালাগে। লোৰ পৰিমান ইমান বেছি থকাৰ কাৰণটো কি, বিজ্ঞানী সকলে তাকেই অনুসন্ধান কৰিব আৰম্ভ কৰিলে। কেইজন মান জ্যোতিবিজ্ঞানীৰ মতে সৃষ্টিৰ আদিত আজিৰ দৰেই বুধত লো আৰু শিল আছিল। বুধ তেতিয়া বৰ উত্তপ্ত আছিল। বুধ যেতিয়া চেঁচা হব ধৰিলে, সূৰ্য্যৰ উত্তাপত বুধৰ পৃষ্ঠদেশৰ শিলবোৰ ফাটি মহাকাশত টুকুৰা হৈ বিয়পি পৰে। বাকী যিখিনি থাকে সেয়েই হল আজিৰ বুধ। সেই কাৰণে বুধত শিলতকৈ লোৰ পৰিমান বেছি।

মেৰিনাৰে আৰু এটা তথ্য পঠাইছে যে বুধত চৌম্বক ক্ষেত্ৰ আছে। এই চৌম্বক ক্ষেত্ৰ পৃথিবীৰ চৌম্বক ক্ষেত্ৰৰ তুলনাত ১ শতাংশ। সাধাৰণতে নিয়ম হল যে যদি লো তৰল অৱস্থাত থাকে আৰু প্ৰবল বেগত আবৰ্ত্তিত হৈ থাকে তেন্তে তাত বিদ্যুৎ প্ৰবাহ সৃষ্টি হয়। আৰু এই বিদ্যুৎ প্ৰবাহৰ বাবে চৌম্বক ক্ষেত্ৰ সৃষ্টি হয়। পৃথিবীত চৌম্বক ক্ষেত্ৰ আছে বুলি বুজিব পাৰি এই কাৰ্য্যত যে পৃথিবীৰ অভ্যন্তৰৰ লো এতিয়াও তৰল অৱস্থাত আছে আৰু বেগত আবৰ্ত্তিত হোৱাৰ বাবে সৃষ্টি হৈছে বিদ্যুৎ প্ৰবাহ তথা চৌম্বক ক্ষেত্ৰ। বুধত যদিও লো আছে, বুধৰ আবৰ্ত্তন বেগ নিচেই কম। গতিকে বুধৰ অভ্যন্তৰীন লো তৰল অৱস্থাত নথকাৰেই কথা। গতিকে বুধত চৌম্বক ক্ষেত্ৰ থাকিব নালাগে। কিন্তু এইটো সঁচা যে বুধত চৌম্বক ক্ষেত্ৰ আছে।

গতিকে বিজ্ঞানী সকলে ধাৰণা কৰিছে যে বুধৰ লোত এনে কোনো বস্তু নিশ্চয় আছে যাৰ ফলত লোৰ গলনাংক কমি গৈছে। ফলত যি তাপ-মাত্ৰাত সমস্ত লো গোট মাৰিব লাগে সেই তাপত এতিয়াও অলপ লো তৰল অৱস্থাত আছে আৰু ইয়েই সৃষ্টি কৰিছে চৌম্বক ক্ষেত্ৰ। লোৰ লগত মিশ্ৰিত বস্তুটো হৈছে গন্ধক। মেৰিনাৰ-১০ ৰ তথ্য অনুসৰি আমি আৰু জানিব পাৰিছো যে বুধত বায়ু-মণ্ডল আছে আৰু সেই বায়ুমণ্ডলত আছে হাইড্ৰজেন, হিলিয়াম, অক্সিজেন। বায়ুচাপ হৈছে পৃথিবীতকৈ বহু কম $১০^{-১২}$ প্ৰায়। আচৰিত হব পৰা আৰু এটা তথ্য হৈছে যে বুধৰ বায়ুমণ্ডলত ছোডিয়াম আৰু পটাছিয়াম ও আছে। কাৰণ হিচাপে বিজ্ঞানী সকলে কৈছে যে কেতিয়াবা বুধৰ পৃষ্ঠ দেশত উল্কা পিণ্ডৰ আঘাটৰ ফল হিচাপে বায়ুমণ্ডলত ছোডিয়াম আৰু পটাছিয়ামৰ উপস্থিতি।

মুঠতে কবলৈ গলে অন্যান্য গ্ৰহৰ তুলনাত বুধ সম্পূৰ্ণ বেলেগ ধৰণৰ এটা গ্ৰহ। কিন্তু গ্ৰহ সম্পৰ্কে এতিয়াও যথেষ্ট খিনি জানিব পৰা হোৱা নাই। অহা দশকত বুধ সম্পৰ্কে জানিবৰ বাবে বিজ্ঞানী সকলে যদি কিবা ব্যৱস্থা গ্ৰহণ কৰে তেন্তে একো আচৰিত কথা নহব। ✯



দৰিদ্ৰৰ দয়াৰ আধাৰঃ

# মাদাৰ টেৰেছা

—ইম্ৰান হুছেইন
উচ্চতৰ ২য় বাৰ্ষিক বিজ্ঞান শাখা

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ,
আমিও কৰিব পাৰো জীৱন গঢ়িত।"

সচাকৈয়ে, মহাপুৰুষ এজনৰ জীৱনী এটাই আমাৰ জীৱন গঢ়াত কিমান অৰিহণা যোগাব পাৰে তাক হয়তো ভাষাৰে উল্লেখ কৰিব নোৱাৰি। মহা-পুৰুষৰ জীৱনী পঢ়ি মহাপুৰুষ হোৱা হয়তো আমাৰ পক্ষে প্ৰায় অসম্ভৱ। কিন্তু এজন নিষ্ঠাবান, সত্যবান, সুনাগৰিক হোৱাৰ যোগ্যতাখিনিয়ে নিশ্চয় আমাৰ জীৱনত প্ৰভাৱ পেলাব।

সেয়ে আজি মই বিশ্বৰ এনে এগৰাকী শান্তিৰ প্ৰতীকৰ ৰত্ন-স্বৰূপ জীৱনৰ ওপৰত অতি ক্ষুদ্ৰ এটি আলোকপাত কৰিবলৈ ওলাইছো। তেওঁ হৈছে— "এগনেছ গ্লোংকা ৰোজস্কিয়া।" নামটো নিশ্চয় চিনাকি যেন লগা নাই। নলগাৰ কথাই, এই নাম-টোৰে তেওঁক খুব কম মানুহে চিনি পাই। তেওঁৰ বিশ্ববিখ্যাত নামটো হৈছে মাদাৰ টেৰেছা।

সেৱা আৰু করুনাৰ প্ৰতীক মাদাৰ টেৰেছাৰ জন্ম হয় ১৯১০ চনত। তেওঁৰ জন্মস্থান যুগোশ্লভিয়াৰ স্কোপজে নামৰ এখন চহৰত। সৰুৰে পৰাই তেওঁৰ অন্তৰখনে দুখীয়া দৰিদ্ৰৰ সেৱাত নিজক আত্ম নিয়োগ কৰাৰ হেপাহ মনত পুহি ৰাখিছিল। অকনমানি এই ছোৱালীজনীৰ এই হেপাহৰ বাবে সম্ভৱ বাৰবছৰ বয়-সত তেওঁ মহান করুনাময় ঈশ্বৰৰ আহ্বান শুনিবলৈ পায়। সেই আহ্বান আছিল দুখী দৰিদ্ৰৰ মঙ্গলৰ নিমিত্তে নিজৰ জীৱন উচৰ্গা কৰাৰ আহ্বান। সেই আহ্বান দুখিয়াৰ সেৱাৰ নিমিত্তে নিজৰ জীৱনক আত্ম বলীদান দিয়াৰ আহ্বান। সেই আহ্বানেই আছিল মাতৃ টেৰেছাৰ প্ৰধান অস্ত্ৰ। এই অস্ত্ৰকেই মূলধন হিচাপে লৈ মাতৃ টেৰেছাই সুদুৰ যুগোশ্লভিয়াৰ পৰা ভাৰতৰ মাটিত ভৰি দিলেহি ১৯২৯ কি ৩০ চনত। আৰু সেইদিনাখনৰ পৰাই ভাৰতে তেওঁক অতি মৰমৰে আকোৱালি ললে। অৱশ্যে তেওঁ ভাৰতীয় নাগৰিক হিচাপে স্বীকৃতি পাই স্বাধীনতাৰ এবছৰৰ পিচত অৰ্থাৎ ১৯৪৮ চনত। মাতৃ টেৰেছাই সদাই কৈ আহিছে "মই ভাৰতীয়। এই দেশতে মই আছো। এই দেশতে মই থাকিম।"

দয়াৰ আধাৰ মাতৃ টেৰেছাই কলিকতাত সেৱা কেন্দ্ৰ প্ৰতিষ্ঠা কৰি মানৱ সেৱাত আত্মনিয়োগ কৰিলে। সম্প্ৰতি ভাৰতৰ সৰু বৰ নানা ঠাইত অসংখ্য সেৱাকেন্দ্ৰ আছে। অৱশ্যে তেওঁৰ এই সেৱাকেন্দ্ৰবোৰ কেৱল ভাৰততে আৱদ্ধ থকা নাই। পৃথিবীৰ প্ৰায় চৈধ্যখন মান দেশত তেওঁৰ প্ৰতিষ্ঠিত অসংখ্য সেৱা প্ৰতিষ্ঠানবোৰে অবিৰাম ভাৱে মানৱ সেৱাত ব্যস্ত আছে। এই সকলোবোৰ সেৱাকেন্দ্ৰৰ ভিতৰত কলিকতাই হল প্ৰধান সেৱাকেন্দ্ৰ। মাতৃ টেৰেছাই এইবোৰ সেৱাকেন্দ্ৰৰ যোগেদি মানৱ সেৱাত ব্যস্ত হোৱাৰ উপৰিও তেওঁ অসহায় দুখীয়া নিপিড়িত জনৰ নিচেই কাষলৈ গৈ অধিক সেৱা কৰাৰ মন মেলিলে। সেই উদ্দেশ্যে তেওঁ ১৯৫১ চনৰ গঠন কৰিলে "মিছনেৰীজ অব চেৰোটজ" নামৰ এক বৃহৎ প্ৰতিষ্ঠান। আজি সেই প্ৰতিষ্ঠানৰ যোগে মাদাৰ টেৰেছাই সমগ্ৰ বিশ্বত প্ৰতিষ্ঠা কৰিছে অসংখ্য স্কুল, চিকিৎসালয়, কুষ্ঠাশ্ৰম, অনাথগৃহ ইত্যাদি। তেওঁৰ এই প্ৰতিষ্ঠানবোৰত এতিয়া প্ৰায় এহেজাৰতকৈ অধিক সংখ্যক কৰ্মীয়ে নিস্বাৰ্থভাৱে অবিৰাম কামকৰি আছে।

বিশ্বৰ গৰীবৰ মাতৃ মাদাৰ টেৰেছাক আৰ্ত মানৱতাৰ সেৱাত তেওঁৰ মহৎ কৰ্মৰ স্বীকৃতি হিচাপেই অগনন বটা লাভ কৰিছে। ভাৰত চৰকাৰে তেওঁক পদ্মশ্ৰী উপাধি প্ৰদান কৰে ১৯৬২ চনত। সেই একেবছৰতে তেওঁলৈ মেগাছাইছ বটাওঁ আগবঢ়োৱা হয়। আন্তৰ্জাতিক বুজাপৰাৰ স্বীকৃতি স্বৰূপে তেওঁলৈ ১৯৭২ চনত আগবঢ়োৱা হল জৱাহৰলাল নেহৰু পুৰস্কাৰ। তাৰ ওপৰিও ১৯৭৮ চনত অষ্ট্ৰেলিয়া চৰকাৰে তেওঁক "অৰ্ডাৰ অৱ দি বৃটিছ এম্পায়াৰ" সন্মানেৰে বিভূষিত কৰে। ইমানবোৰ বিভিন্ন বঁটাৰে সন্মান জনোৱাৰ পাচতো যেন সেৱা কৰুনা আৰু শান্তিৰ প্ৰতীক মাদাৰ টেৰেছাক দুখীয়া দৰিদ্ৰ মানৱৰ আৰু শান্তিৰ বাবে প্ৰকৃত বটাৰে সন্মান জনোৱা হোৱা নাছিল। সেই সন্মান আছিল বিশ্বৰ সৰ্ব্বোচ সন্মান শান্তিৰ নবেল বঁটা। ১৯৭৯ চনত আৰ্ত মানৱতাৰ সেৱাত তেওঁৰ মহৎ কৰ্মৰ স্বীকৃতি হিচাপেই এই পুৰস্কাৰ দিয়া হয়। উল্লেখযোগ্য যে মাদাৰ টেৰেছাৰ আগতে আৰু পাঁচগৰাকী মহিলাই এই পুৰস্কাৰ লাভ কৰে। এই পুৰস্কাৰ হৈছে আঠ লাখ চুইডিছ ক্ৰোনাৰ অৰ্থাৎ ১ লাখ ১০ হেজাৰ মাৰ্কিন ডলাৰ। কোনো ধৰনৰ সা-সম্পত্তি, টকা-পইচা তথা ক্ষমতাৰ প্ৰতি সম্পূৰ্ণ নিৰাসক্তা ৮১ বছৰীয়া মাদাৰ টেৰেছাই শান্তিৰ নবেল বঁটা গ্ৰহণ কৰি এইদৰে কৈছিল। "পৃথিবীৰ দৰিদ্ৰতম মানুহৰ নামত এই বঁটা গ্ৰহন কৰিছোঁ। এই পুৰস্কাৰ মোৰ নহয়। পৃথিবীৰ দীন-দৰিদ্ৰ মানুহৰ।"

মানুহৰ দুখ-দুৰ্দ্দশাত যি বিলাকৰ প্ৰাণে নেকান্দে, সেই বিলাকক মানুহ বুলিব পাৰিনে? পৰৰ দুখত যিজন কাতৰ হয়, পৰৰ দুখ-দুৰ্গতি দূৰ কৰিবৰ বাবে যি জনে নিজকে বিলাই দিয়ে তেওঁহে প্ৰকৃত মানুহ।

— স্বামী বিবেকানন্দ

# বিকাৰগ্ৰস্ত যুৱ মানসিকতা

—মনোৰঞ্জন বৰ্মন
৩য় বাৰ্ষিক, বিজ্ঞান শাখা

সাম্প্ৰতি সমগ্ৰ ভাৰতবৰ্ষৰ সকলো ৰাজ্যৰ ভিতৰত ঠন ধৰি উঠা সামাজিক সমস্যা সমূহৰ ভিতৰত বৰ্তমান সময়ত যুৱ মানসিকতা তথা যুৱকসকলৰ কাৰ্য্য আঁচনি, তেওঁলোকৰ কৰ্ম পন্থা আদিৰ ওপৰত এক ৰচনাত্মক বিশ্লেষণ কৰি চোৱাৰ একান্ত প্ৰয়োজনীয়তা আহি পৰিছে। কিন্তু সাম্প্ৰতিক, সময়ত যুৱক, ছাত্ৰ তথা দেশৰ ডেকাচামক আধুনিক যুগৰ পৰিপক্কতাই উন্নতিৰ শিখৰলৈ উঠি যোৱা পৰিলক্ষিত হৈছে যদিও তাৰ বিপৰীতে বাস্তৱক্ষেত্ৰত ঠিক সিমানেই কিছু সংখ্যক যুৱক নিজৰ কৰ্ম আঁচনিৰ গতিপথত পথভ্ৰষ্ট হোৱাৰ উপক্ৰম হোৱাৰ কথা নুই কৰিব নোৱাৰি। আজি অসমকে ধৰি সমগ্ৰভাৰতবৰ্ষ তথা বিশ্বৰ মানৱজাতিৰ বাবে যুৱ সমাজৰ মানসিকতাই সকলো শ্ৰেণীৰ লোকক বিভ্ৰান্ত আৰু আতঙ্কিত কৰি তুলিছে। যুৱ-সমাজৰ এই গতিপথত আজি অকল অভিভাৱকেই নহয় সমাজৰ প্ৰতিজন নাগৰিকে চিন্তা কৰাৰ একান্ত প্ৰয়োজন বুলি ভাৱো। সমাজৰ প্ৰতিটো স্তৰতে দেখা দিয়া এই বিশৃংখলতাৰ পৰিণাম সুদূৰ প্ৰসাৰী আৰু ভয়াবহ। প্ৰগতিশীল কোনো এখন কল্যানকামী ৰাষ্ট্ৰৰ অৰ্থত ইয়াৰ ক্ৰিয়াই কেনে প্ৰতিক্ৰিয়া প্ৰতিফলিত কৰিব পাৰে তাক লৈ সচেতন মহলে কোনো চিন্তাধাৰাৰ পক্ষপাতী হোৱা দেখা নাযায় যদিও ইয়াৰ পৰিস্থিতিৰ গুৰুত্ব বুজি যথাসম্ভৱ সকলো গ্ৰহণযোগ্য আদৰ্শৰ বাবে সাম্প্ৰতিক সময়ৰ ই আশীবাৰ্দ স্বৰূপ হৈ পৰিব। আজি সমাজৰ উ্‌ংখলতাৰ সৰহভাগেই যুৱ সমাজতে আৰদ্ধ তথাপি ই সমাজত বিভিন্ন বয়সৰ মানুহৰ মাজলৈ শিপাই পৰা দেখা গৈছে। ঠিক ইয়াৰ লগে লগে নৈতিকতাৰ প্ৰাচীৰ ভাঙি কথা কোৱা

চামক তাচিল্য কৰি অপমানিত কৰা হৈছে। সংজীৱনৰ পৰিবৰ্ত্তে সমাজত অসং জীৱন যাপন কৰা ব্যক্তিৰ সংখ্যা ক্ৰমবৰ্দ্ধমান ভাৱে বাঢ়ি গৈছে। যুৱ সমাজৰ মাজত দেখা দিয়া বিশৃংখলতা, নৈতিক তথা চাৰিত্ৰিক সংযতি তথা হতাশাৰ মূল কাৰণ অৰ্থনৈতিক দিশলৈ আঙুলিয়াব পাৰি যদিও ইয়াৰ আনুসঙ্গিকভাৱে আন দিশবোৰৰ কথাও নুই কৰিব নোৱাৰি। কিয়নো আমাৰ ৰাজ্যৰ অৰ্থৰ মূল ৰাজভঁৰালটো বিশ্বৰ আন ৰাজ্যৰ তুলনাত মুঠেই টনকিয়াল নহয়। বছৰি উত্থাপিত হোৱা ঘাটি বাজেট পূৰণৰ বাবে চৰকাৰ তথা কৰ্ত্তৃপক্ষই সাধাৰণ জনসাধাৰণৰ ওপৰত জাপি দিয়া কৰৰ বোজাই স্বাভাৱিক জীৱন যাত্ৰাত ব্যাঘাত জন্মাইছে। ফলত সম্প্ৰতি ভাৰতবৰ্ষত দৰিদ্ৰ সীমা ৰেখাৰ ৪০% বো অধিক লোক আৰ্থিক ভাৱে জুৰুলা অৱস্থা প্ৰাপ্ত, গতিকে ই দেশৰ অৰ্থনৈতিক বুনিয়াদ গঢ়াত এটা প্ৰকাণ্ড অন্তৰায় হিচাবে দেখা দিছে। যাৰ ফলত দেশৰ এই অৰ্থনৈতিক সমস্যাই এহাতে যুৱ সমাজক হতাশাগ্ৰস্ত কৰি তুলিছে আৰু আন হাতে নৈতিকতাৰ অৱনতি ঘটাত সহায়ক হৈ পৰিছে। অতি পৰিতাপেৰে লক্ষ্য কৰি অহা হৈছে আজি কেইবছৰমানৰ পৰা আমাৰ ৰাজ্যৰ যুৱ সমাজক পশ্চিমীয়া সমাজৰ বাহ্যিকতা তথা প্ৰাচুৰ্য্যৰ অনুকৰণে এটা চামক বাৰুকৈয়ে প্ৰভাম্বিত কৰিছে। ইয়াৰ লগে লগে অৰ্থনৈতিক দিশত পিছ পৰা সমাজ ব্যৱস্থাত ভোগ বিলাসৰ সামগ্ৰীৰ প্ৰচুৰ প্ৰাদুৰ্ভাৱে যুৱসমাজৰ নৈতিক তথা চাৰিত্ৰিক দিশৰ অৱনতি ঘটাইছে। আৱেগ, কামনাৰ ছত্ৰছায়াত পৰি নিজৰ বিবেকক দংশন কৰাত উঠি পৰি লাগিছে। গতিকে সৃষ্টি কামী গঠনমূলক ভাৱ ধাৰা সম্পন্ন যুৱক-যুৱতীৰ সংখ্যা সিমান উল্লেখনীয় নহয় যদিও জীৱনৰ প্ৰতিটো পদক্ষেপতে ন্যাৰ্য্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ তেওঁলোক বিকাৰগ্ৰস্ত হৈ পৰিছে যাৰ বাবে আবেগ, অনুভূতি, আক্ৰোশৰ বশবৰ্ত্তী হৈ ভুল পথেৰে পৰিচালিত হৈছে। বৰ্ত্তমান আটাইতকৈ মাৰাত্মক দিশটো হ'ল এটা চামে হতাশাগ্ৰস্ত হৈ জীৱনত একো এটা নহব বুলি মনোভাৱ গ্ৰহণ কৰি কিছুমানে ড্ৰাগছ সেৱন কৰি নিজকে নিঃশেষ কৰি দিয়াৰ প্ৰস্তুতি চলাইছে। আশ্চৰ্য্যজনক ভাৱে ড্ৰাগছ ব্যৱসায়ীৰ পৰাক্ৰমত স্কুল, কলেজত ইয়াৰ ব্যৱহাৰ সন্দৰ্ভত চৰকাৰৰ নিষ্ক্ৰিয়তাক তবধ মানিব লগীয়াত পৰিছে।

এইখিনিতে আৰু এটা কথা উন্নুকিয়াব পাৰি যে অকল অৰ্থনৈতিক হেঁচাৰ ফলত যে অকল অভাৱগ্ৰস্ত লোকৰ যুৱক-যুৱতী বেয়া পথে পৰিচালিত হৈছে এনে নহয়; লাহ-বিলাসৰ মাজত ডাঙৰ হোৱা এটা চামে নিজকে পশ্চিমীয়া সমাজ ব্যৱস্থাৰ লগত খোজমিলাব গৈ পশ্চিমীয়া ৰীতি-নীতিৰে নিজকে ভুচুং পছু সজাত তৎপৰতা হৈ উঠা পৰিলক্ষিত হৈছে। ৰাষ্টাই ঘাটে ছোৱালীৰ প্ৰতি অশালীন মন্তব্য কৰা, জেষ্ঠ জনক অসন্মান প্ৰদৰ্শন কৰা, স্কুল কলেজত অভদ্ৰামী কৰা ইত্যাদি ঘটনা বিলাক একাংশ ছাত্ৰৰ 'হবি' ৰ দৰে হৈ পৰিছে। আৰু লগতে প্ৰাচুৰ্য্যত ডাঙৰ হোৱা এটা চাম সৰুৰে পৰা অভিভাৱকৰ পৰা অনুশাসন সমন্ধি জ্ঞান কম পোৱা বাবে তেওঁলোকে অৰ্থৰ বাবে তথা অৰ্থৰ বিনিময়ত কেৱল বিলাসিকতাৰ মাজতে আৱদ্ধ থাকি এই চামে বিভিন্ন অজুহাতত সমাজৰ নিয়ম ভঙাত ক্ৰুতি কৰাবো পৰিলক্ষিত হৈছে।

উল্লেখযোগ্য যে বৰ্তমান যুৱ সমাজত ব্যাধিৰ দৰে অৰ্থনৈতিকতা, চাৰিত্ৰিক অধঃপতন আদিয়ে যি দৰে শিপাই লৈছে তাৰ ফলস্বৰূপে শিক্ষা ব্যৱস্থাৰ প্ৰতি দেখা দিয়া অনাস্থা আৰু অনীহাই ছাত্ৰ-ছাত্ৰী সকল বহুক্ষেত্ৰত বিপথে পৰিচালিত হৈছে। ছাত্ৰ শিক্ষকৰ মাজত থকা মধুৰ সম্পৰ্ক এনাজৰীডালৰ বান্ধোন ক্ৰমান্বয়ে ঢিলা হৈ পৰিছে আৰু লগে লগে শৈক্ষিক বাতাবৰণ নাইকিয়া হৈছে। এইটো অনস্বীকাৰ্য্য যে ইয়াৰ বাবে দায়ী আমাৰ শিক্ষা ব্যৱস্থা প্ৰণালী। কাৰণ বহুতো যুৱক-যুৱতীয়ে মহাবিদ্যালয় বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ থকা স্বত্বেও কৰ্মসংস্থাহীনতাত ভূগিব লগীয়াত পৰিছে। গতিকে এইচাম যুৱক-যুৱতী এফালে অৰ্থনৈতিক হেচাৰ চিকাৰ হৈছে আৰু আনফালে সমাজ তথা পৰিয়ালৰ আৰ্বজনা স্বৰূপ হৈ পৰিছে। সকলো ক্ষেত্ৰতে বঞ্চিত হৈ অহা এই যুৱক সকলৰ মনৰ শংকা, ভাৱ, অনুভুতি, ভয় আদি লোপ পাই বিদ্ৰোহী হৈ উঠাত সহায়ক হৈ পৰিছে। এই ক্ষেত্ৰত চৰকাৰৰ আওকনীয়া মনোভাৱ, সমাজৰ এই যুৱকসকলৰ প্ৰতি থাকিব লগীয়া দায়বদ্ধতা ম্লান

# "পৰিবেশ আৰু বংশানুক্ৰম"

## ঃ দেহ-মানসিক বিকাশৰ উল্লেখযোগ্য উপাদান ঃ

—নবজ্যোতি মেওঁগ
স্নাতক শেষান্ত বৰ্ষ (বিজ্ঞান)

মানুহৰ দেহ মানসিক বিকাশৰ দুটা প্ৰধান উপাদান হ'ল পৰিবেশ আৰু বংশানুক্ৰম অথবা পৰম্পৰা (Environment and heredity) এই উপাদান দুয়োতাৰে পাৰস্পৰিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰিহে মানুহৰ মানসিক আৰু দেহৰ বৃদ্ধি (Mental development and physical growth) প্ৰক্ৰিয়া দুটাৰ সম্ভৱ হৈছে। এই মুখ্য উপাদান দুটাৰ তাৎপৰ্য্য সম্পৰ্কে সম্পূৰ্ণভাৱে আলোচনা কৰাৰ আগতে আমি জানিব লাগিব পৰিবেশ আৰু বংশানুক্ৰম (পৰম্পৰা) নো কি ?

পৰিবেশ শব্দটোৰ অৰ্থ অতি ব্যাপক। আমি বসবাস কৰা পৃথিৱীখনৰ সমগ্ৰ বাহ্যিক অৱস্থাটোকে এই পৰিবেশ শব্দটোৱে সামৰি লয়। জীৱ জন্তু, উদ্ভিদ, বায়ু, পানী, মাটি, আকাশ আদি প্ৰাকৃতিক পৰিবেশৰ জড় আৰু চেতন সকলো উপাদান আৰু লগতে প্ৰাকৃতিক পৰিবেশৰ ভিন্ন, ভিন্ন উপাদানৰ সহায়ত নিজৰ সুবিধাৰ কাৰণে মানুহে সৃষ্টি কৰিলোৱা কৃত্ৰিম পৰিবেশটোও ব্যাপক আধাৰত পৰিবেশ শব্দটোৰ অন্তৰ্গত বুলি কব পাৰি।

বংশানুক্ৰম অৰ্থাৎ পৰম্পৰা বুলিলে আমি জানো যে মানুহে জন্ম সূত্ৰে লাভ কৰা বংশানুক্ৰমিক গুনবিলাকৰ কথা অৰ্থাৎ পিতৃ-মাতৃ আৰু পিতৃ-মাতৃৰ জৰিয়তে উপৰি পুৰুষসকলৰ পৰা শিশুটোৱে অন্তৰ্নিহিতভাৱে কঢ়িয়াই অনা তাৰ দৈহিক বৃদ্ধি আৰু মানসিক বিকাশৰ সম্ভৱনা সমূহ। বংশানুক্ৰমগত সম্ভৱনা আৰু গুণবিলাকৰ ওপৰতেই নিৰ্ভৰ কৰি পৰিবেশৰ সহায়ত এটা অতি ক্ষুদ্ৰাদি ক্ষুদ্ৰতম বীজ কোষত গৰ্ভধাৰণ কৰা মানৱ শিশুৱে ক্ৰমান্বয়ে তাৰ বিকাশ আৰু বৃদ্ধি লাভ কৰে। অতি আশ্চৰ্য্য জনক ভাৱে মাতৃগৰ্ভত শিশুটোৰ দেহৰ বৃদ্ধি আৰু বিকাশ কাৰ্য্য সম্পন্ন হয়। প্ৰথম অৱস্থাত মাতৃ গৰ্ভত ধাৰণ কৰা বীজকোষটো উৎপাদনক্ষম (Fertilized) হোৱাৰ লগে লগে স্বতঃস্ফূৰ্ত্তভাৱে বিভাজন ঘটে আৰু একাদিক্ৰমে এটাৰ পৰা দুটা, দুটাৰ পৰা চাৰিটা, চাৰিটাৰ পৰা আঠটা, আঠটাৰ পৰা যোল্লটা এনেদৰে বৃদ্ধি পাই গৈ গৈ শেষত লাখ লাখ বীজকোষত পৰিণত হয়গৈ। এই বীজকোষবিলাকৰ স্বাভাৱিক সমন্বয়ৰ ফল স্বৰূপে আৰু নিৰ্দ্ধাৰিত বীজকোষৰ সহায়ত লাগতিয়াল অংগৰ (Organ) বিকাশ ঘটি প্ৰায় ৯ মাহ মাতৃ গৰ্ভত

হৈ পৰিছে। আৰু অন্য এটা দিশ অতি পৰিতাপেৰে লক্ষ্য কৰা হৈছে যে প্ৰত্যেক ডেকা-গাভৰুৱে নাগৰিক পৰিপক্কতা লাভ কৰে যেতিয়া সমাজৰ মাজত নিজৰ অন্তৰ্ভুক্তিৰ বিষয়ে বা সমাজৰ ক্ৰিয়া কলাপত ভূমিকা গ্ৰহণ কৰে কিন্তু ইয়াৰ বিপৰীতে আজিৰ উদীয়মান ডেকাচামে নিজৰ বাবে আবিস্কাৰ কৰিছে এখন নিষ্ঠুৰ আইনেৰে শাসিত এক অন্যন্যা ধনৰ আইনবিধি। যিজন বেছি ধনী তেৱেঁই হৈছে বেছি বলী। আৰু এই ধন-সম্পদ কি উপায়েৰে আৰ্জিত সেইটো গুৰুত্বপূৰ্ণ কথা নহয়। গতিকে নিযুক্তি ক্ষেত্ৰত - ঠগ প্ৰবঞ্চক, বিভিন্ন ৰাগিয়াল বস্তু, অশ্লীল সাহিত্য, বেশ্যা - দালালী বৃত্তিই এই ডেকাচামক প্ৰভাম্বিত কৰি গোটেই যুৱ - মানসিকতা চক্ৰণ্টোক ( Circle ) কালচক্ৰত পেলাই ৰং ছোৱা দেখা গৈছে।

এইদৰে ভাঙি পৰা চাম যুৱক - যুৱতীয়ে নৈতিকতা হেৰুৱাই ভাল - বেয়াৰ বিচাৰ নকৰাকৈ উশৃংখলতাৰ প্ৰশ্ৰায়াত সুস্থ সমাজ পতাত এটা প্ৰধান অন্তৰায় হিচাবে দেখা দিছে। ●

পাত্ৰাপাত্ৰ চাই আমি অস্ত্ৰাগাৰৰ পৰা আনিব লাগিব আৰু আৱশ্যক হলে আমি খাৰ বাৰুদৰ কুঠৰিলৈকো যাব লাগিব।

অহিংসাৰ পথ সম্ভৱ হ'ব পাৰে যেতিয়া সকলোৰে অৰ্থনৈতিক, সামাজিক সমস্যা মীমাংসা হ'ব।

— (জ্যোতিপ্ৰসাদ আগৰৱালা)



পৰিচৰ্য্য লাভ কৰাৰ পাছত দুশ ইঞ্চি পৰিধিৰ প্ৰায় শূন্য ওজনৰ আদিম বীজকোষটোৱে জন্ম লাভ কৰাৰ সময়ত ৭ - ৮ পাউণ্ড ওজনৰ শিশুত পৰিণত হয়গৈ।

বংশানুক্ৰমগত গুণবিলাক আদিম বীজকোষটোৰ ভিতৰতে থকা নিউক্লিয়াচ নামৰ এটা ক্ষুদ্ৰ কোষৰ আবেষ্টনিত আশ্ৰয় লৈ প্ৰথমে মাতৃগৰ্ভত প্ৰবেশ কৰে। আদিম বীজকোষটো যেতিয়া দুটা বীজকোষলৈ পৰিণত হয় তেতিয়া ইয়াৰ অন্তৰ্গত থকা নিউক্লিয়াচটোত দুটা ভাগত বিভক্ত হৈ সম্পূৰ্ণ বেলেগ দুটা নিউক্লিয়াচত পৰিণত হয়। বিভাজন ঘটি যিমান বীজকোষৰ স্বৃষ্টি হব নিউক্লিয়াচৰ পৰিমানো সিমানেই বৃদ্ধি পাব। প্ৰতিটো বীজকোষৰ অন্তৰ্গত স্থান লাভ কৰা নিউক্লিয়াচৰ একেটা মুলৰ পৰা উদ্ভব হ'লেও স্থানভেদে ইয়াৰ গুণৰ তাৰতম্য এটা দেখা যায়। নিউক্লিয়াচ বিলাকে নিজ নিজ গুণ অনুযায়ী নিৰ্দ্ধাৰিত বীজকোষৰ বৃদ্ধি আৰু বিকাশধৰ্মী প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰে। প্ৰতিটো বীজকোষৰ জৰিয়তে বিকাশ ঘটিব লগা অংগ প্ৰত্যংগাদি উপাদান সমূহৰ বিকাশ ঘটাত যথেষ্ট পৰিমানে সহায় কৰে। এইখিনিতেই এটা কথা উল্লেখযোগ্য যে নিউক্লিয়াচবোৰৰ আদিম মূল নিউক্লিয়াচটো যিহেতু মাক দেউতাকৰ গুণৰ লগত বহু ক্ষেত্ৰত মিলা দেখা যায়। অৱশ্যে বীজকোষৰ সংমিশ্ৰণৰ ক্ষেত্ৰত যি জনৰ প্ৰভাৱ বেছি পৰে শিশুটোৰ দেহ মনৰ বিকাশত সেইজনৰ গুণেই বেছিকৈ প্ৰতিফলিত হ'ব বুলি আশা কৰিব পাৰি। ইয়াতেই আৰু এটা কথা মন কৰিব লগা বিষয়ে যে পিতৃ - মাতৃৰ লগত মিল থাকিলেও একে পিতৃ-মাতৃৰ দুটা শিশুৰ মাজত দেহ মানসিক উভয় ক্ষেত্ৰতে কিছুমান বৈশিষ্ট্যগত তাৰতম্য দেখা পোৱা যায়। যোগ্যতা আৰু বুদ্ধি বৃত্তিৰ ক্ষেত্ৰতো একে মাক দেউতাকৰে দুটা সন্তানৰ ( লৰা বা ছোৱালী ) মাজত ধাৰণামূলক ব্যৱধান থাকিব পাৰে। ইয়াৰো প্ৰকৃত কাৰণ হ'ল বংশানুক্ৰমগত অৰ্থাৎ পৰম্পৰাগত গুণৰ ব্যৱধান। গৰ্ভধাৰণৰ প্ৰাক্‌মুহূৰ্ত্তত কেনে ধৰণৰ সংমিশ্ৰণ ঘটি প্ৰথম বীজকোষটোৰ উৎপত্তি হ'ল তাৰ ওপৰতে শিশুটোৰ বংশানুক্ৰমগত বৈশিষ্ট আৰু গুণ সমূহ নিৰ্ভৰ কৰিব। এনে সংমিশ্ৰণ (Combination) অসংখ্য হ'ব পাৰে। সেই বাবেই একে পিতৃ - মাতৃ হ'লেও দুটা সন্তানে একে সংমিশ্ৰন লাভ কৰিব পৰা সম্ভাৱনা প্ৰায় শুন্য বুলিয়েই ধৰি লব পাৰি।

বংশানুক্ৰমগত গুণৰাজি আৰু সম্ভাৱনা সমূহৰ ক্ষেত্ৰত মন কৰিব লগীয়া তিনিটা মূল বৈশিষ্ট হ'ল।

ক) বংশানুক্ৰমগত গুণবিলাক আৰু সম্ভাৱনা সমূহ পিতৃ-মাতৃৰ যুটীয়া অৱদান। পিতৃ-মাতৃৰ দ্বাৰা উপৰি পুৰুষ সকলৰ পৰাও শিশুৱে কিছুমান বংশানুক্ৰমিক গুণ আহৰণ কৰে।

খ) গৰ্ভধাৰণৰ মূহূৰ্ত্ততে বংশানুক্ৰমৰ গুণ আৰু পৰিমাণ স্থিৰ হয়। পিছত আনকি শিশুটো মাতৃ গৰ্ভত থকা কালছোৱাতো ইয়াৰ কোনোপধ্যেই হ্ৰাস বৃদ্ধি হ'ব নোৱাৰে।

গ) যিমানেই বংশানুক্ৰমগত ভাবে সম্ভাৱনাপূৰ্ণ নহওক উপযুক্ত পৰিবেশ নাপালে শিশুটোৱে আশনুৰূপ বিকাশ আৰু বৃদ্ধি লাভ কৰিব নোৱাৰে। অন্যহাতে যিমানেই উপযুক্ত পৰিবেশ দিয়া হওক কিন্তু বংশানুগত ভাবে সম্ভাৱনাপূৰ্ণ নহলে শিশুটোক আশানুৰূপ ভাবে বিকাশৰ পথত আগবঢ়াই নিয়া সম্ভৱপৰ নহয়।

বংশানুক্ৰম আৰু পৰিবেশ উপাদান দুয়োটাৰে ক্ৰিয়া, প্ৰক্ৰিয়া ইটোৰ লগত সিটোৰ পৰস্পাৰে নিৰ্ভৰশীল। তুলনামূলক ভাবে বিকাশৰ ক্ষেত্ৰত কোনোটোৰে গুৰুত্ব কম বেচি নহয়। যিমানেই প্ৰয়োজনীয় পৰিবেশ দিয়া হওক বংশানুক্ৰমৰ (পৰম্পৰাৰ) অবিহনে বিকাশ সম্ভৱপৰ নহয়, ঠিক সেইদৰে যিমানেই বংশানুক্ৰম থাকক উপযুক্ত পৰিবেশ নাপালে বিকাশ সম্ভৱ হব নোৱাৰে। প্ৰাণী, উদ্ভিদ সকলোলোৰে বিকাশ আৰু বৃদ্ধিৰ ক্ষেত্ৰত এই কথাষাৰ প্ৰযোজ্য হোৱা দেখা যায়। বিকাশৰ ক্ষেত্ৰত কৰা গৱেষণা আৰু পৰীক্ষামূলক তথ্যৰ পৰা জানিব পৰা গৈছে যে—

ক) পৰিবেশ যদিও একে হয় কিন্তু পৰম্পৰাগত অৰ্থাৎ ব্যশানুক্ৰমগত পাৰ্থক্যৰ কাৰণে কোনো দুজন

ব্যক্তিৰ বিকাশৰ ধাৰা আৰু পৰিবেশৰ ধাৰণামূলক তাৰতম্য ঘটিব পাৰে। পৰিবেশ দি ব্যক্তিদুজনৰ মাজত থাকিব পৰা বংশানুক্ৰমগতি পাৰ্থক্য দূৰ কৰা সম্ভৱ নহয়।

খ) যদি বুদ্ধি বৃত্তিৰ সামঞ্জস্যও থাকে তেন্তে পৰিবেশৰ বিভিন্নতাৰ কাৰণে কোনো দুজন ব্যক্তিৰ বিকাশৰ ধাৰা আৰু গতিবেগৰ ধাৰণামূলক তাৰতম্য ঘটিব পাৰে। উদাহৰণ স্বৰূপে আমাৰ মাজৰ ছাত্ৰ, ছাত্ৰীৰ মাজত বহুজন এনে পৰিস্থিতিৰ মুখা মুখি হোৱা দেখা যায়। বিদ্যালয়. মহাবিদ্যালয়ত যথোপযুক্ত শিক্ষণীয় পৰিবেশ নোপোৱাৰ হেতুকে উচ্চ মেধাৱী আৰু উজ্জল সম্ভাৱনাপূৰ্ণ হলেও উপযুক্ত বিকাশ লাভ কৰিবলৈ সক্ষম নোহোৱা বহু ছাত্ৰ-ছাত্ৰী দেখা পোৱা যায়। শিশুকালছোৱাত উপযুক্ত পৰিবেশৰ অভাৱত বহু পিছপৰি থাকি মাজ বয়সত উপযুক্ত আৰু উদ্দীপনামূলক পৰিবেশ লাভ কৰি নিজস্ব প্ৰতিভাৰে কৃত্তিত্ব দেখোওৱা বহুজন ব্যক্তিৰ অনেক উদাহৰণ দিব পাৰি।

বংশানুক্ৰম আৰু পৰিবেশৰ লগতে বিকাশৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা অন্য এটা মূখ্য উপাদান হ'ল দেহ-মানসিক পৰিপক্কতা। জন্মগত প্ৰতিভা আৰু বুদ্ধিবৃত্তি থাকিলেও বিকাশ লাভ কৰিব পৰা উপযুক্ত মানসিক বয়স বা পৰিপক্কতা লাভ নকৰিলে যিমানেই পৰিবেশ দিয়া নহওক শিশুটোক, আশানুৰূপ ভাবে বিকাশৰ পথত আগবঢ়াই নিয়া সহজ নহয়। মানসিক অপৰিপক্কতাৰ বাবেই কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বিশেষকৈ, পঢ়া শুনাৰ ক্ষেত্ৰত শিকণৰ গতিবেগ ৰক্ষা কৰিব নোৱৰা, জটিল সমস্যা বিলাক সমাধান কৰিব নোৱৰা, শিকাব বিচৰা কথা সহজে বুজি নোপোৱা আদি জটিল সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। মানসিক পৰিপক্কতা কেৱল মাত্ৰ সোঁৱৰণী বয়সৰ ওপৰতেই নিৰ্ভৰশীল নহয়। কিছু কিছু শিশুৰ ক্ষেত্ৰত দেখা যায় সিহঁতৰ সোঁৱৰণী বয়সৰ তুলনাত অধিক মানসিক পৰিপক্কতা লাভ কৰা দেখা পোৱা যায়। ৯ৰ পৰা ১০ বছৰ বয়সত কোনো এটা বুজিব লগা কথা প্ৰায় ৬-৭ বছৰ বয়সতে সম্পূৰ্ণভাৱে বুজিবলৈ সক্ষম হোৱা দেখা যায়। এনে ধৰণৰ শিশুবিলাকে যদি উপযুক্ত পৰিবেশ সেই সময়ছোৱাত পায় তেন্তে অতি ক্ষীপ্ৰ গতিত বিকাশৰ পথত আগুৱাই যাবলৈ সক্ষম হয়। অন্যহাতে কিছুমান শিশুৰ ক্ষেত্ৰত সোঁৱৰণী বয়স বাঢ়ি গলেই সেই অনুপাতে মানসিক বয়স বৃদ্ধি নাপায় ৫-৬ বছৰ বয়সত লাভ কৰিব লগা বিকাশ ৮-৯ বছৰ বয়সতো বিকাশ লাভ কৰিবলৈ সক্ষম নোহোৱা বহু শিশু দেখিবলৈ পোৱা যায়।

কিছুমান বিশেষ কাৰণ জৰিত হোৱাৰ বাবেই শিশুৰ পৰিপক্কতা লাভ কৰাত পলম হয়। বুদ্ধিবৃত্তি পিছপৰা হোৱাৰ বাবেই যে কোনো এটা শিশুৱে পৰিপক্কতা লাভকৰোতে দেৰি হয় এনে ধাৰণা সম্পূৰ্ণ ভূল। বুদ্ধি বৃত্তি সম্পন্ন শিশু এটাও সোঁৱৰণী বয়সৰ তুলনাত মানসিক বয়স আহৰণ কৰাৰ ক্ষেত্ৰত বহু পিছপৰি যাব পাৰে। কোনো শিশুৰ ক্ষেত্ৰত অতি বেছি মৰম চেনেহত আবদ্ধ ৰাখি আৰু নিৰ্ভৰশীল ভাৱে কোনো পৰিবেশৰ সন্মুখীন হবলৈ নিদিয়া, যি কোনো সমস্যা শিশুটোক নিজেই সন্মুখীন হোৱাৰ পৰা বিৰত ৰাখি পিতৃ-মাতৃয়ে সমাধান কৰি দিয়া. খেলাধূলা জাতীয় মুক্ত পৰিবেশৰ পৰা পিতৃ-মাতৃয়ে শিশুক আতৰাই ৰখা, স্নায়ৱিক দূৰ্বলতা, বেমাৰ আদিৰ কাৰণে শিশুৰ মানসিক পৰিপক্কতা লাভ কৰাত কোনো কোনো শিশুৰ পলম হ'ব পাৰে। সাধাৰণতে বহুতেই কোনো এজন ছাত্ৰ বা ছাত্ৰীক যেতিয়া ছাত্ৰ জনে বা ছাত্ৰী গৰাকীয়ে সমস্যাটো সমাধান কৰাত পলম হয় বা সমাধান কৰিব নোৱাৰে তেতিয়া বুদ্ধিহীন বুলি কোৱা দেখা যায় এই ধাৰণা শুদ্ধ বুলি ভবা উচিত নহয়। এইটো মাত্ৰ এটা মানুহৰ মনৰ অশুদ্ধ ধাৰণা। উল্লেখযোগ্য ভাবে মন কৰিব লগা কথা যে মানুহৰ বুদ্ধিৰ বিকাশ স্বভাৱসিদ্ধ যদিও উপযুক্ত আৰু উদ্দীপনামূলক পৰিবেশত অনুশীলনী কৰিবলৈ পালেহে ইয়াৰ বিকাশ ক্ষিপ্ৰতৰ হৈ বয়স বাঢ়ি গৈ থকাৰ গতিবেগৰ লগত সামঞ্জস্য ৰাখি আগুৱাই যাব। আমাৰ প্ৰায়বিলাক অনুন্নত অঞ্চলৰ বিদ্যালয়ৰ পৰা মহাবিদ্যালয়ৰ পৰিবেশতে বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ স্বকীয় বুদ্ধি-বৃত্তিৰ অনুশীলনী কৰিবলৈ সুযোগ লাভ কৰা দেখা নাযায়, ফলত বহুতো মেধাৱী বুদ্ধি-বৃত্তি সম্পন্ন ছাত্ৰ-ছাত্ৰীও বিকাশৰ পথত পিছপৰি ৰৈ থকা দেখা যায়।



**ৰস - ৰচনা**

# "বেবেৰি - বাং"

— প্ৰদীপ কুমাৰ চেতিয়া ফুকন
এম, এচ, চি; এম ফিল
প্ৰৱক্তা, গণিত শাস্ত্ৰ বিভাগ

"মানৱ মুক্তি সন্থাই" অহ্বান কৰা সভাখনলৈ পৃথিৱীৰ সকলো বাসিন্দাক নিমন্ত্ৰিত কৰা হৈছে। এই সভাখনৰ সভাপতি মহোদয় শ্ৰীল শ্ৰীযুক্ত হেডধৰ জীভেশ্বৰ ডাঙৰীয়াই মানৱক উন্নতিৰ পথত আগুৱাই নিবৰ বাবে সভাসদ সকলৰ আগত কেইটামান প্ৰস্তাৱ আগবঢ়াইছে লগতে তেখেতে ইয়াকো কয় যে, নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পৰা গৈছে যে— একৈশ শতিকা আৰম্ভনি হোৱাৰ লগে-লগে সকলোৰে বাবে ভাল স্বাস্থ্য সেৱা, বিশুদ্ধ পানীযোগান, ভাল থকা ঘৰ, শতকৰা এশভাগে স্বাক্ষৰতা লাভ আৰু প্ৰতি গাৱেঁ গাৱেঁ বন্তি প্ৰজ্বলন হব। এই মহৎ কাম বিলাক কাৰ্য্যকৰী কৰাৰ লগতে মানৱ মুক্তি সন্থাই আগবাঢ়োৱা প্ৰস্তাৱ সমূহো অলাগতিয়াল বুলি ভাবিব নোৱাৰি। আজি সভাত উল্লেখ কৰা প্ৰস্তাৱ সমূহ মানৱৰ কল্যাণৰ হকে চিন্তা কৰি হ্ৰস্বম্যাদি বা দীৰ্ঘম্যাদি ভিত্তিত কাৰ্য্যকৰী কৰিবৰ বাবে, বিভাগীয় কতৃপক্ষৰ ওচৰত আবেদন কৰা হৈছে। প্ৰস্তাৱ সমূহ এনেদৰে অৱগত কৰা হৈছে—

১। আজি কালি বাটে-ঘাটে, বজাৰে-সমাৰে, ঘৰে পদূলিৰে সকলোতে পুৰা-গধূকি জ্ঞানৰ ভাণ্ডাৰ কঢ়িয়াই লৈ টিউচন নামৰ বস্তুটো কৰিবলৈ কাৰোবাৰ ওচৰত ওপজি লৰ-মৰা বয়সৰ পৰা যৌৱনৰ মাজ বয়সলৈকে খোজ কাঢ়ি বা চাইকেলেৰে নহলে গাড়ীৰে ঘূৰি ফুৰা অনেক জীৱ আপুনি মই সকলোৱে দেখিবলৈ পাইছো। এই জীৱ বিলাকৰ পুংলিংগ সকলে ডিঙিৰে ৰছি সুমুৱাই পিঠিৰ পিছফালে আৰু স্ত্ৰীলিংগ সকলে কাষলতি তলত এই মোনাটো কঢ়িয়াই লৈ ফুৰে। ঘৰত হয়তু জীৱ বিলাকৰ কিছু সংখ্যকে জ্ঞানৰ ভাণ্ডাৰত থকা সম্বলখিনি আয়ত্ব কৰি পৰীক্ষা নামৰ জপনাখনি ভালকৈ বা ঠেং লগাই হলেও পাৰ হয় আৰু কিছুমানে জপনাখন পাৰ হবৰ বাবে ভাণ্ডাৰত থকা সা-সজুঁলি বিলাক উলিয়াই নকল নামৰ জীৱৰ পিঠিয়েদি বগাই জপনাখন পাৰ হয়, কোনোৱে হয়তু জপনাখন চুইহে চাব পাৰে। এই ন সংবিধান কোনোৱেও সংশোধন কৰিব নোৱাৰাকৈ ৰচনা কৰা হওঁক যাতে নকল আৰু টিউচনৰ আগত চন্দ্ৰবিন্দু নবহে লগতে সৰ্বকালে ইহঁত সুখে-সন্তোষে জীয়াই থাকিব পাৰে তাৰ বাবে ব্যৱস্থা কৰা হওঁক।

( পৰিবেশ আৰু বংশানুক্ৰম ... ... ... .. ... .. )

বাৰু যি কাৰণেই নহওক, এটা কথা ঠিক যে একে সোঁৱৰণী বয়সৰ বা একে শ্ৰেণীকক্ষত বহিলেও সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক বয়স আৰু বুদ্ধিবৃত্তিৰ ক্ষেত্ৰত ধাৰণামূলক তাৰতম্য থাকিব পাৰে। এনে ব্যক্তি বিভিন্নতালৈ লক্ষ্য ৰাখি নিজ নিজ মানসিক বয়স আৰু বুদ্ধিবৃত্তি অনুসৰি সকলো ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা আহৰণ কৰিব পৰাকৈ শ্ৰেণীকক্ষত শৈক্ষিক পৰিবেশ গঢ়িবলৈ সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলেও সহায় আগবঢ়োৱা একান্ত বাঞ্চনীয়।

২) সৰু-সৰু টাউন বা টাউনৰ সমীপবৰ্ত্তী অঞ্চলৰ তিনি আলি, চাৰি আলি বিলাকত কেইখনমান ঘুমটি দোকান, দুখনমান গেলামালৰ দোকান, এখন চেলুন আৰু এখন বা দুখন চাহৰ হোটেল থাকে।

এই বিলাকৰ লগতে দোকানৰ সন্মুখত থকা বেঞ্চবোৰত সৰ্বজনবিদিত আমাৰ দেশ প্ৰগতিৰ পথত আগুৱাই নিবৰ বাবে যত্ন কৰা কৈশোৰ পাৰহৈ যৌৱনৰ দুৱাৰ দলিত ভৰি দিয়া আজিৰ যুৱকক সৰ্বক্ষণে বহি থকা বা আঁউজি থকা দেখা যায়। এই বিলাকৰ এচাম বয়সৰ তাড়নাত গুচি যায়, পুনৰ এচাম আহে। সিহঁতক দেখিলে এনে ভাৱ হয়, সিহঁতৰ কোনো অভাৱ-অনাটন, পঢ়া-শুনা, খেলা-ধূলা বা ঘৰত, কাম-বন কৰিবলৈ একোৱেই নাই। গতিকে এনে যুৱক সকলৰ যেন বয়স সদায় এনেকৈয়ে থাকে আৰু সিহঁতৰ চিন্তা-শক্তিবোৰ একে থাকে যাতে তেওঁলোকে সকলো সময়তে এইদৰে দোকানৰ আগত বহি থাকিব পাৰে তাৰ বাবে আজিৰ সভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।

(৩) আজি বিশ্বত মানুহে খাদ্য হিচাবে ব্যৱহাৰ কৰা প্ৰায়বোৰ সামগ্ৰীৰ নাটনি হৈছে বুলি বিভিন্ন সময়ত শুনিবলৈ পোৱা যায়। বানপানী হৈছে খাদ্য নাটনি, কোনো দেশত জনসংখ্যা বৃদ্ধি হৈছে ফলত খাদ্য সমস্যাই দেখা দিছে। দেখা যায় মানুহে খোৱা সামগ্ৰী সমূহ প্ৰায় নাটনিয়ে হয় নহলেও বেছিদৰত ক্ৰয় কৰি মানুহে ভক্ষণ কৰিব লগাত পৰে। মানুহৰ মুখ খন বৰ খাৰুৱা বুলিলেও বঢ়াই কোৱা নহব। যিবিলাক বস্তুৱেই খাবলৈ লয়, সেইবিলাক লাহে লাহে কমি যায়। গতিকে অতিমাত্ৰাত বৃদ্ধি পোৱা মানুহক কামোৰা মহ, মাখি, পাকঘৰত থকা পইতাচুৰনি, নিগনি, এন্দুৰ, চিকা আদি মানুহে খাবলৈ ধৰক। তেতিয়া গধূলি মহৰ কামুৰণিৰ পৰা ৰক্ষা পৰিবৰ বাবে হাত চাপৰি বাই ভাগৰ লগাব নালাগে বা নিগনি, এন্দুৰ খেদাই কেতিয়াবা উজাগৰে থাকিব নালাগে। এই মহৎ কামটো ৰাইজে সমাধা কৰিলে চৰকাৰৰো চিন্তা কমিব। মহ, মাখি মাৰিবৰ বাবে নহলে বছৰে বছৰে ডি. ডি. টি কিনি বহু টকা খৰছ কৰিব লগাত পৰে। গতিকে ৰাইজৰ সহযোগেই চৰকাৰৰ ভৱিষ্যৎ। সেই হেতু এই জীৱ সমূহ মানুহৰ খাদ্য হিচাপে স্বংকিতি পাবৰ বাবে এটা প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক।

৪) কোনো চৰকাৰে বস্তু উৎপাদনকাৰী আৰু বিক্ৰেতাৰ ওপৰত বিক্ৰি কৰ, আয় কৰা জনৰ ওপৰত আয় কৰ, মাটিৰ মালিকৰ পৰা খাজনা ইত্যাদি ব্যক্তি সমূহৰ পৰাঁ আদায় কৰে। অন্যহাতে প্ৰকৃতিৰ অৱদান নদীৰ পানীৰ ভাগ-বতৰাৰ লগত দুখন দেশ বা ৰাজ্যৰ লগত কাজিয়া. নৈ বিল সমূহ মাছ ব্যৱসায়ে ডাকত লোৱা ইত্যাদি তথ্য আমি দেখি আহিছো।

কিন্তু এতিয়ালৈকে কোনেও সূৰ্য্যৰ আৰু চন্দ্ৰৰ পোহৰৰ ওপৰত ডাক কৰা নাই বা চৰকাৰেও ভোগ কৰোঁতাৰ পৰা কোনো কৰ লগোৱা নাই। গতিকে আজিৰ সভাই এটা প্ৰস্তাৱ গ্ৰহণ কৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত আবেদন জনাওঁ যে এই বিলাকৰ ওপৰত কৰ লগাওক অথবা কোনো দেশপ্ৰেমিক ব্যক্তিক ডাকত লবলৈ দিয়ক যাতে জন সাধাৰণে পোহৰ বা বৰষুণৰ পানীবোৰ বিনামূলীয়াকৈ পোৱাতকৈ সুলভ মূল্যত কিনি লব পাৰে।

৫) পৃথিবীৰ স্থলভাগতে হওঁক বা জলভাগতে হওক বহুতো পশু-পক্ষী বাস কৰে। ইহঁতৰ প্ৰত্যেকৰে নিৰ্দিষ্ট নাম আছে। এই নামবোৰ পশুপক্ষী বিলাকে মিটিং পাতি ভগাই লোৱা নেকি বাৰু। জীৱজন্তু বোৰে সিহঁতৰ নামবোৰ জানেনে ? মই মেকুৰী, মই কুকুৰ, মই কপৌ, মই ভাটৌ ইত্যাদি নামবোৰ সিহঁতে যদি নাজানে, তেন্তে মানুহে সিহঁতৰ নামবোৰ সলনি কৰিলে কোনো মহাভাৰত অশুদ্ধ নহব নিশ্চয়। গতিকে এই বিষয়ে বিবেচনা কৰি সিহঁতৰ নামবোৰ সলনি কৰি মেকুৰীক অসমীয়াতে পুছি, কুকুৰক মৰমৰ নাম টম বা মহাবীৰ লাচিত, জিলি ইত্যাদি কৰিবৰ বাবে এটা প্ৰস্তাৱ লোৱা হওঁক। তেতিয়া জীৱ-জন্তু বোৰেও নতুন নাম লৈ আনন্দ পাব।

জয় "মানৱ মুক্তি সন্থা"
জয় ০০০





# ঃপদাৰ্থৰ চতুৰ্থ অৱস্থাঃ

—ৰজনী কান্ত গগৈ
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

পদাৰ্থ বিজ্ঞানৰ ক্ৰমোন্নতি হ'ল বিজ্ঞানৰ ক্ৰমবিকাশৰ মাপকাঠি। সদা-সৰ্বত্ৰ অবিচ্ছেদ্য, একক আৰু ৰহস্যপূৰ্ণ নিউক্লিয় মৌলিক কণা সম্পৰ্কীয় ধাৰণাসমূহেই আজি এক অন্যতম বুনিয়াদী বিজ্ঞান হিচাপে স্বীকৃত হৈছে। এই বিজ্ঞানৰ চাঞ্চল্যকৰ ইতিহাস অনুসন্ধানকে আধুনিক পদাৰ্থ বিজ্ঞানৰ ক্ৰমবিকাশৰ একমাত্ৰ নিৰ্ভৰযোগ্য মাপকাঠি হিচাপেও ইতিমধ্যে বিশ্বৰ বিজ্ঞানীসকলে গ্ৰহণ কৰিছে। বিজ্ঞানীসকলে পদাৰ্থ বিজ্ঞানৰ গৱেষণাৰ যোগেদি উদঘাটন কৰা বৈজ্ঞানিক আৱিস্কাৰে বিশ্বৰ অগণন জনতাৰ পৰম উপকাৰ সাধন কৰিছে। আজিৰ পদাৰ্থ বিজ্ঞানীয়ে পাৰমাণৱিক শক্তি প্ৰমুখ্যে নানাবিধ শক্তিৰ উৎস, যুগান্তকাৰী মহাকাশযান, ইলেক্‌ট্ৰনিক্স, মাইক্ৰৱেভ, ৰাডাৰ, প্লাজমা, লেজাৰ আৰু মাৰাত্মক মৰণাস্ত্ৰ ইত্যাদি অলেখ আৱিস্কাৰৰ যোগেদি মানৱ সমাজলৈ যি বৰঙণি আগবঢ়াইছে সি সচাঁকৈয়ে অতুলনীয় আৰু অভূতপূৰ্ব।

বিজ্ঞানৰ ক্ৰমবিকাশত পদাৰ্থৰ তিনিটা অৱস্থাৰ উপৰিও এটি নতুন অৰ্থাৎ চতুৰ্থটো অৱস্থাৰ সন্ধান পোৱা গৈছে। এই অৱস্থাটোকে 'প্লাজ্‌মা' বোলা হয়। বিশ্বব্ৰহ্মাণ্ডৰ ৯৯% ভাগ পদাৰ্থই 'প্লাজ্‌মা' অৱস্থাত থাকে। প্লাজ্‌মা পদাৰ্থ বিজ্ঞানৰ আধুনিক জগতত আৰু অদূৰ ভৱিষ্যততো এটা অতি গুৰুত্বপূৰ্ণ বস্তু হৈ পৰিছে।

প্লাজ্‌মা গৱেষণাত বহুতো ন, ন সম্ভাৱনাৰ ইঙ্গিত পোৱা গৈছে। তাপ নিউক্লিয় পদ্ধতিত উদ্ভৱ হোৱা অপৰিমেয় শক্তিক সুনিয়ন্ত্ৰিত ভাৱে ব্যৱহাৰ কৰাটো বৰ্ত্তমানলৈকে বিজ্ঞানীসকলৰ বাবে সাধ্যাতীত আছিল যদিও মহান 'প্লাজ্‌মা' গৱেষনাই এক কঠিন, সমস্যাৰ সন্ধানৰ পথো মুকলি কৰিলে। লগতে হাইড্ৰজেন বোমাৰ শক্তিকো মানৱ কল্যাণৰ বাবে ব্যৱহাৰ কৰিব পাৰিনেকি অথবা ঘূৰ্ণায়মান মেছিনৰ সহায় নোলোৱাকৈয়ো তাপীয় শক্তিক বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰাটো সম্ভৱ নেকি ? ইত্যাদি বহু সম্ভাৱনাই প্লাজ্‌মা গৱেষণাত পোৱা গৈছে। আশাকৰো অচিৰেই তাপ

নিউক্লিয় পদ্ধতিৰ আবিস্কাৰৰ ফলত মানৱজাতিয়ে আৰু কেইবাশতিকালৈ এটা বিনামূলীয়া শক্তিৰ উৎস লাভ কৰিব আৰু মানৱ সমাজত শক্তিৰ নাটনীৰ বাবে দেখা দিয়া সংকটটোৰ ঠাইত নতুন আশাৰ সঞ্চাৰ কৰিছে। প্লাজ্‌মা গৱেষণাত দেখা গৈছে অচিৰেই এদিন গোটেই ভাৰতবৰ্ষ গাড়ীৰে ভ্ৰমণ কৰিবলৈ আৱশ্যক হোৱা ইন্ধন খিনি মাত্ৰ পাচঁ লিটাৰ মান সাগৰীয়া পানীত থকা ডয়টেৰিয়ামৰ (Deutarium) অনুৰ পৰাই আহৰণ কৰিব পৰা যাব। পলিমাৰ (Polymar) ৰসায়ন বিজ্ঞানত প্লাজমাই নতুন আৰু অতি শক্তিশালী অনুঘটক (Catalyst) হিচাপে ক্ৰিয়া কৰি ৰসায়ন বিজ্ঞানৰ আমুল পৰিৱৰ্ত্তন সাধিব, আৰু নতুন ৰকেট উদ্ভাৱন কৰিবলৈ সমৰ্থ হব। ইয়াৰ ফলত মহাকাশ গৱেষণাতো প্লাজমাই আনি দিব এটা আশাৰ উদ্দীপনা। আৰু এই সকলোবোৰ সম্ভাৱনা পূৰ্ণ ভাৱে ব্যৱহাৰিক প্ৰয়োগত খটাব পাৰিলে মানৱ সভ্যতাত ই কল্পনাতীত প্ৰভাৱ বিস্তাৰ কৰিব।

## প্লাজ্‌মা কি ?

প্লাজ্‌মাৰ সংজ্ঞা সম্বন্ধে বহু জনৰ বহু মত আৰু সেই বাবেই সংজ্ঞাটো একাষাৰে দিয়াটো টান। যি কি নহওঁক, চমুতে কবলৈ আয়নিত গেছেই (Ionized gas) প্লাজ্‌মা। পদাৰ্থৰ পৰমাণুটো নিউক্লিয়াছ আৰু ইলেক্‌ট্ৰনেৰে গঠিত আৰু পৰমাণুৰ নিউক্লিয়াছটো 'প্ৰটন' আৰু 'নিউট্ৰন' কণাৰে গঠিত।

প্ৰটন ধনাত্মক আধানযুক্ত, নিউট্ৰন হ'ল উদাসীন কণা। সাধাৰণতে পৰমাণু উদাসীন অৱস্থাত থাকে। অৰ্থাৎ উদাসীন পৰমাণু এটাৰ নিউক্লিয়াছত থকা প্ৰটনৰ সংখ্যা, নিউক্লিয়াছৰ বাহিৰত অৱস্থিত ইলেক্‌ট্ৰনৰ সংখ্যাৰ সমান। উদাহৰণ স্বৰূপে He পৰমাণুৰ নিউক্লিয়াছত দুটা প্ৰটন আৰু দুটা নিউট্ৰন থাকে। নিউক্লিয়াছৰ চৌদিশে ২টা ইলেক্‌ট্ৰনে প্ৰদক্ষিণ কৰি থাকোতে কিবা পদ্ধতিৰ সহায়ত পৰমাণুৰ পৰা ইলেক্‌ট্ৰন আতৰাই পেলাব পাৰিলে পৰমাণুটোৰ আধান নিৰপেক্ষতা লোপ পায় আৰু সি আধানযুক্ত হয়। আধানযুক্ত পৰমাণুকে আয়ন বোলা হয়। যি গেছৰ পৰমাণু আয়নত পৰিণত হৈছে, তেনে গেছকেই আয়নিত গেছ (Ionised gas) বোলা হয়। কোনো পদাৰ্থৰ আয়নিত পৰমাণু আয়নীভৱনৰ ফলত উদ্ভৱহোৱা মুক্ত ইলেক্‌ট্ৰন আৰু কম বেছি পৰিমাণে থকা নিৰপেক্ষ গেছীয় অনু পৰমাণুৰ সংমিশ্ৰণকেই দৰাচলতে 'প্লাজ্‌মা' বোলা হয়।

কোনো কোনো পণ্ডিতৰ মতে প্লাজ্‌মা হ'ল কোনো গেছৰ সম্পূৰ্ণ আয়নীভৱন অৱস্থা। প্লাজ্‌মা বিদ্যুৎ সুপৰিবাহী।

## পদাৰ্থৰ চতুৰ্থটো অৱস্থা ঃ

ক্ৰমাগতভাৱে তপতাই গলে অথবা চেঁচা কৰি কোনো পদাৰ্থক ক্ৰমান্বয়ে ইটোৰ পাছত সিটো অৱস্থালৈ ৰূপান্তৰিত কৰিব পাৰি। উদাহৰণস্বৰূপে পানীক লব পাৰি—

বৰফ $\rightleftharpoons$ পানী $\rightleftharpoons$ বাষ্প

গেছীয় অৱস্থাত থকা অণুবোৰৰ উষ্ণতা আৰু অধিক বঢ়ালে সেইবোৰ ভাঙি পৰমাণুত পৰিণত হয়। ইয়াকেই তাপ বিযোজন বোলা হয়। সাধাৰণ অৱস্থাত অৱশ্যে ইয়াক পাব নোৱাৰি। মাথো উষ্ণতা বৃদ্ধি কৰাটো কল্পনাহে কৰিব পাৰি। যি কি নহওক, পৰমাণুৰ উষ্ণতা আৰু ক্ৰমাগতভাৱে বঢ়ালে পৰমাণুৰ ইলেক্‌ট্ৰনবোৰ নিউক্লিয়াছৰ বান্ধোনৰ পৰা সুলকি পৰে। এই প্ৰক্ৰিয়াক তাপ আয়নীভৱন বোলা হয়।

পানীৰ যি অৱস্থাত পানীৰ পৰমাণুৰ নিউক্লিয়াছ আৰু ইলেক্‌ট্ৰন বোৰ সম্পূৰ্ণ পৃথক হৈ পৰিব সেই অৱস্থাটোকে পানীৰ প্লাজ্‌মা বোলা হয়। সূৰ্য্যৰ পূৰঠ ভাগৰ উষ্ণতা প্ৰায় ৮০০০°C ইয়াৰ কেন্দ্ৰ ভাগৰ উষ্ণতা আৰু অধিক। এনে অৱস্থাত আমি পদাৰ্থৰ প্লাজ্‌মা অৱস্থাহে পাওঁ। প্লাজ্‌মা অৱস্থাৰ ভৌতিক গুণাৱলী আন তিনিটা অৱস্থাৰ ভৌতিক গুণাৱলীৰ সৈতে অকনো মিল নাই।



(সাধাৰণ গেছীয় অৱস্থাত ৫০০০-১০,০০০°C উষ্ণতা, প্ৰাপ্ত হলেহে গেছ পৰিবাহী হয়।) আনহাতে প্লাজ্‌মা কিন্তু উত্তম বিদ্যুৎ পৰিবাহী। পৰিক্ষা কৰি দেখা গৈছে যে, অধিক উষ্ণতাত থকা সম্পূৰ্ণ আয়নিত প্লাজ্‌মাৰ বৈদ্যুতিক ৰোধক গুণ অতি উত্তম ধাতুৰ ৰোধক গুণতকৈ ভালেখিনি কম হয়। সেই কাৰণে সম্পূৰ্ণ আয়নিত প্লাজ্‌মাৰ বৈদ্যুতিক ৰোধ সাধাৰণতে শূন্য বুলি ধৰা হয়। অৰ্থাৎ এই জাতীয় প্লাজ্‌মাক অতি পৰিবাহী বুলি কব পাৰি।

আয়নৰ দ্বাৰা বিক্ষিপ্ত হোৱাৰ ফলত উদ্ভৱ হোৱা ৰশ্মিক ব্ৰেম্‌ৰট্ৰালুং (Brem et rahlung) ৰশ্মি, আৰু চুম্বক ক্ষেত্ৰৰ বিক্ষেপনৰ দ্বাৰা উৎপাদিত ৰশ্মিক ছাইক্লট্ৰন (Cyclotron) অথবা ছিনক্ৰট্ৰন (Synchrotron) ৰশ্মি বোলা হয়।

প্লাজ্‌মা উৎপন্ন কৰাৰ অতি সহজ পদ্ধতি এটা হ'ল — দিয়াচলাই এটা জ্বলালে প্ৰজলিত কাঠিটোৰ হালধীয়া শিখাটোৱেই হ'ল 'প্লাজ মা'। সেই দৰে উচ্চ উষ্ণতা প্ৰাপ্ত যি কোনো গেছত প্লাজ মাৰ উৎপত্তি হয়। সাধাৰণতে ৰাসায়নিক বিক্ৰিয়াত উদ্ভৱহোৱা উষ্ণতাৰ দেওনা পাৰ হলেহে পৰ্দাথৰ প্লাজ্‌মা অৱস্থা আৰম্ভ হয়। লেবৰেটৰিত ইমান উচ্চ উষ্ণতা উৎপন্ন কৰাটো সম্ভৱপৰ হলেও সেই উষ্ণতাৰ সময় কাল অতি ক্ষণস্থায়ী হয়। সেয়ে পদাৰ্থৰ চতুৰ্থ অৱস্থাটোৰ গুণাগুণ লেবৰেটৰিত এতিয়ালৈকে ভালদৰে পৰীক্ষা কৰি চোৱাটো সম্ভৱপৰ হৈ উঠা নাই।



ইলেকট্ৰনৰ গতিপথ বেকা হৈছে।

পদাৰ্থৰ চতুৰ্থ অৱস্থা প্লাজ্‌মাৰ আৰু এটি বিশেষভাৱে উল্লেখযোগ্য গুণ হ'ল যে এই অৱস্থাত পদাৰ্থটোৱে প্ৰচুৰ পৰিমাণে পোহৰ আৰু অন্যান্য ৰশ্মি (নিউক্লিয়) বিকিৰণ কৰি থাকে। আংশিক ভাৱে আয়নিত প্লাজ্‌মাত এই ৰশ্মিবোৰ সাধাৰণতে উত্তেজিত অণু = পৰমাণুৰ পৰা বিকিৰণ হয়। আনহাতে সম্পূৰ্ণ আয়নিত প্লাজ্‌মাত উন্মুক্ত ইলেক্‌ট্ৰনবোৰৰ পৰা ৰশ্মিৰ বিকিৰণ ঘটে।

আকৌ লেবৰেটৰিত 'শ্বক টিউব'ৰ (Shocktube) ভিতৰত কেইবা হাজাৰৰো ডিগ্ৰী উষ্ণতাৰ সৃষ্টি কৰিব পাৰি। শ্বকটিউববোৰত অতি কম চাপত কোনো গেছ ৰাখি টিউবটোৰ মাজেদি শব্দৰ বেগতকৈ প্ৰায় শ্বক-তৰংগৰ সংঘৰ্ষত টিউবৰ ভিতৰত গেছৰ উষ্ণতা প্ৰায় ৩০০০°C মান হয়। শব্দতৰংগৰ বেগ বঢ়ালে উষ্ণতাৰ মানো বাঢ়ে। এই পদ্ধতিৰ সহায়ত ১০,০০০°C তকৈ কম উষ্ণতাশীল প্লাজ্‌মা উৎপন্ন কৰিব পৰা যায়।

বায়ুমণ্ডলৰ ঢাকনিস্বৰূপ আয়নোস্ফেয়াৰৰ সৌৰ-বতাহ (Wind) নক্ষত্ৰৰাজি আদি নানাস্থানত স্বাভাৱিক অৱস্থাতে প্লাজ্‌মা পোৱা যায়। বিভিন্ন উষ্ণতাশীল বা ভিন ভিন ধৰণে উৎপতি হোৱা প্লাজ্‌মা বোৰৰ ভৌতিক গুণা গুণ আৰু ধৰ্মৰ কিন্তু যথেষ্ট প্ৰভেদ দেখা যায়। উষ্ণতা অনুসাৰে প্লাজ্‌মাক সাধাৰণতে দুটা ভাগত বিভক্ত কৰা হয়। "নাতি উষ্ণ প্লাজ্‌মা (Low tempr Plasma) আৰু 'উষ্ণ প্লাজ্‌মা' (Hot Plasma) মোটামুটিভাৱে ১০,০০০ C কৈ কম উষ্ণতাত থকা প্লাজ্‌মাক 'নাতি উষ্ণ প্লাজ্‌মা' আৰু অতোধিক উষ্ণতা শীল প্লাজ্‌মাক 'উষ্ণ প্লাজ্‌মা' বোলা হয়।

প্লাজ মা উৎপাদন ঃ দিয়াচলাই কাঠি জ্বলাই প্লাজ্‌মা তৈয়াৰ কৰা কথাটো আগতে উল্লেখ কৰি অহা হৈছে। নক্ষত্ৰ আদিটো উষ্ণ প্লাজ্‌মা উৎপন্ন হোৱা কথাটো কৈ অহা হৈছে। কিন্তু লেবৰেটৰিত সহজে উৎপাদন কৰিব পৰা পদ্ধতি উলিয়াব লাগিব। তদুপৰি উৎ-পাদিত প্লাজ্‌মাক নিৰ্দিষ্ট সময়ৰ কাৰণে আৱদ্ধ কৰি ৰাখিব পাৰিব লাগিব।

নাতি উষ্ণ প্লাজমাৰ জেট (Jet) তলত দেখুৱা পদ্ধতিৰে উৎপন্ন কৰিব পাৰি।




দুই মুখ খোলা ডাঠ কাঁচৰ ছিলিণ্ডাৰ ১টা লৈ গ্ৰেফাইটৰ প্লাগ এটাৰে এখন মুখ বন্ধ কৰি দিব লাগে। প্লাগটোৰ সোমাজত এটা সৰু ছিদ্ৰ ৰাখিব লাগে। ছিলিণ্ডাৰটোৰ আনটো মুখ পাৰস্পেক্স (Perspex) জাতীয় কোনো বিদ্যুৎ অপৰিবাহীৰে সোপা দি, তাৰ মাজেদি গ্ৰেফাইটৰ চুঙা সদৃশ ইলেক্ট্ৰত এডাল সুমুৱাই দিব লাগে। ছিদ্ৰ থকা প্লাগটোক ঋনাত্মক আৰু চুঙা সদৃশ ইলেক্ট্ৰড ডালক ধনাত্মক তড়িংদ্বাৰ হিচাপে ব্যৱহাৰ কৰিব লাগে। এই অৱস্থাত তড়িংদ্বাৰ দুটাত বৈদ্যুতিক বিভৱ স্থাপন কৰিলে ছিলি-ণ্ডাৰৰ ভিতৰত বৈদুংতিক আৰ্ক (arc) উৎপন্ন হৈ প্লাগৰ ছিদ্ৰৰ মাছেদি প্লাজ্‌মাৰ শক্তিশালী জেট নিগত হ'ব। যন্ত্ৰটোত প্লাজ্‌মাৰ উৎপত্তি এনেদৰে ঘটে ঃ ইলেক্ট্ৰড দুটাত বিভৱভেদ (Potential) সংস্থাপন কৰাৰ লগে লগে ছিলিণ্ডাৰৰ ভিতৰত এখন বৈদ্যুতিক ক্ষেত্ৰৰ উৎপত্তি হ'ব। ফলত, ছিলিণ্ডাৰৰ ভিতৰত থকা মুক্ত ইলেক্ট্ৰন বোৰ অতি দ্ৰুত গতিত ধনাত্মক তড়িংদ্বাৰৰ পিনে ত্বড়িত হ'ব। এনেদৰে তড়িংহোৱা ইলেক্-ট্ৰনবো ছিলিণ্ডাৰৰ ভিতৰত থকা বায়ুৰ অনু পৰমাণুক আঘাট কৰিব। এই সংঘৰ্ষত বায়ুৰ অনু পৰমাণুবোৰ আয়নিত হৈ প্লাজমাত পৰিণত হ'ব।

ইলেক্ট্ৰনবোৰ দ্ৰুতগতিত ধনাত্মক ইলেক্ট্ৰডৰ পিনে, আৰু আয়নবোৰ আপেক্ষিক ভাৱে মন্থৰ গতিত ঋণাত্মক ইলেক্ট্ৰডৰ পিনে অগ্ৰসৰ হ'ব। ইলেক্ট্ৰন বোৰৰ গতি দ্ৰুত হোৱাৰ লগে লগে আৰু অধিক প্লাজমাৰ সৃষ্টি হ'ব, আৰু লগতে প্লাজমাৰ উষ্ণতা বাঢ়ি উজ্বল হৈ উঠিব। ইলেক্ট্ৰনবোৰে ধনাত্মক ইলেক্ট্ৰডৰ ওপৰত ইমান জোৰে আঘাত কৰিব ধৰিব যে অৱশেষত ইলেক্ট্ৰডটোৰ পৰা পজিটিভ আয়ন নিৰ্গত হ'ব। আৰু তেতিয়া প্ৰায় ৪,০০০° ছে. গ্ৰে. উষ্ণতাশীল ইলেক্ট্ৰিক আৰ্কৰ উৎপত্তি হ'ব। অৱশ্যে ছিলিণ্ডাৰৰ পদাৰ্থখিনি ইমানখিনি উষ্ণতা সহ্য কৰিব পাৰিব লাগিব। সাধাৰণতে ছিলিণ্ডাৰৰ গাটো চেঁচা কৰি ৰাখিবলৈ, ছিলিণ্ডাৰৰ ভিতৰত চেঁচা বতাহৰ সোঁত প্ৰৱাহিত কৰা হয়। চেঁচা বায়ু সঞ্চালনৰ ফলত প্লাজ্‌মা স্তম্ভটো কিছু পৰিমাণে ঠেক, চিয়া হৈ পৰে। ইয়াকে প্লাজমা কুঞ্চন (Plasmic piuch) বোলা হয়। সংকুচিত প্লাজমা অতি সুপৰিবাহী। তাৰ

# ঃ জানি থোৱা ভাল ঃ

—অধ্যাপক প্ৰদীপ কুমাৰ চেতিয়া ফুকন

১। যিকোনো বছৰৰ কোনো নিদিষ্ট তাৰিখত কি বাৰ আছিল বাৰু ? ইয়াক আমাৰ জানিবৰ মন নেযায় নে ? নিশ্চয় যাব। সেই সম্পৰ্কে প্ৰথমে উল্লেখ কৰিছো।

প্ৰথমে শপ্তাব্দী (Century) সংখ্যাটোক 4 ৰে হৰণ কৰিব লাগে। যদি ভাগশেষ 0, 1, 2, 3 হয়, তেন্তে যথাক্ৰমে 0, 6, 4, 2 যাদু সংখ্যা ধৰা হয়। লগতে বছৰৰ বাৰমাহৰ যাদুসংখ্যা বিলাক এনে ধৰণেৰে ধৰা হয় ;

জানুৱাৰী :, অক্টোবৰ : } → 0

মে, আগষ্ট } → 2

ফেব্ৰুৱাৰী, মাৰ্চ, নভেম্বৰ } → 3

জুন → 4,

চেপ্তেম্বৰ, ডিচেম্বৰ } → 5

এপ্ৰিল, জুলাই } → 6 আৰু অধিবৰ্ষ (লিপ্ ইয়েৰ) হলে জানুৱাৰী → 6 আৰু ফেব্ৰুৱাৰী → 2 হিচাবে ধৰা হয়।

এতিয়া

শপ্তাব্দী যাদু সংখ্যা + বছৰটোৰ শেষৰ অংক দুটা + বছৰটোৰ শেষৰ অংক দুটাক 4 ৰে হৰণ কৰি পোৱা ভাগফল + নিদিষ্ট তাৰিখটো + মাহটোৰ যাদুসংখ্যা। এই মুঠ যোগ ফলক '7' হৰণ কৰিলে যদি ভাগশেষ 0, 1, 2, 3, 4, 5, 6 হয়, তেন্তে যথাক্ৰমে দেওবাৰ, সোমবাৰ, মঙ্গলবাৰ, বুধবাৰ, বৃহস্পতিবাৰ, শুক্ৰবাৰ আৰু শনিবাৰ হব। উদাহৰণ স্বৰূপে 1771 চনৰ 15 আগষ্ট তাৰিখে কি বাৰ পৰিছিল, তাক নিৰ্ণয় কৰি দেখুৱাইছো ;

শপ্তাব্দী সংখ্যা

এতেকে $\frac{20}{4}$ = 0 (বাদী)

গতিকে শপ্তাব্দী যাদু সংখ্যা '0' হব।

এতিয়া আগত উল্লেখ কৰা নিয়মেৰে কৰিলে আমি দেখিম যে —

| | |
|---|---|
| | 0 |
| | 91 |
| | 22 |
| | 15 |
| | 2 |
| মুঠ | 130 |

130 ক 7 ৰে হৰণ কৰিলে ভাগশেষ হব। সেইবাবে 1771 চনৰ 15 আগষ্ট তাৰিখটো বৃহস্পতিবাৰ আছিল।

মেজিক স্কোৱাৰঃ অংক কৰা বাজি (Pwzzle) ইউৰোপ আমেৰিকাত বহল ভাৱে চৰ্চা কৰা হয়। অসমত ইয়াৰ চৰ্চা খুব কম। ভাৰতৰ বহুত বাতৰি কাকতত বিজ্ঞাপন দি ২ বা ৩ টকা ফিজ লয় আৰু শুদ্ধ উত্তৰ দিওঁতাক নগদ ধন বা অন্য সামগ্ৰী দিয়াৰ কথা ঘোষণা কৰা আমি প্ৰায় ভাগে দেখিছো। মেজিক স্কোৱাৰ নো কেনেকৈ পাব পাৰি তাক বৰ্ণনা কৰিবলৈ লোৱা হৈছে।

মাজেদি বিদ্যুৎ প্ৰৱাহৰ মাত্ৰা যথেষ্ট বাঢ়ে। ফলত সংকুচিত প্লাজমাৰ উষ্ণতা আৰু বৃদ্ধি পায়। এই অৱস্থাত প্লাজমা নিজ্ৰৱ চুম্বকক্ষেত্ৰৰ কাৰণে প্লাজমা স্তম্ভটোৰ মাজডোখৰ আৰু অধিকভাৱে কুঞ্চিত হয়। ইয়াকে 'কুঞ্চন-প্ৰভাৱ' বোলা হয়। এই অৱস্থাত, ইলেকট্ৰ ডৰ মাজেদি আয়নিত, ভাস্কৰ (Incandescent) গেছৰ জেট প্ৰৱাহিত হয়। এইয়া হ'ল প্ৰকৃত প্লাজমা।

প্লাজমা আৱদ্ধকৰণ ঃ উপযুক্ত অৱস্থাত উষ্ণ প্লাজমাই নিজৰ অন্তৰ্ভাগতে নিজস্বভাৱে উচ্চমানৰ চুম্বকক্ষেত্ৰ উৎপাদন কৰিব পাৰে। এনেদৰে উৎপাদিত ক্ষেত্ৰই প্লাজমাৰ অন্তভাগত বাহিৰৰ পৰা প্ৰয়োগ কৰা চুম্বক ক্ষেত্ৰৰ প্ৰভাৱ নাইকিয়া কৰে। এনে অৱস্থাত, প্লাজমাৰ অন্তৰ্ভাগত কণাবোৰ সৰল ৰেখাত গতি কৰে। কিন্তু কণাবোৰ যেতিয়াই প্লাজমাস্তম্ভৰ সীমা-ৰেখাত উপস্থিত হয়, তেতিয়া বাহিৰৰ পৰা প্ৰয়োগ কৰা চুম্বকক্ষেত্ৰত কণাবোৰৰ বিচ্যুতি ঘটে, আৰু সেই-বোৰ পুনৰ প্লাজমাস্তম্ভ ৰ ভিতৰত সোমাই পৰে। এই ক্ষেত্ৰত বহিৰ্চুম্বক ক্ষেত্ৰত বলৰেখাই প্লাজ্মা স্তম্ভটোক স্থিতিস্থাপক ৰবৰৰ বোত্তৰ (Elasttc rubber band) নিচিনাকৈ আগুৰি থাকে। তীখাৰ ছিলিণ্ডাৰত উচ্চচাপত গেছ আৱদ্ধ কৰি ৰখাটো আমি সকলোৱে জানোহক। ঠিক একেদৰে উচ্চমানৰ চুম্বকক্ষেত্ৰৰ দ্বাৰাও উষ্ণ প্লাজমাক আৱদ্ধ কৰি ৰাখিব পাৰি।

অংক কৰিদেখা গৈছে, ৫০ হেজাৰ গাউছ (Gauss) চুম্বক ক্ষেত্ৰৰ দ্বাৰা প্ৰায় ১০০ বা চাপত থকা প্লাজ্মা কণা আৱদ্ধ কৰি ৰাখিব পাৰি। ৫ লাখ গাউছ ক্ষেত্ৰই ১০ হেজাৰ বা চাপৰ প্লাজ্মাকে ধৰি ৰাখিব পাৰে। প্লাজ্মা কণা আৱদ্ধ কৰি ৰাখিব পৰা চুম্বকক্ষেত্ৰক চৌম্বক বটল (Magnetic Bo:tle) বুলিও কোৱা হয়। সংযোজন বিক্ৰিয়াত প্লাজ্মা আৱদ্ধ কৰি ৰাখিবলৈ হলে চৌম্বক বটলৰ সহায় লবই লাগিব। প্লাজ্মা বটলত আৱদ্ধ প্লাজমাই কেতিয়াও বিস্ফোৰণ ঘটাব নোৱাৰে। কাৰণ প্লাজমাৰ চাপ অতিৰিক্ত ভাৱে বৃদ্ধি পাই চৌম্বক বটল ভেদ কৰি বাহিৰলৈ ওলালেই প্লাজমা কণাই ৰিএক্টৰৰ গা স্পৰ্শ কৰিব আৰু তেতিয়া লগে লগে সেই কণা চেঁচা হৈ পৰিব। সেয়েহে কোৱা হয় যে সংযোজন ৰিএক্টৰৰ কেতিয়াও বিস্ফোৰণ নঘটে, ই নুমায়হে।

উল্লেখযোগ্য যে ৰাছিয়া, আমেৰিকা আদি দেশত প্লাজমা জেট বা প্লাজমা টৰ্চৰ (Torch) যথেষ্ট ব্যৱহাৰিক প্ৰয়োগ কৰা হৈছে। ধাতু বিজ্ঞান, খনিজ বিজ্ঞান আদিত প্লাজমা জেটক বহলভাৱে কামত খটুওৱা হৈছে। প্লাজমা জেটৰ সহায়ত তীখা আদি ধাতুক, গৰম কটাৰিৰে মাখন কটাৰ নিচিনাকৈ অতি সহজে হেলাৰঙে কাটিব পাৰি ঃ ষ্টেইনলেছ তীখাৰ পাতক জোৰা লগাব পাৰি। হীৰাৰ ড্ৰিলতকৈও অতি সহজে প্লাজ্মাজেটৰে কঠিন শিল আদি বিন্ধা কৰিব পাৰি। প্লাজ্মা টৰ্চৰ সহায়ত টাংষ্টেন আদি ধাতু অতি সহজে জ্বলাব পাৰি। আজি কালি আমেৰিকা আদি দেশৰ বজাৰত এনে ধৰণৰ প্লাজ্মা টৰ্চ কিনিবলৈ পোৱা যায়।

এই কথা মন কৰিব লগীয়া যে প্লাজ্মা গৱেষণা বিশেষকৈ সংযোজন গৱেষণাৰ ফলত বিজ্ঞানৰ আনুষঙ্গিক নানা দিশত মানৱসমাজৰ বহুতো ব্যৱহাৰ উপযোগী যন্ত্ৰপাত আৱিষ্কৃত হৈছে। উদাহৰণ স্বৰূপে, কম্পিউটাৰ, উচ্চ বিভৱ ভল্টেজ সঞ্চালন, ইলেক্ট্ৰনিক্স আদি বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি সাধন কৰা হৈছে। কিন্তু দুখৰ বিষয়, ভাৰতৰ্বষত এই লানি গৱেষনাই এতিয়াও বিশেষ উন্নতি কৰিব পৰা নাই।




চুম্বক ক্ষেত্ৰত কণা আৱদ্ধ কৰি ৰখা হৈছে
(ক) বহি চুম্বকক্ষেত্ৰ। (খ) আৱদ্ধ প্লাজ্মা কণা।
(গ) কুণ্ডলীৰ বৈদ্যুতিক প্ৰৱাহৰ দিশ (ঘ) প্লাজ্মা কণাৰ বৈচ্যুতিত উদ্ভৱ হোৱা বৈদ্যুতিক প্ৰবাহৰ দিশ।

প্লাজ্মা গৱেষণাৰ ফলত উদ্ভৱহোৱা আৱিস্কাৰ সমূহৰ সম্ভাৱ্য পূৰ্ণ ব্যৱহাৰিক প্ৰয়োগৰ পৰাই এই লানি গৱেষণা যে আৰু বহুকাললৈকে চলি থাকিব সেইটো সহজে অনুমেয়।

গ্ৰন্থপঞ্জী ঃ
(১) Plasma Physics — M. F. Hoyaux.
(২) পদাৰ্থ বিজ্ঞানৰ নৱতম - কিশোৰী মোহন পাঠক বিকাশ।



(a) 1, 2, 3, 4, 5, 6, 7, 8, 9 এই নটা অংক কেইটাৰ পৰা শাৰী, স্তম্ভ আৰু কৌনিক ভাৱে যোগফল ১৫ হোৱাৰ মেজিক।

নিয়মঃ

| | | |
|---|---|---|
| 1 | 2 | 3 |
| 4 | 5 | 6 |
| 7 | 8 | 9 |

আকাৰ —(1)




আকাৰ— (2)

| | | |
|---|---|---|
| 2 | 7 | 6 |
| 9 | 5 | 1 |
| 4 | 3 | 8 |

আকাৰ — (3)

তেনেকৈ যিকোনো নটা স্বাভাৱিক সংখ্যাৰ মেজিক স্কোৱাৰ গঠন কৰিব পৰা যায়।

(b) 1, 2, 3, 4, - - - - - 25 লৈ এই 25 টা অংকৰ পৰা শাৰী, স্তম্ভ আৰু কৌনিক ভাৱে যোগ কৰি পোৱা মেজিক ঃ

নিয়ম ঃ এই অৱস্থাত মুঠ যোগফল 65 হব।

| | | | | |
|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 |
| 6 | 7 | 8 | 9 | 10 |
| 11 | 12 | 13 | 14 | 15 |
| 16 | 17 | 18 | 19 | 20 |
| 21 | 22 | 23 | 24 | 25 |

আকাৰ – (1)




আকাৰ (2)




আকাৰ (3)

সেইদৰে ক্ৰমানুসৰি যিকোনো 25 টা স্বাভাৱিক সংখ্যা লৈ মেজিক স্কোৱাৰ বনাব পাৰি।

(C) 16 টা স্বাভাৱিক সংখ্যাৰ মেজিক স্কোয়াৰ উলিওৱাৰ নিয়ম ঃ

| | | | |
|---|---|---|---|
| 13 | 20 | (2) | (9) |
| (6) | (3) | 17 | 16 |
| 19 | 14 | (8) | (1) |
| (4) | (5) | 15 | 18 |

এনে ধৰণৰ মেজিক স্কোৱাৰ পাবৰ বাবে প্ৰথমে যিকোনো এটা যোগফল ধৰা হয়। ওপৰত শাৰী স্তম্ভ আৰু কৌনিক ভাৱে যোগ কৰিলে 42 হয়।

42 ক আধা কৰি '1' বিয়োগ কৰিব লাগে। তেন্তে $(21-1)=20$ পোৱা যাব। 20 সংখ্যাটো ২য় ঘৰত বহুৱাব লাগে। পুনৰ $(20-1)=19$ সংখ্যাটো ৭ম ঘৰত বহুওৱা হয়। এইদৰে '1' বিয়োগ কৰি কৰি পোৱা সংখ্যাবোৰ হব 20,19,18,17,16,15,14,13। এই আঠটা সংখ্যা যথাক্ৰমে 2, 9, 16, 7, 8, 15, 10 আৰু 1 নম্বৰ ঘৰ বোৰত বহুৱাব লাগে। শেষত বাকী থকা আঠটা ঘৰত যথাক্ৰমে 2, 7, 6, 3, 8, 1 আৰু 4, 5 সদায়ে বহুৱালে আমি 16টা সংখ্যা বিশিষ্ট মেজিক স্কোৱাৰ পাম। ●





# লক্ষ্মীনাথ বেজবৰুৱাৰ কাব্যিক প্ৰতিভা

—কল্যান কুমাৰ মিলি
তৃতীয় বাৰ্ষিক (কলা)

বেজবৰুৱাৰ প্ৰধান কাব্য পুথি দুখন। "কদম কলি" আৰু "পদুমকলি"। অসমীয়া কাব্য সাহিত্যত ধৰ্মৰ প্ৰাধান্য কমাই মানৱীয় মূল্যবোধৰে চন্দৰ বৈচিত্ৰ্য বঢ়ালে উক্ত কাব্য পুথি দুখনে। ব্যক্তি নিষ্ঠতা, ভাৱৰ ঐক্য, কল্পনা, আবেগ-অনুভূতিৰ প্ৰবনতা, নস্জনী শক্তি আদিয়ে কাব্য সাহিত্যত নতুন গঢ় দিবলৈ ধৰিলে। সেই নতুন গঢ়তেই বেজবৰুৱাই 'কবিতা কল্পনাময়ী কবিৰ বাঞ্চিত' বুলি ৰোমাণ্টিচিজম'ৰ বৈশিষ্ট্য সূচক লক্ষণটিৰে কবিতাক ওখ জাতত তুলিছে যদিও কিছুমান পদ্য ধৰ্মীহে হৈছে বুলি খেনোৱে মন্তব্য ৰাখিছে। তথাপি ভাষা জননীৰ দেব-দেউলত মহান পূজাৰীৰ বাখৰ পতোৱা কবিতাৰ বিতোপন মালাধাৰীত চকু চকমকাই যাবপৰা হীৰা, মনি, মুকুতাৰ ঝলমলনিৰ মাজতে কাচমনিৰ সংযোজনাইয়ো নিজস্ব বৈচিত্ৰ্য সৃষ্টি নকৰাকৈ থকা নাই। কবি বেজবৰুৱাৰ লেখনীতে সৃষ্টি হৈছিল অনন্য সুন্দৰ এলানি গীতি কবিতা, যি কবিতাৰ কাব্যিক মূল্য হাজাৰ হাজাৰ কবিতাৰ মাজত আজিও অনুপম — অনন্য, সেই কবিতাৰ মূল্যায়ন অমূল্য। বেজবৰুৱাৰ ধনবৰ আৰু ৰতনী, ৰতনীৰ বেজাৰ, ভ্ৰম, প্ৰেম, প্ৰিয়তমাৰ সৌন্দৰ্য্য ; মালতী ; বীন আৰু বৰাগী ; 'মোৰ দেশ' অসম সঙ্গীত ; অবশেষ, মহাপ্ৰয়ানৰ যাত্ৰী ; মাতৃশ্ৰাদ্ধ, ঈশ্বৰ আৰু ভকত, "ধূলি ; ব্ৰহ্মপুত্ৰ সঙ্গীত" আৰু "ৰেনুকা" আদিয়ে তেওঁৰ কবি প্ৰতিভাৰ উৎকৃষ্ট নিদৰ্শন। "জয়মতী" নাটকৰ গীতবোৰে তেওঁৰ সৃজনী প্ৰতিভাৰ সমুজ্জ্বল স্বাক্ষৰ। বিষয় বস্তু অনুসাৰে বেজবৰুৱাৰ কবিতাৰ বিশেষ বিশেষ দিশৰ মাজেদি তেওঁৰ কবি প্ৰতিভাৰ এটি আলোচনা আগবঢ়াবলৈ তলত প্ৰয়াস কৰা হৈছে।

দেশপ্ৰীতি আৰু দেশ-হিতৈষনা বেজবৰুৱাৰ কবি প্ৰতিভাৰ এটি উজ্জ্বলতম দিশ। তেওঁৰ এই শ্ৰেণীৰ কবিতাৰ মূল-মন্ত্ৰ হৈছে জাগ্ৰত দেশপ্ৰেম। "বীন আৰু বৰাগী" কবিতাটোত অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ ত্ৰিবেনী সংগম হৈছে। জাতিৰ গৌৰৱোজ্জ্বল অতীত ইতিহাসৰ পাত লুটিয়াই বৰ্তমান প্ৰবঞ্চুৰা জীৱনৰ বিৰহ, দুখ ভাগৰত হুমুনিয়াহ পেলাই

আৰু এটি মূৰ্তিমন্ত ভৱিষ্যতৰ আশা বুকুত বান্ধিলৈ এটি বিচিত্ৰ অনুভূতিৰ সৃষ্টিৰে বেজবৰুৱাই অসমীয়া নৱন্যাস কাব্য সাহিত্যৰ ভাৱ-জগতত নতুন প্ৰাণৰ স্পন্দন তুলিছিল। বেজবৰুৱাৰ স্বদেশ প্ৰীতি আছিল নিবিড় আৰু নিভাঁজ। সেয়েহে বেজবৰুৱাই বীন-বৰাগীৰ মুখৰ পৰা জনম দুখিনী সীতাৰ শোকৰ বাতৰি, নল দময়ন্তী চিন্তা, শ্ৰী বৎসৰ দুখৰ কথা, দ্ৰৌপদী, সতী জয়মতীৰ হিয়া ভঙা কাহিনী, মানৰ অসম ধ্বংসৰ হিয়া বিদাৰক কথা, মনিৰাম পিয়লিৰ দেশৰ কাৰণে আত্ম বলিদানৰ বৰ্ণনা শুনিব নোখোজে। কাৰণ-

"একনি হৃদয় একেৰি সমল কতনো সহিব খুন্দা" কিন্তু কবিয়ে বৰাগীৰ হতুৱাই অতীত ইতিহাস উদঙাই বান, ভগদত্ত, নৰক, ভাস্কৰ, শংকৰ, মাধৱ, ৰুদ্ৰসিংহ, নৰনাৰয়ন, চিলাৰায় আদিৰ গুণ-গৰিমা জাতিৰ সমুখত দাঙি ধৰিছে। কবিৰ আশা, "হিয়া মোৰ হেৰ বলৱন্ত হ'ক" পৰাণ উঠক উলাসি।' বৰাগীৰ বীনৰ উজাৰি লুকুৱা মৰমৰ চিনে বুজা নুবু-জাৰ দোমোজাত সৰগৰ বাতৰিয়ে কবিৰ হৃদয়ত সত্য আৰু অসত্যৰ আশা আৰু আনন্দৰ ভাব সঞ্চাৰিত কৰে। ক্ৰমে শোকাবহ বৰ্ণনা, আনন্দবোৰ বৰ্ণনা, সৰগৰ বাতৰিৰ বৰ্ণনা আৰু সৰ্বশেষত সংস্কাৰকামী বেজবৰুৱাৰ সৰল আশাবাদী সুৰ প্ৰকাশ পাইছে এইদৰে "নতুন প্ৰাণৰ ন চকুযুৰি, দীপ্তি ঢালি দে তাত; পুৰনি পৃথিৱী নকৈ চাই লওঁ হে বীণ। এঘাৰি মাত' 'বীন আৰু বৰাগী' কবিতাৰ দৰে অসম সঙ্গীত ততো জাতিৰ সুপ্ত চৈতন্য সঞ্চাৰ কৰি বেজবৰুৱাই জাতিৰ কাষতে অভয় মন্ত্ৰ উচ্চাৰণ কৰিছে "আমি অসমীয়া নহওঁ দুখীয়া। কিহৰ দুখীয়া হম?" বুলি সেই দৰে 'মোৰ দেশ', আমাৰ জন্মভূমি, বিহু, আদি গীতবোৰতো বেজবৰুৱাৰ ওপজা ঠাইৰ প্ৰতি থকা নিবিড় অকৃত্ৰিম ভালপোৱা অন্য সুৰত হলেও প্ৰকাশ পাইছে।

বেজবৰুৱাৰ কাব্য প্ৰতিভাৰ আন এটা উজ্জ্বল দিশ হৈছে প্ৰণয় ভালপোৱা। এনে প্ৰনয় ভালপোৱা তেওঁৰ অসাধাৰণ কল্পনা শক্তিৰেই ফল যি ৰমন্যাশ সাহিত্যৰো উপজীব্য। এনে সৃজনী কল্পনাৰ দৃষ্টিত প্ৰেম আৰু সৌন্দৰ্য্য একোটা বিন্দুত অন্তৰীন, পৰস্পাৰ অনুবন্ধী। তেনে অকৃত্ৰিম মহৎ প্ৰেম কামনা মুখী নহয় ৰসামুখীহে। 'প্ৰেম' কবিতাত বেজবৰুৱাই তেনে প্ৰেমৰ প্ৰভাৱ আৰু মহত্বৰ কথা কৈছে:—

'সংজ্ঞাৰ অতীত শক্তি, বিশ্বব্যাপী কায়,
ক্ষণিক সম্ভোগে যাৰ দেৱত্ব মিলায়;
সৰুবুৰে, শিলপমে, বিন্দুৰ পৰশে,
প্ৰেম আখ্যা মহাশক্তি জগৎ প্ৰকাশে;

প্ৰেম জীৱনৰ সৌন্দৰ্য্য, গোলাপে শুৱায় সুন্দৰ ফুলনি, প্ৰেমে শুৱায় মানুহৰ জীৱনী। — ৰেণুকা। এনে প্ৰেম উদাৰ, অনিবাৰ ব্যাপক।

'প্ৰেমত ঘূৰিছে ভুমণ্ডল
প্ৰেমত ফুলিছে শতদল'।
— ৰেণুকা

ৰমন্যাসিক কবি 'বেজবৰুৱাৰ প্ৰেমৰ আৰাধনাত দৈহিক ৰূপৰ প্ৰতি অনাসক্তি সেয়েহে তেওঁ 'প্ৰিয়তমাৰ সৌন্দয্য' কবিতাত কৈছে:—

'কেলৈ লাগিছে সেন্দুৰীয়া গাল
ফৰিং-প্ৰেমিকৰ জুই?
কোৱা ভাতুৰীয়া ওঁঠৰ তলত
ফেটি গোম থাকে শুই।'

বেজবৰুৱাৰ দৃষ্টিত ৰূপহীৰ চুম্বন ব্যাকুল এজুৰি ওঁঠ, মিলন আকুল অনলস চকু, পৰশ কাতৰা উদ্বেলিত চুলি, প্ৰেমালিঙ্গনৰ বাবে প্ৰসাৰিত বাহু, দুৰুদুৰু কঁপা উৰু, অসূৰ্য্যস্পশ্য জঙ্ঘাৰ উন্মীলিত চকিত শিহৰণ আদি সুতীক্ষ্ণ শৰ, মৌ মিঠা মাতো লুভীয়া ব্যাধৰ পেপাঁহে। সেয়েহে প্ৰকৃত প্ৰেয়সীয়ে কয়:—

'দিয়া এনে প্ৰেম যি প্ৰেমে বেলেগ
অস্তিত্ব বিলোপ কৰে।
প্ৰণয়-মদিৰা দিয়া এনে মোক,
চিৰকাল ৰাগী নেৰে।'



দৈহিক বা জাগতিক সৌন্দৰ্য্যতে প্ৰেম সীমা-বদ্ধ নহয়; যি প্ৰেমে স্বকীয়া সত্বাৰ বিলোপ সাধন কৰে সেয়ে প্ৰকৃত প্ৰেম অৰ্থাৎ যুগ্মতাত জীৱনৰ ক্ষুদ্ৰতম একক বিচাৰি পাব লাগিব।

কেতিয়া ৰমন্যাসিক কৱিৰ প্ৰেয়সী মানৱী নহবও পাৰে; ই কেৱল কল্পনা নাইবা অৰ্ধেক মানৱী তুমি, অৰ্ধেক কল্পনা হব পাৰে। বেজবৰুৱাৰ মালতীৰ তুলনা নাই:—

'পৰ্বতৰ জীয়ৰী সুন্দৰী গৌৰীৰ
সঁচত মোৰ মালতী নাই।'

মাথোন অনাঘ্ৰাত আৰু অপ্ৰস্ফুটিত কুসমৰহে মালতীৰ সৈতে ৰিজাব পাৰি। কবিৰ মালতীৰ অৱস্থিতি ভাব ৰাজ্যতহে:—

'ডাৱৰে প্ৰতিমা ভাবতে বাঢ়িছে
ভাৱৰে বেহানি কৰে,
বুকুৰ ভিতৰত চেনেহৰ জীৱন জুৰি
থম মোৰ বুকুতে বান্ধি,
মালতীৰ হাঁহিতে হাঁহিটি মিলাই মই
থাকি কান্দোনেৰে কান্দি।'

শ্যেলীয়ে * LOVES PHILOSOPHY — ত অনুভৱ কৰাৰ দৰে বেজবৰুৱাই তেওঁ "চুমা" কবিতাত অনুভৱ কৰিছে প্ৰেমৰ দুৰ্বাৰ সৰগী আকৰ্যণ:—

আকাশ পাতাল চুমাৰ ভঁৰাল
সেউতী চুমাৰ ঘমা।

ৰোমান্টিক সাহিত্যত জীৱনৰ প্ৰাত্যাহিক তুচ্চতাই কল্পনাৰ পৰশত অতুচ্ছ ৰূপ লয়, চকুৰ আগত সদায় দেখি থকা পাৰ্থিৱ বস্তুতে সৌন্দৰ্য্য আৰোপিত হয়। নাটকীয় পৰিবেশেৰে লিখা, জৰ্জ ডালিৰ কবিতাৰ অনুৰূপ "প্ৰিয়তমাৰ সৌন্দৰ্য্য" তাৰে এটি নিদৰ্শন:—

প্ৰশ্ন:— কাঁইট নথকা ৰূপহ গোলাপ
বোলে পৃথিৱীত নাই?
উত্তৰ:— একোকে নেমাতি প্ৰিয়া দুগাল
থাকিব ধৰিলোঁ চাই।
প্ৰশ্ন:— ক'ত আছে এনে অপুৰ্ব পদুম
ৰাতি দিনে থাকে ফুলি?
উত্তৰ:— চকুৰ দিঠাৰ দেখিলোঁ প্ৰিয়াক
মুখেৰে একো নুবুলি।"

কবিয়ে 'চিৰ যৌৱন' কবিতাত 'যৌৱনৰ নাই হেৰা সীমা" বুলি কৈ যৌৱনৰ জয়গান গাওঁতে প্ৰেমৰো জয়গান গাইছে —

'বয়সে অমৃত প্ৰেমে তুমুল সংগ্ৰামে।
জয়ী প্ৰেম বয়স বন্ধুৱা,
হোৱা মই চিৰ বিনন্দীয়া।"

বেজবৰুৱাই 'প্ৰবসুৱাৰ চিঠিত' বিৰহী হৃদয়ৰ অশেষ উৎকণ্ঠাৰ বাতৰি দিছে আৰু 'তোমাকেহে ভাল পাওঁ মৰমৰ সখী'ত অকৃত্ৰিম ভালপোৱাৰ প্ৰিয়তমাক বন্দনা কৰিছে। "ভ্ৰম" ৰোমাণ্টিক দৃষ্টিৰ কল্পনা বিলাসিতাৰে চূড়ান্তভাৱে আচ্ছন্ন এটা মনোৰম কবিতা। ইয়াত কল্পনাৰ ৰঙে মুহূৰ্ত্তে মুহূৰ্ত্তে বৰণ সলাইছে আৰু উনৱন্যাসিক অবাস্তৱতাৰ বৰ্ণালীৰে বিচ্ছুৰিত হৈ আছে।

---

* "Nothing in the world is single,
All things by low divine
Im one another's being mingle —
Why not I with thine?"
— LOVE'S PHILOSOPHY"

delet this page side, its double scann

কোনে কয় সিটি হৰিণা পোৱালি
ইমান চেতনা নাই !
বনৰ সৌন্দৰ্য্যই ৰূপ ধৰি আহি
দেও দি দুবৰি খায়।
বীনৰ আত্মাটি উৰি গুণ গায়
কোনেনো ভোমোৰা বোলে
খোপাৰ ফুলটি উৰিয়েই প্ৰিয়াৰ
পখিলাৰ নাম পালে।
কৃষ্ণপখী বোলে নিকুঞ্জ বনত
কৃষ্ণ কৃষ্ণ ডাক দিছে
পখী নহয় জানা ব্ৰজৰ কান্দোন
প্ৰতিধ্বনি ৰূপে আছে।

আধ্যাত্মিকতা আৰু গহীন ভাব বেজবৰুৱাৰ কবি প্ৰতিভাৰ এটা এৰাব নোৱাৰা দিশ। ৰোমাণ্টিক কবিৰ অনুভূতি তীব্ৰতা, ৰূপায়নৰ স্বাধীনতা অথচ আনহাতেদি সংযমী প্ৰকাশ ভংগীৰে বেজবৰুৱাই 'কবিতা' "অৱশেষ", 'প্ৰেম, 'বাঁহী', 'তৰা', 'মাতৃশ্ৰাদ্ধ' আদি কেইবাটিও উচ্চস্তৰৰ কবিতা লিখি থৈ গৈছে। 'কবিতা' হল কবিতাৰ সংজ্ঞা দিয়া কবিতা। আচলতে মনৰ সুক্ষ্ম অনুভৱৰ উপলব্ধিহে থাকে — তাৰ যথাৰ্থ ৰূপদিব নোৱাৰি। কবিতা যিহেতু অন্তৰৰ স্তৰ উপচি যোৱা ভাৱ আৰু অনুভূতিৰ সুমধুৰ ব্যঞ্জনাৰ সংশ্লেষণত সৃষ্ট তাৰ সংজ্ঞা দিয়া যায় কেনেকৈ? মাত্ৰ মিঠা কবিতাক ৰিজাব পাৰি "সুৰভি বিলাই যোৱা গোলাপৰ পাহিৰ লগতহে। এটি কৰুণতম কবিতাক এটোপাল অশ্ৰু, আতুৰৰ হুমুনিয়া, বিধবাৰ বুকুফটা কাতৰ যাতনা বুলি কোৱাৰ পিছত আৰু কৰলৈ কি বাকী থাকিল। কল্পনাৰ দুখনি ডেউকাত যেন আৰু দুখনি জীয়া - পাখি লগোৱা ময়ূৰৰ পাখিৰ দৰে এটা ৰহণৰ ওপৰত যেন আনটো ৰহণৰ ছায়া মায়া। ধুসৰ ধোৱাৰ লগত যেন নেদেখা সুৰভি বন্দী কৰাৰ আলফুল প্ৰয়াস 'কবিতা' কবিতাত কমনীয় হৈ উঠিছে।

পৃথিৱীৰ চিৰন্তন ক্ষয়িষ্ণুতা আৰু তাৰ বিপৰীতে থকা কীৰ্তিৰ সুবাস 'অৱশেষ' কবিতাটিত মনোৰমকৈ বৰ্ণোৱা হৈছে। আকাংক্ষাই অধীৰতা লৈ, হিয়াই উদ্বেগ লৈ, বাসনাই অতৃপ্ততাকে বুকুত সাবটি শেষৰ অগৰাজেয় অন্ধকাৰত বিলীন হৈ যায়। ৰৈ যায় মাথোন অকাশে বতাহে সেই আকুলতাৰ প্ৰতিধ্বনি। শেষ হয় কোনো সত্বাৰ পাৰ্থিৱ ৰূপ। কিন্তু ৰৈ যায় স্মৃতিৰ সুবাস। সুখ্যাতি অখ্যাতিৰ সঞ্চয় লৈ লৈ মহা জীৱনৰ পথত আগবাঢ়ে অৱশেষ থকা সত্বা:

'ফুলিল মালতী ফুলি সৰি পৰি গ'ল।
বিলোৱা সৌৰভ মাত্ৰ জগতত ৰ'ল।
মাৰ গ'ল দ্বিতীয়াৰ জোনৰ জীৱন
থাকি গ'ল মধুৰতা কিৰিশ কিৰণ।
ধন গল, জন গ'ল, গ'ল কায় ক্লেশ।
সুখ্যাতি অখ্যাতি ৰ'ল আত্ম অৱশেষ।'

ছনেটৰ আকাৰৰ ছন্দই কবিতাটিত গুৰু - গম্ভীৰ এক প্ৰতিধ্বনি দিছে।

'বাঁহী' নামৰ দুটা কবিতা আৰু দুটা গীত "কদম কলিত" আছে। কবিতা দুটাত কবিয়ে জীৱনৰ চৰম - পুলক অনুভৱ কৰিব খুজিছে বাঁহীৰ সুৰৰ মধুৰতম মূৰ্ছনাৰ এক বিন্দুত। সংগীত সুষমাৰ সেই লহৰত যেন পাৰ্থিৱ সকলো তিক্ততা শেষ হৈ যাওক, হৃদয়ৰ নিষ্ঠুৰতা আৰু নিঃস্বতা শেষ হৈ যাওক। গীত দুটাৰ এটা গীত গভীৰ আধ্যাত্মিক তাৎপৰ্য্যৰ। খণ্ডত, অখণ্ডৰ, অন্তত, অনন্তৰ, ভেদত সমন্বয়ৰ বীজ কেনেকৈ লুকাই আছে এই বীজ মন্ত্ৰৰ গীতাৰ 'এক সেৱাদ্বিতীয়ত্ম' দৰ্শনৰ গুৰু - গম্ভীৰ সুৰ যেন বাঁহীত প্ৰতিধ্বনিত হোৱা কবিয়ে শুনে। এই বাঁহী বাঁহী নহয়, এই বাঁহী মানবৰ আত্মা - যি আত্মা পৰমাত্মাৰে বিশ্বজোৰা মহাসুৰৰে প্ৰতিধ্বনি মাথোন

'মাতৃশ্ৰাদ্ধ' কবিতাত কবিয়ে মাতৃক স্নেহৰ প্ৰতিমা, মূৰ্তিমতী সহিষ্ণুতা' বুলি কৈ মাতৃৰ প্ৰকৃত পৰিচয় দিছে আৰু গভীৰ শ্ৰদ্ধাও জগাই তুলিছে।

'ত'ৰা' কবিতাত আকাশৰ অলেখ তৰা দেখি কবিৰ কল্পনাই উৰা মাৰিছে। স্বৰ্গৰ উপবন শুৱনিকৈ ৰখা তৰাৱলী আকাশী ফুল নেকি? নাইবা সেইবোৰ

'নতুবা অপূৰ্ব মনি মুকুতা উজ্বল
বিশ্বপতি - বিশ্বগৃহে কৰে জলমল"

জ্ঞান আৰু ভক্তিৰ প্ৰকাশ বেজবৰুৱাৰ কবিতাৰ এটা উজ্জ্বল বৈশিষ্ট্য। 'ঈশ্বৰ আৰু ভকত' এই শ্ৰেণীৰ এটা শ্ৰেষ্ঠ কবিতা 'মহাপ্ৰয়ানৰ যাত্ৰী'ও এই শ্ৰেণীৰ আন এটা কবিতা / উক্ত শ্ৰেণীৰ কবিতাৰ মাজেদি বেজবৰুৱাই চৰম লক্ষ্য প্ৰাপ্তিৰ মৰ্মকথা বৈষ্ণৱ দৰ্শনৰ গভীৰতাৰে দাঙি ধৰিছে। অনন্ত ৰহস্যৰ অন্ধকাৰ পোহৰাবলৈ মানুহৰ সীমিত জ্ঞানৰ দীপকাঠি নিতান্তই তুচ্ছ। জ্ঞানৰ ছাঁ - জুই গোটেই জীৱন খেদিলেও অন্ত নহয়:—

'জ্ঞান জ্ঞান কৰি ফুৰি
জ্ঞানৰ নাপালো উৱাদিহ
গোটালো খোলাকুটি। (মহাপ্ৰয়ানৰ যাত্ৰী)

ভাগৱত - গীতাৰ একশৰণত বিশ্বাসী পৰম বৈষ্ণৱৰ আশ্ৰয় সেই কাৰণেই ভক্তি মাৰ্গ, জ্ঞান মাৰ্গ নহয়।

'ভকতৰ পদধূলি
মূৰত লৈ বাট বুলি
প্ৰভূৰ সিংহাসনৰ তলত
আহা পৰোগৈ লুটি। (মহাপ্ৰয়ানৰ যাত্ৰী)

পৰম আনন্দময় জ্ঞান স্বৰূপে হৃদয়ত উপলব্ধি কৰি ভক্তই ভক্তিৰ আনন্দ সাগৰত এনেকৈ আপ্লুত ভাৱে অবগাহন কৰে যে মুক্তি আৰু তেওঁবিলাকে নিবিচাৰে। কাৰণ মুক্তি মানেই যে সকলোৰে শেষ - শেষেই যদি হ'ল ৰসময়ী ভক্তিৰ আনন্দ কেনেকৈ উপলব্ধি কৰা যাব সেই কাৰণেই —

'ঘৰৰ ভকত, বৈকুণ্ঠত মুকুতি
লৰি আতৈসকল আহা,
নেযাৱৈ নেযাৱৈ প্ৰভু মোৰ গোবিন্দাই
মুকুতিৰ নকৰোঁ বেহা। (ঈশ্বৰ আৰু ভকত)

ধেমেলীয়া ভাব বা ব্যঙ্গ বা কৃপাবৰী ৰচনা বেজবৰুৱাৰ



ৰচনাৰ এটা বহল দিশ আগুৰি আছে। কদম কলিৰ কেবাটাও কবিতা আৰু গীত সেইৰসতেই সিক্ত। 'ধোৱাঁ-খোৱা', 'ছয়ঋতুৰ ডাক', 'ডাকৰ টোপোলা', 'পকাচুলি', 'কলা - বগা', 'চন্দ্ৰা ৰাধাৰ দন্দ', 'চন্দ্ৰ', 'কুলি', 'ৰাধা আৰু সখীসকল', 'বাঁহী' আদি গীত আৰু 'বৃন্দা চন্দ্ৰাৱালী সংবাদ', 'চালনী আৰু বেজী' আদি কবিতা কৃপাবৰী ৰচনাৰ উৎকৃষ্ট উদাহৰণ। বেজবৰুৱাই কিছুমান কবিতাত কৃত্ৰিম হাস্যৰস সৃষ্টি কৰি হাঁহি হাঁহি লোকক হুঁহুৱাইছিল, কিন্তু তেনে কিছুমান কবিতাতো অন্তৰ তলিয়েদি শোকৰ ফল্গুধাৰা যেন চিৰ - প্ৰবাহ মান। বেজবৰুৱাই অসমীয়া সমাজত 'হোকা'ৰ ভূমিকা আৰু অসমীয়া মানুহ প্ৰকৃতি হাস্যৰসৰ সৃষ্টি কৰিছে।

'ধোৱাঁখোৱা'ত - - -
অনন্ত আকাশ মাজে দে ধোৱাঁ উৰুৱাই।
গ'ল ভোক, গ'ল শোক দে ভাগৰ পলুৱাই॥
নলী - লগ ধোঁৱা যোৱা
টেৰোক ভৈৰৱ নাদে বিশ্ব-জগৎ কঁপোৱাই॥
ধূপ ধুনা আতৰ হ'ক
ধোৱা খোৱা বাজি ৰ'ক,
মলা ধঁপাতৰ গোন্ধে যাওক বিশ্ব মলমলাই।'

'চালনী আৰু বেজী' কবিতাতো সামাজিক অৱস্থা বা ব্যক্তি জীৱন অধ্যয়ন আৰু পৰ্য্যবেক্ষণৰ উজ্জ্বল চানেকি। ইয়াত বিদ্ৰূপৰ শেলেৰে অসমীয়া সমাজৰ কালিমা আৰু সংস্কাৰ থকা সৰকা কৰিছে-নিজৰ সহস্ৰ কথা কৈ ঠাট্টা কৰে, হাঁহে। তেনেকুৱা অসমীয়া সমাজৰ বিপৰীত বিপৰীত কথাবোৰ

নহয়নে বাৰু হাঁহি উঠা
হাঁহি হাঁহি আহি ছুঠা
নহয় নে বাৰু হাহি উঠা ?

'ছয়ঋতুৰ ডাক' আৰু 'ডাকৰ টোপোলাৰ প্ৰকাশ ভংগীও হাস্যৰস বিদ্যামান। 'পকা চুলি'ত কোৱা হৈছে যে পকা চুলিৰ মূৰে বৰণ সলালেও মনৰ চিৰ সেউজী ৰূপ অপৰিবৰ্ত্তনীয়।

"বাহিৰত মোৰ পকে চুলি
ভিতৰত বাজে মৌ সুতুলি।'

'বৃন্দা-চন্দ্ৰাৱলী সংবাদ'ত বৃন্দা-চন্দ্ৰাই কথা কয় ইংৰাজী হিন্দী অসমীয়া মিহলি অদ্ভুত এক ভাষাত। 'চন্দ্ৰা ৰাধাৰ দম্ব" ৰাধা আৰু সখীসকল' সখী কোনেনো বজায় আদিতো তুষ্টি-বিতুষ্টিৰে বিসংগতি, অসামঞ্জস্য সৃষ্টি কৰি হাঁহি তোলাৰ চেষ্টা কৰা হৈছে। 'কুলি' আৰু 'চন্দ্ৰত' যথাক্ৰমে সুৰৰ মাধুৰ্য সৌন্দৰ্য্যৰ আদৰ্শৰ গতানুগতিক নেওচি ৰোমান্টিক কল্পনাই তৰাং ভাৱৰ টুলুঙা নাওত উঠি লৈ পলাইছে। "শুনিলে সেইটোৰ মাত মূৰ আচন্দ্ৰই কৰে' বুলি "বাঁহী" (গীত-তত্ত্ব) টোত হাস্যৰসৰ অৱতাৰণা কৰা হৈছে এইদৰে—

"ধপাত ভৰাব পাৰি,
পিঠা পুৰি খাব পাৰি,

কুকুৰ মৰা মাৰি, সেই ডাল ঠিক হব পাৰে,'

কবিতা লিখি নাম জহাব খোজা ব্যক্তি বিশেষৰ প্ৰতি পৰিহাস কৰি "যোৰা কবিতা" নামৰ এটি গীত বাঁহীৰ তৃতীয় বছৰৰ দ্বিতীয় সংখ্যাত প্ৰকাশ পাইছিল।

পৌৰাণিক কাহিনী মূলক বেলাড আৰু সাধাৰণ জীৱন মূলক কাব্য-সৃষ্টি তেওঁ কবি প্ৰতিভাৰ এটা সাৰ্থক দিশ। এই শ্ৰেণীত "দেৱযানী' পৌৰাণিক; 'ধনবৰ আৰু ৰতনী' 'ৰতনীৰ বেজাৰ" নিমাতী কন্যা' 'তিলকা' আদি কৃত্ৰিম বেলাড। 'সখীৰ প্ৰতি' বায়েক উষা ভনীয়েক প্ৰতিমা,' 'মইনা আদি সাধাৰণ জীৱন বিষয়ক "ধনবৰ আৰু ৰতনীৰ বেজাৰ' কবিতা দুটি অসমীয়া সাহিত্যিত বেলাডৰ উৎকৃষ্ট নিদৰ্শন। ধনশিৰী মুখ আৰু দিখৌমুখৰ এহাল মিৰি ডেকা গাভৰুৰ সৰল প্ৰণয় ভংগৰ অন্তৰংগ কাহিনী, গভীৰতম আবেগেৰে "ধনবৰ আৰু ৰতনী'ত ৰূপলৈ উঠিছে। ধনবৰ আৰু ৰতনী যেন অসমৰ প্ৰকৃতিৰ কোলাৰ অবিকশিত দুপাহ অম্লান বন-কুসুম। প্ৰেমৰ অৰুণোদয়ত ফুলিবলৈ বিৰহৰ নিদাঘ দহনত মৰহি যোৱা দুটি ঢোপা-কলি। দুইটা চৰিত্ৰকে অসমৰ কেঁচা মাটিত ওপজা হোজা চৰিত্ৰৰ সৌৰভাবিদ্যমান। ধনশিৰীৰ ষোড়শী ৰতনী নাওৰ সেন্দুৰীয়া টিঙত বহি এদিন উজাই আহি এদিন মাকৰ সৈতে ভটিয়াই যোৱাৰ পিছত দিখৌমুখৰ ধনাইৰ মনত অসহনীয়া বিৰহৰ ঢৌ উঠে, তাৰ উচ্ছসিত কণ্ঠত সেই বিৰহৰ ভাৱ প্ৰকাশ পায়। য'ত গভীৰ ভাল পোৱা তাতেই বিৰহৰ অধিক গভীৰতা আৰু তাতে বিচ্ছেদৰ কাৰুণ্যত আত্ম বিলুপ্তিত সম্ভাৱনা ধনবৰ মুখত তাৰেই ইংগিত

'সকলো লুটিলি ধনাইকে বধিলি
কেনেকৈ জী থাকো মই?

লুইতৰ পাৰৰ এৰাবাৰীৰ গৱা খহনীয়াৰ দৰে ৰতনীৰ বেজাৰৰ উহনিত ধনবৰ দিনৰ পিছত দিনে জহিছে আৰু সেয়েহে অনহনীয় বেজাৰৰ অসংযত আঘাত সহিব নোৱাৰি বৰনদী বোপাই লুইতৰ কোলাত আশ্ৰয় বিচাৰি তাৰ বিৰহী জীৱনৰ উপশান্তি বিচাৰিছে

'বোপাই মোৰ লুইত ঐ! সামৰি লোৱা মোক,

'কোলাত আন এফোৰি দিয়া' একে দৰে ধনবৰ মৃত্যুৰ বাতৰিয়ে ধনশিৰী মুখৰ ৰতনীৰ প্ৰেমৰ বৃন্দাবন নিমিষতে পুৰি ভস্মীভূত কৰিলে ঃ—

'পুৰি গ'ল বৃন্দাবন,
উৰি গ'ল ছাই
উৰি গ'ল ছাই।
ৰতনীৰ ধনাই আৰু
এই পৃথিৱীত নাই।

'ধনবৰ আৰু ৰতনী' আৰু 'ৰতনীৰ বেজাৰ' দুইটা কবিতাৰে পটভূমি বৰ লুইত। দুইটা কবিতাতে লুইতৰ পাৰৰ প্ৰাকৃতিক দৃশ্যাৱলী, চৰাই-চিৰিকতি, গছ-বিৰিখৰ উল্লেখ আছে। দুইটা কবিতাতে বন-গীত সুৰ বিদ্যমান। জন-বিশ্বাস দুইটা কবিতাৰে এটা দিশঃ

(১) 'ফুটুকাৰ তলতে যখিনী ছোৱালী
টুকু টুকু চাপৰি বায়।'



(২) 'মৰি গৈ সোন সৌ
তৰা এটি হ'ল,
হে তৰা এটি হ'ল।'

ৰোমান্টিক কল্পনাৰ যাদু পৰশত সকু জীৱনৰ চিত্ৰও মহিমা-মণ্ডিত হৈ শাশ্বত ৰূপত জিলিকি উঠে। 'ধনবৰ আৰু ৰতনী," 'ৰতনীৰ বেজাৰ," 'নিমাতী কন্যা', 'তিলকা' আদি তাৰে নিদৰ্শন। 'নিমাতী কন্যাৰ অন্তৰ্নিহিত বক্তব্য হ'ল আপোন অস্তিত্ব বিলোপ কৰিব পৰা প্ৰেম আৰু সংগীতৰ যাদুকৰী শক্তিৰ স্বৰূপ, যি যাদুৱে নিষ্প্ৰাণ জড় পদাৰ্থত সুৰৰ প্ৰান সঞ্চাৰ কৰে, নিমাতীৰ মুখতো পৃথিৱীৰ সকলো সুৰেৰে সুখীয়া কৰি মাত উলিয়াব পাৰে

'সাৰেঙ্গ গান্ধাৰ কামত ৰাগিনী অমৃত বৰষি গ'ল
নিমাতী কইনাৰ হৃদয় বুৰিল, সকলো স্তম্ভিত হ'ল
ধ্বনি-প্ৰতিধ্বনি ৰোল উঠি গ'ল, আনন্দত নাচিতম জীৱ
কোৰৰৰ ডিঙিত ওলমি মইনাই মাতিলে 'প্ৰানপ্ৰিয়'।

'তিলকা'ত ফুল-বাঁৰী তিলকাই বুঢ়ীমাক ৰাওলীৰ মৃত্যুত 'আগলি কলাপাত লৰে-কি-চৰে' বুলি লোক গীতৰ সুৰেৰে ইনাই-বিনাই কান্দি সকলোকে শোকাভিভূত কৰিছিল তাৰে বৰ্ণনা আছে।

দুয়োটা কবিতাতে গাওঁলীয়া জীৱনৰ চিত্ৰ, দুয়োটাতে সাধুকথাৰ সৌৰভ। এই শ্ৰেণী কবিতাৰ সৌন্দৰ্য্য আবেদনৰ ব্যাপকতা আৰু নিবিড়তাত প্ৰকাশ পায়, যি বেজবৰুৱা কবিতাত সুন্দৰ ভাৱে প্ৰকাশ পাইছে।

বেজবৰুৱাৰ কাব্যিক প্ৰতিভাৰ পৰিচায়ক অকল 'কদমকলি আৰু 'পদুম কলি'ত থকা কবিতা বিলাকেই নহয়। মনোজ্ঞ লিৰিক, গীত বিলাকো তেওঁৰ কবি প্ৰতিভাৰে স্বাক্ষৰ। বিশেষকৈ নাটকীয় গীত কেইটাটাও সৃজনী প্ৰতিভাৰ উজ্জ্বল চানেকি। উদাহৰণ স্বৰূপে 'জয়মতী' নাটকৰ গীতবোৰ আঙুলিয়াব পাৰি। নিদৰ্শন হিচাপে এটি বিৰহ-ব্যঞ্জনাৰে দীপ্ত গীতৰ কেইশাৰীমানৰ গীতি-সৌন্দৰ্য দেখুৱাব পাৰি;

'মালতীৰ চাকি খোপাত পিন্ধিলোঁ,
তাৰো গ'ল পাহি সৰি।
সোনৰ সঁজাতে পখীটি ৰাখিলো
সিও গুচি গ'ল উৰি।
সঁজাতে ফুলিল তগৰ ফুল পাহি
সন্ধিয়াৰে বা পাই,
কোনেও নেদেখোঁতে কোনেও নুশুনোতে
সিয়ো যে লেৰিলি যায়'
(জয়মতীৰ সখী সেউতীৰ গীত)

---

● প্ৰবন্ধটি যুগুটোৰাত কেইবাখনো পুথিৰ সহায় লোৱা হৈছে। —লিখক

— ● —

# ঃকি নাম দি মাতিম

## সেইসকলক, যিসকলে আপোনাক, মোক সকলোকে ০০৩০

স্বাৰ্থান্ধ, বিশ্বাসঘাটক, দুৰ্নীতি পৰায়ণ, কাণ্ড জ্ঞানহীন, আদৰ্শভ্ৰষ্ট, অপদাৰ্থ, টুটুকীয়া, খাই পাত ফলা, বিড়াল তপস্বী, আপোনপেটীয়া, বৰ্বৰ, পৰদ্বেষী, অতিপাতকী, অৰ্থলোভী, অনভিজ্ঞ, অমনোযোগী, নীতিবিবৰ্জিত, ভণ্ড, অবিশ্বাসী, পেটকুলী, অকৰ্মণ্য, অদূৰদৰ্শী, নৈতিকসাহসহীন, দোতলীয়া, আপোনপেটীয়া, অমানুষ, উচটীয়া, কুলাঙ্গাৰ, সঙ্কীৰ্ণতাবাদী, ধূৰ্ত্ত, আলগতীয়া, জাতিদ্ৰোহী, অশলাগী, পৈশাচী, অকৃতজ্ঞ, অসঞ্জাতী, জড়াগস্ত, ক্ষমতালোভী, ধূৰন্ধৰ, বিবেকহীন, বহতীয়া, অধৰ্মী, মিছলীয়া, নোমটেঙৰ, পৰশ্ৰীকাতৰ, খিয়লীয়া, বহুৰূপী, কপটীয়া, শঠ, প্ৰৱঞ্চক, পদুলিশুঙা, সুবিধাবাদী, নে তথাকথিত ভদ্ৰ সমাজৰ এগৰাকী। চিন্তা কৰি চাবচোন। ●

## ছাত্ৰ একতা সভাৰ দায়িত্বত:



বাওঁফালৰ পৰা:

বহি: ৰাতুল বুঢ়াগোঁহাই (সদস্য) একাদিত্য হাজৰীকা (সাধাৰণ স:) নন্দলাল বৰগোঁহাই (উপাধ্যক্ষ) ভাগ্যৰঞ্জন কোঁৱৰ (উপসভাপতি) বিদ্যুৎ কোঁৱৰ (সা: সম্পাদক) প্ৰসন্ন চেতিয়া (স: সা: স:)

থিয় হৈ: সঞ্জীৱ গগৈ (সা: খে: স:) ভাস্কৰ বসুমতাৰী (সদস্য) অৰুণ সোণোৱাল (সদস্য) বিৰাজ চাংমাই (সদস্য) স্মৃতিৰেখা বৰুৱা (সংগীত বি: স:) উৎপল সোণোৱাল (আ: স:) দিগন্ত গগৈ (সদস্য) মনোৰঞ্জন বৰ্মন (সদস্য)

ছবিত নাই: ভাস্কৰ সোণোৱাল (শ: চ: স:) চন্দন সোণোৱাল (মু: খে: স:) বিনোদ গগৈ (স: ক: বি: স:) তৰুমণী কোঁৱৰ (ছা: জি: কো:) দিলীপ দিহিঙীয়া (ছা: জি: কো:) চিত্তৰঞ্জন দিহিঙীয়া (শ্ৰে: প্ৰ:) কনক দেউৰী (উপদেষ্টা)

## গৌৰৱৰ স্বাক্ষৰ

নিমেষ কমল ফুকন



ৰাষ্ট্ৰীয় ড্ৰাগঝিল্লি পাহাৰ লিফটিঙত ৫৬ কে:জি: শাখাত ব্ৰঞ্জৰ পদক বিজয়ী।

ছবিত বাওঁফালৰ পৰা–
বহি: মুনিন দুৱৰা (নাট্যকাৰ) শিৱনাথ হাজৰিকা (শ্ৰে: অভিনেতা আৰু নাট পৰিচালক)
থিয় হৈ: দীপক কটকী (শ্ৰেষ্ঠ সহ অভিনেতা) শিবজী ফুকন, ৰাজীৱ দত্ত



ফটোত নাই: নৃপেন চেতিয়া, নৃতেম চেতিয়া।

নাট: 'জাগ্ৰত'

শ্ৰেষ্ঠ নাট্য দল



শিৱনাথ হাজৰিকা
• শ্ৰেষ্ঠ নাট পৰিচালক আৰু শ্ৰেষ্ঠ অভিনেতা



সঞ্জীৱনাৰায়ণ চাউদাং বৰুৱা
• 'গুৱাহাটী শ্বাশত গোষ্ঠীয়ে সদৌ অসম ভিত্তিত আয়োজন কৰা স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ পুৰস্কাৰ বিজয়ী।

28

* গল্প * গল্প * গল্প * গল্প * গল্প * গল্প * গল্প * গল্প *

০ ০ ০ সাধাৰণ মানুহৰ জীৱনৰ সংঘাট আৰু সংগ্ৰাম, ব্যক্তি আৰু সমাজৰ আশা আৰু স্বপ্নভঙ্গ আৰু এক ব্যাপক ৰূপত মানুহৰ পতন, স্খলন আৰু এক নতুন মানৰ সমাজ নিৰ্ম্মাণৰ আকাংক্ষা— এই বোৰৰ চিত্ৰায়ণ হল গল্পৰ নতুন সমল।" ০ ০ ০

# গল্প

চতুৰ্দশ সংখ্যা
১৯৯০–৯১


| | |
|---|---|
| ☐ পাগল | : তুলসী উপাধ্যায় |
| ☐ ৰক্তিম | : দেবানন্দ গগৈ |
| ☐ সঙ্কল্প | : মালবীকা পাত্ৰ |
| ☐ ৰঙা ফুলৰ সুবাস | : ডেভিদ কান্দাং |
| ☐ তুৰাৰোগ্য | : মুনীন দুৱৰা |

আগতে মই মাজে মাজে ৰহমান দদাইদেউৰ ঘৰলৈ আহিছিলো। তেখেতে মোক বৰ ভাল পাইছিল আৰু মৰমো কৰিছিল। কিন্তু এতিয়া বহুদিনেই হ'ল তেখেতক লগ নোপোৱা। ইমান দূৰ আহিলো যেতিয়া ঘৰত সোমায় তেখেতৰ খা - খবৰ লৈ যোৱাৰ ইচ্ছা কৰিলো। লগে লগে আগ বাঢ়িলো দুৱাৰলৈ লক্ষ্য কৰি। দুৱাৰ মুখ পায় " দদাই দেউ " বুলি মাত দিলো। কিন্তু উত্তৰলৈ অপেক্ষা নকৰি ভিতৰ সোমালোঁ। ভিতৰ সোমায় দেখিলো পাটিত এখন কম্বল লৈ এতিয়া পৰ্য্যন্ত কোনোৱা শুই আছে। মই হতাশৰ সুৰত কৈ উঠিলো — " কোন হয়, দদাই দেউ নেকি। কি হৈছে ?" লাহে লাহে কম্বল খনৰ পৰা মুখ উলিয়াই মাত দিলে " কোন ? " মই মুখ খনলৈ চালো, সঁচাকৈ এইয়া দেখোন ৰহমান দদাইদেউ। তেখেতৰ অৱস্থাটো দেখি আচৰিত হৈ ক'লো — " আপোনাৰ কি হৈছে দদাই দেউ ?"

তেখেতে মোলৈ চায় লাহে লাহে ক'লে — " অ ৰবীন বাপু ! কেতিয়া আহিলা নগৰৰ পৰা ? ভালে আছানে ? "

"ভাল দদাই দেউ, মই যোৱা কালি আহিলো" - মই কলো।

বুজিছা বাপু ৰবীন। মই আজি প্ৰায় ১৫ দিনৰ পৰা বেমাৰত পৰি আছো। মোৰ বাবে ৰবীনাৰ বৰ কষ্ট হৈছে। তাই ক'ৰ ক'ৰ পৰাযে বিছাৰি - খুছৰি মোৰ বাবে ঔষধ আহাৰৰ যোগাৰ কৰিছে ঃ মই তাইক বহুত বুজাবলৈ চেষ্টা কৰিলো মোৰ বাবে কষ্ট কৰিব নালাগে বুলি। কিন্তু তাই নামানে হে নামানে। অতি দুখেৰে কথাবোৰ কলে।

এনেতে হাতত এটা মোনা লৈ যৌৱনৰ প্ৰথম ভৰি দিয়া এগৰাকী ক্লান্ত যুৱতী ভিতৰলৈ সোমাই আহিল। একাষত মোনাটো থৈ মোৰ ফালে কিছু আগুৱাই আহি তাই কলে - " ৰবীন দাদা, ভালনে?" মই তাইক প্ৰত্যেত্তৰ দি ক'লো — " তুমি ৰবীনা নহয় জানো ? বহুত ডাঙৰ হ'লো দেখোন। নেদেখা বহুদিন হোৱাৰ বাবে হবলা মই হলে তোমাক সৰু সৈয়ে আছা বুলি ভাবিছিলোঁ। "

তাই একো উত্তৰ নিদি তলমূৰ কৰি দেউতাকৰ কাষলৈ গ'ল। আৰু দেউতাকৰ ভাল বেয়াৰ খবৰ লৈ ঔষধ খাবলৈ দিলে। মই মনতে অনুভৱ কৰিলো সচাঁকৈ ছোৱালী জনীয়ে দেউতাকৰ বাবে যথেষ্ট কষ্ট পাইছে। উপায়ো যে নাই, দুখীয়া হোৱাটোতকৈ ডাঙৰ সমস্যা জানো আন কিবা আছে ? ভাৱি থাকোতে দদাই দেউয়ে মাত দিলে — " ৰবীন বাপু, তোমাক কথা এটা কোৱাৰ ইচ্ছা আছিল ! "

মই তেখেতৰ কাষলৈ গৈ বিছনা খনতে বহি ক'লো - " কি দদাই দেউ ? " " কথাটোত তুমি বেয়াই পাবা নেকি ? " বৰ চিন্তিত ভাৱে লাহে লাহে ক'লে। "বেয়া কিয় পাম আপোনাৰ কথাত দদাইদেউ ? কওঁক কি কথা " মই ক'লো। বুজিছা ৰবীন। মই আৰু বেছি সময় জীয়াই নাথাকো যেন অনুভৱ হৈছে। কিন্তু মোৰ এটা ডাঙৰ সমস্যা সমাধান কৰিবলৈ বাকী আছে। তাৰ বাবে মোৰ আত্মাই মৰিও শান্তি নাপাব যেন লাগে।" তেখেতে বৰ দুখ ভৰা ভাষাৰে কথা বোৰ ক'লে।

নিশ্চয় তোমাক ক'ম, আৰু যদি তুমি মোৰ এই কথা অস্বীকাৰ নকৰা তেন্তে মোৰ মৃত্য হলেও সুখী হৈয়েই ৰ'ম।" " মই কেতিয়াও আপোনাৰ কথা অস্বীকাৰ নকৰো, কওঁক দদাইদেউ "

মই কথাষাৰ কোৱা মাত্ৰকে তেখেতৰ মুখমণ্ডলত কিছু হাঁহি আৰু উজ্বলতা ঘুৰি আহিল। আৰু লগে লগে তেখেতৰ সেঁাহাতেৰে মোৰ হাত এখন ধৰিলে আৰু আন খন হাতেৰে কাষত বহি থকা ৰবীনাৰ হাত খন ধৰি মোৰ হাতত দি ক'লে — " মোৰ মৰমৰ একমাত্ৰ জী ৰবীনাক এতিয়াৰ পৰা তোমাৰ হাতত গতালো। তোমালোক দুয়ো মোৰ বাবে কিমান যে মৰমৰ সেই কথা তোমাক নকলেও বব।"

যেতিয়াই মোৰ হাতত ৰবীনাৰ হাত খনৰ স্পৰ্শ হ'লে, মই এক গভীৰ চিন্তাত ডুব গ'লো।

# গল্প

## পাগল

—তুলসী উপাধ্যায়
স্নাতক ৩য় বাৰ্ষিক (কলা)

মোৰ নাম ৰবীন শৰ্মা আছিল। কিন্তু বৰ্ত্তমান নহয়। নহয় মানে, আমাৰ গাঁৱৰ মানুহ খিনিয়ে মোৰ সেই নামটোৰ দুটাৰ ভিতৰত এটা শব্দ নিঃশেষ কৰি পেলাইছে। আৰু তাৰ ঠাইত আন এটা শব্দৰ সন্নিবিষ্ট কৰি দিছে। এতিয়া সেই শব্দটোৰ সৈতে মোৰ নাম কৰি পেলাইছে ৰবীন পাগল বা আন কিছুমানৰ বাবে পাগল শৰ্মা। মোৰ নামটোৰ বাবে আঁজি-কালি গাঁৱৰ মানুহক আন শব্দৰ প্ৰয়োজন নহলেওঁ "পাগল" শব্দটো ব্যৱহাৰ কৰা অতি জৰুৰী হৈ পৰিছে। গতিক বৰ্ত্তমান মই এটা পাগল। কিন্তু মই সঁচাকৈ পাগল নে, গাঁৱৰ মানুহ খিনিয়ে মোক মিছাঁতে পাগলৰ ডিগ্ৰীটো লগাই দিছে ?? এই বিষয়ে মোৰ কিছু সন্দেহ ওপজে। প্ৰকৃততে পাগল নো কি, ই কেনেকুৱা বস্তু ? নিশ্চয় ইয়াৰ কিছু বৈশিষ্ট মোৰ গাত আছে, সেয়েহে মই উক্ত সন্মানৰ অধিকাৰী হব পাৰিছো।

কিন্তু মোৰ গাত এই পাগলৰ বৈশিষ্ট বোৰ কিয় আৰু কেনেকৈ আহিল ? ইয়াৰ বাবে দায়ী মই নিজেই নে আন কোনোবা ?? এই বিষয়ে আমাৰ সমাজৰ মহান বুদ্ধিজীৱি সকলে অকণমান চিন্তা কৰিছেনে, সি সকলে মোক বিনাদিদ্ধাই পাগলৰ উপাধি প্ৰদান কৰিব পাৰিছে ??

আজিৰ পৰা প্ৰায় দুবছৰ আগৰ কথা। তেতিয়া মই বি, এ, ৰ ফাইনেল পৰীক্ষা দি নগৰৰ পৰা গাঁৱৰ ঘৰলৈ আহিছোহে। পিছদিনা পুৱা গাঁৱৰ দাতিয়েদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈ খনৰ মনোৰম দৃশ্য বোৰ উপভোগ কৰি। এই দৰে আগবাঢ়ি যাওঁতে মোক বিভিন্ন প্ৰাকৃতিক দৃশ্য বোৰে এনেদৰে আৰ্কষিত কৰি পেলাইছিল যে. মই বহু দূৰ গৈ পোৱা গমকে পোৱা নাছিলো। হঠাৎ এটা সৰু জুপুৰীঘৰ সন্মুখত দেখা পাওঁতেহে মোৰ চেতনা ঘূৰি আহিল আৰু লগে লগে মই থমকি ৰ'লো। মনতে ভাৱিলো "এইটো দেখোন ৰহমান দদাই দেউৰ ঘৰ"। তেতিয়াহে অনুভৱ কৰিব পাৰিলো যে মই ঘৰৰ পৰা প্ৰায় ২ কিলোমিটাৰ মানেই আহি পেলালো।

তেখেতৰ সমস্যাটো এনে ধৰণৰ হব পাৰে বুলি মই কল্পনাও কৰা নাছিলো। এতিয়া কি হব ? মোৰ বাবেতো জাতি, ধৰ্ম; বৰ্ণক লৈ কোনো কথা নাই। মই জানো, মানুহ সকলো একেই। কিন্তু আমাৰ ৰক্ষণশীল সমাজখনে ইয়াক মানি লব ? আনকি মোৰ ঘৰখনে ইয়াক স্বীকাৰ কৰিব ?? এনে ধৰণৰ অনেক চিন্তাই মোক গভীৰৰ পৰা গভীৰলৈ নিব ধৰিলে "ৰবীন কি ভাবিছা ?" বুলি ৰহমান দদাইদেউয়ে কোৱাত হে মই পুনৰ স্বাভাবিক অৱস্থালৈ ঘূৰি আহিলো। আৰু তৎক্ষণাত নিজকে সংযম কৰি উত্তৰ দিলো — "নহয়, দদাইদেউ একো ভৱা নাই।"

"ৰবীনাক তোমাৰ হাতত দি মই তোমাৰ জীৱনলৈ বিগ্ৰহ আনি দিয়া নাইতো ? মই তোমাক, তোমাৰ ঘৰখনক আৰু সমাজক ভাল দৰে জানো। কিন্তু এতিয়া মোৰ আন একো উপায়ো নাই, কি কৰো ??" তেখেতে কথাবোৰ কৈ যাওঁতে চকুৰ পৰা মাজে মাজে চকুলো বৈ আহিছিল। আৰু কথাবোৰ লাহে লাহে কৰি বৰ কষ্টত কোৱা যেন অনুভৱ কৰিছিলো।

লগে লগে মই উত্তৰত কলো — "দদাইদেউ আপুনী তেনে কথা নকব। আপুনী 'কোনো বেয়া কাম কৰা নাই, মানুহ সকলো একে। মই ৰবীনাক আনন্দৰে স্বীকাৰ কৰি লৈছো। এতিয়া আৰু আপুনী তাইৰ বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন নাই।"

"মই জানো তুমি মোৰ কথা অস্বীকাৰ নকৰা বুলি। এতিয়া অত্যন্ত সুখী আৰু নিচিন্ত। আৰ্শীবাদ কৰিছো, তোমালোকৰ জীৱন সু--খ--ৰ হ--ওঁ-কা।"

কিন্তু এইয়া কি ? হঠাৎ তেখেতৰ চেহেৰালৈ এক অন্ধকাৰ ভাহি আহিল। তেখেতে কথাষাৰ কোনো মতে শেষ হে কৰিলে লগে লগে যেন গোটেই পৃথিৱীলৈকে অন্ধকাৰ নামি আহিল।

এনেতে ৰবীনা দেউতাকৰ ওপৰত পৰি কান্দিবলৈ ধৰিলে। অজানিতে মোৰ চকুয়েদিও চো খেলি বৈ আহিল দুধাৰি মৰ্মাহত নিজৰা।

সচাঁকৈ ৰহমান দদাইদেউ জীয়াই আছিল ৰবীনাক গতাই দিবৰ বাবেহে। আমাৰ দুয়োক একে লগ কৰি আৰ্শীবাদ দিবলৈ। এনেতে ৰবীনাৰ কান্দোনৰ সুৰ আৰু বেছি প্ৰখৰ আৰু করুণ হৈ আহিব ধৰিলে। মই নিজক কোনোমতে স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনি তাইক বিভিন্ন কথাৰে বুজনি দিবলৈ চেষ্টা কৰিলো। কিন্তু মোৰ লগতেই বা বুজনিৰ ভাষা ক'ত ? অৱশেষত যেনিবা তাইৰ কিছু ধৈৰ্য্য ঘূৰিল। আৰু গাৱঁৰ কেই জন মান লোকৰ সহযোগত তেখেতৰ দেহাৰ অন্তিম সংস্কাৰ কৰা হ'ল।

ইতিমধ্যে দিনটোলৈ সন্ধিয়াৰ ছা নামি আহিছিল। ৰবীনাক মই আমাৰ ঘৰলৈকে যোৱাৰ কথা ক'লো। প্ৰথমতে তাই নিজৰ ঘৰতে থাকিব বিছাৰিছিল। শেষত যাবলৈ মান্তি হ'ল। দুয়ো ঘৰৰ পিনে আগ বাঢ়িলো। কিন্তু ঘৰলৈ বুলি যিমানে খোজ দিছো সিমানে মই গভীৰ চিন্তা আৰু ভাৱনাত বিমোৰ হৈ পৰিছো। ভাৱিছো, ঘৰত গৈ মই কি বুলিম ? ঘৰত আমাৰ দুয়োকে মানি লবনে ?? ঘৰখনত যে এতিয়াওঁ হিন্দু ধৰ্মৰ কট-কটিয়া নীতি-নিয়ম ! তাতে আকৌ ব্ৰাহ্মণৰ ঘৰ ---- !!!

এইদৰে মনত বিভিন্ন কথা ভাৱি ভাৱি ঘৰৰ দুৱাৰ মুখ পালো। ঘৰত মা-দেউতা মোৰ অপেক্ষাতে আছিল, পুৱাতে ওলাই গৈ সন্ধিয়া লৈকে ঘূৰি নহাত। এনেতে তেওঁলোকৰ ওচৰ পাওঁ মানে বিভিন্ন প্ৰশ্ন আহিব ধৰিলে ক'ত গৈছিলি ? কিয় গৈছিলি ? ...গত অহা ছোৱালীজনী কোন ? তাই কিয় আ...ছে ?? ইত্যাদি ---- ইত্যাদি ---- ???

মই এফালৰ পৰা সকলো কথা বি... কৈ যাবলৈ ধৰিলো। কিন্তু -- কিন্তু মোৰ কথা শে... হবলৈ বাকী থাকিল। ৰহমান দদাইদেউয়ে ৰবী... মোৰ হাতত অৰ্পন কৰাৰ কথা পাওঁতেই, দে...াই তৰ্জন গৰ্জন

কৰি ক'লে– "তেন্তে কি, তই তাইক গ্ৰহণ কৰিলি ?

'তেনে অৱস্থাত মই কেনেকৈ অস্বীকাৰ কৰো দেউতা ? মানুহ সকলোয়েই একেই নহয় জানো ? একেই তেজ মাংসৰে গঢ়া - - - -।

কথাষাৰ মই শেষেই কৰিব নাপালো, দেউতাক আৰু কোনে ৰখায় । একালৰ পৰা দপ-দপাই কব ধৰিলে— "তই মোৰ মান-সন্মান সকলো শেষ কৰিলি। ব্ৰাহ্মণৰ জাত মাৰিলি। তোক মই পঢ়াই-শুনাই ইয়াকে পালো, মোৰ ল'ৰা ইমান তললৈ যাবি বুলি ভৱা নাছিলো। এতিয়া মোক গাৱঁৰ মানুহ খিনিয়ে কি কব ? মানুহৰ মাজত মই কেনেকৈ মুখ দেখুৱাম ?? ইত্যাদি - - - - ইত্যাদি - - - -

মই অনেক প্ৰকাৰে বুজোৱাৰ প্ৰচেষ্টা কৰিলো, কিন্তু সকলো চেষ্টা বিফল হ'ল। শেষত আৰু উগ্ৰ হৈ দেউতাই কৈ উঠিল – "তই এতিয়াই ওলাই যা। তোৰ দৰে নীচ এটাৰ বাবে মোৰ ঘৰত কোনো স্থান নাই। আজিৰ পৰা তই মোৰ পুত্ৰ নহয়, ওলাই যা এতিয়াই তোৰ মুখখন মই এখন্তেকো দেখিব নিবিছাৰো, যা - -"

সকলো দিশৰ পৰা বিমোৰ হৈ মই ৰবীনাক লগত লৈ ওলালো – পুনৰ ৰবীনাহঁতৰ সেই জুপুৰী-টোলৈ। দেউতাৰ মৃত্যুৰ শোকত জৰ্জৰিত ৰবীনাই মোৰ ঘৰত আৰু যি আঘাত পালে, তাইক বুজোৱাৰ মোৰ আৰু কোনো ভাষা নাথাকিল। তাই চকু পানী টুকি-টুকি যাবলৈ ধৰিলে "মোৰ বাবেইতো আপুনী নিজৰ ঘৰখনো ত্যাগ কৰিব লগা হ'ল। আপুনী মোক এৰি দিয়ক, মই নিজেই মোৰ কিবা এটা ব্যৱস্থা কৰি লম। আপুনী নিজৰ ঘৰলৈ ঘূৰি যাওঁক - - -"

"নাই ৰবীনা, তুমি তেনেকৈ নকবা। তোমাৰ দেউতাক মই অন্তিম ক্ষণত যি প্ৰতিশ্ৰুতি দিছো সেই কথাৰ কোনো লৰচৰ নহয়। মোক ঘৰখনে ত্যাগ কৰাটো সাধাৰণ কথা, গোটেই বিশ্বখনেও যদি ত্যাগ কৰে তথাপি আমি দুয়ো একে লগেই থাকিম।"

এনে বিভিন্ন ধৰণৰ কথাৰে আমি ৰাতিটো উজাগৰে কটালো। সিফালে গোটেই গাওঁখনত বিৰাট হুলস্থূল, "বোলে লক্ষীধৰ বামুণৰ পুতেক ৰবীনে মুছলমান ছোৱালী আনিলে। সিহঁতৰ ঘৰখনক গাৱঁৰ পৰা বাদ কৰিব লাগে। ইমান দিনে আমি সিহঁতৰ ঘৰখনক বামুণৰ মৰ্যদা দি আহিছিলো। এতিয়া সিহঁতে আমাৰ গোটেই গাওঁ ঘৰৰ মৰ্য্যদা নাশ কৰিলে। ইত্যাদি - - - - ইত্যাদি - - - -।"

ইতিমধ্যে গাৱঁৰ জেষ্ঠ্য, গণ্য - মান্য সকল গোট খালে। আৰু সিহঁতৰ মাজত আলোচনা চলিল। এই বিষয়ে সমাজ এখন বহাৰ সিদ্ধান্ত হ'ল। কেইজন মান ব্যক্তি আমাক বিছাৰি আহিল। ব্যক্তি সকলে আমাৰ দুয়োকে সভাত যোৱাৰ কথা ক'লে। মই প্ৰথমে নাযাওঁ বুলিয়েই ভাবিছিলো, কিন্তু সমাজেনো কেনে ধৰণৰ বক্তব্য দিয়ে জনাৰ ইচ্ছা গ'ল আৰু আমি দুয়ো সিহঁতৰ লগতে গ'লো। সভাত ইতিমধ্যে দেউতাৰ সৈতে গাৱঁৰ আন সকলো গুনী জ্ঞানী সকল সমবেত হৈছিল। সভা আৰম্ভ হ'ল। মোক ওচৰত মাতিলে, ৰবীনা অলপ আতৰতে থাকিল। সভাই দেউতাৰ পৰা বিতং কথাখিনি জানিব বিছাৰিলে। দেউতাই মোক ঘৰৰ পৰা উলিয়াই দিয়াৰ কথা ক'লে, লগতে অন্য সকলো। আৰু ক'লে যে - এই সকলো কাৰ্য্য তেওঁৰ অজ্ঞাতে হৈছে; তেওঁ ইয়াৰ বাবে অকণো দায়ী নহয়। গতিকে সমাজে যি শাস্তি দিয়ে কেৱল মোৰ ওপৰতে দিবলৈ ক'লে।

তাৰ পাছত সভাৰ পৰা গাওঁ বুঢ়াই মোক ক'লে "ৰবীন তুমি এজন শিক্ষিত লৰা হৈ এনে কাৰ্য্য কৰিব নালাগিছিল। তাতে আকৌ এজন হিন্দু ব্ৰাহ্মণৰ পুত্ৰ হৈ ! ইয়াৰ বাবে আমি তোমাক সমাজৰ পৰা বহিস্কাৰ কৰিবলৈ বাধ্য। তথাপি তোমাৰ ভুল শুধৰাবৰ বাবে অন্তিম সুবিধা এটা দিছো। তুমি সেই মুছলমান ছোৱালী জনীক ত্যাগ কৰা আৰু প্ৰায়চিত্ত কৰি বিধি পূৰ্বক ভাৱে এজনী ব্ৰাহ্মণ কন্যাক



বিয়া কৰোৱা ০০০।" তেওঁৰ কথা শুনি মই অজানিতে কৈ উঠিলো – "কিন্তু ৰবীনা ?" "কোন, সেই মুছলমান ছোৱালী জনীৰ কথা কৈছা ? সেই জনীৰ কথা তুমি কিয় ভাৱিব লাগিছে। তাই যি ইচ্ছা তাকে কৰিব। এজন ল'ৰাৰ জীৱন ধ্বংস কৰাৰ তাইৰ কি অধিকাৰ আছে ? ইচ্ছা হ'লে তাই কোনোৱা এটা মুছলমান ল'ৰা বিছাৰি যাব, নহলে যি মন যায় কৰিব ০ ০ ০।"

তেখেতৰ কথা বোৰ শেষ নহওঁতেই মই খংত জৰ্জৰিত হৈ কৈ উঠিলো – "এইয়ে আপোনা লোকৰ সমাজ ? এয়াই ন্যায় ?? এইয়ে বুদ্ধি মানৰ বক্তব্য ??? ইমান নীচ হবলৈ লাজ লগা নাই আপোনা লোকৰ ! এজনী ছোৱালীৰ ওপৰত ইমান অত্যাচাৰ !! নালাগে মোক আপোনালোকৰ এই সমাজখন, নালাগে আপোনালোকৰ ন্যায়। মোক সমাজৰ পৰা বহিস্কাৰ কৰি দিয়ক।"

তাৰ পিছত বহুতে বহু ধৰণৰ মন্তব্য দি এজন এজন কৰি সকলো ব্যক্তি উঠি গল। খন্তেকত মই নিজক স্বভাৱিক কৰি ৰবীনাৰ পিনে চকু ঘূৰালো। কিন্তু ৰবীনা দেখোন আগৰ ঠাইত নাই ! চাৰিও ফালে চালো, কতো দেখোন নাই !! "কলৈ গল তাই, ? "ভাবিলো, নিশ্চয় নিজৰ জুপুৰীটোলৈকে গ'ল চাগে। লৰি গ'লো তালৈ। কিন্তু, তাতো দেখোন নাই ! কলৈ গল ? বহুত চিএঞৰিলো– কোনো প্ৰত্যুত্তৰ নাপালো। দিনে ৰাতি গাৱে-গাৱে, হাবিয়ে - বননিয়ে বিছাৰি ফুৰিলোঁ। কিন্তু কলৈ গ'ল, কি হ'ল – অকনো সন্ধান নাপালো। এইদৰেই দুদিন পাৰ হল। তৃতীয় দিনা এজন মানুহৰ পৰা শুনিবলৈ পালো নৈৰ সিটো পাৰে এজনী তিৰোতাৰ মৃত দেহ বালিত পৰি থকাৰ কথা। তালৈ লৰি গলো। মনতে ভাৱি গলো – ৰবীনাইতো এনে কৰিব নালাগে !

বালিত পৰি থকা মৃত দেহৰ ওচৰ পায় দেখিলো এইয়া দেখোন ৰবীনাই !! মোৰ হৃদয়খন চূৰ্ণ-বিচূৰ্ণ হ'ল, মূৰটো গধুৰ হৈ পৰিল আৰু - অন্তৰৰ পৰা চকুৱেদি বৈ আহিল দুধাৰি কৰুণ বেদনাৰ নিজৰা। লগে লগে মুখেদি উচ্ছাৰিত হৈ আহিল বজ্ৰ পাতৰ দৰে খং আৰু বেদনা মিশ্ৰিত কিছুমান শব্দ– সিহঁতৰ ওপৰত, সেই সমাজ খনৰ ওপৰত, সমাজৰ নিষ্ঠুৰ অমানৱ বোৰৰ ওপৰত !!! লগে লগে মই দৌৰি আহিলো, সেই গাওঁখনলৈ। আৰু চিএঞৰি চিএঞৰি ফুৰিলো ইমূৰৰ পৰা সিমূৰলৈ। মোৰ মন গৈছিল – এটা এটাকৈ সেই সমাজৰ প্ৰতিজন ব্যক্তিৰ ডিঙি চেপিবলৈ ০ ০ ০ ।

তাৰ পিছত মই এই দৰেই ঘূৰি ফুৰিছো বাটে-বাটে। এতিয়াওঁ মোৰ খং মাৰ যোৱা নাই, অন্তৰে শান্তি পোৱা নাই ! সিহঁতক দেখিলে মই এতিয়াও চিএঞৰি উঠো ! কিন্তু আজি সিহঁতেই মোক কয় পাগল। ০ ০ ০ ০ ০

"তইঁতৰ দৰেই নিৰ্লজ, দয়াহীন, ধাৰ্মীকে কৰা নাইনে – পা - - - গ - - - ল ???"

সকলো ধৰ্মৰে মূল কথা এটাই। সেইটো হৈছে মানুহক মানুহ ৰূপে গঢ়ি তোলা। গতিকে ধৰ্মৰ লগত মানুহৰ বিকাশ আৰু প্ৰগতি সকলো কথাৰেই জড়িত হৈ আছে।

— ৰাধাকৃষ্ণণ

# ঃ ৰঙ্কিম ঃ

—দেবানন্দ গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

আজি বহাগ বিহুৰ উৰুকা। এবছৰৰ মূৰত পৰিছে এই উছৱৰ দিনটো। কেউফালে ৰঙেৰে উপচি পৰিছে। পল্লৰীহঁতৰ বন্ধুৱা চুবুৰীটোতো এই উছৱৰ পৰশ নলগাকৈ থকা নাই। পুৱাতে চুবুৰীটোতো এটাই-জাক লৰাছোৱালী আহি ৰঘুহঁতৰ ঘৰৰ ওচৰত লগ লাগিছে। গাত সিহঁতৰ ৰঙ বিৰঙৰ নতুন চোলা। বন্ধুৱা মাক বাপেকে উছৱ বুলিয়েই যি পাৰে নতুন চোলা কাপোৰ কিনি দিছে। পলি, সোনমাই, মিনা, মামনী, গীতাইঁতে নতুন কাপোৰ পিন্ধি ৰঘুহঁতৰ ঘৰৰ কাষতে থকা মাধৱহঁতৰ নঙলাডালত জুলি জুলি আলোচনা কৰিছে ৰাতি কাৰঘৰত কেনেকৈ পিঠাপনা কৰিব, কাৰঘৰত কিমান আনন্দ কৰিব ইত্যাদি। মাত্ৰ অলপ আতঁৰত সিহঁতৰ কথাবোৰ শুনি শুনি বেজাৰ মনেৰে মাধৱৰ একমাত্ৰ জীয়ৰী চম্পা বৈ আছে। তাইৰ গাত পুৰণি ফটা ছিটা কাপোৰ আৰু 'মুখত এটা করুণ ভাৱ, তাই মাজে মাজে তাইৰ গাৰ কাপোৰ বোৰলৈ চাইছে আৰু পলিহঁতৰ নতুন কাপোৰবোৰৰ লগত ৰিজাইছে। এই কাপোৰযোৰৰ পাৰ্থক্যখিনিয়ে যেন তাইক অন্যকেইজনী ছোৱালীৰ লগত আনন্দত যোগ দিব পৰা ক্ষমতাখিনিৰ পৰা বঞ্চিত কৰিছে। এবাৰ হঠাতে সোনালীৰ চকু চম্পাৰ ওপৰত পৰিল। তাই চম্পাৰ ফালে চাই আচৰিত হৈ মাতিলে। 'আৰে চম্পা' তই অকলে ইয়াত কি কৰিছ? আহানা খেলিম" বাকীকেইজনীয়ে চম্পাৰ ফালে ঘূৰি চালে। এইবাৰ মিনায়ে চিঞৰি উঠিল "আৰে যানা চম্পা, নতুন কাপোৰ পিন্ধি আহ"। চম্পাই করুণ চকুৰে সিহঁতৰ মুখবোৰলৈ চালে। তাই আৰু কান্দোন খিনি চেপি ৰাখিব নোৱাৰিলে। তাই হুক্‌ হুক্‌কৈ কান্দি উঠিল আৰু ঘৰৰ ভিতৰলৈ দৌৰ মাৰি সোমাই গল। সৰু সৰু ছোৱালী কেইজনীয়ে অলপ পাচতে চম্পাৰ কথা পাহৰি সিহঁতৰ কথাৰ মাজত হেৰাই গল।

কিন্তু চম্পা? বেজাৰ মনেৰে কান্দি কান্দি বৃদ্ধ ৰুগীয়া পিতৃ নৰেণৰ আগত ঠিয় দিলেগৈ। বাপেকে মৰমতে মূৰত 'হাত ফুৰাই কি হল সুধিলে। কেকুৰি কেকুৰি চম্পাই বাপেকক কলে "দেউতা --- দেউতা মোক এটা ৰঙা চোলা লাগে। মোৰ যে কাপোৰ বোৰ ফটা"। বৃদ্ধ নৰেণে কথাষাৰ শুনি চক্‌খাই উঠিল। বেমাৰী দেহাটোৱেৰে সি থৰক-বৰককৈ থিয় হল। বিছনাৰ কোনত থকা উৱলি যোৱা চোলাটো গাত পিন্ধি ললে। কিবা ভাবি ভাবি সি কোঠালি-টোৰে একোণত থকা মাটিৰ কলহটোৰ পৰা এবাটি চেঁচা পানী খাই ললে। সি দুৱাৰৰ ফালে আগুৱাই গৈ এবাৰ জীয়েকৰ মুখলৈ চালে। জীয়েকে দেউতাক বজাৰলৈ ওলোৱা দেখি মূৰদাঙি চাইছে। চকুত তাইৰ উজ্জ্বল হাঁহি বিৰিঙিছে। তাই বাপেকলৈ চাই লাহেকৈ কলে "ৰঙা চোলা আনিবা দেই দেউতা" দেউতাকে ম্লান হাঁহি এটা মাৰিলে আৰু নঙলাডাল খুলি বাট ললে।

বাটত সি দেখিলে সিহঁতৰ বস্তিৰ প্ৰায়বিলাক মানুহৰ ঘৰতে উচৱৰ ৰঙ লাগিছে। সি ভাবগধুৰ হৈ উঠিল। মানস পটত ভাহি উঠিল তাৰ অতীত জীৱনৰ কথাবোৰ --- সি তেতিয়া আছিল এটা স্বাস্থ্য-বান সাহসী ডেকা। নিজৰ মাটিত খেতিকৰি সোনগুটি চপাইছিল আৰু ঘৈণীয়েক, পুতেক মদন আৰু জীয়েক চম্পাৰ সৈতে ঘৰখন বৰ সুখৰ আছিল। কিন্তু সেই সুখৰ সংসাৰত এদিন কাল উপস্থিত হল। চফল ডেকা নৰেণ হঠাতে "টাই-ফইডত" পৰিল। বেমাৰে তাক খুলি-খুলি খালে। গোটেই বছৰ বহু চিকিৎসাৰ মূৰত যেতিয়া তাৰ অসুখ ভাল হল তেতিয়া সুখৰ সংসাৰ-খন অভাৱত জুৰুলা। নিজৰ মাটিডোখৰ তেতিয়া লোকৰ কবলত আৰু সেইসময়ত হাতত মৃত্যুদণ্ডলৈ সংহাৰ মূৰ্ত্তি লৈ বানপানী উপস্থিত হল। বলীয়া বানৰ প্ৰৱল কবলত তাৰ ঘৰবাৰী সা-সম্পত্তি সকলো জাহ গল। পৃথিৱীত মাথো থাকি গল বেমাৰে অকা-লতে বৃদ্ধ কৰি তোলা ৰুগীয়া নৰেণ আৰু একমাত্ৰ জীয়েক চম্পা। সিহঁতৰ দুটাৰ মাজত জীয়াই থকাৰ তুমুল সংগ্ৰাম চলিল। বৃদ্ধই ভাত মুঠিৰ বাবে ৰুগীয়া শৰীৰেৰেই ইটা ভাঙিবলৈ ললে আৰু তাৰেই সিহঁত চলিবলৈ ধৰিলে --- ।

পটঁ, পটঁ, পটঁ। গাড়ীখনৰ বিৰাট হৰণৰ শব্দ-টোৱে তাক হুচ আনিলে, সি যে ইতিমধ্যে বজাৰৰ জনবহুল আলিবাটত তেতিয়াহে গমপালে। ককালৰ খোচনিৰ পৰা সি পইচা কেইটা উলিয়াই গনি চালে। তিনি টকা আঠ অনা। কালি হাজিৰা কৰি পাইছিল চাৰিটকা। আঠ অনা আগৰ ধাৰ মাৰিলে ব্ৰজেনৰ দোকানত। হঠাৎ তাৰ মনত পৰিল ঘৰত যে চাউল এটাও নাই। দোকানত বাকী নিদিয়ে কাৰণ তাৰ নিচিনা এটাই যে ধাৰ মাৰিব নোৱাৰে সেইটো সক-লোৱে জানে আনহাতে তাৰ হাতত আৰু এটাও পইচা নাই। চম্পাৰ করুণ মুখখনি তাৰ মনত ভাহি উঠিল। সি কাপোৰৰ দোকানত চকু ফুৰালে। ৰঙ বিৰঙৰ কাপোৰবোৰ আৰি থৈছে কিন্তু সেইবোৰ বোলে ধনীবোৰৰ বাবেহে তাহঁতৰ দৰে দুখীয়াৰ বাবে নহয়। সি সৰু সৰু দোকানবোৰৰ মাজলৈ সোমায় গ'ল। কিন্তু সি হতাশ হল। কেইবাখনো দোকানত বিচাৰিও চোলা এটা যোগাৰ কৰিব নোৱাৰিলে। ইমান কম দামত চোলা নাপায়। অগত্যা সি সেই গোটেইখিনি পইচাৰে এটা বগা চোলাকে কিনিলে। চোলাটো আলফুলকৈ কাগজত মেৰিয়াই সি হাতত ললে। আৰু ঘৰলৈ বুলি খোজ ললে।

আকাশত তেতিয়া বেলিটো ডাঙৰকৈ জিলিকি উঠিছিল। সি ভোকত কলমলাইছিল। ঘৰত চাউল নাইকীয়া কথাটো মনত পৰিছিল। এনেতে বিৰাট শব্দ কৰি এখন ডাঙৰ লিলেন গাড়ীয়ে তাক খুন্দিয়াই দিলে। গাড়ী খনৰ খুন্দাত সি বাগৰি পৰিছিল আৰু মূৰ ফাটি মূৰৰ পৰা তেজ ওলাইছিল। সি তেজেৰে লুতুৰি পুতুৰি হৈ পৰিল। বৃদ্ধ নৰেনে এবাৰ অতি কষ্টেৰে চকু মেলি চালে। সি দেখিলে তাৰ হাতৰ পৰা চম্পাৰ চোলাতো অলপ দূৰত উফৰি পৰিছে আৰু কাগজৰ মোনাটোৰ পৰা বগা চোলাটো ওলাই তাৰ তেজৰ বোলেৰে ৰঙা হৈ পৰিছে। চকুৰে এবাৰ সেইফালে চাই বৃদ্ধই চিৰকাললৈ চকু মুদিলে মাত্ৰ দুটা শব্দ অস্ফূট স্বৰেৰে কৈ গল ---- চম্পা ---- ৰঙা চোলা ○ ○ ○ ○ ○

— ● —

গল্প

# ঃ সঙ্কল্প ঃ

—মালবীকা পাত্ৰ
স্নাতক চূড়ান্ত বৰ্ষ (ক'লা)

যীশু অনাথ আশ্ৰম। এই আশ্ৰমখনতে মই আজি আঠত্ৰিশ বছৰকাল অতিবাহিত কৰিছোঁ। যদিও মোৰ বয়স এতিয়া পঞ্চাশ বছৰ, তথাপি মোৰ প্ৰায় সকলোবোৰ চুলিয়ে বৰফৰ দৰে শুদ্ধ বগা। মই যেন সত্তৰ বছৰীয়া এগৰাকী বৃদ্ধা। ইয়াৰ সকলোৱে মোক Sister বুলিয়ে মাতে।

মই বহুতদিন ধৰি এক দুৰাৰোগ্য ৰোগত ভুক্ত ভোগী। কোনদিনা ইহঃ সংসাৰৰ পৰা যামগৈ একো ঠিক নাই। মোৰ চোন দুচকুৰ পৰা চকুলো বাগৰি আহিছে। মই বাৰু ববকৈ দুৰ্বল হৈ পৰিছো নেকি ?

Sister আপুনি কান্দিছে কিয় ? তুলিকাৰ মাতত সচকিত হৈ উঠিলো। চকুলো মোহাৰি কওঁ — ক'তা তুলিকা, মইতো কন্দা নাই। বাধা দিব খুজিও বাধা দিব নোৱাৰো দুচকুৰ অশ্ৰুবন্যাক।

এইজনীয়ে সেই তুলিকা যাক মই উদ্ধাৰ কৰিছিলো আজি প্ৰায় ৩৮ বছৰৰ আগতে এই যীশু অনাথ আশ্ৰমৰ সমুখৰ গলিটোত কোনো নাৰীয়ে নিজৰ সতীত্ব ৰক্ষা কৰিবলৈ গৈ এই নিস্পাপ শিশুটিক পেলাই থৈ আঁতৰি গৈছিল। প্ৰথমবাৰ এইদৰে শিশুটিক পেলাই থৈ যোৱা দেখি অজানিতে হুকহুকাই কান্দি পেলাইছিলো।

এই আশ্ৰমৰ আন শিশুবোৰৰ দৰে তুলিকাও ডাঙৰ হয়। কেতিয়াবা মাক - দেউতাকৰ পৰিচয় বিচাৰি সৰু ছোৱালীৰ দৰে কান্দি উঠে। তেতিয়া সান্তনা দিয়াৰ বাদে মই অন্য উপায় বিচাৰি নেপাওঁ।

তুলিকাৰ জীৱনটো গভীৰ দুখৰ। হতাশত ভাগি পৰিও জীয়াই আছে তুলিকা। জীয়াই আছে এই আশ্ৰমখনৰ বাবেই। আশ্ৰমবাসীক শুশ্ৰূসা কৰিবলৈকে যেন তাইৰ জীৱন। তুলিকাই এদিন কোৱা কথাএষাৰ আজিও মোৰ মনত আছে। "জানে Sister মোৰ এই কৰুণ জীৱনত সৰ্বক্ষণ এই আশ্ৰমবাসীৰ অশ্ৰুসিক্ত প্ৰতিটো সন্তানে আৱৰি আছে।" সেইদিনা তুলিকাই খুউব কান্দিছিল। তাৰ পিছৰ পৰা কিন্তু তুলিকা দৃঢ় হৈছিল। হাজাৰটা ধুমুহা মুৰৰ ওপৰেদি পাৰ হৈ গলেও আৰু তাই নেকান্দে।

ডাঙৰ হৈ তুলিকাই গানৰ মাজত পাহৰি যাব খুজিছিল মাক দেউতাকৰ কথা। তুলিকাৰ নাম হৈছিল। ভাল গান গায়।

কোনোবা এখন Function ত গান গাই থাকোতে তুলিকাই লগ পাইছিল সাংবাদিক সমুদ্ৰ ফুকনক।

প্ৰথম চিনাকিতে সমুদ্ৰৰ কিবা এটা কথাত মুগ্ধ হৈ পৰিছিল তুলিকা। খুউব স্পষ্টবাদী সমুদ্ৰ। কালৈকো যেন তাৰ ভয় নাই। এদিন তুলিকাৰ হাতত ধৰি সমুদ্ৰই কৈছিল 'জানা তুলিকা মই সদায় তোমাৰেই।'

সমুদ্ৰৰ কথাত আচৰিত হৈছিল তুলিকা। ইমান স্পষ্টবাদী যুৱক। কিন্তু ক্ষন্তেক পিছতে তাই কান্দি পেলাইছিল। তুলিকাই তাক তাইৰ জীৱনৰ কাহিনী কৈছিল "সমুদ্ৰ তুমি মোৰ বাহ্যিক আৱৰণ দেখি মুগ্ধ হৈছা। তুমিতো জনা নাই যে মই এক পিতৃ-মাতৃ পৰিচয়হীনা সন্তান।"

সমুদ্ৰই প্ৰথমে শুনি অলপ আচৰিত হৈছিল। কিন্তু পিছমুহূৰ্ত্ততে হাঁহি উৰাই দিছিল। "বাদ দিয়া তুলিকা অতীতৰ কথা। আজিৰ কথা ভাবা, আজিৰ।" তাৰ পিছত সি ওমৰ খৈয়ামৰ ৰুবায়তৰ অসমীয়া অনুবাদ আওৰাইছিল।

"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা
জীৱন মদিৰা ভৰাই দিয়া;
অতীত ভবিষ্যত শোক দুখ ভয়
আজিৰ ভাৱনা উটাই দিয়া।"

এই কথাই তুলিকাৰ মনত সাঁচ বহুৱাব পৰা নাছিল। তাই বহুদূৰত দেখা অকলশৰীয়া কপৌজনীলৈ চাইছিল। চকুত কিবা এক শূন্য, উদাস দৃষ্টি।

সমুদ্ৰই হাঁহি হাঁহি কৈছিল ওমৰে কি কৈছে শুনা নাই। তুলিকাই মাত্ৰ মূৰ দুপিয়াইছিল।

মাজে মাজে তুলিকাৰ ভয় হৈছিল জানোচা সমুদ্ৰই তাইক এৰি গুচি যায়। কিন্তু সমুদ্ৰক কব পৰা নাছিল। জানোচা সমুদ্ৰই মনত আঘাট পায়। কেতিয়াবা তুলিকাই মন মাৰি থকা দেখিলেই সমুদ্ৰই কৈছিল ঃ তুলিকা তুমি অতীতক পাহৰি যোৱা। তাৰ পিছত সি ব্যস্ত হৈ পৰিছিল। অন্য কথা উলিয়াই হাঁহিছিল। তুলিকাই হাঁহিছিল। এটা সেমেকা হাঁহি।

দিন যোৱাৰ লগে লগে সিহঁতৰ সমন্ধবোৰ গভীৰৰ পৰা গভীৰতৰ হৈ পৰিছিল। ৰহুত সলনি হৈ পৰিছিল তুলিকা। (প্ৰকৃততে সমুদ্ৰ ফুকনৰ উদাৰ প্ৰেমক তুলিকাই সহাৰি জনাবলৈ বাধ্য হৈছিল।) তাই প্ৰতিটো মুহূৰ্ত্ত সমুদ্ৰৰ লগত থকাতো বিচাৰিছিল। সমুদ্ৰবিহীন জীৱনৰ কথা যেন ভাবিবই নোৱাৰে। সমুদ্ৰৰ কোলাত মুৰ থৈ তাই পাহৰি যাব খুজিছিল তাইৰ অতীতৰ বেদনা।

সমুদ্ৰও যেন তুলিকাৰ দৰে একেই আকুল হৈ পৰিছিল। সি সদায় আহিছিল আশ্ৰমলৈ। শুশ্ৰূষা কৰিছিল তুলিকাৰ লগত এই আশ্ৰমবাসীক। ইয়াতে যেন সি জীৱনৰ আনন্দ বিচাৰি পাইছিল।

কিন্তু কালৰ কি পৰিহাস। কোনোবা এখন ভিতৰুৱা অঞ্চলৰ পৰা সংবাদ সংগ্ৰহ কৰিবলৈ গৈ এটা দুৰ্ঘটনাত সাংবাদিক সমুদ্ৰ ফুকনৰ মৃত্যু হয়। প্ৰথমতে তুলিকাই কথাটো বিশ্বাস কৰিব পৰা নাছিল। তাৰ পিছত উচুপি উচুপি কান্দিছিল। তুলিকাই প্ৰাণতকৈ ভালপোৱা সমুদ্ৰৰ মৃত্যুতো সম্পূৰ্ণৰূপে বিচলিত হৈ নপৰিল। তাৰ পিছত অপৰিসীম ধৈৰ্য্য আৰু ত্যাগেৰে গোটেই জীৱনটো আশ্ৰমবাসীক সেৱা কৰিবলৈ সংকল্প কৰিলে। অনাথ শিশুবোৰৰ মাজত নিজকে বিলাই দিলে।

হঠাৎ তুলিকাৰ উচুপনীত মোৰ চমক ভাগিল। তুলিকাৰ জীৱনৰ কথা ভাবি থাকোতে তাইৰ উপস্থিতিক সম্পূৰ্ণৰূপে পাহৰি গৈছিলো। তুলিকাৰ কপালত মৰমেৰে হাত বুলাই দিলো।

তুলিকাই থোকাথুকি মাতেৰে ক'লে। "Sister মানুহৰ জীৱনটো এটা বিৰাট ৰহস্য নহয় নে ??" ●

# ঃ ৰঙা ফুলৰ সুবাস ঃ

—ডেভিদ কাদ্দাং
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)

[ উজনি অসমক ভৌগোলিক দিশত সাধাৰণতে উত্তৰ পাৰ আৰু দক্ষিন পাৰ নামেৰে দুটা ভাগত ভাগ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশত অৱস্থিত ভূমিখণ্ডক উত্তৰপাৰ আৰু দক্ষিনত অৱস্থিত ভূমিখণ্ডক দক্ষিণপাৰ বুলি কোৱা হয়। এই দুই ভূমিখণ্ডক সংযোগ কৰা ঘাই পথটো হৈছে উত্তৰ পাৰৰ সোণাৰী ফেৰীঘাটৰ আৰু দক্ষিণপাৰৰ মাবোৱাৰী·পট্টি ফেৰীঘাটৰ মাজৰ ব্ৰহ্মপুত্ৰৰ ওপৰেদি এটা জলপথ। এই পথেদি বিশৰ পৰা ত্ৰিশ মান যাত্ৰীয়ে দৈনিক অহা যোৱা কৰে। এই পথচোৱা পাৰ হওঁতে এজন অনভিজ্ঞ লোকে বহুতো থেকা হেকা খাব লগা হয়— আৰু বহুতো বিশেষনেৰে এই পথৰ সংজ্ঞা দি যায়। এই পথচোৱাৰ এটি চমু বিৱৰণ নিম্নলিখিত গল্পটিৰ যোগেদি আঁকি দেখুৱাবলৈ চেষ্টা কৰা হৈছে। যিহেতু কাহিনীটো এটা সত্য ঘটনাৰ আধাৰতেই যুগুতোৱা হৈছে। ]

থানেশ্বৰে দুবাৰমান মেট্ৰিকটো ফেল কৰাৰ পাচত গাঁৱৰেই মালতী নামৰ গাভৰুজনীক বিয়া কৰালে। এতিয়া তাৰ চাৰিজনীয়া পৰিয়ালটোত মাকৰ বয়স সত্তৰ যাঠীৰ ঘৰত সোমাইছে আৰু ইয়েই থানেশ্বৰৰ ইনকাম চোৰ্স নাইকিয়া জীৱনত এটা ডাঙৰ বোজা স্বৰূপ হৈ পৰিছে। ঘৰৰ সম্পতি বুলিবলৈ নিচেই তাকৰীয়া। ঘৰৰ ভেটীডোখৰ অধাহালিচাতকৈ অলপ মানহে বেছি হব। তাতেই ঘৰৰ পদূলীমূখৰ ফালে দুজোপামান জাতিবাঁহ আৰু এজোপা প্ৰকাণ্ড শিমলু গছ। এই কেইজোপা থকাৰ বাবে বাৰীখনত চেঁচুক পৰে আৰু টেঙেচী খুটৰাৰ বাহিৰে আন একোৱেই নহয়। খেতিৰ মাটি বুলিবলৈ বিলৰ পাৰত তিনি-হালিচামান উদ্দং হৈ পৰি আছে।

থানেশ্বৰে পীৰা এখনতে বহি চোতালত চেলেকা-চুৰীয়াকৈ পৰা ৰ'দটোত নিজৰ গাটো মেলি দিছে। তাৰ গাত এখন পুৰণা এড়ি চাদৰ মেৰিওৱা আছে। এইদৰে পুৱা বেলাত ৰ'দ লোৱাটো তাৰ অভ্যাসত পৰিণত হৈ গৈছে। কাৰণ তাৰ কৰিবলৈ একোৱেই নাই বুলি ভাবিছে। আচলতে তাৰ সেইটো হোৱা নাই। তাৰ একোৱেই কৰিবলৈ মন যোৱা নাই। বেচেৰাই মানসিক ভাৱে দুৰ্বল হৈ পৰিছে। সি এই কেইদিন বৰ ডাঙৰ চিন্তা এটাত পৰিছে। সেইটো আন একো নহয় তাৰ পৰিয়ালটোৰ বাবে দুবেলা দুসাজ কোনকৈ যোগাৰ কৰি দিব সেইটোহে। বিশে-ষকৈ এইবছৰহে সি এইদৰে বৰ ঠেকত পৰিছে। আগৰ কেইবছৰ খেতিৰ ভাতেই বছৰটোৰ বেছিভাগ দিন জুৰি যায়। এই বছৰ আকৌ সেইটোও নাই। ভাদমহীয়া বানত সকলো শেষ হৈ গ'ল। ইয়াৰ উপৰিও মাকৰ সেই পুৰণা বেমাৰটো খুব ঘনাই উকাবলৈ ধৰিছে। এৰা! কি কৰিব কি নকৰিব চিন্তা কৰি পাৰ পোৱা নাই। সি। তাৰ ডেৰবছৰীয়া কেচুৱা-জনীৰো পয়ঁালগাৰ দৰে হৈছে। নিজৰ অৱস্থাটো একেবাৰে পঁাহৰি গৈছে সি। আনকি ঘৈণীয়েকৰো আছি এমাহমান হ'ল নিজৰ ব্লাউজটোকে এবাৰ চাবোন দি ধুই লব পৰা নাই। থানেশ্বৰে সিহঁতৰ সকলোখিনি দোষ মালতীৰ গাতে জাপি দি মাজে মাজে এইদৰে কয়। "ঐ মৰতি, তোৰ বাপেৰে দি পঠাইছে নেকি? অঁ' লাগে বুলিলেই মই দিব পাৰিম, কিবা লাগে যদি বাপেৰৰ ঘৰৰ পৰা আনি লবি যা! বেছিকৈ বলকি থাকিলে হলে কথা বেয়া হব দেই।" সচাঁকৈয়ে থানেশ্বৰ আজি কিছুদিনৰ পৰা সৰু কথাতে টিঙিচকৈ খংটো উঠে। এইদৰে চিন্তা কৰি থকাৰ মাজত একোবত থানেশ্বৰে কিহবাৰ শব্দ এটা শুনি বহাৰ পৰা সাউৎকৈ উঠি খেদি যোৱাদি গ'ল।

ঐ ঘুৰ ঘুৰ, গৈছনে নাই? সি খেদি গৈ পিঠিত দুকোবমান দি জেউৰাৰ বাহিৰ কৰি পঠিয়ালে। ঘুৰি আহোঁতে সি অলপ ডাঙৰকৈয়ে চিঞঁৰি চিঞঁৰি কবলৈ ধৰিলে —। "এই কুকুৰচৰে গাখীৰৰ কাৰণেহে গৰু বান্ধে যেন পাওঁ। এই ৰাতিপুৱাখনতে লোকৰ বাৰীৰ জেউৰা ভাঙিবলৈ এৰি দিলেই। গাখীৰকন খীৰাই ললেতো!" এইবুলি কৈ সি পোনে পোনে ঘৰৰ ভিতৰত সোমাল আৰু কপি দাখন উলিয়াই আনোতেই বীৰেণ তাৰ ঘৰলৈ অহাত তাক আথে বেথে বহিবলৈ দিলে।

"কি হ'ল থানে? অলপ আগতে তোৰ চিঞঁৰ বাখৰো শুনিছিলো আৰু এইয়া দাখন লৈ কলৈনো যাবলৈ ওলাইছিলি?" সুধিলে বীৰেণে।

কিনো হব ককাই, অমুকাৰ গৰুটো আহি চকুৰ আগতে সোথন ভাঙি থৈ গ'লহি তাক বোলো অলপ ঠিক কৰি আহোঁগৈ। কলে থানেশ্বৰে। কিন্তু থানেশ্বৰৰ জেউৰাখন ঠিক কৰা নহ'ল। ইয়াৰ পৰিবতে বীৰেণৰ লগত কথাৰ মেল আৰম্ভ কৰি দিলে। সিহঁতে গাৱঁৰ কোন মানুহ কেনেকুৱা সকলোখিনি শেষ কৰিও নিজৰ অৱস্থাৰ কথা থানেশ্বৰে শেষ প্ৰকাশ কৰিলে।

বীৰেণ গাৱঁৰ এজন আদহীয়া গন্য মান্য মানুহ। কোনোবা এখন মীন মহলত মহৰীৰ কাম কৰে সি। ঘৰৰ অৱস্থা খুওব ভাল। থানেশ্বৰৰ ঘৰলৈ সি অহা আজি দ্বিতীয়বাৰ হৈছে। মানুহজন পৰোপ-কাৰী বুলিয়েই সকলোৱে তাক সন্মান কৰে। অৱশ্যে গাৱঁত তেওঁৰ বিৰুদ্ধে দুই এজনে মাত নমতাও নহয়। সি থানেশ্বৰৰ সকলোখিনি শুনাৰ পাচত অলপ গহীনাই মাত লগালে। "হেৰ' গৰু তই ইমানদিনে মোক কোৱা নাছিলি কেলেই?" সহানুভূতিৰ সুৰত কলে বীৰেনে। তাৰ পাচত

তই এটা কাম কৰিব পাৰ থানে।

কি কাম? থানেশ্বৰে আগ্ৰহ প্ৰকাশ কৰিলে।

বীৰেনে অলপ দেৰি মনে মনে থাকি একোবত উঠি গৈ মুখৰ ভিতৰত থকা তামোলৰ পিক্‌খিনি পেলাই থৈ আহিল আৰু আৰম্ভ কৰিলে। থানেশ্বৰেও কিবা এটা নতুন বস্তু এটা পোৱাৰ অধীৰ আগ্ৰহেৰে বীৰেনৰ মূখলৈকে চাই আছিল। থানেশ্বৰ আজি পঙ্গুৰ দৰে হৈ পৰিছে। দৰিদ্ৰতাই আজি তাক এই অৱস্থা কৰি পেলাইছে। নিজৰ বিচাৰেৰে একোকেই কৰিব নোৱাৰে সি। সি তাৰ নিজৰ ওপৰত বিশ্বাস হেৰুৱাই পেলাইছে। যিজন বীৰেণৰ চৰিত্ৰৰ কথা শুনি ডেকা অৱস্থাত থাকোতে সি নিজেই মাৰিবলৈ খেদি গৈছিল সেইজন বীৰেণে আজি যি কয় তাকেই শুনিব আৰু পালন কৰিব সি।

'তই আক' বেয়া পাবিয়েইবা' ; অলপ চুচুক-চামাক কৰাদি কৰি কলে বীৰেনে।

নাই নাই! বেয়া অকনো নেপাওঁ, কওঁকচোন কওঁক সোনকালে। —এইবাৰ থানেশ্বৰৰ মাতত নম্ৰতা ভাব পৰিস্ফূত হৈছে।

তেন্তে শুন, আমাৰ মহলৰ পৰা মাছ নি ডিব্ৰুগড় বজাৰত দি অহিবগৈ পাৰ। আমাৰ ইয়াৰ পৰা কুড়ি মাছৰ কেজি যোল্ল টকাকৈ নি তাত অন্ততঃ আঠাইশমানকৈ পাবি বুইছ। কথাষাৰ একেবাৰতে কৈ পেলালে বীৰেনে। বীৰেণৰ কথাবোৰ থানেশ্বৰে মনে-মনে মূৰটো জোকাৰি শুনি গ'ল আৰু অলপ পাছতে সি পিছে' বুলি কৈ ৰৈ গ'ল। তাৰ মনৰ কথা বীৰেণৰ আৰু বুজিবলৈ বাকী নেথাকিল আৰু কলে— 'তই একো চিন্তা নকৰিবি মই থাকোঁতে। মাত্ৰ অহা কালিলৈকে তই মাছ অলপ

সেইবুলি কৈ:ই আরু এখন তামোল মূখত ভৰাই লৈ বহাৰ পৰা উঠিল আৰু নিজৰ ঘৰলৈ বুলি খোজ ললে। থানেশ্বৰে বীৰেণৰ লগতে পদূলী মূখলৈ এনেয়ে ওলাই গ'ল আৰু তাতে আলহীক বিদায় দি পুনৰ ঘৰলৈ বুলি উভতি আহিব লওঁতেই তাৰ চকুকেইটা আপোনা-আপুনি শিমলু গছজোপাৰ আগলৈ গুছি গৈছিল। শালিকা আৰু কানকৰিকা চৰাইবোৰে আনন্দ মনেৰে কিৰিলি পাৰি এপাহ ফুলৰ পৰা আন-পাহ ফুললৈ উৰি উৰি গৈছে। সিহঁতৰ মাজতো আটাহতকৈ উজ্বল ফুলপাহহে দখল কৰাৰ প্ৰতিযোগিতা চলিছে। এই প্ৰতিযোগিতাত কোনে কিমান হুলস্থূল কৰি ফুল সৰাইছে তাৰ হিচাব সিহঁতে ৰখা নাই। ফুলে কি ভান পায় বা কি বিচাৰে সিহঁতে নেজানে বা জানিবলৈ প্ৰয়োজন বোধো কৰা নাই। এইজোপাৰ ফুল শেষ হৈ গলে বা ফল ধৰিলে আন এজোপা লৈ গৈ এনেদৰেই আতংকৰ সৃষ্টি কৰিব।

পিছদিনা পুৱাতেই মালতীয়ে সাজু কৰি দিয়া ভাত দুগৰামান খাই মাছ দুটুকুৰী লৈ পদূলী মূখত ঠিয় হৈ ৰ'ল থানেশ্বৰ। তাৰ লগত ঘৈণীয়েক মালতী-য়েও আগবঢ়াবলৈ আহি দুয়ো কথা পাতি ৰৈ আছিল। মাছৰ টোকুৰীকেইটা অলপ আঁৰত থলে যাতে সহজতে মানুহৰ চকুত নপৰে। অলপ দেৰীকৈ হলেও বাচখন আহি পালে আৰু তাতে মাছৰ টোকুৰী দুটা খৰধৰকৈ উঠাই নিজেও একেবাৰে পিচৰ চিটএটাত বহি ললে সি। মনতে বহুত কথা চিন্তা কৰিছে সি। মাছ আহিছে মুঠতে চল্লিশ কিলোৰো অধিক। ইয়াৰ পৰা পাব পৰা এটা অনুমানিক লাভ ঠিৰাং কৰিলবলৈ চেষ্টা কৰিলে সি। এইদৰে আহি থাকোঁতে উনত্ৰিশ কিঃ মিঃ ৰ বাটটো কেতিয়া পাৰ হৈ আহি সোণাৰী ঘাট পালেহি কবই নোৱাৰিলে। আনকি বাচৰ কণ্ডা-ক্টৰক পইচা দিয়াটোও তাৰ মনত নাই।

সোণাৰীঘাটৰ হুলস্থূলীয়া এটা নতুন পৰিবেশত থানেশ্বৰে নিজক অকলশৰীয়া অনুভৱ কৰিলে। কাৰণ, আজি জীৱনৰ প্ৰথম বাৰৰ বাবে এজন বেপাৰী হৈ আহিছে সি। তাৰ অলপ ভয়ো লাগিছে। কিন্তু পাচতে তাৰ সেইবোৰ চিন্তা দূৰ কৰিলে মোটীয়া দালালবোৰে। সিহঁতেও নতুন মক্কেলটো একেবাৰে নিজৰ কৰি লোৱাৰ প্ৰতিযোগিতা চলাইছে। ওচৰৰে সৰু সৰু জুপুৰি ঘৰবোৰৰ পৰা ভজা মাছৰ গোন্ধ তাৰ নাকত লগাত তাৰ ভোক লগাদি লাগিছে। ইয়াৰ লগে লগে এটি কোমল মাতেৰে এজনে আহ্বান জনালেহি—।

আহক দাদা, ভাত মাছ খাই লওঁক। নাও এৰিবলৈ এতিয়াও বহুত দেৰি আছে। আহক, আহক! অৱশ্যে এইয়া তাৰ হোটেলবোৰৰ চিৰাচৰিত বক্তব্য। থানেশ্বৰৰ ভোকটো দমাব নোৱাৰা হ'ল আৰু এনেয়ে সি পইচা নাই বুলি কৈ চালে। "এই আপুনিতো এদিনীযা মানুহ নহয়, খাই লওঁকনা এতিয়া, পইচা পাতিৰ কথা পাচতো হব পাৰে।" কলে হোটেলৰ মানুহজনে। সচাঁকৈয়ে ব্যৱসায়টো লাভ হোৱা যেন দেখিলে থানেশ্বৰে এইটো বাটেৰেই সদায় অহা যোৱা কৰিব লাগিব। তদুপৰি সি এইখন হোটেলতে ভাত চাহ যিকোনো বস্তুকেই খাব থানে-শ্বৰে ভাবিলে ইতিমধ্যে মোটীয়া দুজনেও সিহঁতৰ পাৰনা পোৱাৰ ওপৰি মাছ দুটামান লৈ টুকুৰী দুটা নাওখনৰ একেবাৰে ওপৰৰ টিঙত তুলি থৈ আহিলে। দুটামান দীঘল দীঘল উঁকি মাৰিলত মাজিয়ে লংগৰ-ডাল উঠাই দিলে আৰু লাহে লাহে ব্ৰহ্মপুত্ৰৰ ঘাই সুঁতিটোৱেদি নাও উজাই গ'ল।

কেই ঘণ্টামানৰ পাচতেই নাও দক্ষিন পাৰত লাগিলহি। নাও মাৰোবাৰী পট্টিলৈ আহিব নোৱাৰে। দুই কিঃ মিঃ মানৰ আঁতৰৰ এখন চাপৰিত নাও ৰাখি দিয়ে। ইয়াৰ পৰা ডিব্ৰুগড় টাওনলৈ টেক্সি, জীপ বা চিটিবাচো পোৱা যায়। কিন্তু ইহঁতৰ ভাড়া পৰিমান-তকৈ বেছি। কেবাজনেও নাওত জপিয়াই পৰিল সিহঁতৰ বচহঁতৰ গাড়ীৰ বাবে মানুহ বিচাৰি। এজন মানুহক লৈ চেলিম আৰু আব্দুলৰ মাজত খকাখন্দাই লাগিলহেঁতেনেই। দুজনমান বিহাৰী মোটীয়া আহি থানেশ্বৰৰ মাছ দুটোকুৰী গৰা মাৰি ধৰিলহি। "বাবু আপ নয়া আয়া হে?" থানেশ্বৰলৈ চাই তাৰে এজনে মাটীয়াই সুধিলে। 'অঁ,' থানেশ্বৰে কলে। পাৰত গাড়ী, মানুহৰ ভীৰ আৰু হুলস্থূল বাঢ়ি গৈছে।



কিছুমান লৰাই মানুহবোৰক জোৰ কৰিয়েই নিজৰ নিজৰ গাড়ীত উঠিবলৈ টানিব লাগিছে। তেনেতে থানেশ্বৰৰ মাছখিনি মোটীয়া দুটাই আকিবৰ গাড়ীখনতে উঠাই দিলে আৰু টকাকেইটা লৈ সিহঁত বিদায় ললে। যাওঁতে সিহঁতে কৈ গ'ল — "জৰুৰত পৰেতো হামে বোলা লেনা বাবু।" অলপ পাচতেই ড্ৰাইভিং চিটত বহি আকিবে তাৰ অনুচৰ সকলক উদ্দেশ্যি চিঞৰিলে— "আবে ঐ, গাড়ীখন নেঠেলি কি চাই আচ?"

পুৱা দহ বজাৰ পৰা দুপৰীয়া বাৰ বজালৈকে ডিব্ৰুগড় পকাবজাৰৰ মাছৰ বজাৰখন উখল-মাখল হৈ থাকে। বিশেষকৈ উত্তৰ পাৰৰ পৰা অহা মাছ কম দামতে কিনিবলৈ ইয়াৰ বেপাৰীবোৰে ৰৈ থাকে। থানেশ্বৰে আগেয়ে এনে এটা পৰিস্থিতিৰ সন্মুখিন কেতিয়াও হৈ পোৱা নাই। তাৰ ভয় লাগিছে এতিয়া সি কি কৰিব লাগিব সেইটো নেজানি। এতিয়া সি মাছখিনি কলৈ নিব লাগিব চিন্তা কৰিবলৈ ধৰিলে। তাৰ সেইবোৰ চিন্তা দূৰ হ'ল যেতিয়া মোটীয়া এজনে আহি তাক সকলো ঠিক কৰি দিবলৈ দায়িত্ব ললে। সি গাড়ীখনত নিৰ্দিষ্ট ভাড়াখিনি দি বিদায় দিলে। তাৰ মাছখিনি বজাৰৰ মাজলৈ লৈ যোৱা হ'ল আৰু দুটা বেলেগ বেলেগ দামৰ দুটা কোৱলিটিত ভগাই লোৱা হ'ল। তাৰ মাছখিনি কুঢ়ি আৰু বৰালীৰ মিহলি আছিল। অলপ পাচতেই তাৰ মাছখিনিৰ দাক আৰম্ভ হৈ গল। (তাৰ) মাছখিনি ক্ৰমে ত্ৰিশ আৰু ছৌৰিশ টকা দৰত বিক্ৰী হৈ গ'ল। ইকবাল আৰু ৰামুৱে মাছখিনি দুটা কোৱালিটিত ভাগ কৰিছে আৰু ইয়াৰে দুই কেজি মান মাছ থানেশ্বৰৰ নিৰ্দেশক্ৰমে মোটীয়াজনক দি দিলে। মানুহবোৰে চাৰিওফালে মাছখিনি চাই আছে। তাৰ ভিতৰতে কিনি নিবলৈ অহা বেপাৰীৰ সংখ্যা বেছি। ইকবালে মাছ বাচিছে বুলি দুটা তিনিটা মাছ আগলৈ দলিয়ায় আৰু তাৰে এটা নিজৰ ভৰি দুখনৰ মাজেৰে পাচলৈ সৰকাই দিয়ে। লগে লগে তাৰ পাছফালে ৰৈ থকা পোৱালী দুটাই সেইটো বুটলি নি নিৰ্দিষ্ট ঠাই পোৱায়গৈ। ব্যস্ততা যিমানেই বাঢ়িল ইকবালৰ হাত আৰু চকুকেইটা সিমা-নেই খৰকৈ চলিবলৈ ধৰিলে। একোবত মাছৰ দাক দিয়া মানুহজনে ইকবাললৈ কেৰাহিকে চোৱাৰ লগে লগে ইকবালেও তাৰ সেইবোৰ কাম বন্ধ কৰি দিলে। মাছখিনি দাক দিয়া শেষ হ'লত থানেশ্বৰৰ গোটেই মাছখিনিৰ ছয় কিলো কমকৈ ওলাল। যি কি নহওঁক থানেশ্বৰৰ এতিয়াও বহুতখিনি টকা লাভ হ'ল। সেই দিনাই সি ঘৰলৈ উভতিব নোৱাৰিলে। তাৰ ৰাতিটোত থকাৰ ব্যৱস্থা তাৰ মাছৰ দাক দিয়া মানুহজনেই কৰি দিলে কিন্তু ভাতকেইটা নিজেই কিনি খাব লাগিব।

পিছদিনাখনেই নাৱত উঠি সি সোনাৰীঘাট পালেগৈ আৰু আগদিনা ভাত খাই যোৱা হোটেলত দিব লগা টকাখিনি দি বিদায় লৈ গাড়ীত উঠিলগৈ। আজি তাৰ খুওব ঘৰলৈ মনত পৰিছে। বাহিৰৰ কোঠালিৰ বিচনাখনতে দুখনমান ফাঁটি উৱঁলি যোৱা কম্বল লৈ পৰি থকা মাকলৈ তাৰ আজি খুওব মনত পৰিছে। তাৰ সেই পঁয়া লগা কেঁচুৱাজনীৰ কথা তাৰ মনত পৰিছে আৰু ভাবিছে এইবাৰ কিবা এটা কৰিব বুলি। হঠাতে তাৰ মনত পৰিল মালতীলৈ। সি তাইক সৌ সিদিনা চাবোণৰ কথা লৈ খুব মৰিয়ালে। বেচেৰী দুদিনমান বিচনাখনতে কেঁকাই পৰি থাকিল। সি আজি বুজিছে যে মালতী নহলেযে তাৰ মাকক চোৱাচিতা কৰাটো তাৰ বাবে অসম্ভৱ। তাৰ চকুদুটা সেমেকি গ'ল আগৰ কথাবোৰ ভাবি।

"চাওঁ আপোনাৰ ভাড়াটো।" কাৰোবাৰ মাতত সি টোপনিৰ পৰা উঠা মানুহৰ দৰে হাঁ কৰি মুখলৈ চাই ৰ'ল। অলপ পাচতে তাৰ জ্ঞান সম্পূৰ্নৰূপে ঘুৰি আহিলত ততাতৈয়াকৈ পকেটৰ পৰা টকা পাঁচটা উলিয়াই দিলে। সি আকৌ আগৰ কথাবোৰ ভাবি চাবলৈ সুবিধা নেপালে। ইতিমধ্যে গাড়ীখন আহি তাৰ পদুলী মূখ পালেহি। সি গাড়ীখন ৰখাই নামিলত গাড়ীখনেও তাক এৰি থৈ গুছি গলগৈ। ইয়াৰ পৰাই সি মালতীক চিঞৰি দিয়াৰ কথা ভাবিলে। সি ভাবিলে তাৰ হাতত একেলগে আজি ইমানবোৰ টকা দেখি খুব ফুৰ্টি কৰিব মালতীয়ে আৰু তাক খুব ভাল পাব আজিৰ পৰা। কালিলৈকো আকৌ মাছ নিব সি, ভাবিলে থানেশ্বৰে। সি লাহেকৈ জপনাখন খুলিব লওঁতেই ওপৰৰ পৰা এপাহ মৰহি যোৱা শিমলু ফুল তাৰ আগত পৰিল। সি

ওপৰলৈ চাই দেখিলে কানকৰিকা চৰাই এজনীয়ে ফুলপাহ সৰাই আন এপাহ ফুলৰ ওচৰলৈ উৰি গৈছে। আগদিনাখন বহুত চৰাই দেখিছিল সি। কিন্তু আজি মাত্ৰ এজনী চৰাই থকাৰ কাৰণটো ভাবোঁতে ভাবোঁতে মালতীকো চিঞৰিবলৈ পাহঁৰি গৈছিল সি। কিন্তু হঠাতে তাৰ মনত পৰি গ'ল আৰু জপনাখন খুলি খৰটকীয়া খোজেৰে চোতাল পালেগৈ। দুৱাৰখন বন্ধ আছিল তেতিয়া।

ঐ মালতী! চিঞৰিলে সি। আকৌ এবাৰ--- তাৰ ভাগৰ, ভোক দুইটাই লাগিছে। অলপ সময়ৰ পাছতে মালতী তাইৰ চুলিকোচা ব্যস্ততাৰে বান্ধি বান্ধি দুৱাৰখন খুলি ওলাই আহিল। সচাঁকৈয়ে আজি মালতীক অলপ বেলেগ দেখাইছে। তাইক আজি আগতকৈ ধুনীয়া দেখাইছে। তাইৰ মঙহাল বুকুখন খুব কঁপিছে। মালতীৰ এই ৰূপ সি আজি দ্বিতীয়বাৰৰ বাবে দেখিছে। প্ৰথম দিনা দেখিছে সিহঁতৰ ফুলশয্যাৰ নিশা। তাৰ মনটো খুব ভাল লাগি গ'ল। মালতীয়ে দুৱাৰখন খোলোতেই পিছ দুৱাৰেদি কিবা এটা দৌৰ মাৰি ওলাই যোৱা সি চকামকাকৈ দেখিবলৈ পাইছিল। কিন্তু মালতীৰ আজিৰ এই ৰূপে তাক সকলো পাহৰাই পেলোৱা নাইতো??? মালতীলৈ সি মিচিকীয়া হাঁহি এটা মাৰি পিৰালীতে পাৰি দিয়া মূঢ়াটোত বহি পৰিল। ●

> কোনো কোনোৱে কেৱল ধৰ্ম কৰ্ম কৰিয়েই ক্ষান্ত থাকিব নোৱাৰে; কৰিবৰ মন নাথাকিলেও কোনো এটা সময়ত তেওঁ পাপ কৰ্মত লিপ্ত হব লগা হয়। কোনোবা পাপী মানুহেও আৰু' এই জগতত কেৱল পাপত লিপ্ত নাথাকে, কোনো সময়ত তেওঁ ধৰ্মৰ ফালে মতি গতি দি ধৰ্ম কৰ্মত লিপ্ত হ'ব লগা হয় — এই দৰে এই জগতখনত মানুহবিলাকে পাপ-পূণ্য এই দুয়োটা কামতে লিপ্ত হৈ থাকে, কৃতকৰ্মৰ ফল প্ৰত্যেকেই ভোগ কৰিবই লাগিব।
>
> —ব্যাসদেৱ

চুটি গল্প

# ঃ দুৰাৰোগ্য ঃ

— মুনীন দুৱৰা
স্নাতক ১ ম বাৰ্ষিক (বিজ্ঞান)

ভাৰতৰ ৰাজধানী। নতুন দিল্লী। ভাৰতবৰ্ষৰ স্নায়ু কেন্দ্ৰ। এখন অত্যাধুনিক মহানগৰ। ব্যস্ততা পূৰ্ণ জনসাধাৰণ, ৰাস্তাত পকৱাৰ দৰে লানী নিচিগা গাড়ীৰ শাৰী। কোনোৱে যেন কালৈকো চাবলৈ সময় নাই। নিজৰ কামত সকলো ব্যস্ত। এইখন মহানগৰতেই অৱস্থিত অত্যাধুনিক মেডিকেল কলেজ খনৰ নাম অল ইণ্ডিয়া ইন্সিটিউট অব মেডিকেল চাইন্স। প্ৰতিটো কোঠা শীত তাপ নিয়ন্ত্ৰিত। ৰোগী আহে এবুকু আশা লৈ, কোনোৱে আৰোগ্য হৈ আনন্দ মনে গুচি যায় আৰু কোনোৱে জীৱনৰ অন্তিম নিস্বাস ত্যাগ কৰে তিল তিল মৃত্যুৰ গৰাহত সেই শীত-তাপ নিয়ন্ত্ৰিত কোঠাবোৰতেই। তেনে এটা কোঠাৰ বিচনাখনত মইয়ো আপেক্ষা কৰিছো মৃত্যুৰ শীতল কোলাত আশ্ৰয় বিচাৰি। মৃত্যু মোৰ বাবে নিশ্চিত। মই জানো এই বিচনাখনেই মোৰ বাবে জীৱনৰ অন্তিম শয্যা। বিচনাখনৰ কাষত থকা খিড়িকি খনেদি ৰাস্তালৈ চাই পঠিয়ালে দেখো সুস্থ মানুহবোৰ। কিন্তু মই আজি চলমান অৱস্থাত নাই। এডোখৰ জড় পদাৰ্থৰ দৰে পৰি আছো বিছনাখনত।

মই এতিয়া মৃত্যু মুখী ৰুগী। প্ৰতিটো প'ল অনুপ'ল পাৰ হৈ যোৱাৰ লগে লগে মই আগবাঢ়ি গৈছো, মৃত্যুৰ বাবে। এটা ভয়াবহ ৰোগৰ বীজাণু বহন কৰি মই মৃত্যুৰ বাবে আপেক্ষিত। যি ৰোগত মই আক্ৰান্ত সেই ৰোগৰ প্ৰতিষেধক ব্যৱস্থা সম্পূৰ্ণ স্থবিৰ। কাৰণ এই ৰোগৰ চিকিৎসা, শাস্ত্ৰত নাই! ৰোগৰ নাম "এইডচ" সম্পূৰ্ণ নাম "একুৱাৰ্ড ইমিউন ডেফিচিয়েন্সি চিণ্ড্ৰম"। এটা ভাইৰাচ জনিত ৰোগৰ বলি মই। যি ৰোগৰ পৰা পৰিত্ৰাণ পাবৰ কোনো ঈশ্বৰীক শক্তিৰ প্ৰয়োজন মোৰ মনৰ মাজৰ পৰা হেৰাই গৈছে। দিনৰ পিছত ৰাতি আৰু ৰাতিৰ পিছত দিন ধৰি নিঃসঙ্গ ভাবে পৰি আছো এই বিচনাখনত। কাষত পাও মাত্ৰ ডাক্তৰ নাৰ্চৰ সুশ্ৰুষা আৰু দেউতাৰ গহীন মুখখন। টেবুলত থকা আলোচনী কেইখনৰো যেন পুতৌ লগা চাৱনি।

অসুখ! অ' মনত পৰিছে সেইকেইদিনৰ আৰম্ভণীৰ কথাবোৰ। সেই কেইদিনত যেন মই ক্ৰমান্বয়ে দুৰ্বল হৈ পৰিছিলো। দেহৰ ওজনো যেন কমি আহিছে। ঘনে ঘনে উঠা জ্বৰে শৰীৰত জগাই তুলিলে অত্যন্ত

বিষ। শৰীৰৰ বিভিন্ন গ্ৰন্থিবোৰ ফুলি উঠিল। মাজে মাজে হোৱা পনীয়া শৌচ। ডঃ শইকীয়াই বেমাৰ ধৰিব পৰা নাছিল আৰু তেওঁ দিয়া ঔষধে প্ৰতিৰোধ কৰিব নোৱাৰিলে জ্বৰ আৰু শৌচ। মোৰ অৱস্থা ক্ৰমান্বয়ে বেয়াৰ ফাললৈ যাব ধৰিলে। ডঃ শইকীয়াই বিভিন্ন জনৰ লৈতে আলোচনা কৰি শেষত সিদ্ধান্ত কৰিলে গুৱাহাটী মেডিকেল কলেজৰ মাইক্ৰবায়লজি বিভাগত এইডচ ৰোগ পৰীক্ষাৰ বাবে এলিচা টেষ্ট। এই এলিচা টেষ্টৰ পৰা প্ৰমাণিত হলো মই এজন এইডচ ৰোগৰ ৰোগী। যিটো ৰোগৰ বিপক্ষে থিয় দিবলৈ বিজ্ঞান সম্পূৰ্ণ ৰূপে অসমৰ্থ। সেই দিনাৰ পৰা মই দেউতাক দেখিছো গহীন হৈ পৰা। মাৰ চকুপানীয়ে মোক আৰু হতাশ কৰি তুলিছে। কেতিয়াবা মাৰ চকুপানী দেখি বাছি লও আত্মহত্যাৰ কথা, কিন্তু জীয়াই থকাৰ আকুল আশা। মই জীয়াই থাকিব বিচাৰো। এই বয়সতে মই এই ৰঙীন পৃথিৱীখন এৰি যাব নোখোজো। ইয়াৰ পিছত গুৱাহাটী মেডিকেল কলেজৰ পৰা বেষ্টান ব্লট টেষ্টৰ বাবে পঠালে দিল্লীলৈ।—এইয়া বিচনাত পৰি অতীতক পাহৰি যাবলৈ চেষ্টা কৰিছো, কিন্তু তাৰ পৰিবৰ্তে মনত দৃশ্যপট হৈছে অতীত হৈ পৰা দিনবোৰে।

ঃমুন, চাও এই দৰৱটো খা ছোন – দেউতাৰ মাতত বৰ্ত্তমানৰ অৱস্থিতি ধাৰণা কৰি বাগৰ সলালো। দৰৱ খাই কথাবোৰ চিন্তিছো।

মোৰ মনত এতিয়া যেন এক নতুন ভাব আহিছে। কিয় মই নিজকে ধ্বংস কৰিছিলো ? নিজে জানি বুজি মই কিয় ভুল কৰিছিলো, যি ভুলৰ বাবে আজি মই শাস্তি স্বৰূপে পাইছো মৃত্যুৰ দূতে মোক মাতিছে। মোৰ মৃত্যু হোৱাতো মই কামনা নকৰো, মই জীয়াই থাকিব বিছাৰো মোৰ ৰঙীন কল্পনাবোৰ বাস্তৱ হোৱাৰ আশাত। কিন্তু মই জানো জীয়াই থাকিম ? উহ ! কি যান্ত্ৰণা।

কিন্তু যেতিয়া সেই অতীত বোৰলৈ মনত পেলাও তেতিয়া মই উপলব্ধি কৰিব পাৰো মোৰ অধঃপতনৰ লেখ ডাল। চৌ কুবাই যোৱা মোৰ জীৱনৰ লেখ ডাল আজিও পাহৰণীৰ গৰ্ভত হেৰাই যোৱা নাই। তেতিয়া আছিলো মই বিজ্ঞান বিভাগৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। ছাত্ৰ হিচাপে মই নিয়মীয়া ছাত্ৰ আছিলো। অ' মনত পৰিছে, সেই দিনটোৰ কথা যিদিনা মই মৃত্যুৰ দুৱাৰ অভিমুখে দিছিলো প্ৰথম খোজ। কলেজৰ পৰা যোৱা বিভাগীয় এচকাৰচনত যেতিয়া মই বোম্বাই মহানগৰীত বন্ধু কেইজনৰ লগত প্ৰথম ড্ৰাগচৰ সোৱাদ পাওঁ তেতিয়া যেন মই উপলব্ধি কৰিছিলো জীৱনৰ সাৰ্থকতা। বোম্বাইত থকা সপ্তাহটোৰ প্ৰতিটো পল মই ড্ৰাগচৰ নিচাত মতলীয়া। উল্লেখনীয় যে মোৰ বন্ধু কেইজন মোৰ দৰে নতুন নাছিল, তেওঁলোকৰ ড্ৰাগচ সেৱন কৰাৰ অভিজ্ঞতা আছিল অসীম আৰু তেওঁলোকৰ লগতে মই প্ৰতি মূহুৰ্ত মতলীয়া হৈ পৰিছিলো ড্ৰাগচ আৰু নাৰীক লৈ। জীৱনত প্ৰথম বাৰৰ বাবে দেখিছিলো টকাৰ বাবে মানুহ কিমান তললৈ নামিব পাৰে। এতিয়া মই উপলব্ধি কৰিব পাৰিছো এইডচ ৰোগৰ বীজাণু মোৰ দেহলৈ কেনেকৈ সংক্ৰমণ হল।

যেনেকৈ এবাৰ বাঘে মানুহৰ তেজ খাবলৈ পালে মানুহৰ তেজৰ সোৱাদ দাঁতৰ পৰা এৰোৱাব নোৱাৰি থিক তেনেদৰে মানুহে এবাৰ ড্ৰাগচ মুখত দিলে তাৰ পৰা পৰিত্ৰাণ পোৱা উদাহৰণ খুব বিৰল। মোৰ ক্ষেত্ৰতো তেনে হল। বোম্বাইৰ পৰা আহি মই ড্ৰাগচ নোখোৱাকৈ এটি ক্ষণও থাকিব নোৱৰা হলো। বন্ধুৰ সহায়ত মই প্ৰতি দিনেই ড্ৰাগচ সেৱন কৰিবলৈ ধৰিলো। কলেজৰ ক্লাচত উপস্থিত থকাটো মোৰ কমি আহিবলৈ ধৰিলে। কলেজলৈ বুলি ওলাই গৈ তিনি আলিৰ ঘুমটিখনত ড্ৰাগচ খোৱাৰ আড্ডাত মই নিজকে বিলাই দিবলৈ ধৰিলো।

এইদৰেই গতানুগতিক ভাবে দিন বিলাক পাৰহৈ গল। এইবোৰৰ মাজতে চিনাকী হলো মণিপুৰী বয়ফ্ৰেণ্ড কেইজনৰ লগত। তেওঁলোকৰ লগতো একেটা চিৰিঞ্জতে ব্যৱহাৰ কৰিলো হিৰইনৰ বেজি যেতিয়া টকাৰ অভাব ঘটিল তেতিয়াই বিক্ৰি কৰিলো মোৰ হাতঘড়ী আৰু খুৰাই উপহাৰ দিয়া সোণৰ চেইনডাল। কেতিয়াবা ড্ৰাগচ ৰূপে ব্যৱহাৰ কৰিলো চিচাৰ গুড়িৰ চিগাৰেট।





লাহে লাহে মোৰ শৰীৰটো দুৰ্বল হৈ আহিবলৈ ধৰিলে। তাৰ পাচৰ পৰা মই হলো এটা এইডচ ৰোগৰ ভাইৰাচ বহন কাৰি কেপচুল। এই ৰূমটোৰ বিচনাখনত শুই মই ক্ষণ গনিছো মোৰ মৃত্যুৰ বাবে। মাজে মাজে চিন্তা কৰো মোৰ দৰে উঠি অহা যুৱক-যুৱতী সকলৰ। তেওলোকো যদি মোৰ দৰে বলি হব লগা হয়, তেন্তে সমাজখন জানো বাছি থাকিব ? তেওঁলোকক এনে অসং কামৰ প্ৰতি সজাগ কৰিবলৈ, এনে দুৰাকৃগ্যৰ পৰা ৰক্ষা কৰিবলৈ জানো সমাজৰ সচেতন ব্যক্তি আগবাঢ়ি আহিব ? ✶



আত্মা নিত্য, অবিনাশী, অপ্ৰমেয়, কিন্তু দেহ অনিত্য, বিনাশশীল। বিষয় চিন্তা কৰোঁতে কৰোঁতে মানুহৰ বিষয়ত পৰম আসক্তি জন্মে। আসক্তিৰ পৰা জন্মে অভিলাষ। অভিলাষত বাধা জন্মিলে ক্ৰোধ জন্মে। ক্ৰোধৰ পৰা মোহ, মোহৰ পৰা স্মৃতিভ্ৰংশ, স্মৃতিভ্ৰংশৰ পৰা বুদ্ধিনাশ আৰু অৱশেষত বুদ্ধিনাশৰ পৰা বিনাশ ঘটে।

—গীতা

ৰস-ৰচনা

# ঃ কওকচোন ঃ

লাচিত হাজৰিকা
স্নাতক ২য় বৰ্ষ (কলা)

গুৱাহাটী এৰি ঘৰলৈ যাম নে চাকৰি এৰি খেতি কৰিম। বাপৰে বাপ আৰু নোৱাৰি। ছয়শ টকীয়া বেচৰকাৰী চাকৰি কৰি ছয়টি পৰিয়াল পুঁহ-পাল দিওঁ নে প্ৰতিদিনে আলহী সুধিম কওকচোন ? হেৰি শুনক, গেলামালৰ দোকানীক ফাঁকি দি আৰু কিমান দিন চলিম ! আলহী অহাৰ বাহিৰে আন দিনত মাছ মঙহ কিনা মনত নপৰে। নোৱাৰিলে কি কৰিম। নিশা আলু পিটিকাৰ সৈতে ভাত মুঠি ধৰোঁ। তথাপি গেলামালৰ দোকানত বাকী হয় মাহেকত ছয়শ টকা। চাৰিশ টকা দি বাকীখিনিৰে কোনোমতে মাহটো চলাওঁ। চলাওঁ মানে কিমান ফাঁকি দি চলাওঁ আপুনি বিশ্বাস কৰিবনে ? গেলামালৰ দোকানীয়ে কালি জনাইছে—হেৰি বৰুৱা, বাকী বহুত হল। প্ৰতিমাহে বাকী থাকিলে আমি কেনেকৈ চলিম আহাৰ হাতৰ আগতেই কমেও দুই হাজাৰ টকা দিব দেই। এৰিয়াৰ টকা পালেই আপোনাৰ বাকী আদায় দিম। কিমাননো বাকী আছে, খুউৱ বেছি তিনি-হাজাৰ টকা হব কিজানি। ভয় নকৰিব বুলি মিছা মাতিলো বুইছে। বে চৰকাৰী চাকৰিয়ালে কিহৰ এৰিয়াৰ টকা পাব। বৰ বেছি তাগিদা কৰিলে কাবুলিৱালাৰ পৰা ধাৰ পৰিশোধ কৰিম বুলি ভাবি তেনেকৈ কৈছোঁ।

পৰিয়ালটোৰ বাবে যি কৰিব লাগে কৰিম কিন্তু আলহীৰ বাবে কি কৰিম বাৰু ? প্ৰতি মাহে গড়ে পঁশিচজন আলহী সোধা ধেমালি নে ? এই মাহৰ আজি পোন্ধৰদিন গ'ল। কিমান আলহী হৈছে শুনক — এক তাৰিখে শাহু আৰু মা আহি এক সপ্তাহ থাকি গ'ল। তেওঁলোকক মাছ মঙহ কিনি ভাল দৰে সোধ পোচ কৰোঁতে দিনৰ শাক পাচলি আৰু মোৰ চিগাৰেট খোৱাতে ধনৰ লাল বাতি জ্বলিল। চিগাৰেট সেই দামীটোহে খাওঁ আকৌ দেই। আঠ তাৰিখে আহিল গাহীৰ পেহায়েকৰ জোঁৱায়েক। এদিন এৰাতি থাকি গ'ল। ন তাৰিখে আহিল শালপতি আৰু খুলশালী দুজনী আৰু শাল-পতিৰ লৰা-ছোৱালী এহাল। দুদিন থাকি গ'ল। এঘাৰ তাৰিখে আহিল ভনী জোঁৱাই আৰু ভাগিন জোঁৱাই। ভাগিন ছোৱালীজনীৰ বেমাৰ, মেডি-কেলত ৰাখিছে। নিশা থাকি তেওঁলোক গ'লগৈ। আহিল ভনীজনী। তাইও এসাজ খাই গ'লহি। আহিল এইবাৰ ভাগিন জনীৰ শহুৰেক। তেওঁ-লোকো গ'ল। যোৱাকালি চাকৰি বিচাৰি হাবা-থুৰি খোৱা আমাৰ গাৱঁৰ ল'ৰা দুজন আহি নিশাৰ সাজ খাই গ'ল। আৰু আজি আহিছে ভাগিন বোৱাৰী আৰু ভাগিন ল'ৰা আৰু যোৱা বছৰ আমাৰ ঘৰৰ কাষৰ ভাড়া কৰি থকা বেটেলিয়নৰ কামাণ্ডাৰ কন্দৰ্প খাউণ্ড। ক'ত মৰে মৰক। ইপিনে লৰা ছোৱালী চাৰিটাৰ পৰীক্ষা ; হাতত নাই পইচা, গেলামালৰ দোকানীয়ে নিদিয়ে বাকী। আনপিনে আলহী নুসোধিলে নাথাকে সন্মান বোলা বস্তুটো। কি কৰোঁ।

আমাৰ ইয়াত থকা বৰ ভয়। ৰাতি মতা মানুহ ঘৰত থকাই টান, ডেকা ল'ৰা হলে আৰু সৰ্বনাশ। ঘৰ খানা তালাচ কৰি ডেকা ল'ৰা পালেই পুলিচে বান্ধি নিয়ে বুলি চাৰিমাহ আগতে নিশা আলহী হব খোজা চাকৰি বিচাৰি অহা কেইজন মান ডেকাক চাহ একাপকৈ খুৱাই বিদায় দিলোঁ। আজি কি কৰোঁ ? গাৱঁৰ পৰা আলহী আহিলে লগত দুজনমান আহিবই। কাছাৰি ঘৰত মোকৰ্দ্দমা কৰিবলৈ অহা, ডি, পি, আই, অফিচলৈ অহা. মন্ত্ৰী, এম, এল, এ, লগ ধৰিবলৈ অহা আলহীৰ হিচাপ দিয়াই টান। মোৰ ঘৰখন যেনিবা আলহী খানাহে হ'ল। যোৱা মাহত লক্ষীমপুৰৰ দুৰ্গা বোলাজন, টেঙাখাটৰ বিৰাজ বোলাজন, ভাস্কৰ, দেৱ আলি, অৰুণ, কল্যাণ আৰু দেৱানন্দ বোলাজন মন্ত্ৰীক লগ ধৰিবলৈ আহি বেলেগে বেলেগে চাৰিদিন থাকি গ'ল। সিহঁত খেতিয়ক মানুহ। বছেৰেকত দুই তিনিশমোন ধান বিক্ৰী কৰে। মন্ত্ৰীক লগ ধৰিবলৈ অহা এই ল'ৰাবোৰ মোৰ সহধৰ্মীনি অৰ্থাৎ পৰিবাৰৰ সখীয়েকৰ আপোন মানুহ। সিহঁতক হেনো মাষ্টৰ চাকৰি লাগে। শিক্ষামন্ত্ৰীক লগ ধৰিবলৈ আহিছে। নকব বুজিছে বৰ খং উঠি যায়। খেতিয়ক মানুহ। আত্মীয় বুলি ভাবি চহৰলৈ আহি মোৰ ঘৰত আলহী হ'ম বুলি ঘৰতেই ভাবি আহে। হেৰ' ! পাঁচ কিলো চাউল আনিব নোৱৰনে ? তোৰ মৰমৰ বায়েৰলৈ বা ভাগিন কেইটালৈ। ল'ৰা কেইটাই যে কলে – বাইদেউ, তুমি আমাক নিজৰ বুলি নাভাবা বুলিয়েই আমাৰ ঘৰলৈ নোযোৱা। ময়েই খবৰ লবলৈ আহিলোঁ। ভিনি-দেউৱে আমাক চিনিয়েই নাপাব কিজানি। হেৰ', কেনেকৈ তইঁতক চিনি পায় ? বিয়া কৰোৱা আজি ষোল বছৰ হ'ল। তইঁতে জানো আমাক আপোন বুলি কেতিয়াবা মাতিছ ! কাৰ্যসিদ্ধিৰ বাবে ষোল্ল বছৰৰ মূৰত আপোনজন হৈছহি।

তাৰ আগতে ঢেকিয়াজুলিৰ পৰা বুঢ়া বুঢ়ী এহাল আহি সাত দিন থাকি গ'ল। শহুৰৰ হেনো বন্ধু। মই চিনি নাপাওঁ। আমাৰ মাইকী মানুহেও নিচিনে। দেউতাকৰ বন্ধু বুলি কোৱাত কিযে আল-পৈচান কৰি খুৱাইছে শ্ৰীমতীয়ে। ৰৌ মাছ, কণী, পায়স আৰু যে কত কি ? খাবলৈ পায় বুঢ়া বুঢ়ীয়ে মোৰ শ্ৰীমতীৰ গুণ বখানিছে যেতিয়া ৰক্ষা ক'ত ? শ্ৰীমতীৰ কোন কি চাবা ? নিজৰ মাক দেউতাকক তেনে আলপৈচান ধৰা নেদেখিলোঁ। মই ধাৰ কৰি আনি ডেৰশ টকা আলহী সুধিবলৈ দিছোঁ তাইৰ সেইবোৰ খবৰেই নাই।

হেৰি আপোনালোকে কওকচোন মই শ্ৰীআঘনু ৰাম বৰুৱাৰ, ঘৰৰ, পৰৰ, চিনাকী অচিনাকী আলহী সুধি দেউলীয়া হৈ এই গুৱাহাটী চহৰত 'ধাৰণিকুলাৰ' চাহাব হৈ থাকোনে ঘৰত গৈ খেতি কৰোঁগৈ নে বাতৰি কাকতত জাননী দিওঁ যে মোৰ ঘৰত আলহী আহিলে চাউল দাইল লগত লৈ আনিব লাগিব। মোৰ ঘৰত আলহী অহাৰ আগতে অনুমতি লব লাগিব, বিনা অনুমতিত অহা আলহীক স্থান দিয়া নহব নাইবা মই নিমন্ত্ৰণ নকৰা আলহীক মোৰ ঘৰত স্থান দিয়া নহব। কি কৰিম ! মই শ্ৰী আঘনুৰাম বৰুৱাই আপোনা সৱক কাকুতি কৰি সুধিছোঁ কিবা এটা কওকচোন। ✻



একাংকিকা নাটক

# ঃ সংকল্প ঃ

আৰ্তপ্ৰৰ্
বিপ্লৱ তোমাক স্বাগতম

<u>চৰিত্ৰ সমূহ</u>

১। অজয় ঃ- বি, এ পাছ যুৱক
২। দীপক ঃ- সহপাঠী
৩। ৰমা ঃ- বি, কম, পাছ
৪। প্ৰদীপ ঃ- অজয়ৰ বন্ধু
৫। উদয় ঃ- সহপাঠী ৰমাৰ

<u>মূল ভাৱ</u> ঃ- আটাই কেইজন যুৱকেই শিক্ষিত নিৱনুৱা ; বৰ্ত্তমান সমাজৰ মাজত শোষণকাৰী দলৰ বিৰাট আগমন দেখি নিজৰ সচেতন মনক জগাই তুলি শোষণৰ বিৰুদ্ধে সংগ্ৰাম কৰিম বুলি দৃঢ় সংকল্প কৰে।



(মঞ্চৰ আৰ কাপোৰ তোলাৰ লগে লগে দেখা যাব দীপক, ৰমা আৰু অজয়ে কথা পাতি আছে।)

অজয় ঃ হায় জীৱন, বি, এ পাছ কৰি আজি চাৰি বছৰে চাকৰি এটা বিচাৰি হাহাঁকাৰ কৰি ঘুৰি ফুৰিছো কিন্তু চাকৰি আৰু পোৱা নহ'ল।

দীপক ঃ এইবোৰ মনত পৰিলে এই জীৱনটোৰ ওপৰতেই ঘ‌ৃনা ওপজে। জান, আজি কেইদিন মানৰ পৰা ঘৰত মা দেউতাৰ আগত মুখ দেখুৱাবলৈকে এৰি দিছোঁ। ৰাতি-ৰাতিহে ঘৰলৈ যাওঁ। কিমাননো একেটা কথাকে শুনিবি।

ৰমা ঃ তইঁতেতো জানই কিমান কষ্টৰে বি, কমটো পাছ কৰি চাকৰি-চাকৰি বুলি কত বাটকুৰি বাই ফুৰিলোঁ। চাকৰি পোৱা দূৰৰে কথা ; শেষত উপায় নেপায় একমাত্ৰ মাটি ডৰাকে বেছি দোকান এখন খুলিছিলো তাকো ৰাখিব নোৱাৰিলোঁ।

দীপক ঃ কিয়, তোৰতো Sale ভাল হৈছিল ?

ৰমা ঃ হৈছিল, পিছে ওচৰ-চুবুৰীয়াই বাকী খাই মোক দেউলীয়া কৰিলে সেয়েহে আজি মোৰ দোকানত tolet আৰু কপালত Goback

অজয় ঃ কিয় বাকী ঘুৰাই বিচাৰি যোৱা নাছিলি ?

ৰমা ঃ তইয়ো এটা ভাল ভকত, কিয় নাযাম ; গৈছিলো এবাৰ নহয় দুবাৰ নহয়, এশবাৰ গৈছিলো বুজিছ এশবাৰ কিন্তু ---।

দীপক ঃ কিন্তু কি ?

ৰমা ঃ ঐ শেষত মোৰ পিঠিতে কিল পৰে।

অজয় ঃ আৰে তই প্ৰতিশোধ ল।

ৰমা ঃ প্ৰতিশোধ, ভাবিছিলোঁ ; কিন্তু বহুত সমস্যা আছে।

দীপক ঃ সমস্যা, ও বহু সমস্যা ( হুমুনিয়াহ কাঢ়ি )

অজয় ঃ আমাৰ জীৱনত সমস্যা, মাথোন সমস্যা ; চাৰিওফালে সমস্যা।

দীপক ঃ ঐ কালি মোৰ মায়ে কি ক'লে জান ?

ৰমা ঃ কি কলে ?

দীপক ঃ চাকৰিতো নাপালিয়েই, ভাবিছিলো তই চাকৰি পালে ৰূপাক এঘৰলৈ উলিয়াই দিম। তেতিয়া তই ঘৰখন ধৰিব পাৰিবি। কিন্তু সেইয়া আৰু নহব ; দেখিছো তোৰ চাকৰি বাবে বৈ থাকিলে তাইৰ চুলি পকি কদমফুলীয়া হব।

অজয় ঃ কিয় তাইক বিয়া দি দিলেই হয়।

দীপক ঃ ময়োতো তাকেই ভাবো, কিন্তু সমস্যা আছে।

ৰমা ঃ মানে ?

দীপক ঃ দেউতাৰ চাকৰি অৱসৰ হোৱাৰ পাছৰে পৰা ঘৰখনৰ জীৱিকাৰ একমাত্ৰ উপায় বুলিবলৈ বাইদেউৰ চাকৰিটো। দেউতাৰতো আজিলৈকে পেন্সনেই নাই। সাধাৰণ এল, পি স্কুলৰ শিক্ষক, তাতে ৭৬ চনতে অৱসৰ পালে। সেয়েহে সাচতীয়া টকা বুলিবলৈ দহটকাও নাই। গতিকে মোৰ চাকৰি এটা খুবেই প্ৰয়োজন।

ৰমা ঃ প্ৰয়োজন হলেই পাবিনে ; তয়ো এটা ভাল মুৰ্খ। বৰ্ত্তমান যুগত চাকৰি পাবলৈ হলে শকত ধনৰ টোপোলা লাগিব। অকল শিক্ষাৰ প্ৰমান পত্ৰ আৰু এই মুখখনেৰে নহ'ব।

দীপক ঃ তই ঠিকেই কৈছ ( দুখেৰে ) কেতিয়াবা ভাবো, ঘৰখন এৰি গুছি যাম কোনোবা অজান ঠাইলৈ য'ত নাই কোনো অভাৱ, কিন্তু --- পাম জানো বিচাৰি ?

অজয় ঃ নাপায় কেতিয়াও নাপায়। অভাৱ এই তিনিটা আখৰ আৰু জীৱন এই তিনিটা আখৰ লিখিবলৈ বা কবলৈ খুবেই সহজ কিন্তু চম্ভালিবলৈ বৰ কঠিন।

ৰমা ঃ সেই গতিকে জীৱন আৰু অভাৱৰ সম্বন্ধ একেবাৰে ওচৰত। একেটা মুদ্ৰাৰ দুটা পিঠি।

দীপক ঃ ( চিন্তিত ভাৱে ' অই মই এটা কথা ভাবিছো।

ৰমা ঃ
অজয় ঃ কথা ?

দীপক ঃ মানে আমি এটা সংগঠন খুলিম।

ৰমা ঃ সংগঠন !

দীপক ঃ নিবনুৱা যুৱকক লৈ—

অজয় ঃ তাৰ মানে ?

দীপক ঃ শিক্ষিত যুৱকক লৈ, মানে ধৰ আমাৰ দৰে আৰু বহুতো শিক্ষিত নিৱনুৱা যুৱক আছে। যাৰ ঘৰৰ অৱস্থা বেয়া। দুবেলা দুমুঠি খাবলৈ পোৱা নাই, প্ৰয়োজন অনুসৰি পিন্ধিবলৈ এডোখৰ কাপোৰ পোৱা নাই। তেনে যুৱকক লৈ এটা সংগঠন খুলিম।

অজয় ঃ বাৰু ধৰি ল সংগঠন টো খোলা হ'ল। কিন্তু সংগঠনৰনো কাম কি হব।

দীপক ঃ আমাৰ কাম হব শোষণৰ বিৰুদ্ধে সংগ্ৰাম আৰু আজিৰ সমাজৰ দুখীয়া চাম মানুহক সম অধিকাৰ দিয়া। লগতে আমাৰ দৰে যুৱকবোৰে চাকৰি বিচাৰি ঘূৰি ফুৰাতকৈ সমবায় হিচাবে কৃষি াম আৰু শিল্প উদ্যোগ গঢ়ি পুঁজিবাদৰ বিৰুদ্ধে প্ৰত্যাহবান জনোৱা।

ৰমা ঃ অ ই তই পাগল হলি নেকি ? পিন্ধিবলৈ এডোখৰ ভাল কাপোৰ নাই আৰু সি কৈছে সংগ্ৰাম কৰিব, শিল্প উদ্যোগ স্থাপন কৰিব। অ ই তই পেটত গামোছা বান্ধি সংগ্ৰাম কৰিব পাৰিবি ?

অজয় ঃ তাতে আমি তিনিজনে ক'ত সংগ্ৰাম কৰিবি ঐ।

দীপক ঃ পাৰিম, কিয় নোৱাৰিম আজি দেশত আমাৰ দৰে যুৱক কেৱল আমিয়েই নাই নহয় আমাৰ দৰে লাখ-লাখ আছে।

ৰমা ঃ অ'ই তই জাননে ? আফি কাৰ কাৰণে "ষ্টিফেন উইণ্ডাৰে" কিমান গান গালে তাক কোনোবাই বুজেনে ? কোনেও নুবুজে।

( এনেতে মদৰ নিচাত মাতাল হৈ প্ৰদীপ সোমাই আহে। )

প্ৰদীপ ঃ অই এই কেইটা কোন ঐ ( ওচৰ চাপি ) আৰে তহঁত, একেবাৰে নিৱনুৱা সন্থা ; খুউব আড্ডা দিছ।

দীপক ঃ আৰুনো কি কৰিবি ভাই ;

অজয় ঃ পিছে তুমি ক'ৰ পৰা আহিলা ?

প্ৰদীপ ঃ তিনি আলিৰ পৰা। মন বৰ ভাল নাই তাতে বতৰো ভাল নহয় ঠাণ্ডাও পৰিছে গতিকে গৰম কাপোৰ এডোখৰকে লৈ আহিলো।

দীপক ঃ পিছে প্ৰদীপ কথা এটা সোধো, বেয়া পাবা নেকি ?

প্ৰদীপ ঃ কি কথা কব পাৰ, পিছে বেয়া-ভাল বিচাৰ কৰাৰ যুক্তি তোমালোকৰ নাই।

দীপক ঃ মানে তোমাৰ চাকৰি পোৱা কথা এটা শুনিছিলো, সঁচানে ?

প্ৰদীপ ঃ ( চিঞৰি ) চাকৰি-চাকৰি আকৌ একেই প্ৰশ্ন। বুজিছা বন্ধুহঁত এই একেটা শব্দ শুনি শুনি মোৰ কান দুখনৰ পৰ্দা গধুৰ হৈ পৰিছে ; সেয়েহে কেতিয়াবা মন যায় এই কান দুখনকে কাটি পেলাবলৈ।

ৰমা ঃ অই প্ৰদীপ, মদৰ জাল বেছি হ'ল নেকি ?



প্ৰদীপ ঃ ( খঙত ) অঃ মই মদ খাই আহিছো মদ খাই আহিছো। কিন্তু মদে মোক খাব পৰা নাই জান।

দীপক ঃ আৰে তই দেখোন নবৈৰ ডিগ্ৰীলৈ উঠি গলি। ক'চোন কি হ'ল তোৰ চাকৰিটো।

প্ৰদীপ ঃ নকবি দীপক ( কান্দোনৰ সুৰত ) চাকৰিটো পাম বুলি ক'ত আশাৰে বাট চাই আছিলোঁ; কিন্তু কি হ'ল জান-চাকৰি মোৰ ভাগ্যত নাই।

ৰমা ঃ কি ! তই নাপালি ?

প্ৰদীপ ঃ নাপালোঁ। পালে সেই দালালী কৰা অৰবিন্দ ঠিকাদাৰৰ ল'ৰা ৰবিনে। কাৰণ তাৰ খাবলৈ আৰু এসাজ পিন্ধিবলৈ টকাৰ অভাৱতো ? ( হাঁহে ) থুই, চাল্লা সকলো স্বাৰ্থপৰ।

অজয় ঃ আৰে সিতো হায়াৰচেকেণ্ডেৰী পাছ কৰিছেহে।

প্ৰদীপ ঃ আৰু মই কি জান ( উত্তেজিত হৈ ) তিনি বছৰ আগতে বি, এছ, চি পাছ কৰিলোঁ। ( কান্দোনৰ সুৰত ) কিন্তু চাকৰিটো মই নাপালো। কাৰণ মোৰ টকা নাই, মোৰ খুড়া বা পেহা বিধায়ক লোক অথবা মন্ত্ৰী নহয়।

ৰমা ঃ কি কৰিবা ভাই আমাৰো সেই একেই অৱস্থা।

প্ৰদীপ ঃ কিন্তু মই কাকো এৰি নিদিওঁ। এদিন তহঁতি শুনিবি, মই কি কৰোঁ; অঁ শুনিবি !

( চিঞৰি চিঞৰি ওলাই যায় )

অজয় ঃ সচাঁকৈ বেয়া লাগে বেচেৰা টোলৈ। ঘৰত অকল বুঢ়ী মাক আৰু সি। মাকে লোকৰ ঘৰত কাম কৰি তাক পঢ়াইছিল, ক'ত আশাৰে, কিন্তু সি এটা ঘোৰ মদপী হৈ ঘূৰি ফুৰিব লগীয়া হৈছে।

ৰমা ঃ অজি কিমান ডেকাৰ আমাৰ দৰে অৱস্থা হৈছে, তাৰ হিচাব নাই।

অজয় ঃ আৰু কিমানৰ ঘৰত চৌকাই জুইৰ সংস্পৰ্শ পোৱা নাই তাৰ জানো খবৰ কোনোবাই ৰাখিছে। ( চিঞৰি চিঞৰি উদয় মঞ্চৰ ভিতৰলৈ সোমাই আহে। )

উদয় ঃ মৰাশ, মৰাশ চাৰিওফালে মৰাশ হাঃ হাঃ হাঃ ( হাঁহে )

অজয় ঃ উদয় কি হ'ল তোৰ ?

উদয় ঃ মৰাশ-মৰাশ

ৰমা ঃ মৰাশ-কত ?

উদয় ঃ মৰাশ মই, মৰাশ তহঁত, মৰাশ এই পৃথিৱীৰ সকলো মানুহ। চাৰিওফালে মৰাশ-মৰাশ।

( চকু টেলেকা কৰি দৰ্শক সকললৈ চাই থাকিব )

দীপক ঃ ( গাত জোকাৰি ) আৰে উদয় কি হ'ল তোৰ ?

উদয় ঃ ( সংযত হৈ ) হবলৈ আৰু কি বাকী আছে, সোৱা চাঁচোন মৰাশ বোৰক শগুন জাকে বেৰি ধৰি কেনেকৈ টানি-টানি খাব লাগিছে।

দীপক ঃ ( সন্মুখলৈ চাই ) ক'তা তাততো মৰাশ নাই, সেইয়া জীয়া মানুহ হে।

উদয় ঃ নুবুজিবি তহঁতি নুবুজিবি; ( অলপ ৰৈ ) বাৰু কচোন জীয়া মানুহৰ লক্ষণ কি ?

দীপক ঃ জীয়া মানুহ গতিশীল, জীয়া মানুহ স্থিতিশীল, জীয়া মানুহ স্পন্দনশীল।

উদয় ঃ অঃ জীয়া মানুহ স্পন্দনশীল। ( ভাবি ) বাৰু

মই যাওঁ। তইঁতৰ ওচৰত বৈ থাকিবলৈ মোৰ সময় নাই।

ৰমা : আৰে ভাই ক'ত যাব ?

উদয় : বিজনে্চ কৰিবলৈ।

অজয় :
ৰমা :
দীপক : } বিজনে্চ কৰিবলৈ !

উদয় : ওঁ

অজয় : কিহৰ বিজনে্চ ঐ

উদয় : মূলধন নোহোৱা বিজনে্চ

ৰমা :
অজয় :
দীপক : } (আচৰিত হৈ) মূলধন নোহোৱাকৈ বিজনে্চ।

উদয় : ওঁ

দীপক : এইটো আকৌ কেনেকুৱা বিজনে্চ

উদয় : এইখন ভাৰতবৰ্ষ, আৰু ইয়াত নব্বৈ কোটি জনতাৰ সত্তৰ কোটিয়েই নিৰক্ষৰ। ইয়াত বিজনে্চ কৰিবলৈ টকা নালাগে মাত্ৰ বুদ্ধি আৰু মগজুৰ প্ৰয়োজন।

ৰমা : বাৰু ক'চোন তোৰ বুদ্ধিটো--------।

উদয় : মোৰ বুদ্ধিটো কি জান, কৰ্টৰ আগত বহি ৰাইজৰ ভৱিষ্যতৰ কথা সকিয়াই দিওঁ।

অজয় : তাৰমানে তই জ্যোতিষী – আৰে কেতিয়া শিকিলি এইবোৰ জ্যোতিষ বিদ্যা ?

উদয় : বিদ্যাতো বহুতেই শিকিলো কিন্তু কামত নাহিল; গতিকে এতিয়া ভূৱা জ্যোতিষী হৈ ৰাইজৰ হাত চাওঁ। (হাঁহে)

ৰমা : দিনত নো কেই টকা ইনকাম কৰ ?

অজয় : (ঠাট্টা কৰি) কিমাননো পাবি দুই-তিনি চাৰি টকা।

উদয় : (খণ্ডত) ঐ তই ভাবিছনেকি যে দুই-চাৰি-টকাৰ বাবে এই উদয়ে কৰ্টৰ আগৰ জৰী গছ জোপাৰ তলত বহি থাকিব। দিনে পঞ্চাছ টকা কম নহয়।

ৰমাঃ অজয়ঃ পঞ্চাছ টকা ----

উদয় : ওঁ; পঞ্চাছ টকা।

দীপক : বাৰু উদয় তই যে ৰাইজৰ হাত চাই মিছাকৈ ফাঁকি কিয়, কেতিয়াবা যদি ধৰা পৰ !

উদয় : কেতিয়াও নপৰো, পৰাৰ কোনো ভয় নাই।

অজয় : কেনেকৈ ?

উদয় : এই ধৰ তইয়ে আহিছ হাত দেখুৱাবলৈ, তোৰ হাতৰ ৰেখা চাই মই কলো; আপোনাৰ মনৰ কামনা অচিৰেই পূৰ্ণ হব কিন্তু ? তেতিয়া মই ভাবিম মানে ভবাৰ (ভাও) মুদ লম। তেতিয়া তই তো সুধিবি--কিন্তু মানে কি কওঁক একো নুলুকুৱাব সকলো খুলি কওঁক। মই কম তোমাৰ শণিৰ দিন চলিছে, গ্ৰহ বেয়া গুৰু যদিও ভাল আছে, শণিৰ কোপ দৃষ্টিত পৰি দিন বেয়ালৈ গৈছে। গতিকে প্ৰতিকাৰৰ উপায় হিচাবে ক'লা বস্তুৰে চাউল খুৱাব লাগিব। (হাঁহি) বাৰু কচোন এতিয়া তইয়ে জানো মিছা বুলি কব পাৰিবি সেয়েহে কোনো ভয় নাই। এনেকুৱা আৰু বহুত আইডিয়া আছে বুজিছ। গতিকে ধৰা পৰাৰ কোনো ভয় নাই।

অজয় : এই ভাই তই যে এইবোৰ কৰিছ, কিয় চাকৰি নকৰ।

উদয় : তইয়ো যে এটা ভাল মূৰ্খ। অই চাকৰি পোৱা হলে মই জানো এইবোৰ কৰেঁ।



তইঁতি কচোন বাৰু এইবোৰ কৰি জানো মোৰ ভাল লাগিছে, মই জানো শান্তি পাইছো। (দুখেৰে) তথাপিও নকৰি যে উপায় নাই। এই পেটটোৰ বাবে। অকল মোৰ পেটটোৰ বাবে হোৱা হলেও ভাল আছিল। তেতিয়া কেতিয়াবাই মৰি থাকিলো হয়। কিন্তু এনেকুৱা আৰু চাৰিটা পেট আছে জান, চাৰিটা। (সংযত হৈ) বাৰু এইবোৰ বাদ দে, তইঁতে ইয়াত কি কৰিছ ?

ৰমা : আমি এটা সংগঠন খুলিবলৈ মনস্থ কৰিছোঁ। তাকে লৈ অলপ আলোচনা কৰিছোঁ।

উদয় : কিহৰ সংগঠন------

দীপক : থলুৱা নিৰনুৱা যুৱকক লৈ। আৰু আমাৰ সংগঠনৰ কাম হ'ব সমবায় ভিত্তিত কৃষি আৰু শিল্প উদ্যোগ প্ৰতিষ্ঠাৰ। আমাৰ দেশত বাঢ়ি অহা বৃহৎ নিৰনুৱা সমস্যাৰ অলপ হলেও হ্ৰাস পাব।

অজয় : লগতে আমাৰ কাম হব শোষণৰ বিৰুদ্ধে থিয় দিয়া। কাৰণ আমাৰ দেশত এচাম মানুহ ধনী হৈ গৈ আছে আৰু এচাম একেবাৰে দৰিদ্ৰ সীমা ৰেখাৰ তললৈ গতি কৰিছে।

ৰমা : ইয়াৰ প্ৰধান কাৰণ হৈছে পাবলগীয়া সা সুবিধাবোৰ নোপোৱাৰ বাবে। এই সুবিধাবোৰ এচাম মানুহে শোষণ কৰি আহিছে।

দীপক : তাক প্ৰতিবাদ কৰিবলৈ কোনেও বিচৰা নাই, তাৰ ফলত দেশৰ কোটি-কোটি জনতাৰ অস্পষ্ট কংকালবোৰ জিলিকি উঠিছে।

অজয় : আৰু আমাৰ মুখ বোৰ এক অদৃষ্ট তলাৰে বন্ধ কৰি থৈছে। সেয়েহে আমি শোষণ দলৰ তাণ্ডৱ নৃত্য দেখিও নিৰৱে চাই আছো। মাথো নিৰৱ দৰ্শক হৈ।

ৰমা : (দৰ্শকক উদ্দেশ্য) শুই আছা কিয় তোমালোক; উঠা এতিয়া আৰু শুই থকাৰ সময় নাই। এতিয়া আমাৰ জাগিবৰ হ'ল, শোষণকাৰীক জিনিবৰ হ'ল। আহা সদলবলে ওলাই আহা।

দীপক : শোষণৰ বিৰুদ্ধে থিয় হোৱা। এইখন আমাৰ শস্য শ্যামলা, সুজলা-সুফলা সোনৰ দেশ। ইয়াত শোষণকাৰী দলৰ স্থান নাই।

উদয় : সঁচাকৈ আমাৰ বৈ থকাৰ সময় নাই; আহা সকলো ওলাই আহা সদলবলে আজিৰ পৰা গাম আমি বিপ্লৱৰ গান।

দীপক : ৰাইজ আজি আমাৰ দিনটো অতি আনন্দৰ ! গতিকে আহক আমি সকলোৱে মিলি জুলি গাওঁ সফলতাৰ গান---বিপ্লৱৰ গান।

(চাৰিও গাব)

আমি-হম হমেই সফল
হম-হমেই সফল এদিন
অ আমাৰ প্ৰাণৰে কথা
মনৰে উচ্ছাস
আমি হম-হমেই সফল
হম-হমেই সফল এদিন

দীপক : শোষণ আমি বন্ধ কৰিম।

তিনিও : বন্ধ কৰিম, বন্ধ কৰিম।

দীপক : আমাৰ ন্যাৰ্য্য প্ৰাপ্য আমি আদায় কৰিম।

তিনিও : আদায় কৰিম, আদায় কৰিম।

দীপক : দুৰ্নীতিক আমি প্ৰশ্ৰয় নিদিওঁ।

তিনিও : প্ৰশ্ৰয় নিদিও, প্ৰশ্ৰয় নিদিওঁ।

দীপক : আমাক লাগে মুক্তি।

তিনিও : মুক্তি-মুক্তি-মুক্তি।

(চাৰিও ফ্ৰিজ হয়, লাহে-লাহে মঞ্চৰ আৰ কাপোৰ পৰি আহে।) + +

---

নাট্যকাৰ :— সোনমনি দাস
স্নাতক ২য় বৰ্ষ।

# ঃ অৰ্থহীন ঃ

—সঞ্জীৱ কুমাৰ দত্ত
স্নাতক ৩য় বৰ্ষ (কলা)

সীমান্তৰ এজন পহৰাদাৰী সৈনিক। জাতত হাড়ে হিমজুৱে অসমীয়া। সুন্দৰ সুঠাম গা। বয়স ২৬ কি ২৭। চীন ভাৰতৰ যুদ্ধত হেনো তাৰ সকলো গল। মাক-বাপেক আৰু দুজনীকৈ ভনীয়েক এই যুদ্ধৰ বাবেই অনাহাৰ অনিদ্ৰাত মৃত্যুৰ পথ বাচি লব লগা হল। এইবাৰ সি যেনেতেনে পলাই আহিছে হাতত সাৰে ভৰিত সাৰে। সি আমাক কৈছিল— "পলাই অহাটো কাপুৰুষালি নেকি বাৰু? মইতো তিনিটাকৈ চীনা জোৱান শত্ৰুক তীক্ষ্ণ বেনেটেৰে চেপি মৃত্যুৰ দুৱাৰ দলিলৈ পঠিয়ালো।" তাৰ পিছত আমি তাক বহুতো কিবাকিবি সুধিছিলো, কিন্তু সি এটা দুটা কথা কৈয়ে সামৰনি মাৰিছিল। তেতিয়া সি বৰ কম কথা কৈছিল। যিবোৰ প্ৰয়োজন নিতান্তই আৱশ্যকীয় সেইটোহে কৈছিল। আমাকো সি কৈছিল 'Talk less work more" যেতিয়াই কোনো মানুহে নৈতিক দুৰ্বলতা অনুভৱ কৰে আৰু বিশ্বাসৰ জোৰ হেৰুৱাই পেলায় তেতিয়াই হেনো মানুহে বেছি কথা কয়। যুক্তি আৰু বিবেকৰ কণ্ঠস্বৰে সদায় শান্ত আৰু বিনম্ৰ ভাবেহে কথা কোৱা উচিত। শান্ত আৰু ধীৰ-সুস্থিৰ কথাই প্ৰত্যেক ব্যক্তিৰ হৃদয়ত সত্য আৰু বিবেকৰ দীপশিখা জ্বলাই তোলে, জনপুঞ্জৰ মাজত সি কেতিয়াও উত্তেজনাৰ দাবানল গঢ়ি তুলিব নোৱাৰে।— ঠিক এনে কিছুমান কথা শুনাৰ পিছত আৰু আমি না কৰিব নোৱাৰিলো। প্ৰথমেই তাৰ প্ৰতি আমাৰ সহানুভূতি খিনি সমূলি উবুৰিয়াই দিলো।

গাঁওখনৰ নাম নাহৰণি। গোটেই গাঁওখন প্ৰায় নাহৰ গছেৰেই ভৰা। নাহৰণিৰ নাহৰ গছবোৰে ইয়ালৈ যেন বহাগৰ বাৰ্তাৰি বৰ আগতিয়াকৈ কঢ়িয়াই আনে আনতকৈ। কুলি-কেতেকীৰ মিঠা কাকলিবোৰে নাহৰনিৰ ফুলে পাতে থেকা খাই যেতিয়া বতাহৰ সতে উৰি আহে— গোটেই গাঁওখনেই ৰঝনঝনাই উঠে-ঠিক বৰ নামঘৰত গধূলি বৰকাঁহ ৰঝনঝনাই উঠাৰ দৰে। বৰফৰ টুপি পিন্ধা অদূৰৰ ভূটান পাহাৰটোৱো ইয়াৰ পৰা দেখি। ব'দালিৰ সুবাসে চুমা আঁকি দিলে গোটেই ভূটানখনেই আৰু বেছি স্পষ্ট হৈ উঠে। এই নাহৰনি গাৱঁৰে ঠিক সীমাপ্ৰদেশত মইনামতী হঁতৰ ঘৰ। সৈনিক বোপাৰ সতে মইনামতীহতৰ ঘৰত এতিয়া চাৰিটা মানুহ। সৈনিক বোপা, মইনামতীৰ মাক„ ভায়েক আৰু তাই নিজে।

গৰমৰ দিন। ঘামৰ টোপালবোৰে গোটেই গাটো ধুই নিছিল। আনকি মনটোৱো। ঠিক এনে এটা দিনতে হয়তো আজি প্ৰায় ৪ বছৰ মা·ৰ আগেয়ে সৈনিক বোপাই মইনামতীহঁতৰ ঘৰত থিতাপি লৈছিলহি। ঘৰৰ আগৰ বৰনাহৰ জোপাৰ তলতে বহি সিহত চাৰিও মিলি কথাৰ বকলা মেলিছিল। কথাৰ মাজতে সৈনিকে মইনামতীৰ মাকক সুধিছিল— আই, মইনামতীৰ পিতাক ঢুকুৱাৰনো কিমান দিন হ'ল?'

—কিনো কবি অ সৈনিক বোপা, তোৰ মাৰ বাপেৰৰ দৰেই একেই দশা। চীন-ভাৰতৰ যুদ্ধৰ সময়। মইনামতী আৰু সৰুকন তেতিয়া সৰু সৰু। অৱশ্যে মইনাই পাটগাভৰু সাজ পিন্ধিব পৰাজনী হৈছেগৈ। সৰুকনৰ বয়স ছয় নে সাত। তেতিয়া আমাৰ ঘৰৰ চাৰিওপিনে সৈন্যৰ দোপ্‌দোপনি। শত্ৰুপক্ষৰ সৈন্য নে আমাৰে সৈন্য গমকে নেপাওঁ। সেইদিনা আমাৰ বগী গাইজনী অহা নাই। তাইক বিচাৰিয়েই মইনামতীৰ বাপেক ওলাই গৈছিল। গাইজনী বিচাৰি যি গল গলেই আৰু আজিও ঘূৰি নাহিল। গাইজনী কিন্তু ওলালহি। গোটেই কথাখিনি কওঁতে সৰুকনৰ মাকৰ চকুহাল চলচলীয়া হৈছিল। সৰুকন মইনামতীৰ ভায়েক।

সৈনিক বোপাই আজিকালি মইনামতীহঁতৰ ঘৰৰ সকলোবোৰ কামেই কৰে। সৰুকনৰ সৈতে হাবিৰ পৰা খৰি কাটি আনে। মইনামতীৰ সৈতে গধূলি হলে ভোগজৰা ঘাটৰ পৰা পানীও আনে। কেতিয়াবা ঘৰৰ ঘুনে খোৱা খুটা এটাকে সলনি কৰে। কেতিয়াবা আকো মইনামাতীৰ মাকৰ তাঁতৰ শালত ফুল তুলিবলৈ শলি বা চিৰু চুচে। চোতাল-বাৰীৰ বন দুবৰীবোৰ চিকুনাই সুন্দৰ কৰি তোলাটো নকওঁৱেই। এইদৰেই তাৰ দিনবোৰ অতীতে গৰকে।

ভোগজৰাৰ বুকুৱেদি কেতিয়াবা খৰি লৈ টুলুঙা নাওঁবোৰ ভটিয়াই যায়। নাওঁৰ এচুকত বঠা কোবাই যায় নাৱৰীয়া, যেন সেই নদীৰ সম্ৰাটহে যায় কোনোবা প্ৰদেশৰ সত্বা বিচাৰি। মন গলে সৰুকন, মইনামতী আৰু সি তিনিও লগলাগি কেতিয়াবা এই দৃশ্যবোৰ উপভোগ কৰে। ভোগজৰাৰ বালিৰ দলিচাত শৰালিবোৰ চৰি ফুৰে। কেইবাবাৰো ধৰি আনি মইনামতীৰ মাকক দিয়েহি। সি কয়— "বৌটি, এইজনী অলপ ডাঙৰ শৰালি। মইনামতীয়ে এপেট পুৰাই খাব পাৰিব আজি।"

বৌটিয়ে কয়—'তুমি সীমান্তৰ সৈনিকহে আছিলা, শৰালি ধৰা সৈনিকনো কেতিয়াৰ পৰা হ'লা। আমাৰ সৰুকনে চিটিকা পাতিও এজনীকে ধৰি খুওৱাব নোৱাৰিলে' —"হাঃ হাঃ, সৈনিকৰ হাত বৌটি। সৈনিক মানুহৰ লক্ষ্যভ্ৰস্ততা কেতিয়াও পৰিপন্থি হব নোৱাৰে"। হাঁহি হাঁহি সৈনিক বোপা বৌটিৰ কাষৰ পৰা আঁতৰ হয়।

আকাশ গোমা। কপহুৱা বৰফে ঢকা নীলচিয়া ভূটান পাহাৰটোৱে হঠাৎ কজলা বৰণ ধৰিলে। ওপৰত কানতাল মৰা মেঘৰ অবিৰাম আস্ফালন। অলপ পিছতে হিলদল্‌ ভাঙি ধুমুহা আৰম্ভ হ'ল। সৰু সৰু ঘৰবোৰ কঁপিবলৈ ধৰিলে। কৰবাত নাহৰৰ দুই এটা আগ ভাগি পৰিছে। বৰষুণবোৰ দো খোৱা বাঁহগছবোৰৰ তালে তালে সৰিছে। মইনামতীহতৰ ওচৰৰ মানুহৰ ঘৰবোৰত কিছু কোলাহল শুনা গল। হয়তো ছাল-বেৰ উৰুযিছে, বৰষুণৰ পানীয়ে ভিতৰ চৰা ধুই নিছে। মইনামতীহতৰ ঘৰত কিন্তু ছাল-বেৰ

উৰুষা নাই। কাৰণ সৈনিক বোপা আহাৰ পৰা সি ঘৰখন খুওব আটোমটোকাৰিকৈ ৰাখিছে। সি ঘৰটোৰ চাৰিওচুক চকু দিয়ে।

মইনামতীয়ে সৈনিক বোপাক কয়— 'ধন খুড়া আজি ইমান বৰষুণ দিছে, তুমি মে মোৰ লগত ঘাটলৈ যাবলৈ নোপোৱা।' সৈনিক বোপাই মইনামতীৰ কথাষাৰতে যেন বেলেগ এটা অৰ্থহে লুকাই আছে, সি ভাবিলে— 'তাৰ হৃদয়ৰ এচুকত সযতনে ৰাখি থোৱা মৰমখিনিক মইনামতীয়েই পি খাবলৈ বিচাৰিছে।' উচপ্ খাই উঠাৰ দৰেই সি মইনামতীক কলে—"এনেকুৱা বৰষুণত ঘাটলৈ গলে কেনেবাকৈ পিছলি পৰিব লাগিব। বৰষুণৰ পানীয়েই আজি আমাৰ ব্যৱহাৰ হওঁক।"

ইতিমধ্যে বৌটিয়ে লোটাকেইটা নি পানীপতাত পাতি দিলেগৈ।

'মইনামতী'— নামটোতে যেন কিবা অমিয়া সনা আছে।

কিচকিচিয়া এপিঠি চুলি, নীলা নয়ন যুগল, পদুম পাহিৰ দৰে কোমল লহপহীয়া ওষ্ঠধাৰ। গাটো লাহী, গোলাপ ফুলৰ দৰে, মসৃন গোলাপী এখন হাঁহিভৰা মুখ। পিছফালৰ চোতালৰ বাকৰিত তাই তাঁত বৈ থাকিলে সৈনিক বোপাৰ কেতিয়াবা চকুৱে চকুৱে পৰে। তাৰ লাজ লাগে। মইনামতীয়ে ওঠ টিপি হাঁহি এটা মাৰি তলমূৰ কৰে। সককনৰ সতে সি তেতিয়া ৰাৰীত কিবা-কিবি কৰি থাকে। বৌটিয়ে দেখি হাঁহে। বৌটিয়ে বাৰু কি ভাবে ঃ

ভোগজৰাৰ সিপাৰে অলপ দূৰ গলেই ধুনামুখ চহৰ। তাৰ প্ৰায়বোৰেই ভূটিয়া মানুহ। অসমীয়া মানুহ দুই এঘৰহে আছে, অৱশ্যে দুই এঘৰ নেপালী সম্প্ৰদায়ৰ মানুহো আছে। কেতিয়াবা ভূটিয়া— ছোৱালীবোৰ এইপাৰলৈ বেহা কৰিবলৈ আহে। কাপোৰ বেচা ছোৱালীবোৰ বেচ ধুনীয়া। গালে-মুখে তেজ ফুটো ফুটো কৰি থাকে। বৌটি আৰু সৈনিক বোপাই এইবোৰ দেখিছে, মইনামতী আৰু সৰুকনেও। বৌটিয়ে কেতিয়াবা ভাবে— সৈনিক বোপা আৰু মইনামতীৰ কথা। সৈনিক বোপা নামতো নিপুন, কামতো নিপুন। সৈনিক মানুহৰ হাত যিমানে কঠিন অন্তৰ হেনো সিমানে কোমল।

বাঁৰীৰ দুটা এটা কাম কৰাৰ পিছতহে সৈনিক বোপাই গা ধুই ভিতৰ সোমাই। বৌটিয়ে কয়— "মইনা, সৰুকন আৰু সৈনিক বোপাক ভাত বাঢ়ি দেগৈ যা। বেলি চোন ভটিয়াববে হল।" খন্তেকতে তাঁতশালৰ পৰা উঠি আহি মইনামতীয়ে সিহঁতক ভাত বাঢ়ি দিয়েহি আৰু কয়—"ভাত খোৱাহি। সৰুকনকো লৈ আনা।'

মইনামতীৰ মৰম সনা মাত-কথাত সৈনিক বোপাৰ মনত পৰে নিজৰ ভনীয়েক দুজনীলৈ। জাৰ যায় জহ আহে। জহ যায় আকৌ জাৰ আহে। তাৰ দুয়োজনী ভনীয়েকৰ ভিতৰত এজনী যেনিবা মইনামতীহে, কিন্তু আনজনী ঘূৰি নাহেহে নাহে। সিজনীৰ গোটেই অভাৱখিনিয়েই অৱশ্যে মইনামতীয়ে পুৰাবলৈ সক্ষম হৈছে। ফাগুনৰ ফেৰফেৰীয়া বতাহত তাৰ দুয়োজনী ভনীয়েকেই ইকৰা ক'পাদি কঁপিছিল। তাৰ হৃদয়খনো মাজে মাজে এইদৰেই কঁপি উঠে— ভনীয়েক দুজনীৰ কথা ভাবিলে। মুহূৰ্ত্তৰ বাবে সি মইনামতীহঁতৰ মৰমসনা ঘৰখনৰ কথা পাহৰি যায়। "সীমান্তৰ সৈনিক"— বেচ গহীন দুটা শব্দ। ইয়াৰ চৌদিশ নিস্তব্ধ। প্ৰতিটো আখৰৰ গাতে ভেজা দি থাকে দয়াহীন, মমতাহীন এখন কাৰ্য্যসূচীৰ বিচিত্ৰতা। বিশেষকৈ যুদ্ধৰ সময়ত ই বেছ জাগ্ৰত। সি উপলব্ধি কৰে— সি থকাহেতেন হয়তো তাৰ মাক, বাপেক আৰু ভনীয়েক দুজনী এইদৰে অনাহাৰ অনিদ্ৰাত পৰি মৰিব লগা নহলহেঁতেন। কিন্তু পেটৰ তাড়নাত সি যে তেতিয়া সীমান্তৰ সৈনিক। সীমান্তৰ ৰঙচুৱা ৰেখা ডালেই তাৰ বাসস্থান। শত্ৰুক দমন কৰাটোৱেই তাৰ কৰ্তব্য। এইবোৰ ভাবি ভাবি সি কেতিয়াবা ভাতৰ পাতত বহিও ভাত খাবলৈকে পাহৰে।



"কিনো ভাবি আছা একেথৰে ভেবা লাগি। সৰুকনে দেখোন ভাত খাই শেষেই কৰিলে। সোনকালে খোৱা"— বৌটিয়ে মাত দিয়ে।

বৌটিৰ কথাষাৰতহে যেন সি সম্বিত ঘূৰাই পায়। কওঁ নকওঁকৈ সি কয়—তোমালোকে জানো নোখোৱা। মইনামতীহঁতৰ ঘৰত থকাৰে পৰা আজি ৪ বছৰে সৈনিক বোপাক লুকাই লুকাই হিয়াৰ গোটেই মৰমখিনিকে উবুৰিয়াই দিব খোজা ঝুমঝুমেও অসমীয়া সাঁজ পিন্ধে। সৈনিক বোপায়ো তাইক লুকাই লুকাই তাৰ মৰম বোৰ দিয়ে। ঝুমঝুমৰ লগত তাৰ সৈনিকৰ কামত থকা দিনৰে পৰা চিনাকী। এক প্ৰসান্ত জীৱনৰ আলম লৈ ঝুমঝুমো কেতিয়াবা নাহৰনিলৈ আহে - আনবিলাক ভূটিয়া গাভৰুৰ সতে কাপোৰৰ বেপাৰ কৰিবলৈ। তেতিয়াই সিহঁত দুয়োটীৰে মিলন হয় আৰু দুয়োৰে চকুৰ আঁৰে আঁৰে গঢ়ি উঠে এখন সুখৰ সংসাৰৰ কথা। এতিয়াও ঝুমঝুমৰ বাহিৰে যেন সৈনিক বোপাৰ বাবে জীৱনৰ লগৰী কোনোৱেই হব নোৱাৰে। মইনামতীক সি যদিও ঝুমঝুমতকৈও অত্যন্ত ভাল পায় সি কিন্তু একমাত্ৰ ভনীয়েক হিচাপেহে ভাল পায়। ঝুমঝুমক কিন্তু ভাল পায় বুকুভৰি। ভাল পায় সি আকাশৰ সমান, ভূটান পাহাৰটোৰ সমান। ঝুমঝুমে ভাবে অহা ফাগুনতে হয়তো সিহঁতৰ বিয়াখন হব। তাই সৈনিক বোপাক লৈ যাব সিহঁতৰ মাকৰ ঘৰলৈ। ভূটিয়াসমাজত হেনো ছোৱালীয়ে লৰাক বিয়া কৰাটোহে বেছি প্ৰভাৱ বিস্তাৰ কৰে। বিয়াৰ পিছত লৰাটো ছোৱালীজনীৰ ঘৰলৈ গুচি যায়। লৰাটোৱেই ছোৱালীঘৰৰ যাৱতীয় কিছুমান কাম কৰি দিব নিয়ে। আমাৰ কিন্তু লৰাইহে ছোৱালীজনী লৈ আনে।

এনেতে বৌটিয়ে সৈনিক বোপালৈ তামোলৰ বটাটো আগবঢ়াই দিলে আৰু কলে—এইবাৰ খেতি নিশ্চয় বেচ ভাল হল নহয়নে? টকা পইছাৰ ক্ষেত্ৰতো বেচ টনকিয়াল হৈছে। তাতে বাৰীৰ শাক-পাচলিৰ ক্ষেত্ৰতো তুমি অহাৰ পৰা কোনো অসুবিধাতো হোৱাই নাই দুই-এক টকা উপাৰ্জ্জনহে হৈছে। সেয়ে কৈছো এইবাৰ আঘোনতে তোমাৰ বিয়াখন পাঁতো। মইনামতীয়েও কথাটো কৈছে। কেনে হব কথাটো ভাবি চোৱাচোন।

সৈনিক বোপা উচপ্ খাই গল—বৌটিয়েও যে এনে কথা কব সি ভবাই নাছিল। তাৰ মনটো তলে তলে বেচ ভাল লাগি গ'ল। কথাৰ তলে বুজি সি কলে – পাতো বুলিছা যেতিয়া পাতা। মইতো তোমালোকক ঝুমঝুমৰ কথা এদিন কৈছিলোৱেই। বেচ ভালেই ছোৱালী।

সৈনিক বোপাই ঝুমঝুমৰ কথা উচ্চাৰণ কৰোতেই বৌটিয়ে উচপ্ খাই হুংকাৰি উঠাৰ দৰে উঠিল—হুঃ! মই একা আমাৰ মইনামতীৰ লগতহে ----। বৌটিয়ে সৈনিক বোপালৈ একেথৰে চাই ৰ'ল। বৌটিৰ চকুৱেদি যেন জুইৰ স্ফুলিঙ্গহে ওলাইছে। সি বৌটিৰ মুখখনলৈ চালে। গালদুখন কণ্ডুবাইঁৰ দৰে ওলমি গৈছে।

গৰমে গৰমেহে ভাত খোৱা ভাল। কেম্পত আমি ঠাণ্ডা ভাতৰ 'ব' টোকে বিছাৰি পোৱা নাছিলো।

— খোৱা, খোৱা। পিছতে কথা পাতিবা।
— বৌটিয়ে কয়।

তাৰ মুখৰ ফালে চাই ইঁহাৰ দৰে কৰি মইনামতী সমুখত আহি ঠিয় হয় আৰু কয়—"অকলে খাবলৈ লাজ লাজ লাগে নহয়।"

'মইতো সদায় অকলেই খাওঁ। কেতিয়াবাহে তোমালোক লগত থাকা'। সি কয়।

খোৱা সোনকালে, আমিওতো খাব লাগে।

খৰখেদাকৈ ভাতকেইটা খাই শেষ কৰি ভাতৰ পাততে সি হাত ধুৱে আৰু বাহিৰলৈ ওলায় আহে।

ব্যস্ত পৃথিৱী। ৰাঙলী টুকটুকীয়া মূখখনেৰে বেলিটো পশ্চিম ফাললৈ অলপ হেলনীয়া হৈছেগৈ। সদায় বহা নাহৰ গছজোপাৰ তলত সি আজি বহো

বুলি ভাবিও বহিব নোৱাৰিলে। শেষত অৱশ্যে সৰুকনে বৰকৈ মতাৰ বাবে সি বহিব লগা হ'ল। আজিকালি গৰমৰ দিন। এই গৰমৰ দিন কেইটাত দিনৰ ভাত সাজ খোৱাৰ পিছত নাহৰ তলত বহি নানান কথাৰ বকলা মেলাতো মইনামতীহঁতৰ বাবে এক গতানুগতিক নিয়মত পৰিণত হৈছেগৈ।

কেম্পত তেজকদমত ঘোঁৰা চেকুৰে। কেতিয়াবা প্ৰতিযোগিতাও চলে। প্ৰত্যেকটো ঘোঁৰাৰ পিঠিত একো একোটা সৈনিক। সৈনিকবোৰে মূৰত লোহাৰ টুপি পিন্ধি লয়। প্ৰথম, দ্বিতীয় আৰু তৃতীয়জনক সোনৰ, ৰূপৰ আৰু ব্ৰঞ্জৰ মেডেলেৰে পুৰস্কৃত কৰে। লগতে দিয়ে একোখনকৈ চাৰ্টিফিকেট। সৈনিক বোপায়ো ঘোঁৰা চেকুৰত কেইবাবাৰো সোনৰ আৰু ৰূপৰ মেডেলেৰে পুৰস্কৃত হৈছে। কৰ্নেল জে, এস, থমচন আৰু বলৱং সিঙে দিয়া চাৰ্টিফিকেটবোৰ হেৰাইছে। এই চাৰ্টি- ফিকেটবোৰ থকা হলে হয়তো তাৰ কিছু কামত দিলে- হেতেন এতিয়াওঁ। নাহৰণিৰ গাওঁবুঢ়াৰ ঘৰত ২ বজাৰ শব্দ ভাহি আহিল। গাৱৰ পছিমফালৰ পৰা ভাহি আহিল আজানৰ ধ্বনি। ইতিমধ্যেই মইনামতীৰ মাক ভাতকেইটা খাই গছৰ তল পাইছেহি। পিছে পিছে ভামোলৰ বঁটাতো লৈ মইনামতী। বৌটি আহি তাৰ কাষতে বহিলহি। মইনামতী সৈনিক বোপাব মুখা- মুখিকৈ বহিল।

কোনোফালে হাই উৰুমি নাই পছিমৰ আজানৰ ধ্বনিক বাদ দি। ঘৰৰ আগেদি ৰাস্তাটো সৰ্পিল গতিত নিস্তব্ধতাৰে শুই আছে। কৰবাত গৰুবোৰে নেজ-কান জোকাৰি জোকাৰি থমকি পৰিছে। গছৰ তল খন (সিহত বহি থকা) নাতিদূৰত থকা ভূটান পাহাৰটোৰ দৰে গহীন হৈ পৰিছে। তাৰ কিছুমান ভূটিয়া ছোৱালীয়ে অসমীয়া সাজ পোচাক পিন্ধিবলৈ আৰম্ভ কৰিছে। এতিয়া সিহঁতক অসমীয়াই নে ভূটিয়া ধৰিবকে নোৱাৰি।

সৰুকন হঠাৎ উঠি গৈ মইনামতীৰ কানে কানে কিবা এটা কলে। লগে লগে মইনামতী আৰু সৰু- কনে একেলগে খিলখিলাই হাঁহি দিলে। সিহঁতৰ হাঁহিত সেই মূহুৰ্ত্তটোৰ বাবে গোটেই নাহৰতলি খনেই কঁপি উঠিছিল ; আনকি ঝুমঝুমে চিট্ পখিলা হৈ জপিয়াই ফুৰা ভূটান পাহাৰটোৱো।

বৌটিয়ে ভাবিলে— মইনামতী তেন্তে চিৰদিন কুমাৰী হৈয়ে থাকিব লাগিব নেকি। মইতো সৈনিক বোপাৰ কথা সকলোকে ঘৰ জোৱাই বুলিহে স্পষ্টকৈ জনাই দিছিলো। হয়তো মইনামতীক সৈনিক বোপাই মৰম কৰিছিল ভনীয়েক হিচাপেহে আৰু ভাল পাই- ছিল শান্ত সত্যক ভেটি কৰি, দুয়ো একেলগে ভোগ- জৰা ঘাটৰ পৰা গধূলি পানী আনিবলৈ গৈছিল। সৈনিক বোপাৰ মনৰ কোনোবাখিনিত আউল লাগি গল। কেতিয়াবাযে সকলো মৰমেই অৰ্থহীন হৈ পৰে। ●

শ্ৰান্তিম্লান চকুযোৰে তাইৰ কোনো এক নজনা দেশৰ
নুবুজা ভাষাৰ কথা আঁকি লৈ, বহু কথা কয়।
আকাশৰ এচপৰা নীলা সউৱা তাইৰ চকুৰ পোহৰ,
মেঘালী দিনৰ কণ কণ ঢউবোৰ তাইৰ সেয়া
চুলিৰ মাজত। ০ ০ ০ ০ ০ ০

— হেম বৰুৱা

44

# ০০ গল্প নহয় ০০

—সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা

ঘৰৰ, সমাজৰ, ওচৰ-চুবুৰীয়াৰ অনুৰুধ ক্ৰমে শশাংক আজি ডাক্তৰৰ ওচৰলে বেমাৰ দেখোৱাবলৈ গৈছে। প্ৰকৃততে শশাংকৰ একে বেমাৰ হোৱা নাই বৰ্তমান অসমৰ দুৰৱস্থা দেখি, অসমীয়া মানুহবোৰৰ নাথল-নাজল অৱস্থা দেখি, উশৃংখলতা দেখি, ভৱি- ষ্যতৰ ধ্বংসৰ যন্ত্ৰণাবোৰ দেখি সি হতাশ হৈ পৰিছে, আৰু নিজেই একো এটা কৰিব নোৱাৰি মাত্ৰ এনে দুখলগা অৱস্থা হোৱাৰ কেৰোণনো কি তাকে ভাৱি, সি আজি কালি প্ৰায় মন মাৰি থাকে। কাৰো লগতে কথা-বতৰা নাপাতে। সেয়েহে সকলোৱে আজি-কালি তাৰ ওপৰত মন্তব্য কৰে "নিবুকা চামোন গো খোৱাত যম"। তথাপি সি ধৈয্য ধৰি, সহ্য কৰি জীয়াই আছে এটা শুভলগ্নলৈ যি সময়ত সকলোৱে বুজি উঠিব মানুহৰ মানৱতাৰ মহান সংজ্ঞা, আমি সকলো এক ঈশ্বৰৰ সন্তান।

শশাংকই ভীৰ ঠেলি ডাক্তৰৰ কোঠালে সোমাই গ'ল। ডাক্তৰে তাক ৰোগৰ সম্বন্ধে বিভিন্ন প্ৰশ্ন কৰিলে। সি কবলে আৰম্ভ কৰিলে।---

বুজিছে চাৰ, মানুহ বিলাকে কয় মই বোলে মানসিক ভাৱে ভাৰ সাম্য হেৰুৱাই পেলাইছো। মই আজি-কালি কোনো মানুহৰ লগতে কথা-বতৰা নাপাতো যিহেতু মই কথা পতাৰ প্ৰয়োজন অনুভৱ নকৰো। বুজিছে ডাক্তৰ চাৰ, আজি কালি প্ৰত্যেক জন পুৰুষ-মহিলাক মোৰ বৰ কৃত্ৰিম কৃত্ৰিম লাগে। তেওঁলোকে যেন এটা কৃত্ৰিমতাৰ বৃত্তৰ ভিতৰত সোমাই নিজকেলৈ গৌৰৱ অনুভৱ কৰে—তেওঁলোক সভ্যজ্ঞানী বুলি। মই কিন্তু সুক্ষ্ম ভাৱে লক্ষ্য কৰি দেখিছো তেওঁ লোক সকলোৱে নাওঠে আখৰা কৰি নিজৰ নিজৰ ভিতৰতে কামোৰা কামোৰি কৰি নিঃশেষ হৈছে। কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাংসৰ বশৱৰ্তী হৈ তেওঁলোকক উন্নক্ত এহাল এহাল জানোৱাৰৰ দৰে লাগে। সেই বাবেই বুজিছে চাৰ মই আজি কালি কাৰো লগতে কথা-বতৰা নাপাতো। ইয়াৰ বাবেই মানুহে কয় " নিবুকা চামোন গো খোৱাত যম।"

বাৰু ডাক্তৰ চাৰ আপুনি মোক এটা প্ৰশ্নৰ উত্তৰ

দিয়কচোন এই যে উঠি আহিছে কণ কণ শিশুচাম আজি কাৰ আদৰ্শৰে আগোৱাব। আপুনি সমাজখনৰ এনে এজন লোকলৈ আঙুলিয়াই দেখোৱাওকচোন এই জন মহাপুৰুষৰ পৰাই আদৰ্শ লব। উদাহৰণ স্বৰূপে - আপুনি তেনে এজন লোক সুবিধাবাদী, স্বাৰ্থ-লোভী, ভণ্ড সমাজ সেৱক, এই যে অলপ আগতে বুঢ়ী গৰাকীয়ে পাঁচটকা মাত্ৰ কম দিয়াৰ বাবে আপুনি গটিয়াই খেদাই পঠালে। আৰু মুখৰে অমৃত বৰষালে। আপুনিয়েই কওঁকচোন, আপোনালোকৰ নিচিনা জ্ঞানী বুলি স্বীকৃতি প্ৰাপ্ত সভ্য মানুহ বোৰৰ পৰা আমি কি আদৰ্শ লম। আপোনাকতো চৰকাৰে এটা চাকৰি দিছে। দৰমহাও হয়তো বহুত পায়। আপুনি চৰকাৰৰ চাকৰিয়াল যেতিয়া ৰাইজৰ চাকৰ। ৰাইজক সেৱা কৰিবলগীয়া সময় খিনি Private Practice কৰি কটাই দিছে? আপোনালোকে সে ইমান অজস্ৰ সম্পত্তি গোটাইছে মৰিলে কি সকলো বিলাক মৃত্যু পুৰীলৈ লৈ যাব? নোৱাৰে, নোৱাৰে চাৰ জন্ম হওতে সকলোৱে নাঙঠ, মৃত্যুৰ পিছতো নাঙঠ হৈয়ে কাঠৰ মাজত সোমাব লাগিব। তেনে ক্ষেত্ৰত আপোনা-লোক কিয় অহংকাৰী শোষণ পৰায়ণ??

অ' ডাক্তৰ চাৰ, কথা এষাৰ মনত পৰিছে মহাত্মা গান্ধীয়ে কৈছিল "পেটৰ ভোকতকৈ যিয়ে এমুঠিও আহাৰ বেছি খায় তেওঁলোক চোৰ"। তেন্তে ভাৰতবৰ্ষত চোৰেৰে ভৰ্ত্তি হৈ পৰিছে, তাৰ মানে ভাৰতৰ্বষ চোৰৰ দেশ নহয় জানো চাৰ।

অ ডাক্তৰ চাৰ, কথা এটালে মন কৰকচোন, আপুনি ভালদৰে উপলব্ধি কৰকচোন, কৃত্ৰিম চকুজোৰ সলকাই থই ভগৱানে দিয়া চকুজুৰিৰে আপুনি লক্ষ্য কৰকচোন, আপুনি চাৰিওফালে দেখিব, শুনিব, পৃথিৱী ধ্বংসৰ আগজাননী, যদিহে জ্ঞানী মানৱে· জগত বাসীৰ পথ দেখোৱাতা, জগতবাসীৰ মূৰব্বী মানৱ সকলে তেওঁলোকৰ কৃত্ৰিম দৃষ্টি ভঙ্গী আতৰাই নেপেলাই।

আপুনি চাৰ পূবলৈ চাওঁক, পশ্চিমলৈ চাওঁক, উত্তৰলৈ চাওঁক, দক্ষিণলৈ চাওঁক অকল দেখিব সকলোৰে নৈতিক অধঃপতন, বলীৰ দুৰ্বলীৰ ওপ-ৰত ৰাজত্ব কৰা তুমুল স্পৃহা, অত্যাচাৰ, দুৰ্নীতি, ব্যভিচাৰ, উৎপিড়নে ধ্বংস, হিংসা যুদ্ধ· খিয়লা-খিয়লি, কটা - কটি, মৰা - মৰি সেইবোৰহে দেখিব।

এইযে আপোনালোকৰ নিচিনা গান্ধীবাদী চামৰ বাবেই গোটেই পৃথিৱীৰ দেশে দেশে, ইমান হাহাঁকাৰ আৰ্তনাদৰ পৰিস্থিতি। আপোনালোকে সাধাৰণ নিৰক্ষৰ সহজ - সৰল জণ - সাধাৰণক বুলেট হিচাপে ব্যৱহাৰ কৰিছে। নিৰক্ষৰতাৰ সুযোগ গ্ৰহণ কৰি নিজকে ভগৱান সজাইছে। আপোনালোকে কেতিয়াও মুক্তি নাপায়। শান্তিও নাপায়। এদিন নহয় এদিন শাস্তি ভোগিব লাগিবই ৰাইজৰ কাঠগড়াত। বুজিছে ডাক্তৰ চাৰ, পেটৰ তাড়নাত পৰি এটুকুৰা কটি চুৰ কৰা জনক চোৰ নোবোলে। প্ৰকৃত চোৰ আপোনা-লোকহে। বছৰৰ ছয়টা ঋতুত আপোনালোকেহে মোট সলাই, সাধাৰণ জন - গণে মোট সলাব নেজানে। ভাঁৱি চাওঁক---। আৰু এইবোৰ কথা ভাঁৱি মনে মনে থকাৰ বাবেই মানুহবোৰে মোক কয় "নিবুকা চামোন গো খোৱাত যম"।

বুজিছে ডাক্তৰ চাৰ, মই বেছি দূৰলৈ নাযাও, আপুনি অসম আন্দোলনটোৰ কথাকে ভাৱকচোন। কিমান ফুল কুমলীয়া ডেকা - গাভৰুয়ে নিজৰ স্বাৰ্থক বিসৰ্জন দি দেশৰ বৃহত্তৰ স্বাৰ্থৰ হকে প্ৰাণ আহুতি দি ছহিদ হ'ল। কিমানে অমানবীয়, পাশৱিক অত্যাচাৰ সহি আজিও আশাৰে নতুন প্ৰভাত অহালৈ বাট চাই আছে। ক'তজনী কুসংস্কাৰে অন্ধবিশ্বাসেৰে ভৰা সমাজখনত কলংকিতা, লাঞ্চিতা হ'ল, ক'ত মাতৃৰ বুকু শুদা হ'ল, ক'ত জীৱনৰ বাবে ঘূণীয়া হ'ল। বুজিছে ডাক্তৰ চাৰ, আমি মাথো ছহিদবেদী বনোৱাতে ব্যস্ত হৈ পৰিলো। কিন্তু সময়ে সময়ে ছহিদ পৰিয়ালক মাত এষাৰ দিবলেও পাহৰিলো। আনকি সেই যুগৰ নায়ক সকলেও তেওঁলোকৰ সকলো প্ৰতিশ্ৰুতি পাহৰি মদৰ নিচাত মাতাল হৈ প্ৰিয়াৰ বুকুৰ উমত সকলো জাহ দিলে।



আপুনি বুকুত হাত থৈ কব পাৰিবনে তিৰাল্লিছ বছৰে ৰাইজে নিজেই গঠন কৰি দিয়া চৰকাৰ বিলাকৰ পৰা জণ-সাধাৰণে নিজৰ মৌলিক অধিকাৰখিনি পাইছে? দেশখনৰ কিবা এটা উন্নতি হৈছে? কাগজে কলমে-পেপাৰে উন্নতি হৈছে আৰু এখিনি দালাল, সুবিধাবাদীৰ সৃষ্টি হৈছে। গাৱঁলৈ যাওঁক ডাক্তৰ চাৰ, সকলো দেখিব, বুজিব, শুনিব? --- আপুনি ভাৱকচোন অসম আন্দো-লনৰ সময়তটো জাত-পাত, গোষ্ঠী সম্প্ৰদায়, উচ্চ-নীচ, ধনী - দুখীয়া, ডেকা গাভৰু, বালক - বালিকা, বুঢ়া-বুঢ়ী প্ৰভেদ নাৰাখি সকলোৱে একেস্বৰে কৈচিল "অসম মৰিলে আমিও মৰিম"। কিন্তু আজি আপুনি নিজেই চিন্তা কৰকচোন অসমত ধৰ্ম সম্প্ৰদায়, গোষ্ঠী আদি কৰি কিমান সংগঠনৰ জন্ম হ'ল, কিয় তেওলোকে মূৰ দাঙি উঠিছে, কিহৰ বাবে? কাৰ বাবে? তেওঁ-লোকৰ সংগঠনৰ পটভূমি কি, উদ্দেশ্য, লক্ষ্য, কৰ্ত্তব্য কি-তাক কোনেও বিশ্লেষণ নকৰাকৈ মাথো এখিনিয়ে ছালে - বেৰে কোবাই মৰিছে। আপুনিও ভাৱক চাৰ, মই নকওঁ।

বুজিছে ডাক্তৰ চাৰ মই কথা পাতিবলে পালে লাগ বান্ধ নোহোৱাকৈ মুখখনেদি কথা বিলাক ওলাই যায়। সেই বাবেই মই আজি কালি কথা - বতৰা পাতিবলৈ এৰি দিছো। সেই বাবে মানুহবোৰে মোক কয় "নিবুকা চামোন গো খোৱাত যম"।

এই যে আজি - কালি ৰেডিঅ, টি - ভি কাগজে পত্ৰই ওলাইছে যুৱ সমাজৰ মানসিক পৰিবৰ্তন ঘটিছে, নৈতিক অধঃপতন হৈছে বুলি। সব বাতৰি ভিত্তি-হীন। যুব সমাজৰ মানসিক এই পৰিৱৰ্তন কিয় হৈছে নৈতিক অধঃপতন ঘটিব লগিয়া কাৰণনো কি তাক জানো কেতিয়াবা আপোনালোকে· বিশ্লেষণ কৰিছে। সেই বুলি সমাজৰ ভণ্ডযুৱক কিছুমানৰ অধঃপতন ঘটা নাই তেনে নহয়, ঘটিছে। তাৰ বাবে দায়ী আপোনালোক, আপোনালোকৰ সুবিধাৰ বাবে সিহঁতক বিপথে পৰি-চালিত কৰি জীৱনৰ প্ৰতি মোহ ভঙ্গ কৰি তুলিছে। পাশ্চাত্যৰ অনুকৰণ, ড্ৰাগচ, ব্ৰাউন চুগাৰ আৰু এই যে আধুনিক টাইপৰ ছিনেমা বিলাক ওলাইছে কামোদ্দীপক----।

আপোনালোকে জানো যুৱ সমাজৰ সমস্যা ৰাজীৰ কেতিয়াবা ভূ-লৈছে। যুৱক হোৱাৰ লগে লগে মনলৈ কিমান ৰঙীণৰ ৰঙীন স্বপ্ন আহে। আৰু সেই-বোৰ বাস্তৱ ৰূপ দিবলে আগবঢ়াৰ লগে লগে আহি পৰে সন্মুখত আপোনালোকৰ নিচিনা সুবিধা বাদীৰ বাধাৰ প্ৰাচীৰ। উদাহৰণ স্বৰূপে ধৰকচোন এজন বাপুকীয়ে দুৰ্নীতিত লিপ্ত হৈ হাজাৰ হাজাৰ টকা ঘটিছে কিন্তু সেইজন বাপুকীৰ মানসিকতাৰ নিচিনা পুত্ৰকৰ হয়তো নহয়। সেই লৰা জন মানসিক ভাৱে কেনে হব---? আপোনাক হয়তো বহলাই নকলেও হব। অসম আন্দোলনৰ কথাকে ভাৱকচোন অসমৰ যুৱ সমাজৰ কিমান অৱিহনা আছে। ছবছৰ দিন নিকাৰ ভূগি, ভাৰতবৰ্ষৰ আন আন ৰাজ্যবিলা-কৰ লগত শিক্ষাৰ ক্ষেত্ৰত পিচ পৰি, আজি পাইছে কি? কি? কি? কওঁক আপুনি--। অকল পাইছে মানসিক অন্তৰ্দ্বন্দ, অন্যায় অবিচাৰ, যাৰ ফলত সৃষ্টি হ'ল কাঁবি সমস্যা, বড়ো সমস্যা, তেনে ক্ষেত্ৰত সেই যুৱক চামে মানসিক ভাৰসাম্য কিয় নেহেৰুৱাব? শিক্ষাৰ ক্ষেত্ৰত ভূগিব লগীয়া জ্বালা-যান্ত্ৰণা, অদূৰ ভৱিষ্যতে জীৱনক অন্ধকাৰ দেখি যি সমাজৰ দেশৰ, মূৰবী সন্মানীয় হাতদীঘল লোক সকলৰ নৈতিক অধঃপতন দেখিহে তেওঁলোক প্ৰকৃত্যাৰ্থত হতাশ হৈ জঘন্যতম কাৰ্য্যত লিপ্ত হৈছে বুজিছে ডাক্তৰ চাৰ।

এই আপোনালোকেযে কৈছে ধৰ্যণ, বলাৎকাৰৰ সংখ্যা অসমত আন আন ৰাজ্যতকৈ বাঢ়ি গৈছে। কিন্তু কিয় বাঢ়িছে তাক জানো আপোনালোকে পৰ্য্যবেক্ষণ কৰিছে? তেওঁলোকে কিয় এনে নিচ মনোবৃত্তি চৰিতাৰ্থ কৰিছে, কিয় তেওঁলোকে এনে ভূলপথে আগবাঢ়িছে কেতিয়াবা জানো আপোনা-লোকে ভাবি চাইছে? ডাক্তৰ চাৰ, অসমত পশ্চিমীয়া অনুকৰণেই এনে কাৰ্য্যৰ বাবে জগৰীয়া নহয় জানো আৰু সস্তীয়া ছিনেমাবোৰ। যেতিয়া এজন মিনিষ্টাৰে চাকৰিৰ প্ৰলোভন দেখুৱাই কোনো এগৰাকী নাৰীক ধৰ্যণ কৰে, যেতিয়া শান্তি ৰক্ষাৰ নামত নিজৰ দেশৰ নাগৰিকেই তালাচী চলোৱাৰ নামত নাৰীক বলাৎকাৰ কৰে। তাৰ বাবে জগৰীয়া কোন? কোন? কোন ভাৱিবৰ হল। ডাক্তৰ চাৰ, আবেগৰ বৰ্শবৰ্ত্তী হৈ

লাগ-বান্ধ নোহোৱাকৈ বহু কথাই আপোনাক কৈ পেলালো। ভালদৰে চালি-জাৰি চালে গম পাব আমাৰ পথ দেখুৱা সকলেই নাজানে তেওঁলোক কোন পথে আগুৱাইছে।

বুজিছে ডাক্তৰ চাৰ, এইবোৰ বাজে কথা ভাৰি থাকি মই আজি-কালি কাৰো লগতে কথা নাপাতো সেই বাবে মোক কয় "নিবুকা চামোন গো খোৱাত যম"। আচলতে বুজিছে নিবুকা চামোন গোহে খাই কিন্তু কথাচুবুৱা চামোনে তেজ খোৱাত যম। তেওঁ-লোকে শান্তি নিবিচাৰে ধ্বংস বিচাৰে, যুদ্ধ বিচাৰে।

বেছি কথা আৰু নকও যিহে মোৰ ফটা মুখ কথাকই থাকিবলে পালে সকলো পাহৰি যাও। আপোনাৰ ৰোগীও ভালে সংখ্যক গল। সেই যে মানুহ জন দেখিছে মোলে আক্ৰোশেৰে চাই আছে তেওঁ প্ৰাক্তন মন্ত্ৰী। তেওঁৰ বিষয়েও বহু কেলেঙ্কাৰী অতীত আছে। কিন্তু ৰোগে সেইবোৰ একো নামানে তেওঁক দেখিছে সেই দৰিদ্ৰতাৰ কাৰুণ্য ছৱি বহণ কৰা বুঢ়ী গৰাকীৰ ওচৰত বহি মৃত্যুৰ ক্ষণ গণিছে।

আহিলো চাৰ। ভাল দৰৱ এটা দিব যাতে মই মানুহৰ লগত হাঁহি-মাতি কথা এবাৰ পাতিব পাৰো। আহিলো---

ভাৰতবাসীৰ মাজত যিজন আটাইতকৈ দৰিদ্ৰ যদি তেওঁলৈকো স্বৰাজৰ মৌজোল বৈ নাযায়, তেন্তে সেই স্বৰাজৰ প্ৰয়োজন নাই। মোৰ লক্ষ্য হৈছে যি সকল সৰ্বহাৰা, ৰিক্ত আৰু সভ্যতাৰ জ্যোতিৰ পৰা বঞ্চিত প্ৰধানতঃ তেওঁলোকৰ কল্যাণ, তেওঁলোকৰ মুক্তি।

— মহাত্মা গান্ধী





ভাস্কৰ সোনোৱাল

ভিৰুশ্ৰী আৰু শক্তিমানৱ উপাধীৰে বিভূষিত আৰু ৰাষ্ট্ৰীয় ভ্ৰাগয়ি পাঞ্জা প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰী।



মইনুল হক

মহাবিদ্যালয়ৰ চিনিয়ৰ আণ্ডাৰ অফিচাৰ (N.C.C.)



কনচেং বৰগোঁহাই

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ আণ্ডাৰ অফিচাৰ। ১৯৯০চনত উত্তৰ পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ লক্ষ্যভেদি হিচাপে পৰিগণিত।

মঃ মহিউল্লা



মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ভাৰোত্তোলক।

একেৰাহে ৪ৰ্থ বাৰলৈ মহাবিদ্যালয় মহিলা বিভাগত শ্ৰেষ্ঠা খেলুৱৈ।



ইয়াৰোপৰি ডিব্ৰু: বিশ্ব বি:ৰ আন্তঃ মহাবিদ্যালয় এথেলেটিক্‌চৰ ১০০মি: হাৰ্ডলচত ২য় আৰু লং জাম্পত ৩য় স্থানৰ সন্মান অৰ্জন কৰে।

অনিমা গগৈ



ডিব্ৰু: বিশ্ববি:ৰ আন্তঃ মহাবি: এথেলেটিক্‌চৰ ১৫০০ মি:, ৮০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত ক্ৰমে ২য়, ৩য় স্থান পাই খ্যাতি অৰ্জন কৰে।

প্ৰনিতা মিলি



মোহন জিমে

শ্ৰেষ্ঠ দীৰ্ঘতম দৌৰবীৰ। আন্তঃ মহাবিদ্যালয়ৰ ১০,০০০ মি: দৌৰত ৭ম স্থানৰ খ্যাতি অৰ্জন কৰে।





"একো একোজন কবিৰ প্ৰতিটো কবিতাই এক নতুন উপলব্ধিৰ, এক নতুন সন্ধানৰ, এক নতুন আৱিস্কাৰৰ শিলালিপি ০ ০ ০ সফল শিল্পীৰ তুলিকাৰ এডাল আঁকে চিত্ৰপত্ৰত এক অসীমৰ আভাস ফুটাই তোলাৰ দৰে কবিৰ গভীৰ উপলব্ধি প্ৰসুত দুটা শব্দই, দুটা শাৰীয়ে এক অনাবিস্কৃত জগতৰ জপনা মুখত আমাক থিয় কৰাব পাৰে" ০ ০ ০

# কবিতা


△ মই চহিদে কৈছো : সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা
△ স্মিতগুচ্ছ : সঞ্জীৱ কুমাৰ দত্ত
△ বিদ্ৰোহ : গিৰিন্দ্ৰ কুমাৰ লাহন
△ শান্তিৰ সন্ধানত : মোহিনী মোহন লিগিৰা
△ বিজ্ঞান তুমি মহান : মনোৰঞ্জন কামান
△ অপেক্ষা / সুন্দৰ : প্ৰসন্ন কুমাৰ চেতিয়া
△ বিপ্লৱী : অৰূপ জ্যোতি দাস
△ স্মৃতিৰ পৰশ : কল্যাণ কুমাৰ মিলি
△ এমুঠি প্ৰেমৰ কবিতা : উৎপল সোনোৱাল
△ ভাগৰুৱা ক্লান্ত পথিক : ভাগ্যৰঞ্জন কোৱৰ
△ সংগ্ৰাম : অনুপ কুমাৰ লাহন
△ বিনণি : চেনিৰাম মিলি
△ কি ? : ভাস্কৰ সোনোৱাল


চতুৰ্দশ সংখ্যা
১৯৯০–৯১

## কবিতা

### ঃ মই ছহিদে কৈ'ছো ঃ

—সঞ্জীৱ নাৰায়ণ চাউদাং বৰুৱা
স্নাতক ৩য় বাৰ্ষিক (কলা)

মই ছহিদে কৈছো
ভীয়েটনাম, চীন
আফ্ৰিকাৰ দুৰ্গম অৰণ্য ভেদী
এটম বোমাৰ ভিতৰৰ পৰা
গুলিৰ খাৰ হৈ
কালিফৰ্নিয়া, ইজৰাইল,
ইৰাণ-ইৰাকৰ
তেজৰ কৰালৰ মাজৰ পৰা
দুহাত আকাশলে মেলি,
মুখ দাঙি
মই ছহিদে কৈছো

ছোভিয়েট, আমেৰিকাৰ
গৰ্বৰে গৰ্বিত প্ৰাচীৰ ভাঙি
ভাৰত, পাকিস্তান, শ্ৰীলঙ্কাৰ
স্বাৰ্থপৰতাৰ
লেতেৰা ৰাজনীতিৰ দুৰ্গ খহাই
মই ছহিদে কৈছোঁ

মোৰ আইৰ বুকু ফালি
স্বৰ্গদেউৰ মৈদামত গজি উঠা
ডুবৰি বনৰ মাজৰ পৰা
দুহাত মহাকাশ চুমি
সাগৰত মুখ গুজি
কণ্ঠক বিজুলি গতিৰে
হৃদয়ক নদীৰ দৰে
মনক পাহাৰ সজাই

মই ছহিদে কৈছো
পৃথিৱীৰ প্ৰতি যৌৱন প্ৰাপ্ত
হিয়াৰ আমুঠৰ মাজৰ পৰা
মানৱৰ মানৱতা জীয়াই ৰখাৰ প্ৰতিজ্ঞাৰে
স্বাধীনতা মানৱ অধিকাৰ নামত
তিতা কেৰেলা গজা দৰিদ্ৰৰ প'জাৰ
জুহালত লেলাউটি বোৱাই ঢলি পৰা
শিশুৰ শেষ আৰ্ত্তস্বৰে,

মই ছহিদে কৈ'ছো

প্ৰতি পত্ৰহাৰা মাতৃৰ
মাতৃত্ব গৌৰৱে, স্নেহ আলিংগণৰে
অনাথ শিশুক সাৱতি
নতুনৰ সাজ পিন্ধা প্ৰতিশ্ৰুতিৰে

মই ছহিদে কৈ'ছো

পৃথিৱী বিৰুদ্ধি প্ৰতি ব্যক্তিৰ
প্ৰতি ৰণ শিঙা বজাই
জেহাদ ঘোষণা কৰি
সৃষ্টি যুদ্ধক আকোৱালী
শান্তি যুদ্ধক নমাই
আনি মানৱক সাৱতি

মই ছহিদে কৈ'ছো

মোৰ আইৰ সুবাসে মতলীয়া কৰা
সৌন্দৰ্য্যৰ পৰা সুন্দৰ হৈ
আইক জীয়াই ৰখাৰ সংকল্পৰে

মই ছহিদে কৈ'ছো

ছহিদ বেদীৰ পৰা
মোৰ তুলি আকাশলৈ।





## "স্থিতপ্ৰজ্ঞ"

— সঞ্জীৱ কুমাৰ দত্ত
স্নাতক ৩য় বৰ্ষ (ক'লা)

আমাৰ চকুত আকাঙ্খাৰ মহিমাদীপ্ত আনন্দ নাই
আমাৰ বুকুত আন্ধাৰ পগলাদিয়াৰ গধুৰ বালিচৰ ভাগে জৰ্জৰ্ —
জীৱনৰ পগলাদিয়া।

এই সুদীৰ্ঘ সময়তো হাঁহিৰ আগ চুপিবলে
জোনাকত জাপি দিছো ৰাতি,
বহুতো ফুলৰ ছন্দ সোনকালে হওঁক শেষ আঁৰতিৰ অৰ্ঘ
জাপি দিছো নিয়ৰত যুদ্ধৰত দিনৰ সূৰ্য্য।

এয়ে বিপন্ন জীৱনৰ দিগবলয়! আমাৰ জীৱনৰ জানো
কিবা চেনেহী অৰ্থ আছে?
পগলাদিয়াৰ তীৰত জ্ঞানৰ প্ৰতিমা উৰে,
বগা বৰফৰ ওপৰেদি বৈ যোৱা এটি দুটি অলেখ মৰাতৰা
সত্বাৰ নিভৃততাত অহৰহ গলে।

দেখিছো জ্ঞানৰ শ্মশানত ৰাতিয়ে ক'লাচ অঁকা
ঘূৰণীয়া মৰাবেলি আৰু মৰাজোনৰ,
দেখিছো মহিয়সী কঁপালত
ফনামেলি থকা এন্ধাৰৰ কাল্‌নাগ্‌ দুগাল ধুৱাই —
ইয়াতকৈও যে নিৰন্ন দিনৰ বিষন্ন যৌৱন আছে
নিচাখোৰ পৃথিৱী আৰু মানুহৰ।

আমাৰ বুকুত পগলাদিয়াৰ গধুৰ বালিচৰ ভাগে জৰ্জৰ —
এন্ধাৰৰ পগলাদিয়া॥ + + +

(১)

## ঃ তথাপি ঃ

চিনাকি বহু যুগৰে
তথাপি ০ ০ ০

(২)

## ঃ স্থবীৰ ঃ

তুমি নাহিলে
স্থবীৰ হয়
মোৰ মন
মোৰ পণ
মোৰ সপোনৰ ঢ'ল। ●

— উৎপল সোনোৱাল

# 'বিদ্ৰোহ'

— গিৰীন্দ্ৰ কুমাৰ লাহন
দ্বাদশ শ্ৰেণী ( বিজ্ঞান শাখা )

মই কথাকলেই
সিহঁতে ধৰফৰাই মৰে
চাৰিওফালে মাথো
বন্দুক, বেয়নেট আৰু জেইল !

গণতন্ত্ৰৰ ফটাজাল ক'ত
য'ত মেৰিয়াই থব পাৰি
( বিবেক আৰু ন্যায় )

সত্য মানেই দেশদ্ৰোহ
চকু মেলিলেই বুকুত বুট জোতাৰ গচক
কণ্ঠত---বেয়নেটৰ খেঁাচ।
সন্মুখত অজস্ৰ প্ৰহৰী
হৃদয়ত তুমুল সংগ্ৰাম।

এনেকৈয়ে যদি মৃত্যু হয় সত্যৰ
গান্ধীৰ কবচ পিন্ধা
ভণ্ড ন্যায়লব্ধ গণতন্ত্ৰৰ হাতত
তেনেহলে----
স্মৰণ কৰা বন্ধু

অতীত শৌৰ্য্য সেঁাৱৰাই দিয়া বন্ধু ! ●

# শান্তিৰ সন্ধানত

— মোহিনী মোহন লিগিৰা
স্নাতক ৩ য় বাৰ্ষিক ( বিজ্ঞান )

বতাহ জাকৰ সতে
মই উৰি গলো,
দূৰ দিগন্তলৈ।

শান্তিৰ অকণমান আশ্ৰয় বিচাৰি।
ইঠাইৰ পৰা সিঠাইলৈ,
পৃথিৱী ভ্ৰমি ফুৰিলো শান্তিৰ সন্ধানত।
কিন্তু মই য'তেই জিৰণি লব বিচাৰো;
তাতেই সন্ত্ৰাস।

মানুহে মানুহৰ ওপৰত কৰা —
অত্যাচাৰ, দুৰ্নীতি, নিপীড়ন।
মানৱতাহীনতাত প্ৰকৃতিয়েও যেন
বিদ্ৰোহ কৰিব।

চিৰাচৰিত প্ৰকৃতিৰ আহবানত
পৰিশ্ৰান্ত হৈ,

নিষ্ফল মনোৰথ লৈ
মই পুনৰ ঘূৰি আহিলো
মৃত্যুৰ চিৰ শান্তিৰ কোলালৈ। *

## ঃ বিজ্ঞান তুমি মহান ?? ঃ

—মনোৰঞ্জন কামান
উচ্চতৰ মাধ্যমিক চুড়ান্ত বাৰ্ষিক

বিজ্ঞান তুমি কি ?
তুমি দেৱতা নে মানৱ ?
তুমি দস্যু নে মানৱ ?

কেতিয়াবা তোমাক মোৰ দেৱতা দেৱতা লাগে,
আৰু কেতিয়াবা জানা মানৱও লাগে।

নিস্তব্ধ নিমাত গগন মবন,
আছিল যেতিয়া বিশ্ব আন্ধাৰত মগন,

তেতিয়াই তুমি বিজ্ঞান নিজৰ মহিমাৰে,
পোহৰাই তুলিলা বিশ্বক নতুন সাজেৰে।
সেইবাবে জানা বিজ্ঞান—

কেতিয়াবা মন যায় পদ্য অৰ্ঘ্য লৈ তোমাক পূজিবলৈ,

আৰু কেতিয়াবা মন যায় তোমাৰ চৰন চুমিবলৈ।
কিন্তু,

কিন্তু কেতিয়াবা বৈ যাওঁ
ভয় লাগে তোমাৰ মহিমা দেখি।

যেতিয়া তোমাৰ—
তোমাৰ সকলো শক্তি একাকাৰ-হৈ,
আগবাঢ়ি যায় বিনাশকাৰী হৈ!

তথাপিতো বিজ্ঞান—

তোমাক এৰি আমি থাকিব নোৱাৰো এপলক বৈ,
উষাপুৱাতে তোমাক সাৰথি কৰি লৰো কাৰ্য্যক্ষেত্ৰলৈ

হে বিজ্ঞান—

তথাপিতো তোমাক শ্ৰদ্ধা কৰোঁ, কৰোঁ ভক্তি,
অৰ্চনা কৰোঁ আৰু কৰোঁ স্তুতি॥ ●

## অপেক্ষা ঃ

[১]

এচপৰা ডাৱৰৰ লগত মই লুকা-ভাকু খেলিছো !
উগুল থুগুল এটি মন লৈ।
ভয় হয় জানোছা ডাৱৰবোৰ শিল হৈ পৰে।
মোৰ জীবনটোক যদি অপ্ৰশ্ৰয় নকৰো।
ডাৱৰক চকুলো টুকুৱাম।
এটি ফৰকাল বতৰৰ এক ৰঙীন সপোন।
বাঃ ! কেনে আশাধাৰী মন ০০০।
অন্ধকাৰৰ মাজতো পোহৰ দেখা সপোন।
এয়া যেন এখনি ৰণৰ ক্ষেত্ৰ।
"স্বপ্ন আৰু দিঠকৰ"।
দৰ্শকবৃন্দ, ফলাফলৰ অপেক্ষাত।
নিতৌ অপেক্ষা কৰে শেষ মুহূৰ্ত্তলৈকে। ----



## সুন্দৰ ঃ



[২]

তোমাৰ বুকুত কাণ থলে শুনিবলৈ পাওঁ—
জীৱন সুৰৰ ঝংকাৰ ০০০
তোমাৰ নয়নত দৃষ্টি ৰাখিলে দেখিবলৈ পাওঁ –!!
দিগন্তৰ বিয়পা ৰশ্মি ০০০।
তোমাৰ হৃদয় স্পৰ্শ কৰিলে বুজিব পাৰো– !!!
মৰমৰ আকুলতা ০০০।
তোমাৰ চকুলোত বাগৰে–
অব্যক্ত বেদনা।
তোমাৰ হাঁহিত বিৰিঙে
আনন্দৰ মাদকতা।
তোমাক প্ৰতক্ষ্য কৰিলে দেখা পাওঁ—
ওখ ওখ দেৱালৰ মাজত তুমি লুকাই থাকা।
তোমাক চিনিব নোৱাৰো যে–।
তুমি কোন বাৰু ?
তোমাৰ নাম সুন্দৰ নহয়নে ?
তুমিয়ে সুন্দৰ। ✳

—প্ৰসন্ন কুমাৰ চেতিয়া
স্নাতক ৩য় বাৰ্ষিক (বিজ্ঞান)

# বিপ্লৱী

—অৰূপজ্যোতি দাস
উঃ মাঃ দ্বাদশ শ্ৰেণী (বিজ্ঞান)

তোমালোকে কাম কৰি যোৱা,
কাম কৰি যোৱা, কাম কৰি যোৱা।
আহঁক সৈন্য আহঁক বাহিনী
আহক অসম কঁপাই সৈন্য
তেজেৰে প্লাৱিত হৈ যায় যদি ধৰনী
তেন্তেও দেশৰ কামত আগবাঢ়ি যোৱা
বন্ধু বান্ধবীয়ে নকৰাকৈ লড়াই,
হাতত হাত মিলাই যোৱা চোন বন্ধু
দুখ দূৰ কৰা অসমীয়া মানুহৰ
দেশত শান্তি থাপি বিশ্ৰাম লোৱা
হিংসুক শাসকে সকলো কৰি গৈছে শেষ
যি আছে আমাৰ দেশত।
তাকে লৈ নব উদ্যমত গঢ়ি তোলো দেশ,
পিন্ধোৱা অসমী আইক তেজৰ মালা। ●

# স্মৃতিৰ পৰশ

—কল্যাণ কুমাৰ মিলি
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ব'লো নিজৰাৰ পাৰত
তোমাৰ প্ৰতীক্ষাত
এসময়ত আমি লগ পোৱা
আৰু নিজৰা ঢৌ লেখি কটোৱা
নিৰ্জন ঘঁাহনিত, তোমাৰ আছে নে মনত।
তোমাৰ চকুলোৰে যেতিয়া
মোৰ কলিজাত ঘঁা লগাই
চিত্তাকৰ্ষক হৈ জাপি দিছিলো,
তোমাৰ বুকুৰ মাজত উমলি থকা
আমাৰ সোনালী ভৱিষ্যত।
আৰু যাচি দিয়া মানিক লৈ
নদীৰ উদ্বাউল সেঁতত
পাল তৰি মেলি নাও
আশাৰ তপোবনত বৈ যাম
ভাবিছিলো, কিন্তু তমোময় তাত।
ইয়াৰ পৰা ধোৱা-কোঁৱা চকুৰে
মানুহে ভৱিষ্যতক মনিব নোৱাৰে
ব'লো মই নিৰৱে।
স্মৃতিৰ গধূলি, জ্বলি জ্বলি চাই হ'ল
অন্তহীন স্বপ্ন
নিঃসংগ প্ৰেমিক নিবেদি। ০ ০ ০

## ঃ এমুঠি প্ৰেমৰ কবিতা ০০০

—উৎপল সোনোৱাল

(১)

### যদি ঃ

আন বহুতৰ দৰে
হয় যদি
তোমাৰ আমাৰ
গতি, ০০০

(২)

### ঃ স্থবীৰ ঃ

তুমি নাহিলে
স্থবীৰ হয়
মোৰ মন
মোৰ পণ
মোৰ সপোনৰ ঢ'ল। ●

### ঃ তথাপি ঃ

চিনাকি বহু যুগৰে
তথাপি ০ ০ ০



### ঃ বিশ্বাস ঃ

কেতিয়াবা গাইছানে
বেদনাত দগ্ধ হৃদয়েৰে
সুখৰ দিনৰ গান।
কলিজা সৰেনে নিয়ৰৰ দৰে
টুপ টুপ ০ ০ ০
দিন আৰু ৰাতি,
তেন্তে ০ ০ ০ ০ ০ ।

## "ভাগৰুৱা ক্লান্ত পথিক"

—ভাগ্যৰঞ্জন কোঁৱৰ
স্নাতক চূড়ান্ত বাৰ্ষিক (কলা)

মই ক্লান্ত ভাগৰুৱা পথিক
গৈ আছো মৰিচিকা খেদি খেদি
বহুতো আশা বহুতো কল্পনা
লগত সাৰথি ৰূপে লৈ ---

প্ৰতিটো ক্ষণতে সকলোৱে দিছে মোক বাধা
মোৰ এই জীৱন যাত্ৰাত
তথাপিতো বহুতো আশাত গৈ আছো
মৰিচিকা খেদি খেদি

মোৰ এই নিৰুত্তাপ জীৱন
নিৰ্লজ আশাত অন্ধ
ভগ্ন হৃদয় অজ্ঞাত ভয়ত আছন্ন।
তথাপিতো এতিয়াও এখন পৃথিৱী জ্বলিছে

দিশহাৰা হৃদয়ৰ আশ্ৰয়ত
সেয়ে হয়তো গৈ আছো
মৰিচিকা খেদি খেদি

অন্তিমতাত এদিন হব হয়তো
জয়ৰ প্ৰতিধ্বনি। +++



## সংগ্ৰাম

—অনুপ কুমাৰ তামাং
উঃ মাঃ ২য় বাৰ্ষিক (বিজ্ঞান)

আগবাঢ়ো আহা আমি
আগবাঢ়ো আহা,—
স্বদেশ বিপ্লৱ কৰি
উদ্ধাৰ কৰিম জননীক।

হেৰাই যোৱা উ'ঠৰ হাঁহিক
পুণৰাই আনিম আমি।
আজি আইৰ আকাংক্ষা সকলো
হৈছে চুৰমাৰ,
আইৰ বুকুত কৰিছে আঘাত
মুখাপিন্ধা সেই দেশদ্ৰোহী।
সকলোৱে আপোনা আপুনি তেজেৰে
হৈছে ৰক্তিম।
জ্ঞানৰ অভাৱ অন্ধকাৰত থাকি
হৈছে সিহঁত বলিয়া।
বচোৱা, বচোৱা - - - - -
সিহঁতৰ মাজত ; জ্বলাই দ্বীপ শিখা।

সংগ্ৰাম কৰি যাওঁ
সকলোৰে বিপৰীতে,
সাহস আছে আজিও আমাৰ
পূৰ্বৰ দৰে।
জিলিকাই ৰাখিম আমি
সোণৰ অসম।
অসত্য, অৰ্ধম, ভেদাভেদ
আঁতৰ হ'ব সমাজৰ পৰা,
পুণৰাই জ্বলিব সেই দ্বীপশিখা।
জয় আই অসম, জয় আই অসম॥ ●

## ঃ ৱিণণি ঃ

— চেণিৰাম ম্ৰিলি
উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক ( কলা )

বহুদিনৰ পৰা মই
কব খোজা কথাটো
মন খুলি কব পৰা নাই
কিয় জানু —।

কওঁ বুলি মুখ মেলিলেই
বুকুত খুন্দা মাৰি ধৰে
ৰুদ্ধ
দুৱাৰ –
আজুৰি নিয়ে
হৃদয়ৰ মমতা
উঃ কি যে যন্ত্ৰনা
যৌৱনত দেখোন খোজ পেলালেই
পাওঁ
মোৰ
আত্মীয়
মৰমবোৰৰ
বিকত গোন্ধ।

হায় কৰুণ অপ্ৰকাশৰ বিননি
জিৰনি লোৱা নিজানত
জীৱন নিৰৱধি।

## ঃ কি ঃ

—ভাস্কৰ সোনোৱাল
২য় বাৰ্ষিক (কলা)

কিনো হ'ব বহিমলা বাই !
চেনেহ নদীত দেখোঁ ৰাজনীতিৰ জুই,
মৰমৰ সাগৰত জাপদিম বুলি ভাবিছিলো !
কল্পনা সাগৰৰ আঁৰত ভৱামতে !

কিন্তু কি ক'ম বহিমলা বাই
তুমিয়েইতো মোৰ মনশৰীৰত মৰমৰ বৰষুণ দিয়াই
মোৰ শৈশৱকলীয়া, পোচাক যোৰত,
সেমেকাই দিলাহি কৈশোৰৰ বতাহ পাই।

গোটেই জীৱন শুকাবলৈ নিদিম বুলিয়েই ভাবিছিলো।
তিতাপোচাক পিন্ধিলেযে মোৰ মনশৰীৰত সেমেকা বেমাৰ হয়
জীৱনটোচোন মোৰ গলেই এইদৰে
আৰু মোৰ ত্ৰজন হালকো দক্ষীণা দিবলৈ আছে !

জানোপাই শুকাই দিয়াহি নে তিতাই দিয়াহি !
দুয়োটা হেপাহে বিৰাট যুদ্ধ কৰিছে মোৰ হৃদয়ত,
কিন্তু তিতিবলৈ যে মোৰ বহুত মন আছিল,
কি কৰা উপায় কৰা ; তোমাৰো দক্ষিণা দিবলৈ আছে হব পাই ?



# প্ৰতিবেদনঃ

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

* উপ - সভাপতি
* সাধাৰণ সম্পাদক
* সাংস্কৃতিক সম্পাদক
* সংগীত সম্পাদিকা
* মুখ্য খেল বিভাগৰ সম্পাদক
* সাধাৰণ খেল বিভাগৰ সম্পাদক
* বহিঃখেল বিভাগৰ সম্পাদক
* শৰীৰ চৰ্চা বিভাগৰ সম্পাদক
* ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক
* ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা

১৯৯০ - ৯১

# ঃ প্ৰতিবেদন ঃ

## বিভাগীয় সম্পাদক / সম্পাদিকা সকলৰ

মোৰ এই প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল বীৰ পুৰুষে অসমৰ স্বাৰ্থৰ হ'কে হাঁহি হাঁহি নিজৰ জীৱনটো দেশ মাতৃক উছৰ্গা কৰিলে সেই সকলক মই শ্ৰদ্ধাৰে সোঁৱৰিছো।

তাৰোপৰি মোক ১৯৯০-৯১ চনৰ বাবে ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদলৈ বিপুল ভোটত নিৰ্বাচিত কৰি দিয়াৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে সহায় সহযোগিতা আগবঢ়ালে সেই সকললৈ মই আন্তৰিক শুভেচ্ছা ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

জীৱনত প্ৰথম বাৰৰ বাবে এনে এটি গুৰু দায়িত্বত অধিষ্ঠিত হৈ মূল লক্ষ্যত কিমানখিনি সফলতা লাভ কৰিবলৈ সক্ষম হ'লো তাৰ মূল্যায়নৰ ভাৰ মাননীয় সুধী বৃন্দৰ হাতত অৰ্পণ কৰিলো।

মই ডিব্ৰু মহাবিদ্যালয় খনৰ উন্নয়ণৰ হ'কে কাম কৰি যাম বুলি প্ৰতিশ্ৰুতি দিছিলো। ঠিক সেইদৰে যিবিলাক সম্ভৱ হয় সেইবিলাক কৰি গৈছিলো। মই আৰু সাধাৰণ সম্পাদক মিলিত হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক মহোদয়ক কেইবাটাও দাবী দিছিলো। সম্পাদক মহোদয়ে সকলোবিলাক কৰি দিম বুলি প্ৰতিশ্ৰুতি দিছিল। ঠিক সেইদৰে মহাবিদ্যালয়ৰ দ্বিতীয় মহলাত ফেনৰ সু ব্যৱস্থা কৰি দিছিল আৰু লেৱটৰীৰ প্ৰত্যেক ৰুমত ফেনৰ যোগাৰ ধৰিছিল। আমাৰ যত্নতে শ্বহীদ বেদীত ৰং দিয়া হৈছিল। ছাত্ৰ একতা সভাৰ নতুন কাৰ্য্যলয়টো উদ্বোধন কৰা হৈছিল, প্ৰসাৰগাৰ (লৰা) নিৰ্মাণ কৰা হৈছিল। মহাবিদ্যালয়ত কম্‌পিউটাৰৰ (Computer) শাখা খুলিবৰ বাবে এটা পৃথক ৰুম সজাইছিলো। মোৰ আৰু সাধাৰণ সম্পাদক আৰু কেইজনমান বন্ধু বান্ধৱীৰ প্ৰচেষ্ঠাত মহাবিদ্যালয়ত এটি ৰাতিপুৱা শাখা খোলা হয় ক'লা শাখাৰ। তাৰ ফলত বহুত ছাত্ৰ ছাত্ৰীয়ে নামভৰ্ত্তি কৰিবৰ বাবে সুবিধা পায়।

<u>সঁচাকৈ মই যাক কোনোদিন পাহৰিব নোৱাৰোঃ—</u>

মোক ছাত্ৰ একতা সভাৰ পদলৈ নিৰ্বাচিত কৰাৰ পৰা শেষ মূহুৰ্ত্তলৈকে দিহা পৰামৰ্শৰে আগুৱাই নিয়াত সৰ্ব্বশ্ৰী ৰাতুল বুঢ়াগোঁহাই, একাদিত্য হাজৰিকা, শ্ৰীমতী চন্দ্ৰমা সোনোৱাল, বন্দনা কোঁৱৰ, সঞ্জীৱ গগৈ, প্ৰদীপ গগৈ, হিৰণ্য কোঁৱৰ, প্ৰশান্ত দত্ত, কুশল হাজৰিকা, সঞ্জীৱ বৰুৱা, বিতুপন পাঁচনী, ইমদাদ আলি ভাইটি দেৱজিত দত্ত আৰু জ্ঞাত অজ্ঞাত ভাৱে বিভিন্ন ক্ষেত্ৰত মোক সহায় তথা দিহা পৰামৰ্শেৰে আগুৱাই নিয়াত বহু বন্ধু বান্ধৱী সকলৰ লগতে কাৰ্য্যকালছোৱাত সকলো সময়তে ছাঁৰ দৰে থিয় দিয়া মোৰ আপোন ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকৰ্মী সকলৰ সহায় সহযোগিতা কেতিয়াও পাহৰিব নোৱাৰো।





সৰ্বশেষত অধ্যক্ষ মহোদয় আৰু মোৰ আটাইতকৈ আপোন আপোন লগা শিক্ষাগুৰু লক্ষন বৰা ছাৰ, ইন্দ্ৰ বৰা ছাৰ তথা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ডিব্ৰু মহাবিদ্যালয়খনে যেন দিনে দিনে উন্নতিৰ জখলাত আগবাঢ়ে তাৰ কামনা কৰি মোৰ প্ৰতিবেদন সামৰনি মাৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয় আই অসম
শ্ৰী ভাগ্য ৰঞ্জন কোঁৱৰ

## ঃ সহকাৰী সাধাৰণ সম্পাদক ঃ

জয় জয়তে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰানাহুতি দিয়া প্ৰতিগৰাকী বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সহকাৰী সাধাৰণ সম্পাদকৰ পক্ষৰ পৰা ডিব্ৰু মহাবিদ্যালয়ৰ আলোচনী "ডিব্ৰুয়ান" লৈ দুৱাষাৰ লিখিব আগবাঢ়িছোঁ।

ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী তথা কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

সম্পাদকৰ এক কলম বুলি কোনো এটা চিন্তা গধুৰ প্ৰবন্ধ লিখাৰ এই শিতানতৰ উদ্দেশ্যে নহয়। ইয়াৰ জৰিয়তে মই ছাত্ৰ-ছাত্ৰী সকলৰ জ্ঞাতাৰ্থে ডিব্ৰু মহাবিদ্যালয়ৰ লগত জড়িত তথা মোৰ কাৰ্য্যকালত ছাত্ৰ একতা সভা তথা শিক্ষক সকলৰ জড়িয়তে এই বিষয় বিলাকৰ প্ৰতি কেনেদৰে মনোযোগ দিবলৈ চেষ্টা কৰিছো তাৰ এটি খতিয়ান মাত্ৰ দাঙি ধৰিব বিছাৰিছো।

এখন দেশ তথা এটা জাতিৰ উন্নতিৰ ঘাই আহিলা হল শিক্ষা। এই শিক্ষাৰ প্ৰসাৰ শৈক্ষিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। অভিজ্ঞ তথা কৰ্ত্তব্যপৰায়ণ শিক্ষকৰ শিক্ষাদান, ছাত্ৰ-ছাত্ৰীৰ নিয়মানুবৰ্ত্তিতা, শিক্ষানুষ্ঠান এটি প্ৰতিষ্ঠান সমাজৰ প্ৰত্যেক ব্যক্তিৰ দায়িত্বশীলতাই এক সুষ্ঠ পৰিবেশ আমাৰ মাজত জগাই তোলে। এনে এক সুষ্ঠ পৰিবেশেই প্ৰকৃতাৰ্থ্যত এখন সমাজ শিক্ষিত কৰি গঢ়ি তোলে। শিক্ষিত পৰিবেশ তথা সমাজৰ প্ৰত্যেক ব্যক্তি সুশিক্ষাৰে শিক্ষিত হৈ গঢ়লৈ উঠাত শিক্ষানুষ্ঠানৰ প্ৰত্যেক শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা সমাজৰ গণ্যমান্য ব্যক্তিয়ে সদায় সৰ্তক দৃষ্টি ৰখাতো প্ৰয়োজনীয়। এটি শিক্ষানুষ্ঠানত অভিজ্ঞ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী থাকিলেই যথেষ্ট নহয়। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, শিক্ষকৰ শিক্ষাদান ব্যৱস্থা, ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ প্ৰতি প্ৰকৃত আগ্ৰহেৰে প্ৰত্যেক ব্যক্তিক শিক্ষিত কৰি গঢ়ি তোলে। এই ক্ষেত্ৰত অভিভাৱক তথা শিক্ষানুষ্ঠানৰ শিক্ষক সকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি গঠনমূলক পৰামৰ্শ, সহায় অপৰিহাৰ্য্য।

আমাৰ ডিব্ৰু মহাবিদ্যালয়খনি শিক্ষাৰ প্ৰাণ কেন্দ্ৰ ৰূপে গঢ়দিবলৈ আমি সদায় যত্নপৰ হব লাগে। এটি শিক্ষানুষ্ঠানক প্ৰকৃত শিক্ষাৰ কেন্দ্ৰ ৰূপে গঢ় দিবলৈ যাওঁতে ভালে মান অভাৱ অভিযোগ পূৰণ কৰিব লগীয়া হয়। আমাৰ ডিব্ৰু মহাবিদ্যালয়খনিতে তেনে কিছুমান অভাৱ অভিযোগ আছে যিবিলাক সমাধানৰ বাবে আমি যত্নপৰ হোৱা উচিত।

শৈক্ষিক পৰিবেশ সুন্দৰ কৰিবলৈ হলে এখন বিত্তায়লত নিয়মীয়া সা-সুবিধাখিনি একান্তই প্ৰয়োজন। ডিব্ৰু মহাবিদ্যালয়ৰ গৃহটি সুন্দৰকৈ নিৰ্মিত হৈছে যদিও অত্যাৱশ্যকীয় কিছুমান সা-সুবিধাৰ পৰা ছাত্ৰ-ছাত্ৰী সকল সদাই বঞ্চিত হৈ আহিছে। যাৰ বাবে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ নষ্ট হোৱাৰ উপক্ৰম হৈছে। চমুকৈ হলেও অভাৱ সমূহ মোৰ এই প্ৰতিবেদনত উল্লেখ নকৰি নোৱাৰিলোঁ।

ছাত্ৰ-ছাত্ৰী আৰু শ্ৰেণীৰ অনুপাতে শিক্ষকৰ অভাৱ, স্থায়ী প্ৰেক্ষাগৃহ, স্থায়ী ছাত্ৰ জিৰণি চ'ৰা, ব্যায়ামাগাৰ, খোৱাপানী, চাইকেল গেৰেজ আদিৰ

অসুবিধা, বিদ্যালয়লৈ অহা যোৱা কৰা ৰাষ্টাটোৰ দুৰূহ অৱস্থা ইত্যাদি মহাবিষ্ঠালায়ৰ জ্বলন্ত সমস্যা ৰূপে দেখা দিছে। উক্ত সমস্যা সমূহ দূৰ কৰিবৰ বাবে বিষ্ঠালয়ৰ কৰ্তৃপক্ষৰ ওচৰত ইতিমধ্যে বহুবাৰ দাবী তোলা হৈছে যদিও ইয়াৰ সমাধান নোহোৱাতো চিন্তনীয় আৰু লক্ষ্যনীয় বিষয় হৈ পৰিছে। আমাৰ কাৰ্যকালছোৱাত কলেজৰ কি কি দিশত উন্নয়নমূলক কাম কৰা হল নাইবা কৰিব পৰা নগ'ল সেইবিলাক আপোনালোক সকলোটিৰে জ্ঞাত। প্ৰতিবেদনত উল্লেখ কৰি বহলাব বিচৰা নাই। তাৰবাবে মই দুঃখিত।

প্ৰাৰম্ভিকতে, ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে যি অকুণ্ঠ সহায়-সহযোগিতা কৰি ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভালৈ সহকাৰী সাধাৰণ সম্পাদক হিচাপে এই অভাজনক নিৰ্বাচিত কৰি প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা দিয়াৰ বাবে অশেষ ধন্যবাদ থাকিল।

শেহত, ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি শিক্ষাগুৰু সম্বন্বিত সমূহ ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা, স্নেহ আৰু আন্তৰিক ধন্যবাদ জনাই কাৰ্যকালৰ মোৰ চমু প্ৰতিবেদন সামৰিছোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

শ্ৰী প্ৰসন্ন কুমাৰ চেতিয়া।

সহকাৰী সাধাৰণ সম্পাদক

## : সাংস্কৃতিক সম্পাদকৰ :

জয় জয়তে ১৯৯০-৯১ চনৰ ডিব্ৰু মহাবিষ্ঠালয়ৰ ছাত্ৰ একতা সভালৈ নিৰ্বাচিত কৰি যি সকল বন্ধু বান্ধৱীয়ে সাংস্কৃতিক বিভাগৰ দায়িত্ব ভাৰ গ্ৰহণ কৰাত সুযোগ দিলে সেই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞা জ্ঞাপন কৰিছো। ইয়াৰ ওপৰিও মোৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত তথা অন্যান্য দিশত দেহেকেহে লাগি বিশেষ ভাবে সহায় কৰোতা বন্ধু বান্ধৱী বৰ্গ তথা ভাইটি ভণ্টি সকলে প্ৰতিটো ক্ষেত্ৰতে মোক যি ভাবে সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈ বুকু ভৰা শুভেচ্ছা তথা ধন্যবাদ জনাইছো।

ডিব্ৰুমহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক, অধ্যাপিকা মণ্ডলীৰ শুভাৰ্শীষ শিৰতলৈ ডিব্ৰুমহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক ৰূপে কি কৰিলো বা নকৰিলো সেইয়া আপোনালোকৰে বিচাৰ্য্য বিষয়। মোৰ দৃঢ় বিশ্বাস মই যিকোনো ক্ষেত্ৰতে চেষ্টা ত্ৰুতি কৰা নাছিলো। মোৰ কাৰ্য্যভাৰ লোৱাৰ দুদিনৰ পিছতে "শ্ৰী শ্ৰী সৰস্বতী পূজা" পাতিব লগা হয়। ঠন ধৰিবলৈ নৌ পাওঁতেই এনে এটা গধূৰ দায়িত্ব ভাৰ মোৰ হাতত পৰাত মই প্ৰথমে দুধুৰ মুধুৰ অৱস্থাত পৰিছিলো। কিন্তু কেইজন মান বন্ধুৰ সহায় সহযোগত "শ্ৰী শ্ৰীসৰস্বতী পূজা" উলহ মালহেৰে পতা হয়। তাৰ পাছতে আহে "মহাবিদ্যালয়ৰ সপ্তাহ"। ইয়াৰ পাছতে "মহাবিদ্যালয়ৰ সপ্তাহ'ৰ প্ৰতিযোগিতা সমূহ পাৰ কৰোৱা হয়। এই 'মহাবিদ্যালয় সপ্তাহ" মোৰ বিভাগৰ প্ৰতিযোগী সমূহৰ ফলাফল তলত উল্লেখ কৰা হল।

- স্বৰচিত কবিতা প্ৰতিযোগিতাৰ বীজয়ী সকল

১। শ্ৰী সঞ্জীৱ কুমাৰ দত্ত
২। শ্ৰী সঞ্জীৱ নাৰায়ন চাউদাং বৰুৱা
৩। শ্ৰী সোনমনি দাস
শ্ৰী মতী স্মৃতিৰেখা বৰুৱা।

- স্বৰচিত গল্প প্ৰতিযোগিতা

১। শ্ৰী সঞ্জীৱ কুমাৰ দত্ত
২। শ্ৰী তুলসী উপাধ্যায়
৩। শ্ৰী মুনীন দুৱৰা
শ্ৰী ডেভীদ কাদং।

- অসমীয়া কবিতা আবৃতি

১। শ্ৰীমতী ৰূমা দুৱৰা
২। শ্ৰী সঞ্জীৱ কুমাৰ দত্ত
৩। শ্ৰীমতী মালবিকা পাত্ৰ
শ্ৰীমতী স্মৃতিৰেখা বৰুৱা।



- ইংৰাজী কৱিতা আবৃতি

১। শ্ৰী সঞ্জীৱ কুমাৰ দত্ত
২। " উদয়শঙ্কৰ গগৈ
৩। " ৰজনীকান্ত গগৈ।

- কুইজ প্ৰতিযোগিতা

প্ৰথম দল:-
শ্ৰী বিকাশ ফুকন
" বিৰেন্দ্ৰ গগৈ
" ভাস্কৰ বসুমতাৰী
" ইন্দ্ৰকান্ত চায়েঙিয়া

দ্বিতীয় দল:-
শ্ৰী চোৰট বৰা
" মনজিত বৰঠাকুৰ
" বিজয় চেতিয়া
" ৰজনীকান্ত গগৈ।

তৃতীয় দল:-
শ্ৰী অচ্যুত ৰাজখোৱা
" বিৰেন্দ্ৰ কুমাৰ চাহু
" সঞ্জীৱ গগৈ
" মহম্মদ ইমৰান হুচেইন।

- তৰ্ক প্ৰতিযোগিতা

১। শ্ৰীমতী গায়ত্ৰী শইকীয়া (বিপক্ষে)
২। শ্ৰী ভাস্কৰজ্যোতি বসুমতাৰী (")
৩। " ৰজনীকান্ত গগৈ (সপক্ষে)

- আকস্মিক বক্তৃতা প্ৰতিযোগিতা

১। শ্ৰী মোহিনীমোহন লিগিৰা
শ্ৰী লক্ষী পাত্ৰ
২। শ্ৰী সুশীল হাজৰীকা
৩। " ভাস্কৰ বসুমতাৰী

- কইনা প্ৰতিযোগিতা

১। শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ
২। " " স্মৃতিৰেখা গগৈ
৩। " " উপমা গগৈ

- মৌন অভিনয় প্ৰতিযোগিতা

১। শ্ৰী প্ৰফুল্ল কলিতা
" মোহন দলে
২। শ্ৰী সোনমনি দাস
৩। " চন্দ্ৰকুমাৰ দত্ত

- একক অভিনয় প্ৰতিযোগিতা

১। শ্ৰী সোনমনি দাস
২। শ্ৰীমতী স্মৃতিৰেখা বৰুৱা
৩। শ্ৰী লক্ষী পাত্ৰ
নিচুকনি বটা
শ্ৰী অনুপম গগৈ

- একাংকিকা নাটক প্ৰতিযোগিতা

১। প্ৰথম (জাগ্ৰত সমাজ)
২। দ্বিতীয় (জিজ্ঞিৰী)
৩। তৃতীয় (চিঞৰ)।

ডুমডুমা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্ত মহাবিদ্যালয়ৰ একাঙ্কিকা নাট প্ৰতিযোগিতাত ২য় শ্ৰেষ্ঠা অভিনেত্ৰী হয় শ্ৰীমতী ৰঞ্জু কোঁৱৰ।

এই বছৰৰ ডিব্ৰু মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" একাংকিকা নাটক প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভিনেতা শ্ৰীশিৱনাথ হাজাৰী, সহঅভিনেতা শ্ৰীশিৱাজী ফুকন (জোনমনি) এটি অভিনেত্ৰী নিচুকনি বটা দিয়া হয় শ্ৰীমতী স্মৃতিৰেখা বৰুৱাক। শ্ৰেষ্ঠ পৰিচালক শ্ৰী মুনিন দুৱৰা নাটক "জাগ্ৰত সমাজ" আৰু শ্ৰেষ্ঠ নাট্যকাৰ শ্ৰী মুনিন দুৱৰা নাটক "জাগ্ৰত সমাজ"।

মোৰ কাৰ্য্যকালছোৱাত কাৰোৱাক হয়তো ডাঙৰ কথাও কৈ পাইছিলো। প্ৰতিটো মানুহৰ জীৱনত একোটা ভূল হয়। সেইয়ে এই অজানিতে হৈ যোৱা ভূলবোৰৰ ক্ষমা বিচাৰিছো। মহাবিদ্যালয়ৰ সপ্তাহ উপৰিও মোৰ কাৰ্য্যকালছোৱাত প্ৰতি বছৰৰ দৰে এই বছৰও মহাপুৰুষ "শ্ৰী শ্ৰী শংকৰ দেৱৰ তিথি" "বিশ্বকৰ্মা পূজা" আদি উৎসৱ সমূহও ছাত্ৰ-ছাত্ৰী আৰু মাননীয় শিক্ষকৰ সহযোগিতাত উলহ মালহেৰে পালন কৰা হয়।

কৃতজ্ঞতা জ্ঞাপনঃ—

১৯৯০-৯১ চনৰ কালচোৱাত মোক বিভিন্ন দিশত সহায় সহযোগ তথা গঠনমূলক পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা চাৰৰ ওচৰত মই সদায় চিৰ কৃতজ্ঞ। মহাবিদ্যালয়ৰ সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা সমূহত বিচাৰকৰ দ্বায়িত্ব খিনি সুকলমে পৰিচালনা কৰা বাবে— সৰ্বশ্ৰী ইন্দ্ৰবৰা চাৰ, ৰমিজা খাটুন বাইদেউ, অজিত নাৰায়ন হাজৰিকা চাৰ, ৰজনীকান্ত শৰ্মা চাৰ, সকলোলৈকে মোৰ শলাগৰ শৰাই আগবঢ়ালো।

মোৰ বিভিন্ন বিভাগীয় দায়িত্ব সমাপ্তিলৈকে কাম কৰি যোৱা মোৰ বন্ধু শ্ৰী একাদিত্য হাজৰিকা, ৰাতুল বৰগোহাঁই, বিনোদ গগৈ, বিপুল তালুকদাৰ, সোনমনি দাস, তেওঁলোকক মই কেতিয়াও নাপাহৰো। তেওঁলোকক ওচৰত সদায় মই চিৰকৃতজ্ঞ হৈ ৰম।

সদৌ শেষত মোৰ কালছোৱত জ্ঞাতে অজ্ঞাতে কৰা বিভিন্ন দোষ ত্ৰুটিৰ মাৰ্জনা বিচাৰি আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সবাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলো।

"জয় আই অসম"
সাংস্কৃতিক সম্পাদক
শ্ৰী বিদ্যুৎ কোঁৱৰ।
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা।

## ঃ সংগীত বিভাগৰ সম্পাদিকাৰ ঃ

১৯৯০-৯১ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদিকা হিচাপে প্ৰতিবেদন লিখাৰ আৰম্ভনিতে ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দ আৰু যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধবীয়ে মোক নিৰ্বাচিত কৰিছিল সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

১৯৯০-৯১ চনৰ ডিব্ৰু মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পাছতে মহাবিদ্যালয়ৰ সপ্তাহ অনুস্থিত হয়। মোৰ সংগীত প্ৰতিযোগিতা সমূহ মাননীয় শিক্ষাগুৰু তথা বন্ধু বান্ধবীৰ সহায় সহযোগত পৰিচালনা কৰো।

সংগীত প্ৰতিযোগিতাৰ কাৰ্য্যসূচী পৰিচালনা কৰাত প্ৰতিটো ক্ষেত্ৰতে মোক সহায় কৰিছিল মহাবিদ্যালয়ৰ মাননীয় শিক্ষাগুৰু শ্ৰীযুত বীৰেন বৰুৱা দেৱ (সংগীত বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক) অধ্যাপিকা শ্ৰীমতী ৰূপজ্যোতি গগৈ (সংগীত বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা) শ্ৰীযুত চন্দ্ৰগুপ্ত বৰাদেৱ, শ্ৰীযুত প্ৰদীপ চেতীয়া ফুকন, শ্ৰীযুত ইন্দ্ৰ বড়াদেৱ তথা অধ্যাপিকা ডঃ ৰামিজা খাতুন বাইদেউয়ে। তেখেত সকলৰ অভিজ্ঞতাপূৰ্ণ পৰামৰ্শৰে মোৰ কাৰ্য্যভাৰ সুচাৰু ৰূপে পৰিচালনা কৰাত সহায় কৰাত তেখেত সকললৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা নিবেদন কৰিলো।

এই বছৰ "মহাবিদ্যালয়ৰ সপ্তাহ" সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল তলত উল্লেখ কৰা হল।

● বৰগীত
প্ৰথম স্থান ঃ শ্ৰীমতী আৰিফা বেগম।
দ্বিতীয় স্থান ঃ শ্ৰীমতী ৰুমা দুৱৰা।
তৃতীয় স্থান ঃ শ্ৰীমতী স্মৃতিৰেখা বৰুৱা।
শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ
শ্ৰীমতী শিখা গগৈ।

● লোকগীত
প্ৰথম স্থান ঃ শ্ৰীমতী আৰিফা বেগম।
দ্বিতীয় স্থান ঃ শ্ৰীমতী শিখা গগৈ।
শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
নিচুকনী বঁটা ঃ শ্ৰীমতী ৰুমা দুৱৰা।

● বনগীত
প্ৰথম স্থান ঃ শ্ৰী দিগন্ত ফুকন।
দ্বিতীয় স্থান ঃ শ্ৰী শিখা গগৈ।
তৃতীয় স্থান ঃ শ্ৰী আৰিফা বেগম।

● জ্যোতি সংগীত
প্ৰথম স্থান ঃ শ্ৰীমতী ৰুমা দুৱৰা।
দ্বিতীয় স্থান ঃ শ্ৰীমতী শীখা গগৈ।
শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
তৃতীয় স্থান ঃ শ্ৰীমতী আৰিফা বেগম।
শ্ৰী দিগন্ত ফুকন।

● ৰাভা সংগীত
প্ৰথম স্থান ঃ শ্ৰীমতী শিখা গগৈ।
দ্বিতীয় স্থান ঃ শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
তৃতীয় স্থান ঃ শ্ৰীমতী ৰুমা দুৱৰা।

● পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত।
প্ৰথম স্থান ঃ শ্ৰীমতী প্ৰণতি গগৈ।
দ্বিতীয় স্থান ঃ শ্ৰীমতী ৰুমা দুৱৰা।
তৃতীয় স্থান ঃ শ্ৰী মোহিনী মোহন লিগিৰা
শ্ৰী প্ৰণৱজ্যোতি গগৈ।

● গজল
নিচুকনী বটা ঃ শ্ৰীমতী স্বৰ্ণ দেউৰী।

● ভূপেন্দ্ৰ সংগীত
প্ৰথম স্থান ঃ শ্ৰী দিগন্ত ফুকন।
দ্বিতীয় স্থান ঃ শ্ৰী শিখা গগৈ।
তৃতীয় স্থান ঃ শ্ৰী মনজিৎ ফুকন।

● আধুনিক গীত
প্ৰথম স্থান ঃ শ্ৰী মনজিৎ ফুকন।
শ্ৰী দিগন্ত ফুকন।
দ্বিতীয় স্থান ঃ শ্ৰীমতী স্বৰ্ণ দেউৰী।
তৃতীয় স্থান ঃ শ্ৰীমতী শিখা গগৈ।

● মিচিং গীত
প্ৰথম স্থান ঃ শ্ৰী ভদ্ৰেশ্বৰ দলে।
দ্বিতীয় স্থান ঃ শ্ৰী দিগন্ত দেউৰী।
তৃতীয় স্থান ঃ শ্ৰী মোহন জিমে।

● বিয়া নাম
প্ৰথম স্থান ঃ শ্ৰীমতী প্ৰভাৱতী খনিকৰ।
দ্বিতীয় স্থান ঃ শ্ৰী প্ৰফুল্ল কলিতা।
তৃতীয় স্থান ঃ নাই

● বিহুগীত
প্ৰথম স্থান ঃ শ্ৰী অনুপম গগৈ।
দ্বিতীয় স্থান ঃ শ্ৰী ৰোহিত হাজৰিকা।
তৃতীয় স্থান ঃ শ্ৰী মতী কৰুণা হাজাৰি।

● বিহুনৃত্য
প্ৰথম স্থান ঃ শ্ৰী ৰঞ্জন বৰুৱা।
দ্বিতীয় স্থান ঃ শ্ৰী মতী কৰুণা হাজাৰি।
তৃতীয় স্থান ঃ শ্ৰী মতী মধুৰেখা গগৈ।
শ্ৰী মতী হিৰণ্য দত্ত।

● আধুনিক নৃত্য
প্ৰথম স্থান ঃ শ্ৰী মতী জুৰি বৰপাত্ৰ গোঁহাই
দ্বিতীয় স্থান ঃ শ্ৰী মতী হিৰন্য দত্ত।
তৃতীয় স্থান ঃ শ্ৰী মতী কৰুণা হাজাৰিক।

এই কাৰ্য্যকালৰ ভিতৰত মোৰ অজ্ঞাতে যদি কিবা ভুল ক্ৰুটি হৈ গল তাৰ বাবে মহাবিদ্যালয়ৰ সকলোৰে ওচৰত মই ক্ষমা ভিক্ষা মাগিছো।

শেষত মোৰ কাৰ্য্যসমূহ সুচাৰু ৰূপে পৰিচালনা কৰাত মোক বিশেষ ভাৱে সহায় কৰা শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ, শ্ৰী ৰাতুল বুঢ়াগোঁহাই, শ্ৰী একাদিত্য হাজৰিকা, শ্ৰী ভাগ্যৰঞ্জন কোঁৱৰ, শ্ৰী সঞ্জীৱ গগৈ, শ্ৰী প্ৰদীপ গগৈ, শ্ৰী প্ৰণৱ দত্ত, শ্ৰী বিনোদ গগৈ শ্ৰী উদয়ণ গগৈ, শ্ৰীকোশল হাজৰিকা, বিতুপন পাছনি, সঞ্জীৱ বৰা, ভূপেন হাজৰিকা, অপূৰ্ব চুতীয়া আৰু বহুতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ থাকিম।

সৰ্বেশষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—
শ্ৰীমতী স্মৃতি ৰেখা বৰুৱা
সম্পাদিকা সংগীত বিভাগ

## ঃ মুখ্য খেল বিভাগৰ সম্পাদকৰ ঃ

প্ৰতিবেদনৰ আৰম্ভণীতেই ডিব্ৰু মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে অকৃত্ৰিম চেনেহেৰে এই অভাজনক ১৯৯১ চনৰ ছাত্ৰ একতা সভাৰ মুখ্য খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচনত জয়যুক্ত কৰাই সেৱা আগবঢ়াবলৈ সুবিধা দিলে, সেই সকলো ছাত্ৰ ছাত্ৰীলৈকে মোৰ আন্তৰিক মৰম যাচিলো। মোৰ এই এবছৰীয়া কাৰ্য্যকালৰ ভিতৰত মই আপোনালোকক কেনে সেৱা আগবঢ়াব পাৰিলো সেইয়া আপোনালোকৰেই বিচাৰ্য্যৰ বিষয়।

সম্পাদক পদত অধিষ্ঠিত হৈ মই বহুতো কাম কৰিম বুলি ভাবিছিলো কিন্তু কল্পনাবিলাক বাস্তৱত ৰূপ দিব নোৱাৰিলো। তথাপিও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰপৰা পোৱা সকলো সুবিধা ছাত্ৰ-ছাত্ৰীসকলক দিবলৈ ত্ৰুটি কৰা নাছিলো।

মই কাৰ্য্যভাৰ লোৱাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ পাতিবলৈ আয়োজন কৰা হয়। এটা কথা স্বীকাৰ কৰিবই লাগিব যে বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অনুযায়ী যিমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেলা ধূলাসমূহত অংশ গ্ৰহণ কৰিব লাগিছিল, কিন্তু সিমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা দূৰৈৰ কথা, খুউব কম সংখ্যক ছাত্ৰ-ছাত্ৰীহে খেল পথাৰত উপস্থিত থকা দেখা গৈছিল। ই অতি পৰিতাপৰ কথা। কাৰণ বৰ্তমান সময়ৰ গতিৰ লগে-লগে খেলৰ গতিও সম্পূৰ্ণ সলনি হৈছে। মানৱ সমাজত খেলৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। এই জনপ্ৰিয়তাৰ ওপৰত ভিত্তি কৰি আমাৰ মহাবিদ্যালয়ত খেলৰ মানদণ্ড একেবাৰে প্ৰসাৰণমুখী হোৱা দেখা পোৱা নাই। আমি সকলোৱে নিশ্চয় জানো যে, আমাৰ খেলে আন্তৰ্জাতিক ক্ষেত্ৰত খেলা-ধূলাত আশানুৰূপভাৱে স্থান অধিকাৰ কৰিব পৰা নাই। পৃথিৱিৰ ক্ৰীড়া মহোৎসৱ সমূহৰপৰা আমি তেনেই পিচ পৰি আছো। যদি আমাৰ দেশে খেলা-ধূলাত আশানুৰূপভাৱে উন্নতি কৰিবলৈ বিচাৰে, তেন্তে নিশ্চয় প্ৰথমেই লাগিব অনুশাসন। প্ৰশিক্ষণৰ ব্যৱস্থা নথকাৰ বাবেই উঠি অহা খেলুৱৈসকলে একো পাৰদৰ্শিতা দেখুৱাৱ পৰা নাই। গতিকে বৈজ্ঞানিক দৃষ্টিভংগীৰে খেলুৱৈসকলক গঢ় দিবলৈ হ'লে প্ৰতিখন মহাবিদ্যালয়ত কমেও একোজনকৈ প্ৰশিক্ষক নিযুক্তি দি খেলুৱৈসকলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা নিতান্ত প্ৰয়োজন। তাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে খেলক মনোৰঞ্জনৰ আহিলা হিচাপে নলৈ শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ হিচাপেহে বিবেচনা কৰিব লাগিব।

যি কি নহওক, মহাবিদ্যালয় সপ্তাহৰ খেলা-ধূলাসমূহত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুই এজন যে প্ৰতিভাসম্পন্ন খেলুৱৈৰ সন্ধান পোৱা গৈছিল তাক স্বীকাৰ কৰিব লাগিব। মই ভাবো এই প্ৰতিভাসম্পন্ন খেলুৱৈসকলক উপযুক্ত প্ৰশিক্ষণ দিব পাৰিলে আমাৰ মহাবিদ্যালয়তো নিশ্চয় ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলুৱৈ ওলাব। গতিকে আমাৰ মহাবিদ্যালয়লৈ প্ৰতি বছৰে আহি থকা প্ৰতিভাবান খেলুৱৈসকলক উপযুক্ত প্ৰশিক্ষণ দিবৰ বাবে আমাৰ মহাবিদ্যালয়ত অন্ততঃ এজন প্ৰশিক্ষক নিযুক্তি দিবৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মোৰ কাৰ্য্যকালৰ সময়খিনিত আন্তঃ মহাবিদ্যালয় ভলিবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ভলিবল দলটিয়ে যোগদান কৰিছিলো আৰু আমাৰ দলটিয়ে শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হ'ব পৰা নাছিলো যদিও এক আলোড়নৰ সৃষ্টি কৰি চেমি ফাইনেললৈকে উন্নিত হৈছিলো, আৰু স্নাতকোত্তৰ শ্ৰেণীৰ লগত হোৱা এইখন খেলেই আটাইবোৰ খেলতকৈ অৰ্থাৎ ফাইনেল খেলখনতকৈ অধিক প্ৰতিদ্বন্দ্বিতামূলক আৰু উত্তেজনাপূৰ্ণ আছিল। ইয়াৰ ওপৰিও মোৰ কাৰ্য্যকালৰ সময়ত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা আঞ্চলিক ভিত্তিত হৈ Quarter Final ৰ পৰা তিনিচুকীয়াত অনুষ্ঠিত হৈছিল।



ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ খেল-পথাৰত হোৱা আঞ্চলিকৰ ভিতৰৰ প্ৰথম ৰাউণ্ডৰ খেলনত আমাৰ দলটিয়ে 'অসম মেডিকেল কলেজক ২-১ গ'লত হৰুৱায় দ্বিতীয় ৰাউণ্ডলৈ উন্নিত হয়। দ্বিতীয় ৰাউণ্ডত কানৈ কমাৰ্চ কলেজক ৬-২ গলত হৰুৱায় এক আলোড়নৰ সৃষ্টি কৰি তৃতীয় ৰাউণ্ডত অৰ্থাৎ Zonal Final ত দুলীয়াজান কলেজক ১-০ গ'লত পৰাজিত কৰা হয়। দুলীয়াজান কলেজৰ লগত হোৱা খেলখন বহুতো দৰ্শকৰ মাজত এক উত্তেজনাপূৰ্ণ আৰু আমোদজনক আছিল। তাৰ পিছত এমাহ সময় বিৰতিৰ পিছত কুৱাৰ্টাৰ ফাইনেল খেলখন তিনিচুকীয়াত খেলিবলৈ যোৱা হয়। টিংখং কলেজৰ লগত হোৱা এইখন খেলত আমাৰ মহাবিদ্যালয়ে যদিও বহুতো ধুনীয়া ধুনীয়া সুযোগ পাইছিল তথাপি আমাৰ দলৰ মাজত থাকিব লগীয়া সমিল-মিলৰ মনোভাৱৰ অভাৱৰ হেতুকেই হাৰি আহিব লগীয়া হয়। এটা কথা অতি দুখেৰে কব লাগিব যে আমাৰ খেলুৱৈসকলক যিদৰে অনুশীলনৰ বাবে মতা হয় সেইদৰে তেওঁলোক অনুশীলন কৰিবলৈ নাহে আৰু তাৰ ফলতেই দলটোত যিটো সমিল-মিল মনোভাৱৰ প্ৰয়োজন সেইটো নাইকীয়া হৈ যায়। খেলত জয়-পৰাজয় থাকেই। কিন্তু খেলত খেলুৱৈসুলভ গুণ বজাই ৰখা জনকহে প্ৰকৃত খেলুৱৈ বুলি আখ্যা দিব পাৰি। মোৰ দৃঢ় বিশ্বাস, যে আমাৰ খেলুৱৈসকলৰ যদি এই গুণ অটুত থাকে, তেন্তে তেওঁলোকে ভৱিষ্যতে আৰু উন্নত মানদণ্ডৰ খেল খেলিব পাৰিব।

মুখ্য ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে দায়িত্ব সুচাৰু ৰূপে চলাই নিয়াত কিছু সময়ত দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত নন্দলাল গোঁহাই চাৰ আৰু দায়িত্বত থকা শ্ৰীযুত ইন্দ্ৰ বৰা চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো আৰু সকলো সময়তে বিভিন্নজন বন্ধুৱে বিভিন্ন সময়ত সহায় কৰাৰ বাবে তেওঁলোকলৈয়ো আন্তৰিক মৰম যাচিলো।

কাৰ কেতিয়া ক'ত ভুল হৈ যায় ক'ব নোৱাৰি। তেনেস্থলত মানুহ হিচাপে মোৰো ভুল ত্ৰুটি হোৱাটো যোৱাটো স্বাভাৱিক। মোৰ বছেৰেকীয়া কাৰ্য্যকালৰ ভিতৰত অথবা মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ যি কোনো সময়তে মোৰ অজ্ঞাতে যদি কেতিয়াবা শিক্ষাগুৰু বৃন্দ আৰু কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলৰ ওচৰত দোষ কৰিছিলো তেন্তে, এই প্ৰতিবেদনৰ যোগেদি ক্ষমা বিচাৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু বৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈকে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শেষত ডিব্ৰু মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উত্তৰোত্তৰ উন্নতিৰ কামনা কৰিছোঁ আৰু নকৈ গঠিত হ'ব লগা ছাত্ৰ একতা সভাৰ ওপৰত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয়।

মহাবিদ্যালয়ৰ সপ্তাহত মোৰ দায়িত্বত হোৱা খেলসমূহৰ ফলা-ফলসমূহ দাঙি ধৰিলো —

## ভলিবল প্ৰতিযোগিতা-১৯৯১ চন

- চেম্পিয়ন দল - "চিক্স্ ব্ৰাদাৰ"

শ্ৰী ৰাজীৱ গগৈ - অধিনায়ক।
শ্ৰী একাদিত্য হাজৰিকা।
শ্ৰী ফজলুদ্দিন আহমেদ।
শ্ৰী চন্দন শইকীয়া।
শ্ৰী অঞ্জন চেতিয়া।
শ্ৰী ইন্দ্ৰ চেতিয়া।
শ্ৰী ইমদাঁদ আলি।

- ৰাৰ্ণাচ্-আপ্ দল - "চিক্স্ ষ্টাৰ"

শ্ৰী হৰেণ কোঁচ। অধিনায়ক।
শ্ৰী জীৱন বৰা।
শ্ৰী যুক্তি-ৰত্ন শইকীয়া।
শ্ৰী মানৱ ডেকা।
শ্ৰী নিত্যা নন্দ চাংমাই।
শ্ৰী মুনিন দুৱৰা।
শ্ৰী চৰৎ চন্দ্ৰ ফুকন।
শ্ৰী জ্যোতি প্ৰতাপ তাই।

## কাবাডি প্ৰতিযোগিতা - ১৯৯১ চন

এই খেল মাত্ৰ ছোৱালীৰ মাজতহে খেলোৱা হয়।

- চেম্পিয়ন দল—"চুপাৰ স্কট্ মিছাইল"

  শ্ৰীমতী অনিমা গগৈ - অধিনায়িকা।
  শ্ৰীমতী প্ৰভাতী গগৈ।
  শ্ৰীমতী লাকি ববৰৱা।
  শ্ৰীমতী পিনুমণি গগৈ।
  শ্ৰীমতী তৃষ্ণা ৰাজকোঁৱৰ।
  শ্ৰীমতী স্মৃতি ৰেখা বৰুৱা।

- ৰাৰ্নাচ-আপ্ দল "চিয়া চিষ্টাৰ"

  শ্ৰীমতী করুণা হাজাৰি - অধিনায়িকা।
  শ্ৰীমতী বৰ্ণালী সোনোৱাল।
  শ্ৰীমতী আৰতি সোনোৱাল।
  শ্ৰীমতী তনুজা শইকীয়া।
  শ্ৰীমতী মঞ্জিতা দিহিঙ্গীয়া।
  শ্ৰীমতী জয়শ্ৰী দেউৰী।
  শ্ৰীমতী মধুকৃষ্ণা দেউৰী।

## ঃ সাধাৰণ খেলবিভাগৰ সম্পাদকৰ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতেই মোৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখি বিনা প্ৰতিদন্দিতাৰে মোক ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ খেল বিভাগৰ সম্পাদক হিচাবে নিৰাৰ্চিত কৰাত সকলো ডিব্ৰুয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

খেলবিভাগৰ সম্পাদক হিচাবে নিৰাৰ্চিত হোৱাৰ পাছত মই মহাবিত্থালয় খনৰ বাবে বহুতো কৰিম বুলি আশা কৰিছিলো। কিন্তু দুখৰ বিষয় মই মহাবিদ্যালয়খনৰ বাবে বিশেষ একো কৰিব নোৱাৰিলো। কাৰ্য্যভাৰ হাতত লৈয়ে আমি খৰখেদাকৈ আমাৰ মহাবিত্থালয়ৰ মহাবিত্থালয় সপ্তাহ পাতিব লগীয়া হ'ল।

২৬ তম ডিব্ৰু মহাবিদ্যালয় সপ্তাহৰ আৰম্ভনিতেই সাধাৰণ বিভাগৰ খেল সমুহ পাতিব লগিয়া হ'ল। এই খেল সমূহ পাতাকা উত্তোলন কৰি উদ্বোধন কৰে আমাৰ মহাবিত্থালয়ৰে অধক্ষ্য মহোদয় শ্ৰীযুত ভৰত নাৰায়ন জামুৱাৰ দেৱে। তাৰ পিছতে শ্বহিদ তপৰ্ন কৰে আমাৰ মহাবিত্থালয়ৰে অধ্যাপক শ্ৰী বীৰেণ বৰুৱা চাৰে। শ্বহিদ তপৰ্নৰ পাছত খেল পথাৰত অলিম্পিক শিখা প্ৰজ্বলন কৰা হয়। এই শিখা প্ৰজ্বলন কৰে ডিব্ৰু' মহাবিত্থালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰী একাদিত্য হাজৰিকা আৰু মহাবিত্থালয়ৰে ছাত্ৰী শ্ৰীমতী অনিমা গগৈয়ে। ১০০ মিটাৰ দৌৰেৰে আমি আমাৰ খেলৰ আৰম্ভ কৰো।

এই বছৰ অন্য বছৰতকৈ প্ৰতিযোগীৰ সংখ্যা বহুত বেছি। ই মহাবিত্থালয়ৰ বাবে শুভ লক্ষণ। এই বছৰৰ খেলুৱৈ সকলে আগতকৈ কিছুমান ক্ষেত্ৰত উন্নত ধৰণৰ খেল প্ৰদৰ্শন কৰিছে। খেলুৱৈ সকলে আৰু উন্নত ধৰণৰ খেল প্ৰদৰ্শন কৰিব বুলি আশা কৰিছো।

এই প্ৰতিবেদনৰ মাজতে মোৰ নিজৰ ফালৰ পৰা ব্যক্তিগত ভাবে দুআষাৰ উল্লেখ কৰিব বিচাৰিছো। আজি ইমান বছৰে আমাৰ মহাবিত্থালয়ৰ নিজা ববিয়াকৈ খেল পথাৰ এখন নথকাটো বৰ পৰিতাপৰ কথা। আমাৰ মহাবিত্থালয়ত খেলৰ সকলো সজুঁলি নথকাৰ বাবে খেল খেলোৱাত কিছু পৰিমাণে অসুবিধা হয়। এইবাৰ সময়ৰ অভাৱত কিছুখেল বাদ পৰিযোৱাৰ বাবে মই ডিব্ৰুয়ানৰ ওচৰত ক্ষমা বিচাৰিছো।

কৃতজ্ঞতা ঃ- মোৰ কাৰ্য্য কালছোৱাত মোক বিভিন্ন দিশত পৰামৰ্শ তথা উপদেশ দি বিশেষ ভাৱে সহায় কৰে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত প্ৰদীপ চেতীয়া ফুকন আৰু শ্ৰীযুত মহেশ কুমাৰ জৈন চাৰে, লগতে বিভিন্ন খেল সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে অধ্যাপক শ্ৰীযুত ইন্দ্ৰ বৰা, লক্ষণ বৰা, চন্দ্ৰগুপ্ত বৰা, বিৰেণ বৰুৱা দেৱে, তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইয়াৰ ওপৰিও মোৰ বন্ধু শ্ৰী ৰাতুল বুঢ়াগোহাঁই, ভাগ্যৰঞ্জন কোঁৱৰ, একাদিত্য হাজৰিকা, সঞ্জীৱ বৰা, বিতুপন পাচনী, অপূৰ্ব চুতিয়া, ইন্দাদ আলি, ধ্ৰুৱ গগৈ, কোশল হাজৰিকা, ভূপেন হাজৰিকা, হিৰণ্য কোঁৱৰ, সীমান্ত বৰুৱা, প্ৰশান্ত দত্ত, হেমন্ত কোঁৱৰ, দীপম দিহিঙীয়া, প্ৰদীপ গগৈ, মুনিন, প্ৰশন্ন, দিগন্ত, ৰিতু আৰু বহুতে। এখেতসকলৰ সহায় সহযোগিতাৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো।

শেষত ডিব্ৰুমহাবিত্থালয়ৰ উন্নতিৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰনি মাৰিছো।

ধন্যবাদেৰে
শ্ৰী সঞ্জীৱ কুমাৰ গগৈ।
সাধাৰণ খেল বিভাগৰ সম্পাদক

## ১৯৯০ - ৯১ চনৰ বহিঃবিভাগৰ
## খেল সমূহৰ ফলাফল

### 100 Mtrs. Boy's

1st. Sri Debanand Gogoi.
2nd : " Konchang Borgohain.
3rd : " Tarun Phukan.

### 100 mtr's Girls

1st : Miss Anima Gogoi.
2nd. : i' Pronita Mili
3rd. : " Junumoni Gogoi.

### 200 mtr's Boys

1st. : Sri David Kardong.
2nd. : ,, Bhaskar Bandupadhaya.
3rd. : ,, Kanchang Borgohain.

### 200 Mtr's Girls

1st. : Miss Anima Gogoi.
2nd. : ,, Pronita Mili.
3rd. : ,, Nirupama Chetia.

### 400 Mtr's Boy's

1st. : ,, David Kardong.
2nd. : ,, Rajib Cogoi.
3rd. : ,, Rajkiran Kardong.

### 400 Mtr's Girls

1st. : Miss Porinita Mili.
2nd. : ,, Anima Gogoi.
3rd. : ,, Pinumoni Gogoi.

### 800 Mtr's Boys

1st. Sri Ghana Kanta Saikia.
2nd. ,, Rajib Gogoi.
3rd. ., Mohan Jemay ( Pagu )

### 800 Mtr's Girls

1st. : Miss Proni a Mili.
2nd. : ,. Anima Gogoi.
3rd. ,, Madhu Krishna Deori.

### 1500 Mtr's Boy's

1st. : Sri Mohon Jemy ( Pegu )
2nd : ,, Rajkiron Kardong.
3rd. : ., Sailen Kuli.

### 3000 Mtr's Boy's

1st. : Sri Mohon Jemay ( Pegu )
2nd. : ,, Srilen Kuli.
3rd. : ,, Ghana Kanta Saikia.
4th. : ,, Subash Taye.
5th : ,, Diganta Deori.
6th. : ,, Binod Gogoi,
7th : ,, Rupom Sharma.

### 4×400 Relay ( Boy's )

- **Ist Group** : Sri David Kardong.
  Debananda Gogoi.
  Rajkiran Kardong.
  Konchang Borgohain.
- **2nd Group** : Mohon Jemay ( Pegu )
  James Karkatta.
  Sailen Kuli.
  Tarun Phukon.
- **3rd Group** : Prodip Deori.
  Ghanakanta Saikia.
  Bhaskar Bardupadhaya.
  Dhamendra Changmai.

### 4×400 Mtr's Relay Girl's

- **ISt Group** : Anima Gogoi.
  Prabhaboti Khanikar.
  Pinumoni Gogoi.
  Lucky Borbora.
- **2nd Group** : Pronita Mili.
  Nandita Ghose.
  Minakshi Phukan.
  Junumaoni Gogoi.
- **3rd Group** : Malabika Patra.
  Nirupoma Chetia.
  Sarada Boruah.
  Farida Khatun.

### Discuss Throw ( Beys )

Ist. : Hemanta Kardong.
2nd. : Tuwa kanta Toye.
3rd. : Konchang Borgohain.

### Discuss Throw (Girl's)

Ist. : Madhukrishna Deori.
3nd. : Pinumoni Gogoi.
3rd. : Lucky Borbora.

### Shot Put (Boby's)

Ist. : Rajkiron Kardong.
2nd : Bhakta Hazarika.
3rd. : Md. Mohibulla.

### Shot put (Girl's)

Ist. : Miss Lucky Borborah.
2nd. : Miss Reboti Mili.

### Javlelin Throw ( Boy's )

Ist. : Konchang Borgohain.
2nd. : Jyotiprasad Misong.
3rd. . Hemanta Hazarika.

### Javelin Throw ( Girl's )

Ist. : Anima Gogoi
2nd. : Arati Sonowal.
3rd. : Minalini Sonowal.

### High Jump ( Boy's )

Ist. : James Karkatta.
2nd. : Tanuj Handique.
3rd. : Saylen Kuli

### High Jump ( Girl's )

Ist. : Anima Gogoi.
2nd. : Manima Boruah.
3rd. : Pinumoni Gogoi.

### Long Jump. ( Boy's )

Ist. : Dharmendra Changmai.
2nd. : Chandra Kanta Sonowal.
James Karkatta.
3rd. : Rajkiron Kardong.

### Long Jump ( Girl's )

Ist. : Anima Gogoi.
2nd. : Karuna Hazari.
3rd. : Pinumoni Gogoi.

### Go As you like

Ist. : Prafulla Kalita.
2nd. : Anima Gogoi.
3rd. : Diganta Phukan.

### Best, Girls Athlete in Athletices :

**MISS ANIMA GOGOI**

ইয়াৰ ওপৰিও আন্ত ঃ মহাবিদ্যালয়ৰ এথেলেটিকৰ প্ৰতিযোগিতা সমূহ ২৪।১২।৯১ ৰ পৰা ২৬।১২।৯১ তাৰিখলৈকে অনুস্থিত হৈছিল আৰু ইয়াত আমাৰ মহাবিদ্যালয়ে যোগদান কৰি ৫ টা বিভাগত বিজয়ী হৈ পুৰস্কৃত হয়। তলত পুৰস্কাৰ সমূহ উল্লেখ কৰা হ'ল।

**2nd Prize** - Dibru College ( March Past )
**2nd Prize** - 100 miters Hardol's race.
Miss Anima Gogoi. ( Women )
**2nd Prize** - 1500 mitrs race ( Women )
Miss Pronita Mili.
**3rd Prize** - Broad Jump ( Women )
Miss Anima Gogoi
**3rd Prize** : 800 mtrs race (Women)
Miss Pronita Mili.
**9th Position** 10,000 mtrs. race (Men)
Sri Mohon Jemay.

— সঞ্জীৱ গগৈ

## শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ ৯০-৯১

সামান্য বেঙনি আগবঢ়াব বিচাৰোঁ ডিব্ৰু মহাবিদ্যালয়ৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে কাৰণ আমাৰ বৰ্ত্তমান জীৱন বৃথা হলেও বিভাগীয় কৰণীয় কিছু দায়িত্বত থাকে। আশা কৰোঁ মোৰ সামান্য অভিজ্ঞতাৰে পুষ্ট সাধন কৰিবলৈ ভবিষ্যতেও সম্ভ্ৰম হিতাকাংক্ষীয়ে সহাঁৰি জনাব।

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ শৰীৰ চৰ্চা বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দীতাৰে বিজয়ী হৈ উৎফুল্লিত হৈ পৰিলোঁ যেতিয়া সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু আৰু হিতাকাংক্ষী ৰাইজৰ শলাগ লবই লাগিব কাৰণ তেওঁলোকৰ সহাঁৰিৰ অবিহনে এই অভাজনৰো জীৱন বৃথা আছিল।

এতিয়া আমি বুজি উঠিছোঁ যে মানুহে মানুহ-ৰূপে জীয়াই থাকিবলৈ সু-স্বাস্থ্যৰো আৱশ্যক। সু-স্বাস্থ্যৰ অবিহনে মানুহৰ পুষ্টিসাধন হব নোৱাৰে। সেয়েহে বৰ্তমান জনমানসত খেলা-ধূলা, ব্যায়াম আদি বিস্তৃত ভাৱে প্ৰসাৰতা লাভ কৰিছে। শিক্ষাৰ এটা অবিচ্ছেদ্য অংশ হিচাপে শৰীৰ চৰ্চাক চৰকাৰেও গুৰুত্ব আৰোপ কৰিছে। গতিকে আমিসবে ইয়াক গ্ৰহণ কৰি চৰ্চাক্ষেত্ৰত নিজেও উঠিপৰি লাগি আনকো উদগণি দিয়াৰ বাবে সাজু হ'ব লাগে। এতিয়া এই অভাজনে কেৱল প্ৰতিবেদন লিখি ৰাইজক পঢ়ুৱালেও নহ'ব তাৰ বাবে লাগিব ৰাইজৰ তথা উদ্যোগীলোকৰ সুস্থ পৰামৰ্শ।

কিন্তু দুখৰ বিষয়! বিশেষকৈ আমাৰ অসম তথা ভাৰতবৰ্ষত খেলা-ধূলাক প্ৰাধান্য দিয়া দেখা পোৱা নাযায়। যেনেকৈ এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ উচ্চ শিক্ষাৰ জৰিয়তে এগৰাকী বিশিষ্ট ব্যক্তি কৰি তুলিব পাৰে ঠিক যেনেকৈ এগৰাকী খেতিয়কেও তেওঁৰ শ্ৰমৰ বিনিময়ত এজন বিশিষ্ট খেতিয়ক ৰূপে নিজকে গঢ় দিব পাৰে। ঠিক তেনেকৈ নিজৰ চৰ্চাৰ বিনিময়ত এজন খেলুৱৈয়েও নিজকে বিশিষ্ট কৰি তুলিব পাৰে। তাৰ বাবে লাগিব মাত্ৰ একাগ্ৰতা আৰু কৰ্তব্যনিষ্ঠাৰ প্ৰকৃত মনোভাৱ। নিজৰ গুণখিনিৰ বাবে সকলোৱে সমানেই বিশিষ্ট। আমাৰ সমাজত কিছুমান ভুল ধাৰণাও আছে। একেজন লোকে কেইবাটাও কামত সমানে আগবাঢ়িব

নোৱাৰে হেনো, কিয় নোৱাৰিব ? নোৱাৰাৰ কাৰণ থাকিব পাৰে যদিও তাৰ বাবে সেইলোকজনহে জগৰীয়া হব পাৰে। আগেয়েই কৈছোঁ যে নিজৰ কামৰ প্ৰতি লোকজনৰ স্পৃহা থাকিব লাগিব। অবাবত সময় খৰচ নকৰি নিজৰ বিষয় কেইটাৰ ওপৰত সময়মতে চৰ্চা কৰিলে সকলোবোৰ বজাই ৰাখিব পাৰে। আমি সকলোৱে জানো যে দেহা থাকিলেহে বেহা। সচাঁ কথা, এটা সুস্থ শৰীৰৰ অবিহনে মানুহৰ জীৱনটো অসাৰ। জীৱনটো সুখৰ আৰু ৰঙীন কৰি তুলিবলৈ হ'লে আমাক এটা স্বাস্থ্য বাম দেহা অৰ্থাৎ সতেজ মন লাগিব। আমাৰ শৰীৰটো ভগৱানে দিছে কিন্তু তাৰ দায়িত্ব বহন আমি নিজেই কৰিব লাগিব।

অন্যহাতেদি আমাৰ মহাবিদ্যালয়ত শৰীৰ চৰ্চা বিভাগটো আছে যদিও ইয়াৰ প্ৰসাৰতা লাভ কৰা দেখা পোৱা নাই বুলিব পাৰি। কাৰণ আমাৰ বিভাগটোৰ প্ৰতি স্পৃহা খুউব কম দেখা যায়। যি ধৰণেৰে জাগ্ৰত হব লাগিছিল, হৈ উঠা নাই। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ চৰ্চাৰ বাবে উপযুক্ত সুবিধাকনো লাগে। প্ৰকৃত উদ্যোগী লোক আৰু উপযোগী চৰ্চাৰ আহিলা যোগান নাপালে সচাঁকৈয়ে ছাত্ৰ-ছাত্ৰীৰ মন নবহে। বিশেষকৈ মহাবিদ্যালয়ৰ অধিবেশনতেই প্ৰতিযোগীৰ সংখ্যা কম। কেনেকৈ হব ? য'ত সেই শিক্ষাৰ স্থলী নাই, শিক্ষক নাই, সঁজুলি নাই--- কেৱল নাইৰ মাজেদি বিভাগটো চলাব নোৱাৰি। ঘৰত বুকুফিন্দাই কামিহাড় উলিয়াই গা-গৰম কৰি আহি প্ৰতিযোগিতাত অংশ ল'ব নোৱাৰি। সমস্যাৰে জৰ্জৰিত হৈ পেটত গামোছা বান্ধি বিশেষকৈ আজিৰ দিনত কিবা এটা কৰাটো অসম্ভৱ। অৱশ্যে তাৰ মাজেদিও যদি হয় তেনেহলে সিও বিৰাজমান।

কিন্তু এই অভাজনে বিভাগটো উন্নতৰ কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা চলোৱা হৈছিল। কিমান দূৰ আগবাঢ়িলোঁ বা কিমান বিফলতাৰ মুখ দেখিলোঁ তাৰ বিচাৰ আপোনাসৱৰহে। জীৱনত প্ৰথম বাৰৰ বাবে এই গুৰু দায়িত্ব পালন কৰি কিবা এটা নতুনত্বৰ সৃষ্টি কৰি যোৱাৰ মানসেৰে আগবাঢ়ি আহিছিলোঁ আপোনাসৱৰ আশীষ শিৰত লৈ। মোৰ পক্ষে এই দায়িত্ব অতি গধুৰ যেন লাগে। কাৰণ আমিবোৰ একেবাৰেই অনভিজ্ঞ। এতিয়া শিকিবলৈ আহিছোঁ শিকিমেই কিবা এটা কৰিব লাগে আমি কৰিমেই এই মনোভাবেৰে সুস্থ বিবেচনাৰে আগবাঢ়িব বিচাৰোঁ।

অন্ধকাৰাচ্ছন্ন আকাশৰ তলত থাকি আমি জীয়াই জীয়াই মৰাতকৈ কিবা এটা কৰি যোৱাই শ্ৰেয়ঃ। আঠুকাঢ়ি জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেষ্ঠ বুলি ভাবো। এতিয়া নিবিড়-নিৰৱ সময়। শুধ বগা পাখিৰে বিশাল আকাশৰ কথা চিন্তা কৰিব লাগে তাৰেই কামনা।

আমি মানুহ হিচাপে আছোঁ যেতিয়া দহৰ বাবেও চিন্তা কৰি জনসমাজৰ বাবে কান্দি কান্দি আঁতৰি যোৱা মহান সকললৈ মোৰ অন্তৰভৰা শ্ৰদ্ধা নিবেদিছোঁ। মোক উতঃপ্ৰোতঃভাবে সহায় আগবঢ়োৱা গুৰু শ্ৰীযুত প্ৰাণজিত দেউৰী দেৱলৈ শলাগ ললোঁ।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্জ্বল কামনা কৰিলোঁ।

শ্ৰী ভাস্কৰ সোনোৱাল
সম্পাদক, শৰীৰ চৰ্চা বিভাগ

## ছাত্ৰ জিৱনী কোঠাৰ সম্পাদকৰ ঃ

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাস্পদ শিক্ষাগুৰু বৃন্দলৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰা লগতে যি সকল ছাত্ৰ-ছাত্ৰীৰ অশেষ কষ্ট তথা সহায় সহযোগত মোক মহাবিদ্যালয়ৰ ছাত্ৰ জিৱনী কোঠাৰ সম্পাদকৰ বাবে অধিষ্ঠিত কৰি মহাবিদ্যালয়খনিৰ উন্নতি হকে সেৱা আগবঢ়াবৰ বাবে সুবিধা দিলে সেই সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ হৃদয়িক অভিনন্দন জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যভাৰ গ্ৰহন কৰা পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অতি ক্ষীপ্ৰভাৱে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হয়। প্ৰতিযোগিৰ আৰ্কষনীৰ অংশগ্ৰহন তথা খেলুৱৈ সূলভ মনোভাৱ সচাঁকৈয়েই আমাক প্ৰেৰনা যোগাইছিল। মোৰ কাৰ্য্যকালতে টেবুল টেনিছ বিভাগত প্ৰথমবাৰৰ বাবে দলীয় (Teams) খেল আৰম্ভ কৰা হয়। সেইটো নিশ্চয় আপোনালোকৰ অবিদিত নহয়। এই প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ কেইবাজনো খেলুৱৈয়ে ব্যক্তিগত খেলত যোগদান কৰি সফল হব নোৱাৰিলেও উন্নত মানৰ খেল প্ৰৰ্দশন কৰিছিল।

এইখিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো ক্ষেত্ৰত সহায় সহযোগ পৰামৰ্শ দি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাৰ্য্য কৰি যাবলৈ বিশেষ ভাৱে উদগনি দিয়া শিক্ষাগুৰু শ্ৰীযুত লক্ষন বৰা ওচৰত মই চিৰ কৃতজ্ঞ। সততে মোৰ ওচৰত থাকি বিভিন্ন কামত সহায় সহযোগ আগবঢ়োৱা বন্ধু ভৱানন্দ, ৰূপম, ৰাতুল, প্ৰদীপ, গৌতম, ৰাজু, দেৱ, চন্দন, ভাস্কৰ, জয়ন্ত, ভৱেশ, বিশ্বজ্যোতি, অৰূপ, দিলীপ, আদিলৈ মোৰ হিয়াভৰা মৰম থাকিল।

শেষত মোৰ অনিচ্ছাকৃত ভূলৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো। আশা ৰাখিছো ভৱিষ্যতৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ধাৰাবাহিকতাতকৈ অধিক সবল তথা গৌৰৱ উজ্জ্বল নেতৃত্বৰ দ্বাৰা মহাবিদ্যালয়ৰ পৱিত্ৰতা আৰু সন্মান উজ্জ্বলময় হওঁক। মোৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ বাষিক সপ্তাহত আয়োজিত খেল ধেমালিত সফলতা অৰ্জন কৰা ছাত্ৰ সকলৰ নাম তলত উল্লেখ কৰা হল।

- টেবুল টেনিছ :
  চিংগলচ চেম্পিয়ন ঃ প্ৰথম - আবাহন টিকিৰ
  ৰাৰ্নাচ আপ ঃ দ্বিতীয় - অঞ্জনযুক্তি শৰ্মা
- টেবুল টেনিছ :
  ডাবুলচ চেম্পিয়ন ঃ প্ৰথম - অঞ্জনযুক্তি শৰ্মা।
  প্ৰথম - বেণিণ জৰ্জ।
  ৰাৰ্নাচ আপ ঃ দ্বিতীয় - প্ৰদীপ লাহন।
  দ্বিতীয় - অঞ্জন সোনোৱাল।
- ডবা চেম্পিয়ন :
  প্ৰথম - শ্ৰীদিলীপ কুমাৰ দিহিঙ্গীয়া
  ৰাৰ্নাচ আপ ঃ দ্বিতীয় - ইলফান চুলতান
- কেৰম প্ৰতিযোগিতা :
  চিংগলৰ চেম্পিয়ন ঃ প্ৰথম - প্ৰদীপ সোনোৱাল।
  দ্বিতীয় - চেত্ৰী।
  তৃতীয় - ৰাজু তালুকদাৰ।

## ঃ ছাত্ৰী জিৱনী কোঠাৰ সম্পাদিকাৰ ঃ

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা, বন্ধু বান্ধৱীলৈ মোৰ শতসহস্ৰ প্ৰণিনাত জনালো। ১৯৯০-৯১ চনত বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰী জিৱণী কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত হোৱাৰ সুবিধা দিয়াৰ বাবে মই ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে ধন্যবাদ জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ এনে এটা গধূৰ দায়িত্ব পালনত মই কিমানখিনি সফল হব পৰিছো সেইয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত।

খেল-ধেমালি মানৱ সমাজৰ এটা অবিচ্ছেদ্য অংগ। খেল-ধেমালিয়ে মানুহৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন কৰে। মহাবিদ্যালয়ত খেলৰ সামগ্ৰী (কম পৰিমানে) থকা স্বত্তেও ছাত্ৰীসকলৰ নিজা এটা জিৱনী কোঠাৰ অভাৱ। ই আমাৰ দীৰ্ঘদিনীয়া অভাৱ। এই অভাৱৰ ফলত ছাত্ৰী সকলে পাঠদান নথকাৰ সময়ত বাৰান্দাত বৈ থাকিব লগীয়া হয়। এইয়া কতৃপক্ষৰ অবিদিত নহয়।

আমাৰ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ' বিগত কেইবছৰৰ দৰেই এইবাৰো ৪।২।৯১ ৰ পৰা

১১।২।৯১ লৈ উলহ মালহেৰে পালন কৰা হয়। উক্ত সপ্তাহত ভালেসংখ্যক প্ৰতিযোগী ছাত্ৰীৰ সহযোগীতাৰে মোৰ বিভাগৰ অন্তৰ্গত বিভিন্ন (বেডমিণ্টন, ডবা, কেৰম, টেবুল - টেনিছ) প্ৰতিযোগিতা সমূহ সুন্দৰভাৱে অতিবাহিত হয়। এইখিনিতে মহাবিদ্যালয় সপ্তাহত আন্তঃবিভাগৰ অন্তৰ্গত প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰা খেলুৱৈ সকলৰ নাম উল্লেখ কৰিছো।

□ বেডমিণ্টন

প্ৰথম : শ্ৰীমতী বৰ্নালী সোনোৱাল।
দ্বিতীয় : ” ” ফৰিদা খাতুন।

□ বেডমিণ্টন দলীয় ভাৱে

প্ৰথম : শ্ৰীমতী বৰ্নালী সোনোৱাল
শ্ৰীমতী জয়শ্ৰী দেউৰী।
দ্বিতীয় : শ্ৰীমতী ৰঞ্জুকোঁৱৰ
শ্ৰীমতী ৰূপাৱতী বড়া।

□ বেডমিণ্টন লৰাছোৱালী দলীয় ভাৱে

প্ৰথম : শ্ৰী ত্ৰৈলোক্য গগৈ
শ্ৰীমতী বৰ্নালী সোনোৱাল।
দ্বিতীয় : শ্ৰী বিশ্বজ্যোতি বৰা
শ্ৰীমতী ৰিনা গগৈ
তৃতীয় : শ্ৰী প্ৰদীপ লাহন
শ্ৰীমতী মনীছা বড়া।

□ কেৰম

প্ৰথম : শ্ৰীমতী পুষ্পাঞ্জলী সন্দিকৈ।
দ্বিতীয় : শ্ৰীমতী মনীছা বড়া।

□ কেৰম দলীয় ভাৱে

প্ৰথম : শ্ৰীমতী ৰঞ্জু কোঁৱৰ
শ্ৰীমতী ৰূপৱতী বড়া।
দ্বিতীয় : শ্ৰীমতী মনীছা বড়া
শ্ৰীমতী তনুজা শইকীয়া।

□ কেৰম ল'ৰা - ছোৱালী যুটীয়া ভাৱে

প্ৰথম : শ্ৰী ৰাজু তালুকদাৰ
শ্ৰীমতী ৰূপা কোঁৱৰ।
দ্বিতীয় : শ্ৰী দীপেন ফুকন
শ্ৰীমতী পুষ্পাঞ্জলী সন্দিকৈ।

□ ডবা

প্ৰথম : শ্ৰীমত মনীছা বড়া।
দ্বিতীয় : শ্ৰীমতী গায়ত্ৰী দেৱী।

□ টেবুল - টেনিছ

প্ৰথম : শ্ৰীমতী তনুজা শইকীয়া।
দ্বিতীয় : শ্ৰীমতী মনীছা বড়া।

প্ৰতিবেদনৰ সামৰণিত মোৰ এবছৰীয়া কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা আমাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদক সকল আৰু যিসকল বন্ধু - বান্ধৱীয়ে মোৰ খেলসমূহ পৰিচালনা কৰি বিশেষভাৱে সহায় কৰিছিল তেওঁলোক সঞ্জীৱ গগৈ, প্ৰদীপ গগৈ, সীমান্ত বৰুৱা, ৰাতুল বুঢ়াগোহাঁই, কুশল হাজৰিকা, অপূৰ্ব চুতিয়া, ইমদান আলি, বিতু পাচনী, দিলীপ দিহিঙ্গীয়া, ভূপেন হাজৰিকা, সঞ্জীৱ বৰা, ধ্ৰুৱজ্যোতি আৰু বহুতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰম।

শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

ধন্যবাদেৰে

শ্ৰী দিলিপ কুমাৰ দিহিঙ্গীয়া সম্পাদক,
ছাত্ৰ জিৱনী কোঠা।
শ্ৰীমতী ৰঞ্জু কোঁৱৰ সম্পাদিকা,
ছাত্ৰী জিৱনী কোঠা



□ ENGLISH SECTION : VOL : XIV. ○ DIBRUAN. ○ 1990 - 91. □

★ CONTENTS :


- The New Industrial Policy and the Prospects of Industrialisation in India. —*Dr. Romiza Khatun.*
- Conversion of Saline water into Fresh Water. —*Prof. Sarbjeet Ojha.*
- A Street - Girl *(Poem)* —*Prof. D. N. Mondal.*
- Conservation of Energy and Use of Non - Conventionel Sources. —*Suresh Gogoi.*
- LIFE : What Gita says about life. —*Monoranjan Borman.*
- Arithmetrical Operation in Hindu Mathematics. —*Prof. P. K. Chetia Phukan.*
- Nuclear Fission and Fusion in Brief. —*Monjeet Borthakur.*

# The Dibru College—Past and Present

*Prof. N. L. Borgohain*
M. A. (G. U.) M. A. (D. U.)
LL B, (D. U.)
Vice-principal and the
Head of Deptt. of History.

About 28 years ago some enthuastic young educated men led by Shri N. L. Borgohain M. A. (Double) LLB, Shri Saifuddin Ahmed M.A, LLB, Sri Safauddin Ahmed M. Com, LLB, Keshab Sarma, M.A. Shri Sarat Borkakaty M. A., Prabhat Borpujari M. A. LLB., Bipin Sarma B. A. and Sri Nagen Das and some others took a momentous decision to start a new College in the town and to mobilise public support for this purpose.

The first public meeting was convened by Shri N. L. Borgohain at Amolapatty Natya Mandir, Dibrugarh, on 25th September, 1962 which was presided over by late Govin Chandra Sarma, B. A., B. T. (Rtd. Headmaster, now Bgmibor Nilmoni Phukan Higher Secondary School). The public meeting promptly endorsed the proposal for the estabiishment of a new College and a Strog Working Committee representing various Shades of Public men with Dr. Rudra Goswami, the then Vice-Principal, Assam Medical College, Dibrugarh, as President and Shri Nilmoni Borthakur as Secretary with Shri N. L. Borgohain and Saifuddin Ahmed as Joint Secretaries. It is heartening to mention that the people of Dibrugarh and its neighbouring villages gave their whole-hearted support for the establishment of the College and as a result the academic session began functioning from 16th August, 1963 in the premises of the Ceorge Institution with Pre-University Arts and T.D.C. 1st year Arts & Commerce with a total enrolment of 131 students. The inaguration ceremony was performed by late Bajdya Nath Mukherjee, the then Ministee in-charge of Health and excise, Govt. of Assam.

The preliminary organisional works were done in an office housed at the residence of late Siva Nath Sarma, Chiringchapari, Rtd. D. I. of Schools, Dibrugarh for more than one year Meanwhile Sri Nilmoni Borthakur resigned as the Secretary on his personal grounds and the working committee authorised the Joint Secretaries to act for the collegee.

Mean while the College Working Committee took a decision to constitute an Ad-hoc Governing Body for managing the affairs of the college and as such a public meeting was convened by Shri N. L. Borgohain on 26th May, 1963 in the premises of the Bengali Boys' High School which was presided over by Shri Achini Charan Choudhory. An Ad-hoc Governing Body was constituted with Sri Dharmananda Das, I. A. S, the then Commissioner of Assam, Upper Assam Circle, Dibrugarh, as President, Shri N. L. Borgohain and Shri Safauddin Ahmed as Joint Secretaries with 24 representatives as members, Dr. M. N. Bhattacharyya, Principal, Assam Medical College, Dibrugarh, became the Working President of the Ad-hoc Governing Body.

Shri N. L Borgohain who is now senior most Professor was acting as the Principal in-charge till Sri B, N. Jamuar Joined on 7-12-63. It may be mentioned here that many sincere teachers offered their honorary services in the initial stages of the college and mention may be made of Prof. Sarat Borkakati, Prof. Prabhat Borpujari, Prof. Keshab Sarma, Prof. Sunilesh Bargohain, Prof. Saifauddin Ahmed, Prof. Riazuddin Ahmed, Prof. Safauddin Ahmed, Prof. G. B. L. Sastri (now retuired) Prof. Bipin Borgohain, P. Pandey, Prof. M.N. Gogoi, Prof. Jadav Barua, Prof. M. Ahmed, Prof. Rama Dutta, Prof. Haren Bhumig, Prof. H. Chutia, Prof. Ajit Barua, Prof, Prasanna Sharma, Prof. Lekha Dutta, Abu N. Borah, R. K. Debnath, Prof. L. C. Goswami, Prof. D. L. Borgohain, Prof. Kunja Deori, offered part-time services in the initial stages of the service section.

In the middle of 1964 the College was shifted to Indoor Stadium, Chowkidinghee and then to its own site in 1970. In the year 1965 the science section was added with Pre-University science and later upgraded it to the Degree level with the permission of the Dibrugarh University. Meanwhile the College authorties could manage to aquire about 6 ( six ) Bighas of land from M/s Jalan Industries, Dibrugarh, and had begun construction of the college building ther on.

The Government first sanctioned an Ad-hoc Grant of Rs. 1000/- (one thousand) only per month with effect from April, 1965 and the same continued till February, 1968. Later on, the Govt. was pleased to enhance the grant to Rs. 3500/- P.M. and the same was allowed to continue till the Arts and Commerce sections were brought under the defict system of grant in aid in December, 1972. The Science Section as continued from the academic Session of 1965-66 was also brought under the Defict System of grant-in-aid in September, 1974.

The Ad-hoc Governing Body





Continued to function till the formation of a first regular Governing Body vide Govt. Letter No. ECI 21/67/33 dt 6-4-68 with the following members.

1. Shri Naba Kumar Dutta— President.
2. „ B. N. Jamuar— Principal and Secretary.
3. Dr. M. N. Bhattacharyya— Member.
4. Shri Indreswar Khound MLA— „
5. The Inspector of Schools, L. D. C. Dibrugarh, Member.
6. Dr. M. N. Khanna } University
7. Dr. M. N. Bhattacharyya } nominees Members.
8. Prof. N. L. Borgohain— Member, }
9. „ Saifuddin Ahmed - „ } Teachers' representatives.
10. Shri B. C. Bhattacharyya— Guardians' representatives.
11. Shrimati Narmada Choudhury—
12. Shri Indreswar Sharma— Advocate-Public representative.

